দৈনন্দিন বাৰ্তা দ্বাদশ বছৰ ■ সংখ্যা ২৭৯ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১৯ মে’, ২০২২, ৪ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

প্ৰধান মংত্ৰী আৱাস যোজনা-গ্ৰামীণ
Pradhan Mantri Awas Yojana-Gramin

सत्यमेव जयते

অসম চৰকাৰ
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

Azadi Ka Amrit Mahotsav



## প্ৰধানমন্ত্ৰী আৱাস যোজনা- (গ্ৰামীণ) ৰ অধীনত

# ৫ লাখ হিতাধিকাৰীলৈ


## গৃহৰ আবন্টন আৰু পুঁজি প্ৰদান অনুষ্ঠান

২০২৪ চনৰ ভিতৰত
সকলোৰে বাবে আৱাসগৃহ

মুখ্য অতিথি
**ড° হিমন্ত বিশ্ব শৰ্মা**
মাননীয় মুখ্যমন্ত্ৰী, অসম

সন্মানীয় অতিথি
**শ্ৰীযুত গিৰিৰাজ সিং**
মাননীয় কেন্দ্ৰীয় মন্ত্ৰী,
গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰালয়

সন্মানীয় উপস্থিতি
**শ্ৰীযুত ৰণজিৎ কুমাৰ দাস**
মাননীয় মন্ত্ৰী,
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী,
খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা,
সাধাৰণ প্ৰশাসন বিভাগ, অসম





Janasanyog/DF/402/22

সময় ঃ দিনৰ ১০:০০ বজা | তাৰিখ ঃ ১৯ মে’, ২০২২
স্থান ঃ ক’ৰ্ট ফিল্ড, যোৰহাট

# চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ নথকাৰ সুযোগত পৰিচালনা সমিতিৰ লুণ্ঠনৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শৌলমাৰী, ১৮ মে' ঃ** বঙাইগাঁও জিলাৰ চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা ও উন্নয়ন সমিতিৰ বিৰুদ্ধে যোৱা কিছু দিন ধৰি বিভিন্ন অভিযোগ উত্থাপন হোৱা পৰিলক্ষিত হৈছে । বিশেষ কাৰণবশতঃ বিদ্যালয়খনৰ অধ্যক্ষ নুৰ মহম্মদক বিভাগীয়ভাৱে নিলম্বিত কৰে । কিন্তু তাৰ পিছতে বিদ্যালয়খনৰ প্ৰতি পূৰ্বতকৈ অধিক দায়িত্ব বাঢ়ে বিদ্যালয় পৰিচালনা সমিতিৰ। কিছুদিন পিছত যদিও বিদ্যলয়খনত এজন বিষয় শিক্ষকক অস্থায়ীভাৱে দায়িত্ব দিয়ে। পূৰ্বতকৈ বেছি খেলি-মেলি হোৱাৰ অভিযোগ উত্থাপন হৈছে। অধ্যক্ষজন নিলম্বিত হোৱাৰ পাছত বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয়খন পৰিচালনাৰ বাবে পূৰ্বতকৈ অধিক গুৰুত্ব প্ৰদান কৰে। বিশেষ সূত্ৰত জানিব পৰা মতে ২০২০-২১ বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ ঐক্য পোছাকৰ নামত আনুমানিক ৩,৬০,০০০ টকা চৰকাৰে আবন্টন দিয়ে । কিন্তু তেনে সময়তে বিদ্যালয়খনৰ অধ্যক্ষ বিভিন্ন অভিযোগৰ ভিত্তিত নিলম্বন হৈ থাকে আৰু তাৰ পিছতেই পৰিচালনা সমিতিৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীৰ ঐক্য পোছাকৰ কাম আৰম্ভ হয়। বিভিন্ন মহলৰ পৰা উত্থাপিত অভিযোগ মতে বিদ্যালয় পৰিচালনা সমিতিৰ একাংশ ব্যক্তিয়ে বৰপেটা জিলাৰ কোনোবা এটা এজেঞ্চীৰ সৈতে মোটা অংকৰ লেন-দেনৰ বিনিময়ত ঐক্য পোছাকৰ কাম ঠিকাত দিয়ে। ছাত্ৰ-ছাত্ৰীৰ পোছাকসমূহ যোগান ধৰাত বহু পলম হোৱাৰ বাবে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল মেট্ৰিক পৰীক্ষা দি বেলেগ বিদ্যালয়লৈ গৈ নাম ভৰ্তি কৰে। ইফালে পলমকৈ কাপোৰ যোগান ধৰাৰ বাবে পূৰ্বৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হয়। পৰৱৰ্তী সময়ত বিভাগীয় কৰ্তৃপক্ষৰ কঠোৰ নিৰ্দেশত ছাত্ৰ-ছাত্ৰীৰ পোছাকৰ কাম খৰতকীয়াকৈ কৰাৰ বাবে অতি নিম্নমানৰ কাপোৰেৰে ছাত্ৰ-ছাত্ৰীৰ জোখ-মাখ নোলোৱাকৈ নামমাত্ৰ কাপোৰৰ যোগান ধৰে। কাপোৰসমূহ বিতৰণ কৰাৰ পাছত দেখা যায় যে কাপোৰবোৰ অতিকৈ নিম্নমানৰ আৰু জোখ-মাখ নোলোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শৰীৰৰ লগত খাপ নাখায়। মন কৰিবলগীয়া কথা হ'ল যে অধ্যক্ষ নিলম্বন হৈ থকাৰ সুযোগতে পৰিচালনা সমিতিয়ে লুটি-পুতি খোৱাৰ ধান্দা কৰিছে নেকি ছাত্ৰ-ছাত্ৰীৰ নামত তথা বিদ্যালয়ৰ বিভিন্ন কামত অহা ধনসমূহ। ইফালে বিদ্যালয়খনত ১০০ শতাংশ মুছলমান সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী থকাৰ বাবে ৰমজান মাহত মধ্যাহ্ন ভোজন বন্ধ ৰাখে। সেইসমূহ মধ্যাহ্ন ভোজনৰ সামগ্ৰী ঈদৰ দুদিন আগত বিতৰণ কৰে প্ৰস্তাৱ লৈ। কিন্তু উত্থাপিত অভিযোগ মতে প্ৰস্তাৱত ১৮ দিনৰ সামগ্ৰী বুলি লিখি মাত্ৰ ১৩ দিনৰ সামগ্ৰীহে বিতৰণ কৰে বুলি অভিযোগ উত্থাপন হোৱা দেখা গৈছে। এই সম্পৰ্কে বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দাখিল কৰিছে স্থানীয় সচেতন যুৱকে । আন এক উত্থাপিত অভিযোগ মতে ২০১৭ চনৰ পৰা ডিএলএড কেন্দ্ৰ হয় বিদ্যালয়খন । যাৰ বাবে বিদ্যালয়খনলৈ চৰকাৰে ৫,২৪,০০০ টকা আবন্টন দিয়ে । কিন্তু সেই টকাও বিদ্যালয় পৰিচালনা সমিতিয়ে পাকে-প্ৰকাৰে হৰলুকী কৰাৰ কথা ৰাইজৰ মাজত চৰ্চিত হৈ আছে যদিও এতিয়ালৈকে স্পষ্ট হোৱা নাই। মুঠতে উত্থাপিত অভিযোগৰ ভিত্তিত ক'ব পৰা যায় যে বিদ্যালয়খনৰ স্থায়ী অধ্যক্ষ নথকাৰ বাবে পৰিচালনা সমিতিয়ে কাকো কেৰেপ নকৰাকৈ নিজৰ খেয়াল-খুচি মতে বিদ্যালয়খন পৰিচালনা কৰি আছে আৰু সেই বাবে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হবলৈ ধৰিছে। বিশেষ সূত্ৰে জানিব পৰা যায় যে ছাত্ৰ-ছাত্ৰীসকলক যি ঐক্য পোছাক যোগান ধৰা হৈছিল সেই পোছাকবোৰ অভিভাৱকসকলে মানি নোলোৱাৰ বাবে পোছাকবোৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়ত ঘূৰাই দিব। কিন্তু কি কাৰণত বিদ্যালয় পৰিচালনা সমিতিৰ বিৰুদ্ধে ইমান অভিযোগ উঠিছে অঞ্চলবাপী! সঁচাকৈয়ে অধ্যক্ষ নথকাৰ সুযোগ লৈ ব্যক্তিগত লাভৰ লালসাত বিপথে পৰিচালনা কৰিছে নেকি বিদ্যালয়খন! পৰিচালনা সমিতিৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ কিমান দূৰ সত্য সেয়া বিভাগীয় কৰ্তৃপক্ষৰ উচিত তদন্তৰ পিছতহে পোহৰলৈ আহিব । সেয়ে স্থানীয় সচেতন ৰাইজ তথা অভিভাৱকসকলে শিক্ষামন্ত্ৰীৰ সুদৃষ্টি কামনা কৰিছে বিদ্যালয়খনলৈ।

তামাৰহাটত বছৰৰ প্ৰথমটো বানত থানবান কৃষকৰ সপোন

# হেজাৰ হেজাৰ বিঘা ধান-মৰাপাটৰ খেতি পানীৰ তলত

কৃষকৰ মাজত হাহাকাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৮ মে' ঃ** যোৱা কেইবা দিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ধুবুৰী জিলাৰ মাজেৰে বৈ যোৱা গদাধৰ নদীৰ পানী ফেনে-ফোটোকাৰে ওফন্দি উঠি নদীৰ কাষৰীয়া অঞ্চলসমূহ বুৰাই পেলোৱাত বিস্তীৰ্ণ অঞ্চল পানীৰ তলত বুৰ যোৱাৰ ফলত থানবান হৈছে কৃষকৰ সপোন । অঞ্চলটোৰ হাজাৰ হাজাৰ বিঘা ইৰি ধান আৰু মৰাপাটৰ খেতি পানীত ডুব যোৱাত হাহাকাৰ কৰিব লগীয়া হৈছে কৃষকসকলে। বানপানীৰ ফলত ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলৰ লগতে বিশেষকৈ জিলাখনৰ তামাৰহাট থানা তথা গোলকগঞ্জ ৰাজহ চক্ৰৰ অন্তৰ্গত উত্তৰ কাচখানা গাঁওখন সম্পূৰ্ণৰূপে পানীৰ তলত ডুব যোৱাত গাঁওখনৰ হেজাৰ হেজাৰ বিঘা ইৰি ধান, মৰাপাটৰ খেতিৰ লগতে শাক-পাচলিৰ খেতি নষ্ট হৈ যায় । গাঁওখনৰ অধিকাংশ পৰিয়াল কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰ কৰি পৰিয়াল পোহপাল দিয়ে। প্ৰায় তিনি মাহ পূৰ্বে খেতি কৰা ইৰি ধানসমূহ বৰ্তমান পকিবলৈ আৰম্ভ কৰিছে । মুৰৰ ঘাম মাটিত পেলাই খেতি কৰা ইৰি ধানসমূহ চপোৱাৰ আগমুহূৰ্ততে বানপানীয়ে বুৰাই পেলোৱাত মুৰে-কপালে হাত দিবলগীয়া হৈছে গাঁওখনৰ কৃষক ৰাইজে । অতি কষ্টৰে খেতি কৰা ইৰি ধানসমূহ বানপানীত ডুবি নষ্ট হৈ যোৱাত ভৱিষ্যতে ল'ৰা-ছোৱালীক লৈ পৰিয়ালক কেনেকৈ পোহপাল দিব তাকে লৈ চিন্তা কৰিছে ভুক্তভোগী কৃষকসকলে । উল্লেখ্য যে সংহাৰী বানপানীত অঞ্চলটোৰ ৰাইজ কক্‌বকাই আছে যদিও সিঁহতৰ খবৰ ল'বলৈ আহৰি নাই জনপ্ৰতিনিধি আৰু ধুবুৰী জিলাৰ কৃষি বিভাগৰ । অতি সোনকালে খেতিপথাৰসমূহ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত কৃষকসকলক ক্ষতিপূৰণ দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস

# মৰিগাঁও জিলা আছুৰ উদ্যোগত ৫০০ জনীয়া অভ্যৰ্থনা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৬ মে' ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ২০২২ বৰ্ষৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস ১৯ আৰু ২০ জুন তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁও জিলাত অনুষ্ঠিত হ'ব। আজি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, মৰিগাঁও সদৰ ছাত্ৰ সন্থা আৰু ৰাইজৰ সহযোগত বিষ্ণু ৰাভা দিৱস উদযাপনৰ বাবে এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধীয়ে এই সন্দৰ্ভত এক প্ৰেছ বিবৃতিযোগে কয় যে- সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসটি মৰিগাঁও জিলাত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱাত আমি সুখী হৈছোঁ। আজি মৰিগাঁও জিলাৰ সকলো প্ৰান্তৰ পাঁচ শতাধিক সৰ্ববৰহী ব্যক্তি, জাতীয় দল-সংগঠনৰ বিষয়ববীয়াৰ উপস্থিতিত এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। উপস্থিত আটাইৰে সন্মতিক্ৰমে মৰিগাঁৱৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তিত্ব, অৱসৰপ্ৰাপ্ত শিক্ষক পোনাৰাম নাথক সভাপতি, অতনু কুমাৰ শৰ্মা আৰু নৰ নাথক কাৰ্যকৰী সভাপতি, আছুৰ উপ-সভাপতি উৎপল শৰ্মাক সাধাৰণ সম্পাদক আৰু দিপুল কুমাৰ নাথ, ৰূপজ্যোতি মেধীক যুটীয়া সম্পাদক হিচাপে বাছনি কৰা হয়। পৃষ্ঠপোষক হিচাপে ৰখা হয় মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা আৰু সদৌ তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপক আমছকক। অভ্যৰ্থনা সমিতিৰ কাম-কাজবোৰ সক্ৰিয়ভাৱে আগবঢ়াই নিবলৈ ব্যৱস্থাপনা সমিতি, সাংস্কৃতিক সমিতি, অতিথি আদৰণি সমিতি, অতিথি সম্বৰ্দ্ধনা আৰু সেৱা সমিতি, খাদ্য আৰু আপ্যায়ন সমিতি, স্মৃতিগ্ৰন্থ সমিতি, তোৰণ সমিতি, পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু মাল্যাৰ্পণ সমিতি, মঞ্চসজ্জা আৰু মণ্ডপ সমিতি, প্ৰচাৰ সমিতি, পৰিবহণ সমিতি, শৃংখলা আৰু পোহৰ সমিতি, স্বেচ্ছাসেৱক সমিতি, চিকিৎসা সমিতি আৰু স্বচ্ছতা-সৌন্দৰ্যবৰ্দ্ধন সমিতি হিচাপে ১৫ খন উপ-সমিতিও গঠন কৰা হয়। আজি আমাক উপসভাপতি তথা অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক উৎপল শৰ্মাই জিলাবাসী ৰাইজৰ সহায়-সহযোগ কামনা কৰি কয় যে- অভ্যৰ্থনা সমিতিৰ গঠনৰ সভাত জিলাখনৰ সৰ্বস্তৰৰ ৰাইজৰ স্বতঃস্ফূৰ্ত সঁহাৰিয়ে আমাক উৎসাহিত কৰিছে। ৰাইজৰ অভিভাৱকত্ব আৰু সহায় অবিহনে এই অনুষ্ঠান সম্ভৱপৰ নহয়। অহা ১৯, ২০ জুনত ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃবৰ্গৰ লগতে প্ৰায় দুই শতাধিক অতিথিয়ে অংশ ল'ব। তেখেতসকলক আদৰিবলৈ আমি সাজু হৈছোঁ। জিলাখনৰ ৰাইজৰ সহায়-সমৰ্থনত বিষ্ণু ৰাভা দিৱসটি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিবলৈ আমি আজিৰে পৰাই আন্তৰিকতাৰে সৈতে কাম-কাজ আগবঢ়াই যাম।

ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত মূৰমেলাত বড়ো মাধ্যম দিৱস পালন

# জাতি এটা জীয়াই থাকিবলৈ হ'লে নিজস্ব ভাষা-সংস্কৃতি লাগিব ঃ তৰেন বড়ো

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৮ মে' ঃ** ওদালগুৰি জিলাৰ পানেৰী থানাৰ অন্তৰ্গত মূৰমেলা হাইস্কুলত আজি ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত বড়ো মাধ্যম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯ বজাত বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ভেৰগাঁও



জিলা বড়ো সাহিত্য সভাৰ সভাপতি বুদ্ধেশ্বৰ বড়োৱে, পুষ্পাঞ্জলি অৰ্পণ কৰে সহ:সভাপতি মতিলাল বসুমতাৰীয়ে, শ্বহীদ তৰ্পণ কৰে প্ৰদীপ বড়োৱে। ১০ বজাত কবিতা আৰু চুটিগল্প পাঠ অনুষ্ঠান মুকলি কৰে মূৰমেলা হাইস্কুলৰ প্ৰধান শিক্ষক কামেশ্বৰ বড়োৱে। আনহাতে কবিতা আৰু চুটিগল্প পাঠ অনুষ্ঠান পৰিচালনা কৰে ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ সভাপতি বুদ্ধেশ্বৰ বড়োৱে। নবীন-প্ৰবীণ কবি আৰু লেখকসকলৰ সাহিত্য অনুষ্ঠান পৰ্যালোচনা কৰে কবি তথা গল্পকাৰ প্ৰাণেশ্বৰ বৰনাৰ্জীয়ে। উক্ত অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো উপস্থিত থাকি মুখ্য অতিথিৰ ভাষণৰ প্ৰসংগত জাতি এটা জীয়াই থাকিবলৈ হ'লে নিজস্ব ভাষা-সংস্কৃতি লাগিব বুলি মত প্ৰকাশ কৰে। আনহাতে অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট বড়ো সাহিত্যিক ৰীতা বড়ো।

# মেডিচিটী গুৱাহাটীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ মে' ঃ** উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ তথা বিশেষভাৱে আৰু বিশিষ্টৰূপে দৈনিক চিকিৎসা সেৱা আগবঢ়োৱা এক আগশাৰীৰ চিকিৎসা সেৱা প্ৰতিষ্ঠান মেডিচিটী গুৱাহাটীয়ে আগত ২২ মে' দেওবাৰে আয়োজন কৰিছে এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ। ভিন্ন ধৰণৰ বৰ্দ্ধিত স্বাস্থ্যজনিত সমস্যালৈ চকু ৰাখি মেডিচিটীয়ে এই সজাগতামূলক স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰিছে। এই শিবিৰত সৰ্বমুঠ ৯টি বিভাগৰ বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকিব, যাৰ দ্বাৰা আপুনি আপোনাৰ অথবা আপোনাৰ আপোনজনৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰিবলৈ সক্ষম হ'ব। যিহেতু মাজে-সময়ে নিজ স্বাস্থ্যৰ এনে পৰীক্ষা কৰাই থকাটো এক জৰুৰী স্বাস্থ্য-সচেতনতাই হয়, গতিকে বিনাদ্বিধাই মেডিচিটীলৈ আহক আৰু নিম্নোক্ত বিভাগৰ চিকিৎসকসকলৰ দ্বাৰা বিনামূলীয়াকৈ নিজৰ স্বাস্থ্য পৰীক্ষা কৰাওক। বিভাগকেইটা হৈছে ক্ৰমে- ১)গেষ্ট্ৰ'এন্টাৰ'লজী, ২)প্ৰসূতি আৰু স্ত্ৰীৰোগ, ৩)নাক,কাণ আৰু ডিঙিৰ ৰোগ, ৪)হাড়ৰ ৰোগ, ৫)হৃদৰোগ, ৬)মেডিচিন বা দৰৱ, ৭)শ্বাসতন্ত্ৰৰ ৰোগ, ৮)শল্যৰোগ, ৯)মধুমেহ বা ডায়েবেটিছ ৰোগ। ২২ মে' দেওবাৰে দিনৰ ১১ বজাৰ পৰা ৩ বজালৈকে আয়োজিত হ'বলগীয়া এই শিবিৰলৈ সকলোকে আমন্ত্ৰণ জনোৱা হ'ল। স্থান- আদিত্য মেডিচিটী, ডাউন-টাউন হাস্পতালৰ সমুখত।




# হাজোত গাঁও পঞ্চায়তৰ প্ৰতিনিধিৰ সৈতে বৈঠক সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৮ মে' ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কুলহাটী পাঁচগাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জোনালী ডেকা পাঠকৰ পৌৰোহিত্যত আজি গাঁও পঞ্চায়তৰ সমূহ প্ৰতিনিধি বৰ্গৰ সৈতে এখনি বিশেষ বৈঠক সম্পন্ন হয়। আজিৰ পঞ্চায়ত সভাপতি সকলৰ সৈতে হোৱা বিশেষ বৈঠকত উপস্থিত থাকে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া। সভাত পঞ্চায়তসমূহৰ বিভাগীয় কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক কাৰ্যপন্থা সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কাকতি, খণ্ড উন্নয়ন বিষয়া নন্দিতা চহৰীয়া, কুলহাটী পাঁচগাঁও পঞ্চায়তৰ সভানেত্ৰী পদুমী দাসকে প্ৰমুখ্য কৰি প্ৰায়সংখ্যক পঞ্চায়ত প্ৰতিনিধি, বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# ডলু চাহ বাগিচাৰ ২৫শ বিঘা ভূমিৰ ৩০ লাখ চাহগছ উচ্ছেদ কৰাৰ প্ৰতিবাদত ডিব্ৰুগড়ত আটছাৰ ধৰ্ণা

## শ্ৰমিকক নিৰ্যাতন কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বিৰুদ্ধে আন্দোলন তীব্ৰ কৰিব আটছাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ মে' ঃ** দুশ বছৰ পুৰণি কাছাৰৰ ডলু চাহবাগিচাৰ নিৰীহ শ্ৰমিকক ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে পুলিচ বাহিনীৰে দমন কৰি বাগিচাখনৰ ২৫০০ বিঘা ভূমিৰ ৩০ লাখ চাহগছ উচ্ছেদ কৰিবলৈ লোৱাৰ প্ৰতিবাদতত আজি ডিব্ৰুগড় উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সমৱেত হ'ল সহস্ৰাধিক চাহ শ্ৰমিক। আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা) ডিব্ৰুগড় জিলা সমিতি আৰু অসম চাহ জনজাতি মহিলা সমিতি(আটুৱা) ডিব্ৰুগড় জিলা সমিতিৰ যৌথ উদ্যোগত ডিব্ৰুগড় উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুই ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি ডলু চাহ বাগিচা উচ্ছেদ কৰিব লোৱাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰে চাহ শ্ৰমিক ৰাইজে। হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ডলু চাহবাগিচাৰ উচ্ছেদ বন্ধ কৰক, অসম চৰকাৰৰ পুলিচ বাহিনীয়ে লাঠি চালনা কৰি ডলু চাহবাগিচাৰ শ্ৰমিকৰ ওপৰত চলোৱা নিৰ্যাতন সহ্য কৰা নহ'ব, বিজেপি চৰকাৰ হায় হায়, বিমান বন্দৰ নিৰ্মাণৰ নামত চাহবাগিচা উচ্ছেদ কৰা বন্ধ কৰক আদি শ্ল'গানেৰে প্ৰতিবাদকাৰীসকলে ডিব্ৰুগড়ৰ আকাশ-বতাহ কঁপাই তোলে। ধৰ্ণা কাৰ্যসূচীৰ নেতৃত্ব প্ৰদান কৰি আটছা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাঘ আৰু সম্পাদক লখিন্দৰ কুৰ্মিয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে ডলু চাহ বাগিচাৰ ২৫শ বিঘা ভূমিৰ চাহগছ উচ্ছেদ কৰি শ্ৰমিকৰ পেটৰ ভাত কাঢ়ি লোৱাৰ যি চক্ৰান্ত কৰিছে সেয়া আটছাই কেতিয়াও সহ্য নকৰে। আটছা নেতা দুজনে তীব্ৰ অভিযোগ কৰি কয় যে বিগত সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড় বিশ্ব বিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয়, মোহনবাৰী বিমান বন্দৰ, অইল ইণ্ডিয়া লিমিটেড, অ'এনজিচি, বিচিপিএল, তৈল্যখাদ, এনআৰএল, আদি নিৰ্মাণৰ বাবে যি ধৰণে হাজাৰ হাজাৰ বিঘা ভূমিৰ চাহ গছ উচ্ছেদ কৰা হ'ল, ঠিক তেনে ধৰণে বৰাক উপত্যকাতো বৰাখাট চাহ বাগিচাৰ চাহ গছ উচ্ছেদ কৰি চিকিৎসা মহাবিদ্যালয়, দুৰগাকনা বাগিচা উচ্ছেদ কৰি অসম বিশ্ববিদ্যালয়, লবকা চাহ বাগিচা উচ্ছেদ কৰি নবোদয় বিদ্যালয়, দাৰবি বাগিচা উচ্ছেদ কৰি সৈনিক স্কুল, কুম্ভীৰগ্ৰাম বাগিচা উচ্ছেদ কৰি শিলচৰ বিমান নিৰ্মাণ কৰা হ'ল। গতিকে চাহ বাগিচাৰ উচ্ছেদৰ ফলত চাহ শ্ৰমিকৰ জীৱনত ভাবুকিৰ সৃষ্টি হৈ থকাৰ সময়তে হিটলাৰী কায়দাৰে পুলিচ বাহিনী আৰু ২০০টা বুলড'জাৰ লৈ শ্ৰমিকক লাঠিচালনাৰে দমন কৰি দমন ডলু চাহ বাগিচা উচ্ছেদ কৰি গ্ৰীন ফিল্ড বিমান বন্দৰ নিৰ্মাণ কৰিব লোৱা কাৰ্য চাহ শ্ৰমিক ৰাইজে কেতিয়াও সহ্য নকৰে বুলি উল্লেখ কৰি সময় থাকোতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই শ্ৰমিক বিৰোধী নীতি বন্ধ নকৰিলে চাহ শ্ৰমিকে বিজেপি চৰকাৰক ৰেহাই নিদিয়ে বুলি আটছা নেতা দুজনে উল্লেখ কৰে। আনহাতে ধৰ্ণা কাৰ্যসূচীত অংশ গ্ৰহণ কৰি আটছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বসন্ত কুৰ্মিয়ে লাখ লাখ চাহ শ্ৰমিকৰ জীৱন আৰু ভৱিষ্যৎ জড়িত থকা চাহ উদ্যোগসমূহ ধ্বংস কৰি বিজেপি চৰকাৰে পুঁজিপতিৰ স্বাৰ্থত চাহ শ্ৰমিকৰ পেটৰ ভাত কাঢ়ি ল'ব বিচাৰিছে বুলি উল্লেখ কৰি ডলু চাহ বাগিচাৰ শ্ৰমিকৰ ওপৰত কৰা নিৰ্যাতন আৰু চাহ গছ উচ্ছেদ প্ৰক্ৰিয়া বন্ধ নকৰিলে জংগী ৰূপত আন্দোলন তীব্ৰতৰ কৰা হ'ব বুলি আটছা নেতা গৰাকীয়ে বিজেপি চৰকাৰক সকীয়নি প্ৰদান কৰিছে। ধৰ্ণা কাৰ্যসূচীত আটছাৰ কেন্দ্ৰীয় সমিতিৰ নেতা লাজাৰ নন্দ, ললিত মাহিলী, মন্টু উৰাং, প্ৰমোদ বাৰলা, বাবুল চাহু, হেমন্ত কুজুৰ, আটুৱাৰ নেত্ৰী লিলি কৰ্মকাৰ আদিয়েও ডলু চাহ বাগিচা উচ্ছেদ কৰাৰ বাবে চৰকাৰক হুংকাৰ প্ৰদান কৰে। ধৰ্ণা কাৰ্যসূচীৰ অনন্তত আটছা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাঘ, সম্পাদক লখিন্দৰ কুৰ্মি, আটুৱা ডিব্ৰুগড় জিলা সমিতিৰ সভানেত্ৰী ৰাখী তাঁতী আৰু সম্পাদিকা সুমিত্ৰা উৰাঙৰ স্বাক্ষৰিত এখনি স্মাৰকপত্ৰ অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰি ডলু চাহ বাগিচাৰ উচ্ছেদ শীঘ্ৰে বন্ধ কৰা, ডলু চাহ বাগিচাৰ শ্ৰমিকৰ ওপৰত চলোৱা নিৰ্যাতন শীঘ্ৰে বন্ধ কৰা আৰু ঔদ্যোগীকৰণৰ নামত অসমৰ চাহ ধ্বংস কৰা চিৰকালৰ বাবে বন্ধ কৰিবলৈ চৰকাৰক দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত দুই সহস্ৰাধিক চাহ জনগোষ্ঠীৰ ৰাইজ উপস্থিত থাকে।


**Name Correction**

My Name is Habibar Rahman.. But in some of my Documents my name has been recorded as Md Habibar Rahman

Habibar Rahman
C/o:- Abdul Khalek
Vill: Keotkuchi
P.S.:- Barpeta
Pin:- 781309
Ph.- 9864333444


**LOST**

I have lost my H.S. Original Admit and Registration Certificate bearing Roll-0623 No-10199 & Registration No-17476 of 2020-21.

Anupama Biswas
D/O- Mohitosh Biswas
Vill- Kamrup
P.O.- Kamrup
Dist- Nagaon (Assam)
Ph.- 7002032155


## ৰাশিফলত আজিৰ দিনটো

৪ জেঠ, বৃহস্পতিবাৰ, ১৯ মে', ১৪২৯ ভাস্কৰাব্দ,
তিথি ঃ কৃষ্ণা চতুৰ্থী, নক্ষত্ৰ ঃ মূলা, জন্ম ৰাশি ঃ ধনু
সূৰ্যোদয়- ৪-৩৭-১৪ সূৰ্যাস্ত- ৫-৫৭-২২



■ **মেষ** ঃ গৃহত শুভকাৰ্য ■ **বৃষ** ঃ কৰ্মব্যস্ততা ■ **মিথুন** ঃ মানসিক সুখ ■ **কৰ্কট** ঃ বন্ধুলাভ ■ **সিংহ** ঃ উৎসৱত যোগদান ■ **কন্যা** ঃ আত্মীয়ৰ আগমন ■ **তুলা** ঃ ক্ৰীড়াত সুনাম ■ **বৃশ্চিক** ঃ শুভ সংবাদ ■ **ধনু** ঃ কৰ্মদক্ষতা ■ **মকৰ** ঃ শিল্পীৰ শুভ ■ **কুম্ভ** ঃ কৰ্মব্যস্ততা ■ **মীন** ঃ পদবী লাভ।

# শিৱসাগৰত মহাসতী ৰাধিকা সোঁৱৰণী সাংস্কৃতিক মঞ্চ, অসমৰ উদ্যোগত সতী ৰাধিকা স্মৃতি দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৮ মে' ঃ** জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা শান্তি সতী ৰূপে স্বীকৃত, নিজৰ দৃঢ়তা, সততা আৰু সুদৃঢ় বিশ্বাসৰ বলত অসম্ভৱকো সম্ভৱ কৰিবলৈ প্ৰচণ্ড সাহসেৰে আগুৱাই যোৱাৰ মনোবলৰ অধিকাৰী আৰু আৰ্তজনক উদ্ধাৰ কৰি অসমীয়া সমাজ-জীৱনৰ এগৰাকী সংস্কাৰী পতিব্ৰতা নাৰী ৰূপে পৰিচিত ৰাধিকা শান্তিৰ অৱদানক স্মৰণ কৰি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সোমবাৰে 'মহাসতী ৰাধিকা সোঁৱৰণী সাংস্কৃতিক মঞ্চ, অসম'ৰ সৌজন্যত তথা শিৱসাগৰ সামাজিক আৰু সংস্কৃতি জগতৰ সৈতে জড়িত কেইবাগৰাকী সক্ৰিয় সামাজিক কাৰ্যকৰ্তাৰ সহযোগত 'মহাসতী ৰাধিকা স্মৃতি দিৱস'টি শিৱসাগৰ যুৱদলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। উক্ত কাৰ্যসূচীত পুৱা ৯.০০ বজাত ধ্বজা উত্তোলন কৰা হয় । পুৱা ৯.২০ বজাত ৰাধিকা শান্তিৰ প্ৰতিচ্ছবিৰ সন্মুখত শান্তি স্তুতি আৰু বন্তি প্ৰজ্বলন কৰা হয়। পুৱা ৯.৩০ বজাত মহান কৈৱৰ্ত মনীষীসকলৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰা হয়। দিনৰ ১০.০০ বজাত সাংস্কৃতিক শোভাযাত্ৰা আৰু ১১.০০ বজাত মঞ্চ মুকলি কৰা হয় । দিনৰ ১১.৩০ বজাত কৈৱৰ্ত গৌৰৱোজ্জ্বল ইতিহাস বৰ্ণিত সমৱেত সংগীত পৰিৱেশন আৰু মহাসতীৰ প্ৰতিচ্ছবি ৰাজহুৱা উন্মোচন কৰা হয় । দিনৰ ১২.৩০ বজাত 'কৈৱৰ্ত নন্দিনী মহাসতী ৰাধিকা' নাট প্ৰদৰ্শন কৰা হয় । নাটখনিত 'মহাসতী ৰাধিকা' চলচ্চিত্ৰৰ অভিনেতা-অভিনেত্ৰীসকলে অভিনয় কৰে । আবেলি ১.০০ বজাত সমন্বয়ৰ এমুঠি অন্ন গ্ৰহণ আৰু আবেলি ২.০০ বজাত মুকলি আলোচনা সভা অনুষ্ঠিত হয় । পদ্মকান্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ আলোচ্য বিষয় আছিল 'শ্ৰীমন্ত শঙ্কৰদেৱৰ সামাজিক সাম্যবাদী আদৰ্শ আৰু মহাসতী ৰাধিকা'। বিয়লি ৩.০০ বজাত বিশিষ্ট অতিথিসকলৰ ভাষণ আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠিত হয়। বিয়লি ৪.০০ বজাত অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতি, শিক্ষা, ক্ৰীড়া আৰু সমাজ-জীৱনলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে মহাসতী ৰাধিকা কুলনন্দন, মহাসতী ৰাধিকা কুলনন্দিনী, মহাসতী ৰাধিকা সামাজিক সমন্বয়, মহাসতী ৰাধিকা সঙ্গীত সমন্বয় আৰু মহাসতী ৰাধিকা শিক্ষা সমন্বয় বঁটা প্ৰদান কৰা হয় । অসম চৰকাৰৰ মন্ত্ৰী পীযূষ হাজৰিকালৈ মহাসতী ৰাধিকা কুলনন্দন বঁটা সমাজকৰ্মী জিতু হাজৰিকাৰ হাতত প্ৰদান কৰা হয় । কুল গৌৰৱ বঁটা প্ৰদান কৰা হয় ভদ্ৰেশ্বৰ দাস, অতুল চন্দ্ৰ দাস, ভাস্কৰ জ্যোতি দাস, ৰাতু কুমাৰ দাস, জিতু হাজৰিকা, বীৰেন দাসক । কুলনন্দিনী বঁটা পাৰুল দেৱী দাস, শুৱলা দাসক আৰু স্বৰ্গীয় অঞ্জলি দাসক মৰণোত্তৰভাৱে তেখেতৰ বোৱাৰী প্ৰাপ্ত প্ৰভূতি বড়া দাসক এই বঁটা প্ৰদান কৰা হয় । মহাসতী ৰাধিকা সেতুবন্ধন বঁটা প্ৰদান কৰা হয় সাংসদ তপন কুমাৰ গগৈ, বিধায়ক অখিল গগৈ, সমাজসেৱক ইছমাইল হুছেইন, ভুৱনেশ্বৰ চুতীয়াক। মহাসতী ৰাধিকা সামাজিক বঁটা প্ৰদান কৰা হয় বসন্ত গগৈ, মানস সন্দিকৈ, মুনীন্দ্ৰ লাহন, প্ৰশান্ত গগৈ, পাৰ্থ বৰগোঁওাই, অংকুৰ শইকীয়া, ববী কাকতি, ডেস্বীৰাম পাংগিং আৰু হেমন্ত কুমাৰ গগৈলৈ । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মহাসতী ৰাধিকাৰ স্মৃতি দিৱসটিৰ আঁত ধৰে পিংকী লিকচন দাসে। উপস্থিত থাকে মহাসতী ৰাধিকা সোঁৱৰণী সাংস্কৃতিক মঞ্চৰ কেন্দ্ৰীয় সভানেত্ৰী পাৰুল দেৱী দাস, কাৰ্যকৰী সভাপতি পদ্মকান্ত দাস, প্ৰধান সম্পাদক পঙ্কজ হাজৰিকা, সহযোগী সম্পাদক অমৃত ৰঞ্জন দাস, সুনীল দাস, অনুষ্ঠানৰ উদ্‌যাপন সমিতিৰ সভাপতি জিতু হাজৰিকা, কাৰ্যকৰী সভাপতি পঙ্কজ হাজৰিকা, সহযোগী সম্পাদক অমৃত ৰঞ্জন দাস, সুনীল দাস, কাৰ্যকৰী সভাপতি বিনোদ দাস, যুটীয়া সম্পাদক দুলাল দাস, গুঞ্জন দাসৰ লগতে বহুতো নিমন্ত্ৰিত অতিথি তথা কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# চাপৰমুখৰ ৰঙালী বিহু উৎসৱ স্থগিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৮ মে' ঃ** চাপৰমুখ আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ২০ আৰু ২১ মে'ত চাপৰমুখত অনুষ্ঠিত হ'বলগীয়া বিহু উৎসৱ ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অনিৰ্দিষ্ট কালৰ বাবে পিছুৱাই দিয়া হৈছে। আজি এক প্ৰেছ বিবৃতিযোগে বিহু উদ্‌যাপন সমিতিৰ সম্পাদক দীপমণি দাসে এই কথা জানিবলৈ দিছে।

# বইটামাৰীৰ ধলাগাঁও বজাৰত দিন-দুপৰতে বাইক চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ১৮ মে' ঃ** বঙাইগাঁও জিলাত বৰ্তমানো বাইক চুৰি চক্ৰ সক্ৰিয় হৈ আছে । বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত নৰ্থ বইটামাৰীৰ ধলাগাঁও বজাৰৰ পৰা আজি দিন-দুপৰতে এখন বাইক চুৰি হয় । প্ৰাপ্ত তথ্য মতে, অঞ্চলটোৰ বাঁশবাৰী গাঁৱৰ ভৃগু কুমাৰ বৰ্মন নামৰ যুৱকজনে দুপৰীয়া এক মান বজাত ধলাগাঁও বজাৰলৈ বজাৰ কৰিবলৈ এ এছ-১৯কে-৭১৪১ নম্বৰৰ ক'লা ৰঙৰ হিৰ' স্প্লেণ্ডাৰ বাইকখন লৈ গৈছিল । বাইকখন ৰখাই থৈ বজাৰ কৰিবলৈ যুৱকজন ভিতৰলৈ সোমাই গৈছিল । বজাৰ কৰি উভতি আহি বাইকখন যথাস্থানত নেদেখি বিচাৰ-খোঁচাৰ কৰে আৰু পিছত চুৰি হোৱা বুলি নিশ্চিত হয় । বাইকখন যুৱকজনৰ পিতৃ ডালিম বৰ্মনৰ নামত পঞ্জীয়ন আছিল । বাহনখনৰ চেছিছ নম্বৰ MBLJARO30H9L22757 আৰু ইঞ্জিন নম্বৰ JAO5EGH9L23104 । ইফালে দিনদুপৰতে এনেদৰে বাইক এখন চুৰি হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে । উল্লেখ্য যে পূৰ্বেও জিলাখনৰ বিভিন্ন সাপ্তাহিক বজাৰ এলেকাৰ পৰা দিনদুপৰতে বাইক চুৰি হৈ আহিছিল যদিও ৰাজ্য চৰকাৰ তথা আৰক্ষী অপৰাধীৰ ক্ষেত্ৰত কঠোৰ হোৱাত বাইক চুৰিৰ সংখ্যা কিছু হ্ৰাস পাইছিল । এতিয়া পুনৰ বাইক চুৰি চক্ৰ সক্ৰিয় হৈছে । ৰাইজে আৰক্ষী-প্ৰশাসন তথা চৰকাৰক বাইক চুৰি চক্ৰৰ বিৰুদ্ধে কঠোৰ হ'বলৈ আহবান জনাইছে।


No.DJK 36/2022/521

**NOTICE INVITING e-TENDER**

The Superintendent, District Jail, Karimganj, Assam invites e-Tenders in two Bid System (Technical Bid & Financial Bid) affixing Court Fee Stamp of Rs. 8.25 from the Supplier/Firms/ Dealer for supply of dietary and non-dietary articles (i.e. Group-A.B.C.D and E) requires for the Financial Year 2022-23 through the e-Tender portal https://assamtenders.gov.in on or before 23-05-2022 upto 1.00 P.M.

The tender documents/Bid indicating the details of specification of the dietary articles, term and condition etc. can be download from the Govt. website https://assamtenders.gov.in.

Rates slabs for online Tender Processing Fees : Rs. 600/- for Group -"A", Rs. 40/- for Group-"B", Rs. 100/- for Group "C", Rs. 100/- for Group "D" and Rs. 40/- for Group "E".

The participating bidders should have valid Digital Signature Certificate of Class-II (minimum) & have to register in the portal https://assamtenders.gov.in.

Last Date & Time for online submission Tenders 23-05-2022 upto 1.00 PM.
Last Date & Time for submission of Hard Copy of Technical Bid 23-05-2022 upto 1.00 P.M.
Date & Time of opening e-Tenders 23-05-2022 at 2.30 PM.

Sd/-
Superintendent
District Jail, Kamrup

Janasanyog /C/2574/ 22


খাৰুপেটীয়াত ভয়ংকৰ মাৰপিটৰ ঘটনা

# দা-লাঠিৰ আক্ৰমণত গুৰুতৰভাৱে আহত পুৰুষ-মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ১৮ মে' ঃ** দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ২ নং গলন্দি গাঁৱত বুধবাৰে সংঘটিত হয় এক ভয়ংকৰ মাৰপিটৰ ঘটনা । দা-লাঠিৰ আক্ৰমণত গুৰুতৰ ভাৱে আহত মোজাম্মিল হকৰ পুত্ৰ হাৰুনল ৰশ্বিদ , ফজৰ হক, বাহাৰুল ইছলাম, পুত্ৰবোৱাৰী মাহমুদা বেগম আৰু ভিৰফুল নেছা । কেইবাদিনো ধৰি ধাৰাসাৰ বৰষুণৰ ফলত হোৱা পানী নলা খান্দি হাৰুনল ৰশ্বিদৰ ঘৰৰ ফালে উলিয়াই দিয়াত বাধা প্ৰদান কৰে হাৰুনল ৰশ্বিদ আৰু পত্নী মাহমুদা বেগমে । নলা খন্দাত বাধা প্ৰদান কৰাৰ বাবেই গাঁওখনৰ আৰফান আলীৰ পুত্ৰ আব্দুল মতিন, ওৱাহাব আলী, ৰেজ্জাক আলী, আব্দুল ৰেজ্জাকৰ পুত্ৰ ৰুহুল আমিন, তাছলিমুল, আব্দুল ছালামৰ পুত্ৰ ফকৰুদ্দিন, ফাৰুক আলী, আবু বক্কৰৰ পুত্ৰ আলিমুদ্দিন, আব্দুল ছালামৰ পুত্ৰ শ্বেখ ফৰিদ, আব্দুল লতিফৰ পুত্ৰ অবাইদুল্লাহকে আদি কৰি প্ৰায় ২০ জনীয়া এটা দলে হাতে হাতে দা-লাঠি লৈ উপৰ্যুপৰি আক্ৰমণ কৰে হাৰুনল ৰশ্বিদ আৰু পত্নী মাহমুদা বেগমৰ ওপৰত । দলটোৰ আক্ৰমণত লগে লগে মাটিত ঢলি পৰে পতি-পত্নী দুয়ো । আগবাঢ়ি যোৱাসকলৰ ওপৰতো প্ৰচণ্ড আক্ৰমণ চলায় দলটোৱে । ফলত হাৰুনল ৰশ্বিদৰ মূৰ ফটাৰ লগতে ভৰিত বেয়াকৈ আঘাত হয় । মাহমুদা বেগমৰ মূৰ ফটাৰ লগতে হাত ভাগে । আনহাতে হাৰুনল ৰশ্বিদ আৰু মাহমুদা বেগমক ৰক্ষা কৰিবলৈ আগবাঢ়ি যোৱাসকলৰ ওপৰত আক্ৰমণ কৰাত গুৰুতৰভাৱে আহত হয় আন তিনিজন । আটাইকে ততাতৈয়াকৈ খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয় যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসা কৰি উন্নত চিকিৎসাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে । উল্লেখযোগ্য যে পূৰ্বৰ পৰাই দুই পক্ষৰ মাজত চলি আহিছে ভূমিকেন্দ্ৰিক সংঘাত । উক্ত ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে অঞ্চলটোত।



গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



৩

দ্বাদশ বছৰ ■ সংখ্যা ২৭৯ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১৯ মে', ২০২২, ৪ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 279 Dainandin Barta ■ Guwahati, Thursday ■ 19 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


## নীলমণিক বহিষ্কাৰ

কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাক বহিষ্কাৰ কৰা হৈছে। দলবিৰোধী কাৰ্যত জড়িত থকাৰ অভিযোগত বুধবাৰে জাৰি কৰা এক নিৰ্দেশনাৰ জৰিয়তে তেওঁক দলৰ পৰা বিদায় দিয়া হৈছে। মন্ত্ৰীত্বৰ কালত সোঁৰে-বাঁৰে দুৰ্নীতিৰ ধনেৰে পাহাৰ গঢ়া আৰু নিজৰ পুত্ৰক বে-আইনী পথেৰে চাকৰিত মকৰল কৰি কুখ্যাতি অৰ্জন কৰি থৈছে এইজন প্ৰাক্তন মন্ত্ৰীয়ে।

## বেংগালুৰুত বান

কৰ্ণাটকৰ বেংগালুৰু চহৰত কৃত্ৰিম বানপানীয়ে জনজীৱন স্তব্ধ কৰিছে। পথৰ ওপৰত ৩-৪ ফুট পৰ্যন্ত পানী জমা হৈছে। ফলত দুজন প্ৰব্ৰজিত শ্ৰমিকে প্ৰাণ হেৰুওৱা বুলি কোৱা হৈছে।

## কংগ্ৰেছ ত্যাগ হাৰ্ডিক পেটেলৰ

গুজৰাট প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা ২৮বছৰীয়া যুৱনেতা হাৰ্ডিক পেটেলে বুধবাৰে কংগ্ৰেছ দলৰ পৰা পদত্যাগ কৰিছে। ২০১৯ চনত কংগ্ৰেছত যোগদান কৰা যুৱনেতাজনে দলৰ অধ্যক্ষ ছোনিয়া গান্ধীলৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰিছে। অৱশ্যে বিজেপিয়ে লিখি দিয়া অনুসৰি হাৰ্ডিকে কংগ্ৰেছৰ বদনাম গোৱা বুলি গুজৰাটৰ একাংশ কংগ্ৰেছীয়ে অভিযোগ কৰিছে।

# গুৱাহাটীত তিনি স্থানত ভূমিস্খলন

### ১৯টা পাহাৰৰ ৩৬৬ স্থান ভূমিস্খলনপ্ৰৱণ ঃ অনিৰ্দিষ্ট কাললৈ নৈশ ফেৰীসেৱা বন্ধ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** গুৱাহাটী মহানগৰত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱাৰ বাবে ফেৰী সেৱাসমূহ নৈশভাগত বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। বুধবাৰে আভ্যন্তৰীণ জলপৰিবহণ বিভাগে জাৰি কৰা এক নিৰ্দেশনাত সন্ধিয়া ৬ বজাৰ পিছত ব্ৰহ্মপুত্ৰৰ বক্ষত কোনো ধৰণৰ ফেৰী বা নাও চলাচল কৰিব নোৱাৰিব। এই নিৰ্দেশনা বাহাল থাকিব অনিৰ্দিষ্ট কালৰ বাবে। ইফালে মহানগৰত বিগত ২৪ ঘণ্টাত তিনিটা স্থানত ভূমিস্খলন হোৱা বুলি জিলা প্ৰশাসনে অৱগত কৰিছে। যোৱা কেইবাদিনো নেৰানেপেৰা বৰষুণ আৰু মহানগৰৰ নলা-নৰ্দমাসমূহ পানীৰে উপচি পৰাৰ লগতে একাংশ ৰাজপথ জলমগ্ন কৰি ৰাখিছে। সমান্তৰালভাৱে বৰষুণৰ খৰস্ৰোতা সোঁতে পাহাৰৰ মাটি খহাই আনিছে। ইয়াৰ বাবেই বুধবাৰৰ দিনটোত পুৱাৰ ভাগতে শৰণীয়া পাহাৰ, কামাখ্যা পাহাৰ আৰু খাৰঘুলি পাহাৰত ভূমিস্খলন হোৱা বুলি কোৱা হৈছে। জিলা প্ৰশাসনে আনকি পাণ্ডুৰ পৰা কামাখ্যালৈ নিৰ্মাণ ■ ৮ পৃষ্ঠাত



# জামিন পালে ইন্দ্ৰাণী মুখাৰ্জীয়ে



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** নিজৰ কন্যা সন্তান শ্বীনা বৰাক হত্যাৰ অভিযোগত প্ৰায় সাত বছৰ ধৰি মুম্বাই বাইকুলাৰ কাৰাগাৰত আবদ্ধ হৈ থকা ইন্দ্ৰাণী মুখাৰ্জীয়ে অৱশেষত উচ্চতম ন্যায়ালয়ৰ জৰিয়তে জামিন লাভ কৰিছে। ২০১৫ চনৰ আগষ্ট মাহত ইন্দ্ৰাণী আৰু তেওঁৰ শেহতীয়া স্বামী পীটাৰ মুখাৰ্জীক গ্ৰেপ্তাৰ কৰা হৈছিল। একাধিকবাৰ বিবাহত আবদ্ধ হোৱা ইন্দ্ৰাণীৰ প্ৰথম স্বামীৰ সন্তান আছিল শ্বীনা আৰু মিখাইল বৰা। উল্লেখ্য যে দহ বাৰকৈ জামিনৰ চেষ্টা চলোৱাৰ পিছত বুধবাৰে সফল হ'ল। ■ ৮ পৃষ্ঠাত

### অসমৰ বানপানীৰ বাবে সতৰ্কতা

# ত্ৰিপুৰাত পেট্ৰল, ডিজেল, ৰন্ধন গেছৰ চিলিণ্ডাৰ আদিৰ বিক্ৰীত নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** অসমৰ শেহতীয়া বানপানীয়ে উত্তৰ-পূবৰ বহুকেইখন ৰাজ্যৰ সৈতে পথ যোগাযোগ বিচ্ছিন্ন কৰি তুলিছে। ইয়াৰ বাবে ত্ৰিপুৰা চৰকাৰে ইন্ধনজাত সামগ্ৰীৰ বিক্ৰীত তাৎক্ষণিকভাৱে নিষেধাজ্ঞা আৰোপ কৰা বুলি প্ৰকাশ পাইছে। আগৰতলাৰ বিভিন্ন ইন্ধনৰ ডিপোসমূহত দীঘলীয়া শাৰী পাতিও গ্ৰাহকে পেট্ৰল বা ডিজেল লাভ কৰিবলৈ সক্ষম হোৱা নাই। ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনি ■ ৮ পৃষ্ঠাত

### মেঘালয়ত অনলাইন জুৱা

# কেচিনো মুকলি কৰাৰ চৰকাৰী সিদ্ধান্ত

### ৰাজহ সংগ্ৰহৰ লক্ষ্য

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** মেঘালয় চৰকাৰে ৰাজহ সংগ্ৰহৰ বাবে জুৱা, অনলাইন গেম, কেচিনো ব্যৱস্থা প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে ৰাজ্যখনত ডাবল গুটি, তীৰ খেল, লটাৰী আদি চলাই ৰখা হৈছে। এইক্ষেত্ৰত ৰাজ্যিক মুখ্যমন্ত্ৰী কনৰাড ছাংমাই বুধবাৰে মন্ত্ৰীসভাৰ এখন বৈঠকত এই সিদ্ধান্ত লোৱা বুলি প্ৰকাশ পাইছে। এই বিষয়ত মেঘালয়ৰ চৰকাৰী সিদ্ধান্ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সন্মুখত প্ৰয়োজনীয় অনুমতিৰ বাবে দাঙি ধৰা হ'ব বুলিও কোৱা হৈছে। একাংশ মন্ত্ৰীসভাৰ সদস্যই কেচিনো মুকলি কৰা, অনলাইন জুৱা বৰ্তাই ৰখা আদিৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰিছে। পৰ্যটকৰ মনোৰঞ্জনৰ বাবে ■ ৮ পৃষ্ঠাত

# ৰাজ্যৰ বিভিন্ন স্থানত অব্যাহত বানৰ সংহাৰ

### মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকাৰ হোজাইৰ বান অধ্যুষিত অঞ্চল পৰিদৰ্শন ঃ সাহায্যৰ তদাৰক ঃ যমুনামুখত বদৰুদ্দিন আজমলৰ সাহায্য বিতৰণ ঃ লগ দিলে সমাজসেৱী সংস্থা-সংগঠনে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৮ মে' ঃ** কপিলীৰ সংহাৰী বানৰ তাণ্ডৱ এতিয়াও অব্যাহত আছে । আজি চতুৰ্থ দিনাও হোজাই জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। ক্ৰমাৎ জটিল ৰূপ লোৱা হোজাই জিলাৰ বানাক্ৰান্তক উদ্ধাৰৰ বাবে সেনাবাহিনীৰ লগতে এনডিআৰএফ, এছডিআৰএফ মোতায়েন কৰাৰ সমানে স্থানীয় সমাজসেৱী সংস্থা-সংগঠনেও দিন-ৰাতি একাকাৰ কৰি মানুহক উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে । চৰকাৰী তথ্য মতে আজিৰ দিনলৈ হোজাই জিলাৰ ৮০খন গাঁও বানত ডুব যোৱাৰ লগতে লক্ষাধিক লোক আক্ৰান্ত হৈছে। ইয়াৰে জিলাখনৰ ডবকা ৰাজহ চক্ৰৰ ২০খন গাঁও প্লাৱিত হৈছে। ডবকা ৰাজহ চক্ৰৰ অন্তৰ্গত বিন্নাকান্দি, চাৰ্লক, বালিৰাম, ভেদৌআটী, পাতিদয়া, চাংমাজি মিকিৰগাঁও, এৰা কপিলী, কাঠকঠীয়া, ডেকেৰুৱা, নগএগ্ৰাপাম, পঠিয়াপাম, যমুনামুখ টাউন, কান্দুলীমাৰী আৰু কমাৰগাঁও, ভেৰভেৰী। ইয়াৰে চাৰ্লক, বালিৰাম, যমুনামুখ আৰু ■ ৮ পৃষ্ঠাত

### তামুলপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত বাক্সা জিলা আটছাৰ উত্তাল প্ৰতিবাদ

# চাহ বাগিচাৰ উচ্ছেদ আৰু শ্ৰমিকৰ ওপৰত অত্যাচাৰ বন্ধৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ মে' ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ আহ্বান মৰ্মে বাক্সা জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ উদ্যোগত আজি দুপৰীয়া তামুলপুৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰা হয়। উল্লেখ্য যে অলপতে অসম চৰকাৰে বিমান বন্দৰ নিৰ্মাণ আৰু আধুনিক ■ ৮ পৃষ্ঠাত




### কাৰণ 'ব্যক্তিগত'

## সহঃ ৰাজ্যপালৰ পদত্যাগ অনিল বাইজালৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** কেন্দ্ৰীয়শাসিত প্ৰদেশ দিল্লীৰ সহঃ ৰাজ্যপাল অনিল বাইজালে বুধবাৰে হঠাতে পদত্যাগ কৰিছে। দেশৰ ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দলৈ প্ৰেৰণ কৰা পদত্যাগ-পত্ৰত ব্যক্তিগত কাৰণত এনে সিদ্ধান্ত লোৱা বুলি ■ ৮ পৃষ্ঠাত

# কাৰামুক্ত হ'ল ৰাজীৱ গান্ধীৰ হত্যাকাৰী পেৰাৰীভালান

### তামিলনাডুৰ মুখ্যমন্ত্ৰী ষ্টেলিনৰ উষ্ম আদৰণি



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ হত্যাকাণ্ডত হত্যাকাৰীক বোমা আৰু বিস্ফোৰক সামগ্ৰী সৰবৰাহত সহায় কৰাৰ অভিযোগত বিগত ৩১ বছৰ কাৰাৰুদ্ধ হৈ আছিল এ জি পেৰাৰীভালাম নামৰ তামিল ব্যক্তিজন। ১৯৯১ত ৰাজীৱ হত্যাৰ সময়ত তেওঁৰ বয়স আছিল ১৯ বছৰ। এতিয়া কাৰাগাৰৰ পৰা ৫০ বছৰীয়া হৈ মুক্তিৰ নিৰ্দেশনা লাভ কৰিছে। বুধবাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ আই নাগেশ্বৰ ৰাওৰ ■ ৮ পৃষ্ঠাত

### অসম গোৰ্খা সন্মিলনৰ ত্ৰিবাৰ্ষিক অধিৱেশনত মুখ্যমন্ত্ৰী

# গোৰ্খাসকলৰ আৰ্থ-সামাজিক, শৈক্ষিক আৰু বৌদ্ধিক বিকাশৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ



### গোৰ্খা সম্প্ৰদায়ৰ জনসাধাৰণৰ উন্নয়নৰ বাবে ২৫ কোটি টকা ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ মে' ঃ** 'গোৰ্খা উন্নয়ন পৰিষদক অধিক শক্তিশালী কৰি গোৰ্খা সম্প্ৰদায়ৰ সৰ্বাংগীন বিকাশৰ বাবে ৰাজ্য চৰকাৰে এক সু-পৰিকল্পিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব। গোৰ্খা সম্প্ৰদায়ৰ জনসাধাৰণৰ বিকাশৰ বাবে ২৫ কোটি টকা প্ৰদান কৰাৰ লগতে শৈক্ষিক পৰিৱেশৰ উন্নয়ন সাধনৰ লক্ষ্যৰে নিকাছিস্থিত জ্ঞানপীঠ স্নাতক মহাবিদ্যালয়ত বিজ্ঞান অথবা বাণিজ্য শাখা অন্তৰ্ভুক্ত কৰিবলৈও অসম চৰকাৰে পদক্ষেপ ল'ব।' আজি বাক্সা জিলাৰ নিকাছিত ■ ৮ পৃষ্ঠাত




### স্থানীয় নিকায়ৰ নিৰ্বাচনত অ'বিচিৰ আসন সংৰক্ষণ

# উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিলে মধ্যপ্ৰদেশ চৰকাৰক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** উচ্চতম ন্যায়ালয়ে বুধবাৰে অন্যান্য পিছপৰা জনগোষ্ঠী তথা অ'বিচি সম্প্ৰদায়ৰ বাবে নিৰ্বাচনত আসন সংৰক্ষণৰ নিৰ্দেশনা প্ৰকাশ কৰিছে। মধ্যপ্ৰদেশৰ স্থানীয় নিকায়ৰ নিৰ্বাচনত এই নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ কোৱা হৈছে। ইয়াৰ লগে লগে ৰাজ্যখনৰ ■ ৮ পৃষ্ঠাত

### ত্ৰিপুৰাত সাংবাদিক গ্ৰেপ্তাৰ

## মুক্তিৰ দাবীত প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** আগৰতলাৰ এজন ভিডিঅ' সাংবাদিকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা কাৰ্যৰ বিৰুদ্ধে স্থানীয় সংবাদ মহল সৰৱ হৈ পৰিছে। মঙলবাৰে বিয়লিৰ ভাগত নিতাই দে' নামৰ এই সাংবাদিকজনক কেৰালা চৰকাৰে ইন্ধন বিক্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞাৰ বিষয়ে সংবাদ পৰিৱেশন কৰি আছিল। কিন্তু স্থানীয় আৰক্ষীয়ে ■ ৮ পৃষ্ঠাত

## গুজৰাটত খহিল কাৰখানাৰ দেৱাল মৃত ১২, মোদীৰ শোক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** গুজৰাটৰ মৰবি জিলাত বুধবাৰে পুৱাৰ ভাগতে সাগৰীয় নিমখ উৎপাদন কৰা এটা কাৰখানাৰ দেৱাল খহি পৰে। হালভাদ ঔদ্যোগিক পামৰ আছিল এই দেৱালখন। এই ঘটনাত ১২জন শ্ৰমিক আৰু ■ ৮ পৃষ্ঠাত

### তালিবানৰ ফতোৱা

## কাবুলত ৰাষ্ট্ৰসংঘৰ মহিলা কৰ্মীয়ে পৰিধান কৰিব লাগিব হিজাব

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** আফগানিস্তানৰ শাসকীয় তালিবানে এইবাৰ ৰাষ্ট্ৰসংঘৰ নাৰ্চ আৰু অন্যান্য সহায়কাৰী সংস্থাসমূহৰ মহিলা কৰ্মীসকলক হিজাব পৰিধান কৰাৰ বাবে ফতোৱা জাৰি কৰিছে। এই ঘটনাই সৃষ্টি কৰিছে ব্যাপক ■ ৮ পৃষ্ঠাত

# ৰাজ্য চৰকাৰৰ আৱাস-নগৰ উন্নয়নৰ দ্বাৰা নিৰ্মাণ কৰা প্ৰকল্প চাবলৈ গুৱাহাটীত উপস্থিত ১২ সাংসদ



**গুৱাহাটী, ১৮ মে' ঃ** গুৱাহাটীত অসম চৰকাৰৰ আৱাস আৰু নগৰ উন্নয়নৰ দ্বাৰা নিৰ্মাণ কৰা কেতবোৰ প্ৰকল্প কালি পৰিদৰ্শন কৰে ৰাজ্যসভা আৰু লোকসভাৰ ১২গৰাকী সাংসদে। গুৱাহাটী পৌৰ নিগমে ■ ৮ পৃষ্ঠাত

### ছয়মাইলৰ অত্যাধুনিক টইলেট পৰিদৰ্শন কৰি সন্তোষ সংসদীয় সমিতি দলৰ

### মেঘালয়ৰ মাজেৰে বৰাক উপত্যকালৈ পথ যোগাযোগ সুচল কৰি ৰখাৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্স

# বান সাহায্য আৰু উদ্ধাৰ অভিযান অধিক তীব্ৰতৰ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ



### সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ মে' ঃ** ৰাজ্যখনৰ সাম্প্ৰতিক বানপানীৰ পৰিপ্ৰেক্ষিতত বৰাক উপত্যকালৈ পথ যোগাযোগ সুচল কৰি ৰখা আৰু বানত ক্ষতিগ্ৰস্ত লোকসকললৈ সাহায্য প্ৰেৰণৰ দিশত যাতে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় সেই সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ সভাকক্ষৰ পৰা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে আলোচনাত মিলিত হয়। মেঘালয়ৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথেৰে বৰাক ■ ৮ পৃষ্ঠাত

## ডিমা হাচাওত অৱৰ্ণনীয় ধ্বংস ইণ্টাৰনেট-টেলিফোন সেৱা কৰ্তন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ মে' ঃ** ৰাজ্যৰ অন্যতম পাহাৰীয়া জিলা ডিমা হাচাওত হোৱা প্ৰাকৃতিক দুৰ্যোগ, বানপানী আৰু ভূমিস্খলনে অৱৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। ৰাজ্যৰ ■ ৮ পৃষ্ঠাত

## তেজপুৰত ড্ৰাগ্ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ মে' ঃ** মাতৃ-পুত্ৰ সহ তিনিটা নিষিদ্ধ ড্ৰাগছ সৰবৰাহকাৰীক পৰহি তেজপুৰ আৰক্ষীয়ে হাতেলোটে গ্ৰেপ্তাৰ কৰি জেল ■ ৮ পৃষ্ঠাত


## প্ৰাগ বছিমি ছিন্থেটিক লিমিটেড

পঞ্জীয়ন কাৰ্যালয় ঃ ঘৰ নং- ৪, অম্বিকাগিৰি নগৰ, মিলন পথ, আৰ জি বৰুৱা ৰোড, গুৱাহাটী-৭৮১০২৪

চিআইএনঃ এল১৭১২৪এএছ১৯৮৭পিএলচি০০২৭৫৮, ই-মেইলঃ secretarial@bosimi.com, ৱেবছাইটঃ www.pragbosimi.com

**৩১-০৩-২০২২ত সমাপ্ত অডিটেড কনচলিডেটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

লাখৰ হিচাপত

| ক্ৰ. নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১ মাৰ্চ ২০২২ (অডিটেড) | ৩১ ডিচেম্বৰ ২০২১ (আন অডিটেড) | ৩১ মাৰ্চ ২০২১ (অডিটেড) | অডিটেড ১২ মাহৰ সমাপ্তি এপ্ৰিল ২০২১-মাৰ্চ ২০২২ | অডিটেড ১২ মাহৰ সমাপ্তি এপ্ৰিল ২০২০-মাৰ্চ ২০২১ |
|---|---|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় | ৩৪০.৫৯ | ১৫৯.৭৪ | ৫১.১৭ | ৫৬৪.৩৭ | ২৭৯.৩৫ |
| ২ | লাভ/(লোকচান) এক্সেপচনেল আৰু টেক্স আইটেমৰ পূৰ্বে | (১,৩৭৫.৮২) | (৫৯১.৭১) | (৪৩৯.২৬) | (২,৪৮৮.৯৮) | (১,২১৮.৯৯) |
| ৩ | লাভ/(লোকচান) এক্সট্ৰা অৰডিনেৰী আইটেম আৰু টেক্সৰ পূৰ্বে | (১,৩৭৫.৮২) | (৫৯১.৭১) | (৪৩৯.২৬) | (২,৪৮৮.৯৮) | (১,২১৮.৯৯) |
| ৪ | লাভ/(লোকচান) অন্যান্য কাৰ্যৰ পৰা কৰৰ পূৰ্বে | (১,৩৭৫.৮২) | (৫৯১.৭১) | (৪৩৯.২৬) | (২,৪৮৮.৯৮) | (১,২১৮.৯৯) |
| ৫ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান) কৰৰ পিছত | (১,৩৭৫.৮২) | (৫৯১.৭১) | (৪৩৯.২৬) | (২,৪৮৮.৯৮) | (১,২১৮.৯৯) |
| ৬ | মুঠ অন্যান্য সামগ্ৰীক আয় উক্ত সময়ৰ কাৰণে | (১,৩৭৫.৮২) | (৫৯১.৭১) | (৪৩৯.২৬) | (২,৪৮৮.৯৮) | (১,২১৮.৯৯) |
| ৭ | আদায় দিয়া ইকুইটি শ্বেয়াৰ কেপিটেল (ফেচভেলু ১০/- টকা প্ৰতিটো) | ৭,৬৯৮ | ৭,৬৯৮ | ৭,৬৯৮ | ৭,৬৯৮ | ৭,৬৯৮ |
| ৮ | সংৰক্ষণসমূহ পুনৰ মূল্যায়ন সংৰক্ষণৰ বাহিৰে যেনেদৰে পূৰ্বৰ বিত্তীয় বৰ্ষৰ বেলেন্স চীটত আছে | - | - | - | (৬,১১৭.৩৩) | (৩,৬২৮.৩৫) |
| ৯ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (এক্সট্ৰা অৰডিনেৰী সামগ্ৰীৰ পূৰ্বে) (১০/- টকা মূল্য/প্ৰতিটো) | | | | | |
| | (ক) বেচিক ই পি এছ | (১.৭৯) | (০.৭৭) | (০.৫৭) | (৩.২৩) | (৩.২৩) |
| | (খ) ডায়লোটেড ই পি এছ | (১.৭৯) | (০.৭৭) | (০.৫৭) | (৩.২৩) | (৩.২৩) |

উপৰোক্ত তথ্যসমূহ চেবি এলঅ'ডিআৰ বিধি- ২০১৫ৰ ৰেগুলেচন-৩৩ ৰ অধীনত যোৱা ৩১ মাৰ্চ ২০২২ত সমাপ্ত কনচলিডেটেড অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ, ষ্টক এক্সচেঞ্জত দাখিল কৰা অনুসৰি। উক্ত সময়ৰ অডিটেড বাৰ্ষিক সমাপ্তি, ৩১ মাৰ্চ-২০২২ৰ ফলাফলসমূহ সম্পূৰ্ণকৈ উপলব্ধ আছে কোম্পানীৰ ৱেবছাইটঃ "www.pragbosimi.com" আৰু ষ্টক এক্সচেঞ্জৰ ৱেবছাইট ঃ www.bseindia.comত।

প্ৰাগ বছিমি ছিন্থেটিক লিমিটেডৰ হৈ
স্বাক্ষৰ/-
ৰোহিত পি ডোছি
ডিআইএন নং- ০০৪২৪৯৯৬
সঞ্চালক

স্থান ঃ মুম্বাই
তাৰিখ ঃ ১৭.০৫.২০২২


দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৯ মে' ■ ২০২২ ■ ৪ জেঠ ■ গুৱাহাটী

# ত্ৰিপুৰাত বিজেপি দল সমস্যাৰ সন্মুখীন হোৱাটো নিশ্চিত

বিৰোধী দলে বিজেপি অৰ্থাৎ শাসনাধিষ্ঠিত এনডিএ চৰকাৰক ওফৰাবৰ বাবে জল্পনা-কল্পনা কৰি থকাৰ সময়তে বিজেপি তথা এনডিএৰ বিপক্ষে আঘাত আহি পৰিলে। বিৰোধী দলৰ প্ৰধান দল কংগ্ৰেছে এইক্ষেত্ৰত বিজেপিক প্ৰতিহত কৰিব পৰা কোনো সুৰুঙা উলিয়াব নোৱৰাত পঞ্জাবত আম আদমি দলে চমুকৈ আপে চৰকাৰ গঠন কৰিবলৈ সক্ষম হোৱাত ৰাষ্ট্ৰীয় ৰাজনীতিত বিষয়টোৱে গুৰুত্ব লাভ কৰিছে। বিৰোধী আন দলে কংগ্ৰেছকে সকলো দোষ জাপি দিয়া পৰিলক্ষিত হৈছে। তৎসত্বেও বিৰোধীয়ে কংগ্ৰেছ দলটোক পুনৰুজ্জীৱিত কৰাৰ বাবে বিৰোধী দলবোৰে গুণাগঁথা কৰি থকাৰ সময়তে এনডিএ চৰকাৰৰ মুৰব্বী দল বিজেপিৰ এটা আসোঁৱাহে দলটোক বিপাঙত পেলোৱা দেখা গৈছে। সদায় দলৰ সাংগঠনিক দিশ মজবুত বুলি দম্ভ মাৰি অহা দলটোৰ শাসিত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীগৰাকীক ততাতৈয়াকৈ অপসাৰণ কৰি তেওঁৰ স্থলাভিষিক্ত কৰে ডাঃ মাণিক সাহাক। মুখ্যমন্ত্ৰী বিপ্লৱ দেবে পদত্যাগ কৰি দলৰ নিষ্ঠাৱান কৰ্মী আৰু দলে দিয়া দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰি পৰৱৰ্তী নিৰ্বাচনৰ বাবে ৰাজ্যখনত বিজেপিক মজবুত কৰাৰ বাবে কাম কৰি যাব। নৰেন্দ্ৰ মোদীৰ মাৰ্গ দৰ্শনত বাঁও শাসনৰ ওৰ পেলাই জনতাৰ সাধ্যানুসৰি সেৱা আগবঢ়োৱাৰ পাছত দলে তেওঁক সাংগঠনিক ভেটি মজবুত কৰাৰ দায়িত্ব দিছে। সেয়া যিয়েই নহওক যোৱা দুবছৰে একাংশ দলৰ বিধায়কে তেওঁৰ বিৰুদ্ধাচৰণ কৰি আহিছে। আনকি কেইজনমানে দল এৰি কংগ্ৰেছত যোগ দিছে। সেয়ে দলৰ কেন্দ্ৰীয় নেতৃত্বই তেওঁক দিল্লীলৈ তলব কৰে আৰু তাৰ পিছতেই ঘূৰি আহি ৰাজভৱনলৈ গৈ পদত্যাগ-পত্ৰ দাখিল কৰে আৰু তেওঁৰ স্থলাভিষিক্ত হয় ৰাজ্য সভাৰ সাংসদ তথা ৰাজ্যিক সভাপতি ডাঃ মাণিক সাহা। মূল কাৰণ দলীয় বিসম্বাদ আৰু ত্ৰিপুৰাত তৃণমূল কংগ্ৰেছৰ উত্থান। উল্লেখ্য যে পশ্চিমবংগত তৃণমূল কংগ্ৰেছে ক্ষমতাত অধিষ্ঠিত হৈয়ে প্ৰকাশ কৰিছিল ত্ৰিপুৰাৰ শাসনৰ দাবীদাৰ বুলি আৰু অহা বিধানসভাৰ কাৰ্যকাল অন্ত পৰাৰ পিছতেই তৃণমূল শাসনাধিষ্ঠিত হ'ব বুলি নিৰ্বাচনী বা-বতাহ বলিবলৈ আৰম্ভ কৰিছেই। কিন্তু এই বতাহ বিজেপিৰ অনুকূলে বোৱা নাই। কিন্তু ২০১৮ চনৰ নিৰ্বাচনত বিজেপিয়ে বাঁও মৰ্চাক উৎখাত কৰাৰ বাবে যি ধুমুহাৰ সৃষ্টি কৰিছিল 'চলো পাল্টা'ই শ্ল'গানৰ কেন্দ্ৰীয়, ৰাজ্য তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰিশ্ৰম। মন কৰিবলগীয়া যে 'নেডা'ৰ আহ্বায়কৰূপে ড° শৰ্মাই বাঁওমৰ্চা চৰকাৰখনৰ লগতে কংগ্ৰেছ দলৰ প্ৰতি জনতাৰ বিৰাগ ভাব জগাই ৬০ জনীয়া বিধানসভাৰ ৩৬খন আসন দখল কৰিলে। বাঁওমৰ্চাই যোল্লখন আসন লভিলে। কিন্তু দিন বাগৰাৰ লগে লগে ৰাজ্যবাসীয়েই নহয় খোদ বিজেপি দলৰ বিধায়কে মুকলিকৈ বিপ্লৱ দেবৰ বিৰুদ্ধে মাত মাতিলে। দলত উপ গোটৰ সৃষ্টি হ'ল। মূৰকত তিনিজনকৈ বিধায়কে মুখ্যমন্ত্ৰিত্বৰ দাবীদাৰ হ'ল। লগে লগে গৃহমন্ত্ৰী অমিত শ্বাহ আৰু সভাপতি নাড্ডাই সক্ৰিয়ভাৱে দায়িত্ব গ্ৰহণ কৰিলে। অৱশেষত উপ গোটৰ সমৰ্থনত মাণিক সাহাক মুখ্যমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰে। ই কিমান দূৰ সফল কাম হয় সেয়া মাৰ্চ মাহতহে গম পোৱা যাব। বাঁও মৰ্চাই শাসনৰ চেষ্টা চলাব ঠিকেই, আনফালে কংগ্ৰেছৰ দাবীদাৰো লক্ষণীয়, কাৰণ কংগ্ৰেছৰ সমৰ্থনত তৃণমূল দল আছে। লগতে ত্ৰিপুৰাৰ ভূমিপুত্ৰসকলেও নিজৰ স্থিতি বহলাবলৈ চেষ্টা কৰাটো স্বাভাৱিক। এনে ক্ষেত্ৰত শাসক দল অহা মাৰ্চৰ নিৰ্বাচনত সমস্যাৰ সন্মুখীন হোৱাটা খাটাং।



## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ মুকলি চিঠি

প্ৰতি,

মাননীয়, মুখ্যমন্ত্ৰী মহোদয়,অসম চৰকাৰ।

মহোদয়, সবিনয়ে আপোনাক জনাব বিচাৰো যে আমি চাকৰিৰ বয়স প্ৰায় শেষ হওঁ হওঁ অৱস্থাত থকা হাইস্কুল টেট উত্তীৰ্ণ দুৰ্ভগীয়া প্ৰাৰ্থী। দুটাকৈ হাইস্কুলৰ নিযুক্তিত আমি নিযুক্তি নাপালো। কাৰণ আমি আজিৰ পৰা প্ৰায় দুটা দশকৰ আগৰ স্নাতক। বৰ্তমানৰ নম্বৰৰ লগত আমাৰ নম্বৰৰ কোনো কাৰণতে তুলনা নহয়। শিক্ষক হোৱাৰ দুৰ্বাৰ হেঁপাহ বুকুত বান্ধি বহুত বেংকৰ ঋণ লৈ বি এড সম্পূৰ্ণ কৰিছিলো কেৱল শিক্ষক হোৱাৰ আশাত। দুটাকৈ টেট উত্তীৰ্ণ হোৱাৰ পাছতো নিযুক্তিৰ বাহিৰত উটিবলৈ সক্ষম নহ'লো। হাইস্কুল টেট ত গ্ৰেচ নম্বৰপ্ৰাপকসকলক বি এড নোহোৱাকৈ টেট দিয়াসকলৰ প্ৰতিও আপুনি যি সহানুভূতি প্ৰদান কৰিলে আমাৰ প্ৰতিও যদি সমান্য সহানুভূতি প্ৰদান কৰিলহেঁতেন আমাৰো সপোন এটা পূৰণ হ'লহেঁতেন। সঁচাকৈয়ে মহোদয়, টেট উত্তীৰ্ণ হৈ আমি বৰ্তমান হতাশাতহে ভুগিছো। হাজিৰা কৰিবলৈ যোৱা প্ৰতম টেট কিয় নিযুক্তি নাপালো তাৰহে কৈফিয়ৎ দিব লাগে সাধাৰণ মানুহক। সঁচা অৰ্থত আমি এক মানসিক যান্ত্ৰণাৰ মাজতহে জীয়াই থাকিব লগা হৈছে। আজিৰ তাৰিখত আপুনিয়ে সকলো। আপোনাৰ কথা শিলৰ ৰেখাস্বৰূপ। আপুনি যদি আমাৰ প্ৰতি সমান্য সহমৰ্মিতা প্ৰদৰ্শন কৰি হাইস্কুলৰ 3rd phaseৰ এটা ব্যৱস্থা কৰে আমি বৰ্তমান বৈ যোৱা টেট উত্তীৰ্ণ নিযুক্তি বঞ্চিতসকল উপকৃত হ'ম। অন্যথা আমি হয়তো একোজন মানসিক ভাৰসাম্যহীন ৰোগীলৈহে ৰূপান্তৰ হ'ম। মহোদয়ৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা, আমাক আজীৱন মানসিক যান্ত্ৰণা উপহাৰ নিদিব। আমাক আত্মহত্যা কৰিবলৈ বাধ্য নকৰিব। আমাক অলপ দয়া কৰক। আমাৰ পৰিয়ালবোৰৰ মুখত অলপ হাঁহি উপহাৰ দিয়ক। এয়ে আমাৰ প্ৰাৰ্থনা।

■ পংকজ বৰা

### আদৰ্শৰ বাহক হওক

অসম চৰকাৰে শেহতীয়াকৈ বিভিন্ন বিভাগত কুৰি হাজাৰৰোধিক নিবনুৱাক সংস্থাপন দিলে। এই বৃহৎ নিযুক্তিৰ বাবে চৰকাৰ যিদৰে ধন্যবাদৰ পাত্ৰ, একেদৰে এক লাখ নিবনুৱাক চাকৰি দিয়া হ'লেই আটাইখিনি নামাজেহলৈ এখন কিতাপ প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাই (কাকতত পঢ়িছোঁ এইদৰে) স্বপ্নাচ্ছন্ন কৰিছে বহুতকে। যি কি নহওক, অন্য বিভিন্ন বিভাগৰ লগতে অসম আৰক্ষীৰ নৱ-নিযুক্ত অসমীয়া ডেকাকেইগৰাকী সঁচাকৈয়ে উৎসাহিত হোৱা দেখা গৈছে; কাৰণ তেওঁলোকে প্ৰায়ভাগতেই সৰু-সুৰা ব্যৱসায় তথা পৰিশ্ৰম কৰি জীৱন নিৰ্বাহ কৰি আছিল। তদুপৰি আন এটা সৌভাগ্যৰ কথা হ'ল- কোনো ধৰণৰ উৎকোচ নিদিয়াকৈয়ে তেওঁলোকে দেশপ্ৰেমৰ সুন্দৰ সুযোগ এটা পাইছে, যাতে নেকি এইক্ষন বেলত এইটো এটা বহুত ডাঙৰ কথা। এতিয়া কথা হ'ল- আগন্তুক কৰ্মক্ষেত্ৰৰ যুদ্ধখনত তেওঁলোকে কেনে ধৰণৰ আদৰ্শৰ পাৰিব? দেশৰ তথা সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত কৰ্মজীৱনৰ অনাগত দিনবোৰত নিস্বাৰ্থ কোনো ধৰণৰ ঘোচ নোলোৱাকৈ দেশৰ বাবে ন্যায়সংগত কামবোৰ কৰি যাবলৈ আটায়ে পাৰিবনে? তেওঁলোকে নিজকে মাতৃভূমিৰ পৱিত্ৰ আদৰ্শৰ বেদীত নিষ্কলংক হৈ নিজক এজন সৎ আৰক্ষীৰূপে প্ৰতিষ্ঠা কৰিব পাৰিবনে? আৰু যদি পাৰে, তেন্তে নিঃসন্দেহে তাৰ সুফল পৰিব সমাজত আৰু মুকলি হ'ব নৱ-প্ৰজন্মৰ বাবে এটা আদৰ্শৰ সেন্দূৰীয়া বাট। পাৰিবনে বাৰু তেওঁলোকে সমাজত তথা জনগণৰ বাবে ৰাখিব আদৰ্শৰ এক উৎকৃষ্ট নিদৰ্শন?

■ দুলুমণি বৰ্মন

ফোন ঃ ৯৪৮৬৪-৫৫৮৮৯

# পৰিৱেশ প্ৰদূষণ আৰু আমাৰ সজাগতা

■ হিমাংশু ৰঞ্জন ভূঞা

বৰ্তমান সময়ত পৰিৱেশ প্ৰদূষণ এক জ্বলন্ত সমস্যা হিচাপে থিয় দি মানৱ সমাজলৈ অশনি সংকেট কঢ়িয়াই আনিছে। আজি বিশ্বৰ প্ৰায়বোৰ দেশতেই পৰিৱেশ প্ৰদূষণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বিশ্বৰ উন্নত দেশসমূহে পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ইতিমধ্যে যথেষ্ট সফলতা অৰ্জন কৰিছে, কাৰণ এইসমূহ দেশৰ জনসাধাৰণ এইক্ষেত্ৰত বহু পৰিমাণে সজাগ আৰু সচেতন হৈছে। কিন্তু আমাৰ দেশত পৰিৱেশ সুৰক্ষিত কৰাৰ বাবে অহৰহ চেষ্টা চলাই থকা হৈছে যদিও এতিয়াও পৰিৱেশ প্ৰদূষণ সম্পৰ্কীয় উপযুক্ত সজাগতাৰ অভাৱ আৰু দেশৰ প্ৰায়সংখ্যক লোকেই সচেতন নোহোৱাৰ ফলত দিনকদিনে প্ৰদূষণৰ পৰিমাণ বাঢ়ি গৈহে আছে। আচলতে আমাৰ চৌপাশৰ সকলো জীৱ আৰু প্ৰতিটো সামগ্ৰী পৰিৱেশৰ অংগ। সেই কাৰণেই পৰিৱেশ সম্পৰ্কে সকলোৰে এক সামগ্ৰিক ধাৰণা থকা প্ৰয়োজন। তদুপৰি পৃথিৱীত বাস কৰা সকলোৰে মংগলৰ বাবে পৰিৱেশ সুৰক্ষিত বা সংৰক্ষণ কৰাটো নিতান্তই প্ৰয়োজন। বিজ্ঞানৰ জয়যাত্ৰা আৰু জনবিস্ফোৰণৰ পূৰ্বে সকলোতে প্ৰাকৃতিক ভাৰসাম্যতাই বিৰাজ কৰিছিল। বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ বেছি আছিল, খাদ্য-সামগ্ৰী আৰু খোৱাপানী বিশুদ্ধ তথা পুষ্টিদায়ক আছিল। জীৱনৰ সুস্থ বিকাশ নিৰ্ভৰ কৰে পুষ্টিদায়ক খাদ্য, বীজাণুমুক্ত বিশুদ্ধ খোৱাপানী আৰু নিৰ্মল বায়ুৰ ওপৰত। কিন্তু মানুহে নিজৰ সুবিধাৰ বাবে প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰি, বায়ু, পানী, মাটি সকলো দূষিত কৰি নিজৰ বিপদ নিজেই মাতি আনিছে। এইদৰে পৰিৱেশ প্ৰদূষিত হ'লে ইয়াৰ প্ৰভাৱ সকলোতে দেখা পোৱা যায়। বায়ুমণ্ডলত এৰি দিয়া কিছুমান বস্তুৰ কাৰণে আমাৰ উশাহত গ্ৰহণ কৰা বায়ু অপৰিষ্কাৰ হয় ফলত আমাৰ দেহত বিভিন্ন ৰোগৰ সৃষ্টি হয়। পানী বা মাটি দূষিত হ'লে মানুহৰ লগতে গছ-গছনি আৰু জন্তুবোৰৰো অনিষ্ট সাধন হয়। শব্দ প্ৰদূষণো বহু ক্ষেত্ৰত মানুহৰ লগতে অন্য জীৱৰ বাবে বিপজ্জনক হৈ পৰিব পাৰে।

দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু বিজ্ঞানৰ নিৰংকুশ প্ৰাধান্যতাত আহি পৰা অতি যান্ত্ৰিকতা আৰু নাগৰিক সভ্যতাৰ পৰিণতিত পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ সৰু-বৰ সকলো ঠাইতে গঢ়ি উঠা শিল্প-উদ্যোগ আৰু বৃহৎ বৃহৎ কল-কাৰখানা, ইন্ধনচালিত যান-বাহন আদিয়ে প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰাত পৰোক্ষ বা প্ৰত্যক্ষভাৱে যে অৰিহণা যোগাই আহিছে সি নিশ্চিত। কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা ধোঁৱা, বিভিন্ন প্ৰকাৰৰ গেছ কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন মনক্সাইড, হাইড্ৰজেন ছালফাইড আদিয়ে বায়ু প্ৰদূষিত কৰে। ইফালে ইন্ধনচালিত যান - বাহনৰ পৰা নিৰ্গত হোৱা ধোৱাই বায়ুমণ্ডল দূষিত কৰি জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। আমি ৰন্ধন কাৰ্যৰ বাবে, পোহৰ বা জাৰকালি শীত নিবাৰণৰ বাবে খৰি, কয়লা, প্ৰাকৃতিক গেছ, কেৰাচিন আদি ব্যৱহাৰ কৰো। আমি ব্যৱহাৰ কৰা এই ইন্ধনসমূহৰ দহনৰ ফলত কাৰ্বন-ডাই-অক্সাইড, মিথেন, ছালফাৰ আদি গেছীয় প্ৰদূষকৰ লগতে ধোঁৱা-ছাই আদি মিহলি হৈ বায়ু প্ৰদূষণ কৰে। আকৌ প্লাষ্টিক জাতীয় সামগ্ৰী, প্লাষ্টিকৰ ভঙা বাচন-বৰ্তন, কাপ-প্লেট, পলিথিন আদি মাটিত পচন নহয় বাবে বহু লোকে এইবোৰ জ্বলাই দিয়ে। এইবোৰ জ্বলাই দিলে বেৰিয়াম, সীহ, কেডমিয়াম, ছেলেনিয়াম, এলডিহাইড, ছায়েনাইড আৰু আৰ্চেনিকৰ যৌগ উৎপন্ন হয় যিবোৰ মানৱ স্বাস্থ্যৰ বাবে অতিকে হানিকাৰক। আমাৰ গ্ৰাম্য সমাজ-ব্যৱস্থাত অধিকসংখ্যক বাসগৃহত এতিয়াও উন্নত শৌচাগাৰৰ ব্যৱস্থা হোৱাগৈ নাই। চৰকাৰে 'স্বচ্ছ ভাৰত অভিযান'ৰ জৰিয়তে ইতিমধ্যে এই সম্পৰ্কীয় সজাগতা সৃষ্টিৰে শৌচাগাৰ নিৰ্মাণৰ পদক্ষেপ লৈছে যদিও সেয়া সম্পূৰ্ণভাৱে ফলৱতী হৈ উঠাগৈ নাই। বহু লোকে এতিয়াও মুকলি ঠাইত, নদ-নদী, বিলৰ পাৰত শৌচ কৰে। যাৰ ফলত দুৰ্গন্ধ ওলাই বায়ু প্ৰদূষিত কৰে। তদুপৰি চিকিৎসালয়, বজাৰ, মাছ, ব্ৰইলাৰ আদিৰ আৱৰ্জনা আদিৰ পৰা নিৰ্গত দুৰ্গন্ধই বায়ু দূষিত কৰে। প্ৰাকৃতিক ভাৰসাম্যতা আজি মানুহে নিজেই ৰক্ষা কৰিব পৰা নাই। প্ৰকৃতিৰ বুকুত গাঁও, চহৰ-নগৰ স্থাপন কৰাৰ নামত মানুহে অবাধে ধ্বংসলীলা চলাই আহিছে। গছ-গছনি আদি নিৰ্দয়ভাৱে কাটি ছিঙি মোহাৰি পেলাইছে। অনেক বনাঞ্চল ইতিমধ্যে মানুহৰ ধ্বংসলীলাৰ ফলত হেৰাই গ'ল। মানুহৰ প্ৰাণদায়িনী অক্সিজেন পৰিশোধনৰ অন্যতম মাধ্যম এই হাবি-বননি, অৰণ্যসমূহ মানুহৰ নিষ্ঠুৰতাত কমি অহাৰ ফল মানুহে নিজেই যে এদিন ভোগ কৰিব সি ধুৰুপ। আনহাতে, দ্বিতীয় মহাসমৰৰ অন্তিম সময়ৰ পৰাই পাৰমাণৱিক যুগৰ সূচনা হৈছে। কাঠ, কয়লা, তেল আদি দাহনৰ ফলত বা অন্যান্য উপাদানৰ বাবে হোৱা বায়ু প্ৰদূষণ স্বাভাৱিক কথা। কিন্তু ইয়াতকৈ বহুগুণে ভয়াৱহ পাৰমাণৱিক প্ৰতিক্ৰিয়া। দ্বিতীয় মহাযুদ্ধত পাৰমাণৱিক বোমা বৰ্ষণৰ ফলত হিৰোছিমা-নাগাছাকি বিধ্বস্ত হোৱাৰ উপৰি ইয়াৰ প্ৰতিক্ৰিয়া সমগ্ৰ পৃথিৱীজুৰি বিস্তৃত হৈ পৰিছিল। যাৰ পৰিণতিত ৩২ বছৰ পিছলৈকে বায়ুমণ্ডলত তেজষ্ক্ৰিয় বিকিৰণ হৈ লাখৰো অধিক মানুহৰ মৃত্যু হোৱাৰ উপৰি অনেক মানুহে বিভিন্ন অস্বাভাৱিক বেমাৰত আক্ৰান্ত হৈ জীয়াতু ভুগিব লগা হয়। কিন্তু আজিও বিভিন্ন ৰাষ্ট্ৰই পাৰমাণৱিক বোমা নিৰ্মাণত অত্যুৎসাহী হৈ পৃথিৱীৰ ধ্বংসৰ পথ ওচৰ চপাই আনি আছে। তদুপৰি বায়ুমণ্ডলৰ ঊৰ্ধ্বলোকত ক্ৰমাগতভাৱে বাঢ়ি অহা ৰকেট নিক্ষেপণ, মহাকাশ অভিযান, উপগ্ৰহ প্ৰক্ষেপণ, বিমান চলাচল আদিৰ ফলত 'ষ্টেটোস্ফিয়াৰ'ৰ 'অ'জন' স্তৰৰ সমতা নাইকিয়া হৈছে, যাৰ ফলত মানৱ স্বাস্থ্যৰ বাবে ভয়াৱহ সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মি পৃথিৱীত প্ৰৱেশ কৰি এক মাৰাত্মক ভৱিষ্যতৰ আগজাননী দিছে। আজি পৰিৱেশ সম্পৰ্কীয় আন এক ভয়ানক সমস্যাৰূপে থিয় দিছে দিনকদিনে বাঢ়ি অহা পৃথিৱীৰ উত্তাপ। কাৰ্বন-ডাই-অক্সাইডৰ দৰে বাষ্পসমূহে সূৰ্যৰ উত্তাপ বায়ুমণ্ডলত ধৰি ৰাখি পৃথিৱীৰ উত্তাপ বঢ়াই তোলে। মানুহে জধে-মধে গছ-গছনি কাটি তহিলং কৰাৰ পৰিণতিতে আজি এই ফল ভোগ কৰিব লগা হৈছে। ৰাষ্ট্ৰসংঘৰ এদল বিশেষজ্ঞই মত পোষণ কৰিছে যে অনতিপলমে যদি এই উত্তাপ কমাব পৰা নাযায়, তেনেহ'লে ৩৫ বছৰমানৰ ভিতৰতে পৃথিৱীৰ উত্তাপ অভূতপূৰ্বভাৱে বাঢ়ি যাব। এটা কথা ঠিক যে পৰিৱেশ সংৰক্ষণত জনসজাগতা আৰু সমাজ জড়িত নহ'লে কোনো চৰকাৰ বা বিভাগেই পৰিৱেশ উন্নয়ন বা সংৰক্ষণত সফলতা লাভ কৰিব নোৱাৰে। পৰিৱেশকেন্দ্ৰিক সমস্যাবোৰ কিয় কেনেদৰে উদ্ভৱ হয় তাৰ যথাযথ জ্ঞান জনসাধাৰণক দিব নোৱাৰিলে এনে সমস্যাৰ সমাধানত ৰাইজৰ সহযোগ আশা কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে পলিথিনৰ পৰা কি কি সমস্যা সৃষ্টি হয় বা ই কেনে ধৰণৰ প্ৰদূষণৰ সৃষ্টি কৰে, সেই সম্পৰ্কে ৰাইজ সজাগ নহ'লে কোনো আইন প্ৰণয়ন কৰি, বিভাগীয়ভাৱে পলিথিনৰ ব্যৱহাৰ বন্ধ কৰি সমস্যা সমাধান কৰিব নোৱাৰি।

পানী অবিহনে কোনো জীৱ জীয়াই থাকিব নোৱাৰে। পৃথিৱীৰ উপৰি ভাগৰ ৭০ ভাগ পানীয়েই আগুৰি আছে যদিও ইয়াৰ শতকৰা ২.৭ ভাগহে নিৰ্মল পানী। খোৱাৰ লগতে পানী কৃষিকাৰ্য, শিল্প উদ্যোগ, ৰন্ধা-বঢ়া, গা-ধোৱা, কাপোৰ, বাচন-বৰ্তন আদি ধোৱা কামত ব্যৱহাৰ কৰা হয়। বৰ্তমান জনসংখ্যা বৃদ্ধি, শিল্প-উদ্যোগৰ প্ৰসাৰ, কৃষিকাৰ্যত বিভিন্ন ৰাসায়নিক সাৰ, ঔষধৰ প্ৰচলন আদি বিভিন্ন কাৰণত পৃথিৱীৰ জলভাগ প্ৰদূষিত হৈছে। উদ্যোগীকৰণৰ ফলত গঢ়ি উঠা তেল শোধনাগাৰ, ৰবৰ উদ্যোগ, কাপোৰ উদ্যোগ, কাগজ-চামৰা আদি উদ্যোগৰ বৰ্জিত আৱৰ্জনা ওচৰৰ নদ-নদী, জান-জুৰি, বিল আদিত নিক্ষেপ কৰাৰ ফলত তাত থকা বিভিন্ন ৰসায়নিক পদাৰ্থই পানী দূষিত কৰে। মানুহৰ বাসগৃহৰ লগতে হোটেল, অফিচ আদিৰ পৰা বৰ্জিত পানী বৈ গৈ ওচৰৰ খাল-বিল নৈত পৰেগৈ। এই বৰ্জিত পানীৰ লগত থু-খেকাৰ, মল-মুত্ৰ, ঘৰৰ চৌহদ পৰিষ্কাৰ কাৰ্যত ব্যৱহাৰ কৰা অপমাৰ্জক দ্ৰব্য, ঘৰচীয়া জীৱ-জন্তুৰ মল-মুত্ৰ আদি মিহলি হৈ এই পানী জমা হোৱা জলাশয়ৰ পানীভাগ প্ৰদূষিত কৰে। এই পানী কিবা কাৰণত অন্য জীৱ-জন্তুৱে খালে বিপদ নিশ্চিত। তদুপৰি এই জলাশয়ত থকা জলচৰ প্ৰাণীসমূহৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনে। আকৌ নদ-নদী আদিত চলা ইন্ধনচালিত যান-বাহনসমূহৰ পৰা ওলোৱা তৈলজাতীয় বিষাক্ত পদাৰ্থবোৰে পানী বিষাক্ত কৰাত অৰিহণা যোগাই। বিভিন্ন জাবৰ-জোঁথৰ আৱৰ্জনা আদি নদীৰ কাষত দ'মাই থোৱাৰ ফলতো বৰষুণৰ পানীৰ লগত এই জাবৰৰ পৰা পানী গৈ নদীৰ পানী দূষিত কৰে। দূষিত পানীত বিভিন্ন মাৰাত্মক ৰোগৰ বীজাণু থাকে। কলেৰা, টাইফয়ড, গ্ৰহণী, জণ্ডিচ, খৰ-খজুৱতি আদি প্ৰদূষিত পানীৰ পৰাই হয়। তদুপৰি এই দূষিত জলৰাশি অন্য জীৱ-জন্তুৱে গ্ৰহণ কৰাৰ ফলত এনে জীৱ-জন্তুৰ মৃত্যু হোৱাৰো সম্ভাৱনা থাকে। কৃষিকাৰ্যত প্ৰয়োগ কৰা বিভিন্ন কীটনাশক আৰু ৰাসায়নিক সাৰে মাটি বা স্থল প্ৰদূষণৰ সৃষ্টি কৰে। আকৌ ঔদ্যোগিক ক্ষেত্ৰৰ পৰা বৰ্জিত বিভিন্ন আৱৰ্জনাবোৰৰ পৰাও স্থলভাগ প্ৰদূষিত হোৱাই নহয়, এনে আৱৰ্জনাৰ পৰা সৃষ্ট নিগনি, মাখি, বিভিন্ন পোক পৰুৱা আদিৰ বৃদ্ধিয়ে জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই আনে। একেদৰে মানুহ, জন্তু আৰু চৰাইৰ মল-মূত্ৰ, থু-খেকাৰবোৰ য'তে ত'তে পেলোৱাৰ ফলত মাটি প্ৰদূষণ হয়। তদুপৰি এইবোৰৰ পৰা সৃষ্ট বিভিন্ন মাৰাত্মক ৰোগৰ বীজাণু সেই প্ৰদূষিত মাটিত কণী পাৰি জন্ম হোৱা মহ-মাখিৰ পৰা মানুহ বা অন্যান্য জীৱ-জন্তুৰ গালৈ সংক্ৰমিত হয়। বিভিন্ন জীৱ-জন্তুৰ মল-মূত্ৰৰ মাটিত পেলোৱাৰ ফলত লেপ্ট'স্পিৰ'ছিছ, কিউ-জ্বৰ আৰু এনথাক্স আদি মাৰাত্মক বেমাৰ মানুহৰ দেহলৈ বিয়পাৰ পূৰ্ণ সম্ভাৱনা থাকে। একেদৰে শব্দপ্ৰদূষণ বা কোলাহলৰ পৰা মানুহৰ লগতে বিভিন্ন জীৱ-জন্তুৰ বিভিন্ন স্বাস্থ্যজনিত সমস্যা হ'ব পাৰে। আধুনিক সভ্যতাৰ ফলত দিনকদিনে কোলাহল বৃদ্ধি হ'ব ধৰিছে আৰু বৰ্তমান এই কোলাহল এক ভয়াৱহ সমস্যাৰূপে থিয় দিছে। শিল্প উদ্যোগ, যান-বাহন আদিৰ শব্দই ক্ৰমাৎ শব্দ প্ৰদূষণ সৃষ্টি কৰি আহিছে। হঠাৎ হোৱা বিকট শব্দ অনবৰতে হৈ থকা কোলাহলতকৈও বেছি ক্ষতিকাৰক কাৰণ এনে বিকট শব্দই হঠাৎ কাণেৰে নুশুনা কৰি দিয়াৰ উপৰি এনে শব্দৰ ফলত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু পৰ্যন্ত হ'ব পাৰে। অকস্মাৎ হোৱা বিকট শব্দই কৰ্ণপট বা কাণৰ পৰ্দাত বেছি ক্ষতিগ্ৰস্ত কৰে। কোলাহল বা শব্দ প্ৰদূষণৰ ফলত মানুহৰ উত্তেজনাৰ সৃষ্টি হয়, টোপনিত ব্যাঘাত জন্মে, কৰ্ম তৎপৰতাত প্ৰভাৱ পৰে।

প্ৰদূষণৰ ক্ষেত্ৰসমূহ ভালদৰে লক্ষ্য কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে অত্যধিক জনসংখ্যা বৃদ্ধিয়েই যিকোনো ধৰণৰ প্ৰদূষণৰ মূল কাৰণ। য'তেই মানুহৰ সমাগম বেছি ত'তেই আৱৰ্জনা বা হাই-উৰুমি, কোলাহল বেছি। সেয়ে আজি প্ৰতিখন জনবহুল ৰাষ্ট্ৰতে জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে উপযুক্ত ব্যৱস্থা হাতত লোৱা অতিকে প্ৰয়োজন। তদুপৰি জনসজাগতাৰ বাবে উপযুক্ত শিক্ষাৰ দৰকাৰ। উপযুক্ত শিক্ষাদানৰ ফলতহে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীত হ'ব আৰু জীৱন ধাৰণৰ মান উন্নত হ'লে আপোনা-আপুনি পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ হৈ আহিব। পৃথিৱীৰ উন্নত ৰাষ্ট্ৰসমূহ, বিশেষকৈ আমেৰিকা, ফ্ৰান্স, জাৰ্মানী, ছুইজাৰলেণ্ড আদিত পৰিৱেশ নিয়ন্ত্ৰণ কৰাটো প্ৰতিগৰাকী নাগৰিকৰ নৈতিক কৰ্তব্য বুলি ধৰা হয়, যাৰ ফলত এইবোৰ দেশত আজি বায়ু প্ৰদূষণ, জল প্ৰদূষণ, শব্দ প্ৰদূষণ একেবাৰে নাই বুলিব পাৰি। এইবোৰ দেশত উদ্যোগ, কল-কাৰখানা আদি মূল চহৰ বা মানুহৰ বাসস্থানৰ পৰা বহু দূৰৈত সজা হৈছে আৰু ইয়াৰ পৰা ওলোৱা ধোঁৱা আৱৰ্জনা আদি বৈজ্ঞানিক পদ্ধতিৰে নিষ্কাশন কৰাৰ ব্যৱস্থা কৰা হৈছে। পৰিবহণজনিত প্ৰদূষণৰ ক্ষেত্ৰতো এইবোৰ দেশৰ চৰকাৰ আৰু নাগৰিকসকল যথেষ্ট সচেতন। প্ৰদূষণৰ প্ৰমাণ-পত্ৰ অবিহনে কোনো যান-বাহন চলিবলৈ দিয়া নহয়। প্ৰয়োজনৰ বাহিৰে গাড়ীৰ হৰ্ণ বজোৱাও নিষেধ। প্ৰতিখন চহৰ-নগৰতে গছপুলি ৰোপণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ৰাজহুৱা স্থানত ধূমপান কৰা, তামোল-পাণ খাই য'তে ত'তে পিকাই ফুৰা লোক তাত দেখিবলৈ পোৱা নাযায়। প্ৰদূষণ নিয়ন্ত্ৰণত ৰাখিবলৈ আজি আমাৰ ৰাজ্যখনত বা দেশত চৰকাৰীভাৱে স্বচ্ছ ভাৰত অভিযান, নিৰ্মল অসম, বনানীকৰণ আদি বিভিন্ন পদক্ষেপ লৈছে আৰু এনেবোৰ পদক্ষেপে জনসাধাৰণক যে পৰিৱেশ সম্পৰ্কত কিছু হ'লেও সচেতন কৰিছে তাক নুই কৰিব নোৱাৰি। তথাপি দেশৰ প্ৰতিজন নাগৰিক নিজে সচেতন নহ'লে এনে পদক্ষেপসমূহ সুদূৰপ্ৰসাৰী নহয়গৈ। আজি সমগ্ৰ বিশ্বতে দিনক দিনে পৰিৱেশ প্ৰদূষণৰ ভয়াৱহতাই চৰম সীমা পাইছেগৈ। পৰিৱেশ প্ৰদূষণৰ প্ৰতিকাৰ বিচাৰি ১৯৭২ চনত ষ্টকহ'ম চহৰত ৰাষ্ট্ৰসংঘৰ উদ্যোগত পতা আন্তৰ্জাতিক সন্মিলনত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰি ১৯৮৬ চনৰ পাঁচ জুন তাৰিখৰ পৰা প্ৰতি বছৰে পাঁচ জুনৰ দিনটো 'আন্তঃৰাষ্ট্ৰীয় পাৰিপাৰ্শ্বিক দিৱস' হিচাপে পালন কৰা হৈ আহিছে। কিন্তু পৰিৱেশক সুস্থ কৰি ৰাখিবলৈ বছৰৰ এটা দিনেই যথেষ্ট নিশ্চয় নহয়। আমি প্ৰতিগৰাকী নাগৰিক যদি আজি পৰিৱেশ প্ৰদূষণৰ ভয়াৱহতা আৰু পৰিৱেশ সংৰক্ষণ সম্পৰ্কত উপযুক্তভাৱে সচেতন নহওঁ, জল-স্থল বা বায়ুমণ্ডলত হৈ থকা প্ৰদূষণ নিয়ন্ত্ৰণলৈ আনিব নোৱাৰো, আমি আমাৰ ব্যক্তিগত লাভৰ বাবে দৈনিক গছ-গছনি কাটি অৰণ্য ধ্বংস কৰি পৰিৱেশৰ ভাৰসাম্য নষ্ট কৰো, তেন্তে অনতিপলমে আমাৰ বিপদ অনিবাৰ্য। এই চৰম বিপৰ্যয়ৰ পৰা হাত সাৰিবৰ বাবে আজিয়েই আমি সজাগ হোৱা প্ৰয়োজন। গছপুলি ৰোপণৰ জৰিয়তে, জনসংখ্যা নিয়ন্ত্ৰণৰ জৰিয়তে, বৈজ্ঞানিক পদ্ধতিৰে কল-কাৰখানা, উদ্যোগৰ পৰা নিৰ্গত বৰ্জিত আৱৰ্জনাবোৰ নিষ্কাশনৰ জৰিয়তে আমি প্ৰদূষণক কিছু পৰিমাণে হ'লেও নিয়ন্ত্ৰণ কৰাটো আজি অতীৱ প্ৰয়োজন হৈ পৰিছে। অন্যথা অতি কম দিনৰ ভিতৰতে হয়তো পৃথিৱীৰ পৰা জীৱ-জগতেই নিঃচিহ্ন হৈ যাব।

# অসমৰ জ্বলন্ত নিবনুৱা সমস্যা আৰু চৰকাৰৰ পদক্ষেপ

■ প্ৰমোদ চেতিয়া

আজিৰ তাৰিখত অসমত ক্ষিপ্ৰ গতিত বাঢ়ি অহা নিবনুৱা সমস্যাই দিনক দিনে জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যখনৰ প্ৰতিখন জিলাৰ পঞ্জীভূত নিবনুৱাৰ পৰিসংখ্যা তথ্য বিচাৰ কৰি চালে এই কথাৰ সত্যতা ওলাই পৰে। ২০২০ বৰ্ষৰ শেষৰ ভাগলৈ ভাৰতবৰ্ষত চৰকাৰী নিয়োগ বিনিময় কেন্দ্ৰবিলাকত পঞ্জীভূত নিবনুৱাৰ সংখ্যা আছিল ৪২.৭৫ মিলিয়ন। চৰকাৰী তথ্যত এই কথা প্ৰকাশ। দেশৰ ভিতৰতে আটাইটকৈ বেছি নিবনুৱাৰ সংখ্যা থকা ৰাজ্যখন হৈছে হাৰিয়ানা আৰু কম নিবনুৱা থকা ৰাজ্যখন হৈছে উত্তৰ-পূবৰ ৰাজ্য মেঘালয়। Labour force survey য়ে ২০১৮-১৯ বৰ্ষৰ দ্বাৰা প্ৰকাশিত তথ্য তথা Ministry of staticstic and programme implementation Govt of Indiaৰ তথ্য প্ৰকাশ। অসমৰ চৰকাৰী তথ্য অনুসৰি নিয়োগ বিনিময় কেন্দ্ৰসমূহত পঞ্জীভূত নিবনুৱাৰ সংখ্যা ২০,২৪,৮৮৬জন। শিক্ষিত পঞ্জীভূত নিবনুৱাৰ তথ্য চৰকাৰৰ ওচৰত আছে সঁচা কথা, কিন্তু পঞ্জীভুক্ত নোহোৱাকে থকা নিবনুৱাৰ তথ্য চৰকাৰৰ ওচৰত নাই। বেচৰকাৰীভাৱে হয়তো ইয়াৰ সংখ্যা আৰু অধিক হ'ব, তাক নুই কৰিব নোৱাৰি। মেট্ৰিকৰ দেওনা পাৰ নোহোৱাসকলে Employment Exchange'ত গৈ নাম পঞ্জীভুক্ত নকৰে আৰু সেইসকলৰ তথ্যও চৰকাৰৰ হাতত নাথাকে। সেই ফালৰ পৰা চাবলৈ গ'লে প্ৰকৃত নিবনুৱাৰ সংখ্যা দুগুণ হোৱাৰ সম্ভাৱনা অধিক।

অসমত নিবনুৱা সমস্যাই আজিৰ দিনত যি ভয়াৱহ ৰূপ ধাৰণ কৰিছে, তাক ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। ভয়াৱহভাৱে বৃদ্ধি হোৱা নিবনুৱা সমস্যাই ৰাজ্যখনত দিনক দিনে জটিল ৰূপ ধাৰণ কৰিছে। তাৰ একমাত্ৰ কাৰণ, চৰকাৰী অনীহা, চৰকাৰী অৱহেলা, বিশেষজ্ঞসকলে স্বীকাৰ কৰিছে। চৰকাৰী হিচাবত থকা পৰিসংখ্যাৰ তুলনাত নিয়োগৰ সংখ্যাৰ অমিল যথেষ্ট। আজিৰ তাৰিখত চাকৰিৰ সন্ধানত অসমীয়া নিবনুৱা ডেকা ল'ৰাহঁতে সংস্থাপন বিচাৰি দক্ষিণ ভাৰতৰ বিভিন্ন ৰাজ্য কেৰালা, তামিলনাডু, বেংগালুৰু ৰাজ্যলৈ নিতৌ ঢাপলি মেলিছে। সাধাৰণ চকীদাৰ, ছিকিউৰিটী গাৰ্ড, পিয়নৰ চাকৰি বিচাৰ ৰে'লেৰে যাত্ৰা কৰিছে। সৰু হ'লেও লাগে এটি কৰ্মসংস্থাপন। সকলোকে চাকৰি লাগে। অসমত জনবিস্ফোৰণ ঘটিছে, তাৰ লগে লগে নিবনুৱাৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈছে। সেই অনুপাতে নিবনুৱাক কৰ্মসংস্থাপন দিব পৰাকৈ অসমত কল-কাৰখানা, উদ্যোগ প্ৰতিষ্ঠান গঢ়ি উঠা নাই। আজিৰ দিনত বৰ্ধিত নিবনুৱা সমস্যাই যি ভীষণ ৰূপ ধাৰণ কৰিছে, তাৰ মোকাবিলা কৰাৰ বাবে যোৱা দশকত কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰে কোনো ফলপ্ৰসু আঁচনি লোৱা দেখা নগ'ল। তাৰ বিপৰীতে মৃতপ্ৰায় অৱস্থাত থকা ৰাজ্যখনৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানসমূহক পুনৰুজীৱিত নকৰি বন্ধ কৰা আৰু ব্যক্তিগত কোম্পানীৰ হাতত বিক্ৰী কৰিছে। ফলত নতুন এচাম নিবনুৱাৰ সৃষ্টি হৈ সমস্যাটো অধিক জটিল কৰি তুলিছে। ভয়াৱহ সমস্যাই কৰ্মবিমুখ যুৱক-যুৱতীসকলৰ একাংশই নানা অপৰাধজনিত কাম-কাজ যেনে নিচাযুক্ত দ্ৰব্যৰ চোৰাং বেহা, মদ ভাং সেৱন, জুৱা, চোৰ-ডকাইতি আদি কাৰ্যত লিপ্ত হৈ সামাজিক পৰিৱেশ বিনষ্ট কৰি তুলিছে। কোৱা হয় যে কাম নোহোৱা মানুহৰ মন দুঃচিন্তাৰ বাহ। এই নিবনুৱাৰ একাংশই চৰকাৰী শাসন ব্যৱস্থাৰ প্ৰতি আস্থা হেৰুৱাই মূলসুঁতিৰ পৰা আঁতৰি যোৱাৰ উদাহৰণ আজিৰ তাৰিখত বহুত আছে। অলপতে নতুন চৰকাৰখনে নিবনুৱা সমস্যা সমাধানৰ কাৰণে বছৰত এক লাখকৈ নিবনুৱাক কৰ্মসংস্থান দিয়াৰ ঘোষণা কৰি শাসনৰ গাদী দখল কৰিছিল যদিও অলপতে এটা বছৰ শেষ হোৱাৰ পিছত, সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাত চৰকাৰখন বিফল হোৱা দেখা গৈছে। নিবনুৱাক কৰ্মসংস্থাপন দিয়াৰ বিপৰীতে, হিতাধিকাৰী সৃষ্টি কৰি শাসনৰ গাদী সুৰক্ষিত কৰাতহে গুৰুত্ব দিয়া পৰিলক্ষিত হ'ল। নিৰ্বাচনী প্ৰতিশ্ৰুতি সফল ৰূপায়ণত চৰকাৰখন সম্পূৰ্ণৰূপে বিফল হৈছে। অহা চাৰিটা বছৰত কি কৰিব পাৰে সেইটো সময়েহে ক'ব। যদিও, চৰকাৰখনে গাদী দখল কৰা এটা বছৰ পাৰ হৈ গ'ল কিন্তু জ্বলন্ত সমস্যাবিলাক সমাধানৰ ক্ষেত্ৰত বিশেষ ইতিবাচক পদক্ষেপ লোৱা দেখিবলৈ পোৱা নাই। ৫ বছৰত ৫ লাখ নিযুক্তিৰ কথা কৈছে, ঘোষণা কৰা ধৰণে চৰকাৰখন যে সফল হ'ব পাৰিব তাত সন্দেহ আছে। আজিৰ তাৰিখলৈ যিমানজনক চৰকাৰী চাকৰিত মকৰল দিলে, তাৰ তথ্যও চৰকাৰে ৰাজহুৱা কৰিব পৰা নাই। আজিৰ তাৰিখলৈ যিসকলক ৰাজহুৱাভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰিছে, তাৰ সৰহসংখ্যকে অস্থায়ীভাৱে বিভিন্ন চৰকাৰী বিভাগত ঠিকাভিত্তিক কৰ্মচাৰী হিচাপে কাম কৰি থকাৰ তথ্য আছে। চৰকাৰে নতুন নিযুক্তি ক'ৰ পৰা দিব, কৰ্মসংস্থানৰ বাবে উদ্যোগ, কল-কাৰখান যদি ৰাজ্যখন প্ৰতিষ্ঠা কৰা নহয়? সংস্থাপনৰ পথ ক'ৰ পৰা ওলাব? যি দেখিছো যোৱা ডেৰটা দশকত অসমত কোনো কল-কাৰখানা, উদ্যোগ প্ৰতিষ্ঠান গঢ়ি উঠা নাই, চৰকাৰী খণ্ডতে হওক বা ব্যক্তিগত খণ্ডতে হওক এটিও উদ্যোগ গঢ়ি উঠাৰ তথ্য নাই। তাৰ বিপৰীতে মৃতপ্ৰায় অৱস্থাত থকা উদ্যোগ প্ৰতিষ্ঠানসমূহ বন্ধ কৰি নতুন এচাম নিবনুৱাৰ সৃষ্টি কৰিছে। ৰাজ্যখনৰ বিভিন্ন স্থানত আধাৰশিলা বহুত স্থাপন কৰা হ'ল, ঘোষণাও বহুত কৰা হ'ল, বিধানসভাবিলাকৰ অধিৱেশনত, কিন্তু সকলোবিলাক আজিও ফাইলতে আবদ্ধ হৈ থাকিল। তেনেহ'লে নিযুক্তি কাক দিব, ক'ত দিব ? প্ৰতিটো নিৰ্বাচনৰ সময়ত ৰাজহুৱাভাৱে কৰা ঘোষণাবিলাক ফাইলতে আবদ্ধ হৈ থাকিল। চৰকাৰী আঁচনিৰ বাস্তৱত ৰূপায়ণ হোৱাৰ সপোন দেখি দেখি আজি আমাৰ নিবনুৱা যুৱকসকল নিৰাশাগ্ৰস্ত হৈ ধৈৰ্য শক্তি হেৰুৱাই পেলাই বিপথগ্ৰামী হৈছে।

চৰকাৰখনে নিবনুৱা সংস্থাপনৰ পথ হিচাপে আজিৰ তাৰিখত গাদী ৰক্ষাৰ স্বাৰ্থত কেৱল হিতাধিকাৰী সৃষ্টি কৰি শাসনৰ গাদী নিষ্কণ্টক কৰিবলৈ উঠিপৰি লাগিছে। হিতাধিকাৰী সৃষ্টি কৰি যুৱকসকলৰ মাজত কৰ্মসংস্কৃতিৰ প্ৰতি থকা স্পৃহা-উদ্যম নোহোৱা কৰিছে।

চৰকাৰে লোকচানৰ অচিলা লৈ ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানসমূহ পুনৰুজীৱিত কৰাৰ পৰিৱৰ্তে বন্ধ কৰা অথবা বিক্ৰীৰ কৰা যি আত্মঘাতী সিদ্ধান্ত লৈছে সি কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। লোকচানৰ মুখ দেখা উদ্যোগ প্ৰতিষ্ঠানসমূহ বন্ধ কৰি দিয়াৰ ফলত,তাত নিয়োজিত হৈ থকা হাজাৰ হাজাৰ থলুৱা কৰ্মচাৰী আজি চাকৰি হেৰুৱাই নিবনুৱা হৈ পৰিছে। ফলত বছৰত ১ লাখকৈ কৰ্মসংস্থাপন দিবলৈ দাবী কৰা চৰকাৰে নিবনুৱা বৃদ্ধিতহে সহায় কৰিছে। দেৰগাঁৱৰ চেনি কল, জাগীৰোড, যোগীঘোপা পাঞ্চগ্ৰামৰ কাগজ কল, ৰঙিয়াৰ এপল' ইতিমধ্যে বন্ধ হৈ পৰিছে। এসময়ৰ চৰকাৰৰ লাভজনক প্ৰতিষ্ঠান কৃষি বিপণন পৰিষদ অচিৰেই বন্ধ হোৱাৰ পথত। চৰকাৰৰ অদূৰদৰ্শী, অবিবেচক সিদ্ধান্তৰ ফলত ৰাজ্যখনত নিবনুৱাৰ সংখ্যা কমক চাৰি বৃদ্ধিতহে অৰিহণা যোগাইছে। তাত নিয়োজিত হাজাৰ হাজাৰ কৰ্মচাৰীয়ে চাকৰি হেৰুৱাই নিবনুৱা হৈ পৰিছে। শেহতীয়াকৈ চৰকাৰে লাভজনক অৱস্থাত চলি থকা ৰে'ল, বিমান বন্দৰ, বেংক আদিক ব্যক্তিগত পুঁজিপতি বণিক কোম্পানীৰ হাতত গতাই দিয়াৰ সিদ্ধান্ত এক আত্মঘাতী সিদ্ধান্ত।

অসম চৰকাৰৰ অধীনত থকা বিভিন্ন বিভাগত আজিৰ তাৰিখতো হাজাৰ হাজাৰ পদ খালী হৈ পৰি আছে। উপযুক্ত পদক্ষেপ গ্ৰহণ তথা প্ৰশাসনিক দায়িত্ববোধৰ অভাৱত পদসমূহত নিবনুৱা মকৰল কৰিব পৰা নাই। এই কথা অপ্ৰিয় হ'লেও সত্য যে, নিবনুৱা সমস্যাই দেশৰ সামগ্ৰিক উন্নয়নত বাধাৰ সৃষ্টি কৰে। ৰাজ্যখনত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ সময়তে ভূতৰ ওপৰত দানহ পৰাৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে ৰাইজক জলা-কলা খুৱাইছে। বিশেষকৈ ইন্ধন, ৰন্ধন, মিঠাতেল, গেছ, শাক-পাচলিৰ দৰে অত্যাৱশকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ শ্ৰেণীৰ লোকৰ ওপৰত মাধমাৰ শোধাইছে।

যোৱা কৰ'না মহামাৰীয়ে ৰাইজৰ কঁকাল ভাঙি পেলোৱাৰ পিছত দেশৰ লগতে অসমৰ বেছি ভাগ সৰু-বৰ ব্যক্তিগত কোম্পানীসমূহ অচল হৈ বন্ধ হৈ পৰিল। যাৰ ফলত ৰাজ্যখনত, অসমৰ বহিঃ ৰাজ্যত কৰ্মৰত অসমীয়া যুৱক-যুৱতীসকল কৰ্মহীন হৈ নিবনুৱা হৈ পৰিল। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ ভুল নীতিৰ ফলস্বৰূপে বিভিন্ন চৰকাৰী বিভাগবিলাক ব্যক্তিগত কোম্পানীৰ হাতত গতাই দিয়াৰ ফলত শ্ৰমিকক ছাটাই কৰাৰ ফলত অসংখ্য নিবনুৱাৰ সৃষ্টি হ'ল। এইসকল নিবনুৱাৰ পৰিসংখ্যাৰ হিচাব চৰকাৰৰ হাতত নাই। লগতে তেওঁলোকৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে কোনো ধৰণৰ বিকল্প ব্যৱস্থা আজিকোপতি হাতত লোৱা দেখা নগ'ল। মহিলা ভোটাৰক দিয়া নিৰ্বাচনী টোপত বন্দী চৰকাৰে মহিলা ভোটাৰৰ মাইক্ৰ'ফাইনেঞ্চ ঋণ ৰেহাৰ দিবলে গৈ উজুতি খাব লগা হৈছে। অৰুণোদয়ৰ দৰে আঁচনি ঘোষণা কৰি, ৰাইজৰ বাহ বাহ লৈ, জনপ্ৰিয়তা ল'বলৈ গৈ মূল নিবনুৱা সমস্যা তল পেলাই ৰাখিব কিমান দিনলৈ? পাঁচ বছৰত ৫ লাখ নিবনুৱাক নিযুক্তি ধেমালিৰ কথা নহয়। সংস্থাপন ক'ত দিব? যদিহে ৰাজ্যখনত নতুন উদ্যোগ, কল-কাৰখানা-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা কৰা নহয়? এই প্ৰশ্নৰ উত্তৰ চৰকাৰৰ ওচৰত আছে নে? ৰাজ্যখনত যোৱাকেইটা বছৰত হাজাৰটামান আধাৰশিলা প্ৰতিষ্ঠা কৰা হ'ল কিন্তু মহানগৰীৰ অভাৱ ব্ৰীজকেইখন সম্পূৰ্ণ কৰা আৰু হিতাধিকাৰী সৃষ্টি কৰাৰ বাহিৰে, কোনটো উদ্যোগ প্ৰতিষ্ঠান ক'ত গঢ়ি উঠিল ইয়াৰো উত্তৰ চৰকাৰৰ ওচৰত আছে নে? চৰকাৰৰ গঠনমূলক আঁচনি, পৰিকল্পনাৰ অভাৱত যোৱা দশকত কোনো নতুন উদ্যোগ প্ৰতিষ্ঠান অসমত গঢ়ি উঠা দেখা নগ'ল। তেনেহ'লে নতুন কৰ্মসংস্থাপন ক'ৰ পৰা ওলাব? যিকেইটা ৰাহহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান আছিল, লোকচানৰ অজুহাত দেখুৱাই সেইকেইটাও বন্ধ কৰি দিলে। তেনেহ'লে নিযুক্তি কাক দিব, ক'ত দিব? ইমানৰ পিছতো বৰ্ধিত নিবনুৱা সমস্যা সমাধানৰ আশা আমি কৰিব পাৰো জানো? চৰকাৰী সদিচ্ছা নিখুঁত বৈজ্ঞানিক পৰিকল্পনাৰ অভাৱত আজি অসমত নিবনুৱা সমস্যা তথা মূল্যবৃদ্ধিৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। আজিৰ অসমীয়া ডেকাই খেতি নকৰে, বিনামূলীয়া চাউল বিতৰণ ব্যৱস্থাই অসমীয়া যুৱকক এলেহুৱা কৰিছে, কৰ্মবিমুখ কৰিছে। দুই-চাৰিজনে নিজৰ প্ৰচেষ্টাৰে মীন পালন, গাহৰি পালন, ফ্ৰাম আদি খুলি স্বাৱলম্বী হৈছে যদিও উপযুক্ত প্ৰশিক্ষণৰ অভাৱতে হওক অথবা বৈজ্ঞানিক পদক্ষেপ চৰকাৰী সাহায্যৰ অভাৱত সেই ব্যৱসায়ত লোকচান ভৰি বাদ দিব লগা হৈছে। আজি অসমত নিবনুৱাক উদ্যোগমুখী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰী আঁচনিৰ অভাৱ। য'ত পৰিকল্পনা, আঁচনিয়ে নাই তাত আকৌ কৰ্মসংস্থাপন, চাকৰি ক'ৰ পৰা ওলাব? এয়াই হৈছে আমাৰ ৰাজ্য চৰকাৰখনৰ নিবনুৱা সমস্যা সমাধানৰ পক্ষত লোৱা পৰিকল্পনা।

সঁচা অৰ্থত হিতাধিকাৰী সৃষ্টিয়ে চৰকাৰৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত প্ৰাচীৰ হৈ থিয় দিব। কৰ্মমুখী পৰিকল্পনাহে নিবনুৱা সমস্যা সমাধানৰ সুগম পথ।

*ফোন ঃ ৮৬৩৮৭-৮৫২৫৫*

# তবলীগ জামাআ'তৰ জঘন্য মিথ্যাচাৰ

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

কিমান জঘন্য মিথ্যাচাৰ তবলীগ জামাআ'তৰ। 'দাৱাতে তবলীগ' নামৰ এখন কিতাপ পঢ়ি হতবাক হ'লো। এনে নিৰ্লজ্জ মিথ্যাচাৰ কিভাৱে সম্ভৱ? বুজিলো, এয়াই দেওবন্দী ধৰ্ম। এই তবলিগী লেখক মাওলানা মুফতী আশ্ৰফ আলী তালেবী চাহেবে উক্ত কিতাপৰ ৮০ পৃষ্ঠাত লিখিছে- 'মক্কা শ্বৰীফত এক ৰাকআ'ত নামাজত এক লাখ নামাজৰ চাৱাব, মদিনা শ্বৰীফত এক ৰাকআ'ত নামাজত পঞ্চাশ হাজাৰ চাৱাব, বায়তুল মুকাদ্দচ শ্বৰীফত এক ৰাকআ'ত নামাজত পঁচিশ হাজাৰ চাৱাব। কিন্তু, কিন্তু ... বিশ্ব ইজতিমাত আহি নামাজ পঢ়িলে ৪৯ কোটি ৰাকআ'ত নামাজৰ চাৱাব।' (দাৱাতে তবলীগ, ৮০ পৃষ্ঠা, লেখক মাওলানা মুফতী আশ্ৰফ আলী তালেবী, মুহাদ্দিছ জামিআ'তুল আবৰাৰ, বাংলাদেশ, বসুন্ধৰা ৰিভাৰ ভিউ, কেৰাণীগঞ্জ, ঢাকা। প্ৰকাশক ঃ আফতাবীয়া লাইব্ৰেৰী, ৩৬, বাংলা বজাৰ (২য় তলা), ঢাকা- ১১০০) জঘন্য মিথ্যাচাৰৰ ইয়াতেই শেষ নহয়। এই নিকৃষ্ট কথাৰ দলিল দিছে 'ইবনে মাজাহ শ্বৰীফ'ৰ ১৯৮ পৃষ্ঠা আৰু 'আবু দাউড শ্বৰীফ'ৰ ২য় খণ্ড, ৩৩৮ পৃষ্ঠা। এই জঘন্য বাক্য লিখিবলৈ মুফতী আশ্ৰফ আলী তালেবীৰ এবাৰো বুকু নকঁপিল। আল্লাহৰ পৱিত্ৰ ঘৰ কা'বা শ্বৰীফ আৰু নবীজী স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ওৱা ছাল্লামৰ মছজিদে নববী শ্বৰীফতকৈয়ো বিশ্ব ইজতিমাৰ দাম বাঢ়িল। বিশ্ব ইজতিমাৰ নামাজত ৪৯ কৌটি চাৱাব, ক'ত ১,০০০০০, ৫০,০০০, ২৫,০০০? ক'ৰ পৰা ইমান চাৱাব (পুণ্য) দিব? তবলীগ জামাআ'তী সকললৈ আমাৰ প্ৰশ্ন ইয়াত মক্কা, মদীনা শ্বৰীফক অৱজ্ঞা কৰা হোৱা নাইনে? বিশ্ব ইজতিমাৰ নামাজত ৪৯ কৌটি চাৱাব সম্পৰ্কে 'ইবনে মাজাহ শ্বৰীফ'ৰ ১৯৮ পৃষ্ঠা আৰু 'আবু দাউদ শ্বৰীফ'ৰ ২য় খণ্ড, ৩৩৮ পৃষ্ঠাত উল্লেখ আছেনে? যদি নাই তেনেহ'লে মুফতী আশ্ৰফ আলী তালেবীৰ ওপৰত শ্বৰীঅ'তী কি বিধান আহিব? এই বিষয়ে মতামত আগবঢ়াব। নহ'লে তবলীগ জামাআ'ত ভুৱা হাদীচৰ বৰ্ণনা কৰি সাধাৰণ মানুহক প্ৰতাৰিত কৰা ভণ্ড জামাআ'ত হিচাপে গণ্য হ'ব।

*ফোন ঃ ৯৯৫৭৩-১০৪৩৬*

# ২০১৭ চনৰ পৰা একেটা পথকে দুবাৰ আধাৰশিলা মন্ত্ৰী যোগেন মহনৰ

## ■ ক'ত হেৰাল চৰকাৰৰ আবণ্টিত ১০ লাখ টকা ?

## ■ আজি পৰ্যন্ত আৰম্ভ নহ'ল ঐতিহাসিক গড়গাঁৱৰ মিলনপুৰ পথৰ নিৰ্মাণ কাৰ্য

**দৈনন্দিন বাৰ্তা সেৱা, নাজিৰা, ১৮ মে' ঃ** বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ বিগত চৰকাৰৰ দিনৰে পৰা বৰ্তমানৰ চৰকাৰেও জনগণৰ সমস্যা সমাধান তথা সৰ্বাংগীণ উন্নয়নৰ বাবে বহু আঁচনি প্ৰস্তুত কৰি লক্ষ লক্ষ টকা আবণ্টন দিয়া বুলি জয়ঢোল কোবাই আহিছে যদিও কাৰ্য ক্ষেত্ৰত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সেই আঁচনিসমূহৰ বেছি ভাগৰে আবণ্টিত ধন অন্তৰ্ধান হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ এক জ্বলন্ত নিদৰ্শন নাজিৰা মহকুমাৰ ১০৫নং মাহমৰা বিধানসভা সমষ্টিৰ গড়গাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত এটা অতি জৰাজীৰ্ণ পথ। ঐতিহাসিক গড়গাঁৱৰ পৰা ধোদৰ আলি সংযোগী আতনপুৰ (মিলনপুৰ) পথটো পুনৰ নিৰ্মাণৰ বাবে ২০১৭ চনৰ পৰা ২০২১ চনলৈকে দুবাৰ চৰকাৰী ধন আবণ্টন কৰি দুবাৰকৈ আধাৰশিলা কৰাৰ পিছতো সুদীৰ্ঘ ৫টা বছৰেও পথটো নিৰ্মাণ কাৰ্য আৰম্ভ কৰা নহ'ল। অসম চৰকাৰৰ পথ মেৰামতি শিতানত অনুমোদিত ২০১৬-১৭ বৰ্ষৰ অধীনত ৪৪৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই আতনপুৰ (মিলনপুৰ) পথৰ নিৰ্মাণৰ বাবে ১০ লাখ টকা আবণ্টন কৰি ২০১৭ বৰ্ষৰ ২৮ জুনত নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে মাহমৰা সমষ্টিৰ বিধায়ক যোগেন মহনে। আধাৰশিলা কৰাৰ সময়লৈকে সকলো ঠিকেই হ'ব বুলি ৰাইজে আশা কৰিছিল যদিও পথটো নিৰ্মাণৰ ঠিকা আবণ্টন পোৱাৰ পিছতো বিগত বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তলৈকে সংশ্লিষ্ট ঠিকাদাৰে পথটো নিৰ্মাণ নকৰিলে। ৰহস্যজনকভাৱে সেই আবণ্টিত সমুদায় ধন হৰলুকী হ'ল। ৰাইজৰ আবেদন-নিবেদন তথা অভিযোগৰ প্ৰতি সঁহাৰি জনাই পুনৰ একেটা পথ নিৰ্মাণৰ বাবে এছ অ' পি ডি (জি) আঁচনিৰ অধীনত পূৰ্বৰ দৰে ধন আবণ্টন কৰাই ২০২১ চনত তেতিয়াৰ ৰাজহ, দুৰ্যোগ প্ৰশমন আৰু লোক নিৰ্মাণ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহনে বিগত বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্য বন্ধ হোৱাৰ প্ৰাক্ মুহূৰ্তত বিগত বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত সন্ধিয়া সময়ত ততাতৈয়াকৈ আধাৰশিলা স্থাপন কৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে একেটা পথৰ বাবে দুবাৰকৈ চৰকাৰী ধন আবণ্টন কৰাই দুবাৰকৈ আধাৰশিলা স্থাপন কৰাৰ পিছতো আজিলৈকে পথটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ নহ'ল। স্থানীয় ৰাইজে ঐতিহাসিক গড়গাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত এই আতনপুৰ (মিলনপুৰ) পথটো নিৰ্মাণৰ বাবে আবণ্টিত ধন ক'ত হৰলুকী হৈছে তাৰ তদন্ত কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰি শীঘ্ৰে পথটো পুনৰ নিৰ্মাণ নকৰিলে ৰাজপথত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক সকীয়াই দিছে।





## ভূৰাগাঁৱত বানপৰিস্থিতিৰ বুজ ল'লে মৰিগাঁৱৰ বীৰ লাচিত সেনাৰ সঁজাতী দলে

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৮ মে' ঃ** ৰাজ্যখনৰ কেইবাখনো জিলাত সম্প্ৰতি বানে ভয়াৱহ ৰূপ ধাৰণ কৰি থকাৰ সময়তে কালি বীৰ লাচিত সেনাৰ মৰিগাঁও জিলাৰ এটা সঁজাতী দলে জিলাখনৰ ভূৰাগাঁৱত উপস্থিত হৈ ব্ৰহ্মপুত্ৰৰ বানপৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে বীৰ লাচিত সেনাৰ মৰিগাঁও জিলাৰ ৫জনীয়া সদস্যৰ সঁজাতী দলটোৱে জিলাখনত আগন্তুক বানপৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে আজি উপস্থিত হয়। সঁজাতী দলটোৱে ব্ৰহ্মপুত্ৰত বৃদ্ধি পাই থকা বাঢ়নী পানীৰ আগন্তুক দিনত হ'বলগীয়া বানত যাতে জিলাখনৰ মানুহৰ পৰা জীৱ-জন্তুলৈকে সৰ্বহাৰা হ'ব লগা নহয় তাৰ বাবে অসম চৰকাৰ তথা মৰিগাঁও জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। অঞ্চলটোৰ পৰিদৰ্শন কালত সঁজাতী দলটোত বীৰ লাচিত সেনাৰ মৰিগাঁও জিলা সমিতিৰ সম্পাদক দীপমণি হীৰা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কমল মেধি, জিলা উপ-সভাপতি হিতেশ ডেকা, প্ৰচাৰ সম্পাদক বিদ্যুৎ কাকতি আৰু জিলা কাৰ্যনিৰ্বাহক প্ৰমোদ হীৰা উপস্থিত থাকে।

## ব্ৰহ্মপুত্ৰ অঞ্চলৰ আমগুৰিত গৰু ভৰ্তি ট্ৰাক জব্দ

**দৈনন্দিন বাৰ্তা সেৱা, ৰঙামাটি, ১৮ মে' ঃ** ৰাজ্যত অব্যাহত আছে চোৰাং গৰুৰ অবৈধ সৰবৰাহ। মঙলবাৰে ৰঙামাটিৰ সমীপৱৰ্তী ব্ৰহ্মপুত্ৰ অঞ্চলৰ আমগুৰিত স্থানীয় লোকে গোপন সূত্ৰৰ পম খেদি জব্দ কৰিলে এখন গৰু ভৰ্তি ট্ৰাক। এ এছ-01- এল চি-8797 নম্বৰৰ ট্ৰাকখনত অবৈধভাৱে সৰবৰাহ কৰা অৱস্থাত স্থানীয় ৰাইজে জব্দ কৰে ২৪টাকৈ গৰু। উল্লেখ্য যে, ব্ৰহ্মপুত্ৰ অঞ্চলৰ বিভিন্ন ঠাইৰ পৰা গুৱাহাটী যোৱাবাত অভিমুখে গৰু ভৰ্তি ট্ৰাকখন গৈ থকা বুলি গাড়ীখনৰ চালকজনে জানিবলৈ দিয়ে। পিছত ঘটনাস্থলীত দেৱগাঁও আৰক্ষী উপস্থিত হৈ ইতিমধ্যে জব্দ কৰা ট্ৰাকখনৰ পৰা আটক কৰিছে ট্ৰাকখনৰ চালক আৰু হেন্দিমেনজনক। গৰুখিনিৰ প্ৰকৃত গৰাকী ৰাইজৰ চকুত ধূলি দি পলাই যাবলৈ সক্ষম হয়।

## চলন্তাপাৰা পঞ্চায়তৰ সভানেত্ৰীৰ বিৰুদ্ধে থানাত গোচৰ

**দৈনন্দিন বাৰ্তা সেৱা, যোগীঘোপা, ১৮ মে' ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত চলন্তাপাৰা পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনি ৰূপায়ণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আঁচনিৰ প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি পঞ্চায়ত সভানেত্ৰীয়ে মোটা অংকৰ ধনৰ বিনিময়ত একে নামৰে অইন এজনক আঁচনিৰ গৃহ আবণ্টন দিয়াৰ অভিযোগ উঠিছে। এই সন্দৰ্ভত বঞ্চিত হিতাধিকাৰীয়ে আজি যোগীঘোপা থানাত পঞ্চায়ত সভানেত্ৰীসহ তিনিজনৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰিছে। পঞ্চায়ত সভানেত্ৰী সুনীতা মালো, পঞ্চায়ত সদস্য বিপ্লৱ সৰকাৰ আৰু পঞ্চায়তৰ জি পি চি ধনী নাৰ্জাৰীৰ বিৰুদ্ধে দাখিল কৰা হৈছে এজাহাৰ। এজাহাৰত উল্লেখ কৰা মতে, ২০১৯-২০ বিত্তীয় বৰ্ষৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত চলন্তাপাৰা চতুৰ্থ খণ্ডৰ মালেকা খাতুনৰ নামত গৃহ আবণ্টন হৈছিল। কিন্তু পঞ্চায়ত সভানেত্ৰীয়ে উক্ত খণ্ডৰ সদস্য আৰু জি পি চিৰ সৈতে মিলি গোপন ধনৰ লেনদেনৰ বিনিময়ত তালিকাৰ পৰা মালেকা খাতুনৰ নাম কৰ্তন কৰি তালিকাত নাম নথকা একে গাঁৱৰে একে নামৰ আন এগৰাকী মহিলাক গৃহটো আবণ্টন দিয়ে। এই সন্দৰ্ভত প্ৰকৃত হিতাধিকাৰীগৰাকীয়ে পঞ্চায়ত সভানেত্ৰী তথা সদস্যক অৱগত কৰিছিল যদিও তেওঁলোকে কোনো গুৰুত্ব প্ৰদান কৰা নাই। ফলত উপায়হীন হৈ মালেকা খাতুনৰ পুত্ৰ আব্দুল খালেকে ঘটনা সন্দৰ্ভত আৰক্ষীৰ কাষ চাপে। এইক্ষেত্ৰত আৰক্ষীয়ে কি পদক্ষেপ লয় সেয়া লক্ষণীয় হ'ব।

## বিদ্যুৎস্পৃষ্ট হৈ পাতেকীবৰী ধাননি পথাৰত এজন শ্ৰমিকৰ মৃত্যু

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৮ মে' ঃ** মৰিগাঁও জিলাৰ মায়ঙৰ পাতেকীবৰীত অঘটন। বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হয় এজন শ্ৰমিকৰ। ১৬ মে'ত দুপৰীয়া সময়ত সংঘটিত হয় এই ঘটনা। মৃত শ্ৰমিকজনৰ নাম ছহুৰ উদ্দিন। মৃত ছহুৰ উদ্দিনৰ ঘৰ মায়ঙৰ লেহপটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ফলিহামাৰী হাবিগাঁৱত। উল্লেখ্য যে ফলিহামাৰী হাবিগাঁৱৰ পৰা মৃত ছহুৰ উদ্দিনে পেটৰ তাড়নাত লগৰ আন আন সতীৰ্থৰ লগত ধান কাটিবলৈ পাতেকীবৰীলৈ আহিছিল। পথাৰত সতীৰ্থৰ সৈতে ধান কাটি থাকোতে হঠাত পথাৰৰ ওপৰেদি যোৱা বিদ্যুৎ পৰিবাহী তাঁৰ ছিঙি গাত পৰে। সতীৰ্থসকলে বহুত চেষ্টা কৰিও প্ৰাণ ৰক্ষা কৰিব নোৱাৰিলে ছহুৰ উদ্দিনৰ। ছহুৰ উদ্দিনৰ মৃত্যুৰ খবৰে অঞ্চলজুৰি বিৰাজ কৰিছে শোকৰ ছাঁ। এই ঘটনাৰ খবৰ পাই মায়ং আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## আই নৈৰ খহনীয়া অঞ্চল পৰিদৰ্শন বঙাইগাঁও জিলা উপায়ুক্ত নৱদ্বীপ পাঠকৰ



**দৈনন্দিন বাৰ্তা সেৱা, মাণিকপুৰ, ১৮ মে' ঃ** ধাৰাবাহিক বৰষুণৰ ফলত নামনিৰ পৰা উজনি অসমত বানপানীৰ সৃষ্টি হৈছে। বঙাইগাঁও জিলাৰ বিভিন্ন অঞ্চলত আই নৈৰ সন্ত্ৰাস অব্যাহত আছে। বিশেষকৈ উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টি অন্তৰ্গত ভাণ্ডাৰা, বাঁশবাৰী, ছালাবিলা আৰু সৃজনগ্ৰাম পঞ্চায়তৰ বহুতো পৰিয়ালে ঘৰবাৰী হেৰুৱাই শিবিৰ পাতি বসবাস কৰি আছে। আই

### শীঘ্ৰেই মথাউৰিৰ কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ উপায়ুক্তৰ

নৈৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ ৪নং ভাণ্ডাৰাৰ পৰা ২নং বাঁশবাৰীলৈ চলি থকা মথাউৰিৰ কাম লেহেমীয়া হৈছে। আৰু আই নৈত বানপানীৰ উমান পাই আজি উপায়ুক্তই পৰিদৰ্শন কৰি মথাউৰিৰ কামৰ বুজ লয়। উপায়ুক্তই পৰিদৰ্শন কৰি মথাউৰিৰ কাম সোনকালে সম্পূৰ্ণ কৰিবলৈ জলসম্পদ বিভাগৰ বিষয়াক নিৰ্দেশ দিয়ে। উপায়ুক্তই নিজে আহি খহনীয়া অঞ্চলসমূহত তিনিবাৰকৈ পৰিদৰ্শন কৰি ৰাইজৰ ক্ষয়-ক্ষতিৰ বুজ লয় আৰু সোনকালেই মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। উপায়ুক্তগৰাকীৰ এই কামক স্থানীয় ৰাইজে প্ৰশংসা কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰিছে।

## লাহৰীঘাটৰ টেঙাগুৰিত ড্ৰাগছ কণ্টেইনাৰ-বিলাতী সুৰাৰ বটলসহ এজনক আটক

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত ড্ৰাগছবিৰোধী অভিযানত কালি সন্ধিয়া ৯টাকৈ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ আবুল কাছেম নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক লাহৰীঘাট আৰক্ষীৰ। এক গোপন সূত্ৰৰ পম খেদি লাহৰীঘাটৰ টেঙাগুৰিৰ দলঙৰ পৰা আটক কৰে সৰবৰাহকাৰীটোক। পিছত আৰক্ষীয়ে আবুল কাছেমৰ বাসগৃহত অভিযান চলাই ১৫টাকৈ বিলাতী সুৰাৰ বটলৰ লগতে জুৱা খেলত ব্যৱহৃত তাচপাত উদ্ধাৰ কৰে।



## লাহৰীঘাটৰ ধূপগুৰিত ৫ অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা


**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ধূপগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দিনৰ ২ বজাত ধূপগুৰি আৰু ঔঘৰী পাম মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত ৫গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে ধূপগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমচন্দ্ৰ চহৰীয়া, ঔঘৰী পাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মতিউৰ ৰহমান, ধোবাঙ্গখাইতী প্ৰাথমিক বিদ্যালয়ৰ সহঃ শিক্ষক আব্দুল আজিজ, পূব ভূএগুাবাৰী পাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰদীপ কুমাৰ দাস আৰু বড়িগাঁও আমগুৰি বড়ো মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ৰ সহঃ শিক্ষক সুভাষ চন্দ্ৰ স্বৰ্গীয়াৰী। ৫গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষককে এখনকৈ ফুলাম গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অৱশ্যে বড়ীগাঁও আমগুৰি বড়ো মাধ্যমৰ সহঃ শিক্ষক সুভাষ চন্দ্ৰ স্বৰ্গীয়াৰীৰ ব্যক্তিগত অসুবিধাৰ বাবে অনুষ্ঠানত উপস্থিত নাছিল। সম্বৰ্ধনা অনুষ্ঠান সঞ্চালনা কৰে ঔঘৰী আৰু ধূপগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰেজাউল কৰিম ৰিয়াজ উদ্দিনে। সম্বৰ্ধনা পৰ্বৰ আঁত ধৰে পূব ভূএগুাবাৰী পাম প্ৰাথমিক বিদ্যালয়ৰ সহঃ শিক্ষক সিদ্ধাৰ্থ শংকৰ ডেকাই। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আবুল কাছেম, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক তথা ধোবাঙ্গখাইতী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মকবুল হুছেইন আৰু উপ-পৰিদৰ্শক ছফিৰ আনচাৰীয়ে বিদায়ী অৱসৰপ্ৰাপ্ত শিক্ষকসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। উল্লেখ্য যে সম্বৰ্ধনা জনোৱা ৫গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকৰ আৱেগপ্ৰৱণতাত অনুষ্ঠানৰ সকলোৱে অশ্ৰুসিক্ত নয়নেৰে তেখেতসকলৰ দীৰ্ঘ জীৱন কামনা কৰে। অনুষ্ঠানত শতাধিক শিক্ষাগুৰু উপস্থিত আছিল।

## ভেল্লাৰ বালাচৰৰ দোকানত চুৰি

**দৈনন্দিন বাৰ্তা সেৱা, বৰপেটা, ১৮ মে' ঃ** বৰপেটা সদৰ থানাৰ অন্তৰ্গত ভেল্লাত বুধবাৰে নিশা মুষলধাৰ বৰষুণৰ সুযোগ লৈ চোৰে চলালে চাফাই অভিযান। ভেল্লাৰ বালাচৰৰ এখন দোকানৰ চালিৰ টিনপাত কাটি চোৰে লুটি নিলে নগদ ৪৫ হাজাৰ টকাসহ লক্ষাধিক টকাৰ সামগ্ৰী। ঘটনা সন্দৰ্ভত বৰপেটা থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী দোকানৰ স্বত্বাধিকাৰী খুদুল আলীয়ে। উল্লেখ্য যে বৰপেটাৰ ভেল্লাকে ধৰি পূব বৰপেটাৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পাইছে চুৰি, অসামাজিক কাৰ্য। অসামাজিক কাৰ্যত জড়িত লোকে দিনে-নিশাই চলাই গৈছে দুষ্কাৰ্য। এই দুষ্কাৰ্যত জড়িত লোকসকলে দীৰ্ঘদিনৰ পৰাই সুবিধা চাই অৱশেষত ভেল্লাৰ বালাচৰৰ গেলামালৰ পাইকাৰী দোকানখনত চুৰি কাৰ্য সংঘটিত কৰে। ঘটনাস্থলীত বৰপেটা সদৰ থানাৰ আৰক্ষীৰ এটি দল উপস্থিত হৈ অব্যাহত ৰাখিছে তদন্ত। চুৰিকাৰ্যক জড়িতক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে । শ্মশান যাত্ৰা আৰম্ভ হৈছে সেয়া কালাতলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নিচিনা বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিত এনে অযোগ্য, অপৰিচিত আৰু পাৰত গজা ব্যক্তিক সভাপতি পদত নিৰ্বাচিত কৰা কাৰ্যও অন্যতম কাৰণ হিচাপে বিবেচিত হৈছে । মুঠতে ছাত্ৰ সমাজ, শিক্ষক সমাজ তথা কোনো শিক্ষানুষ্ঠানৰ সৈতে কোনো কালেই কোনো ধৰণে জড়িত হৈ অহাৰ কোনো নজিৰ নথকা যুৱকজন কি গুণৰ বলত কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সভাপতি পদত নিযুক্ত হ'ব পাৰিলে, সেয়া চৰকাৰ তথা বিভাগীয় মন্ত্ৰী, বিভাগীয় আমোলা-বিষয়ালৈ এই প্ৰশ্ন এতিয়া বৃহত্তৰ অঞ্চলটোৰ সকলোৰে মুখে মুখে।

## চৰাইদেউত ছেনছিটাইজেচন কৰ্মশালা

**দৈনন্দিন বাৰ্তা সেৱা, সোণাৰি, ১৮ মে' ঃ** ৰাজ্যিক ধঁপাত নিয়ন্ত্ৰণ কোষ, অসম আৰু ইউনিয়ন তথা চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া উদ্যোগত আয়োজন কৰা জিলা পৰ্যায়ৰ ছেনছিটাইজেচন কৰ্মশালাখন আজি চৰাইদেউ জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাই। উদ্বোধনী ভাষণত উপায়ুক্তগৰাকীয়ে জিলাখনৰ শিক্ষা বিভাগৰ বিষয়া, কলেজৰ অধ্যক্ষ আৰু বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ সৈতে সভা আহ্বান কৰি সপ্তম শ্ৰেণীৰ পৰা মহাবিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ধঁপাতৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত কৰিবলৈ উদ্যোক্তাসকলৰ প্ৰতি বিশেষভাৱে আহবান জনায়। কৰ্মশালাখনত ৰাজ্যিক পৰ্যায়ৰ সমল ব্যক্তি আৰজু দত্তই অংশগ্ৰহণ কৰি কয় যে, ৰাজ্যখনক ধঁপাতমুক্ত কৰি এখন সুস্থ ৰাজ্যৰূপে গঢ় দিয়াত ৰাজ্যখনৰ সকলো জনসাধাৰণৰ প্ৰতি আহ্বান জনোৱাৰ উপৰি ৰাজহুৱা স্থান বা যিকোনো স্থানত ধঁপাত সেৱন কৰাৰ বিৰুদ্ধে ২০০ টকাৰ জৰিমনা বিহাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য আগবঢ়ায়।




# হাজোত ছাত্ৰ অপহৰণকাৰীৰ পাঁচজনক কৰায়ত্ত

## হত্যাকাৰীৰ ফাঁচীৰ দাবীত উত্তাল প্ৰতিবাদ



দৈনন্দিন বাৰ্তাৰ সেৱা, হাজোৰ প্ৰতিবেদক, ১৭ মে : - কামৰূপ জিলাৰ হাজোৰ এজন অপহৃত ছাত্ৰৰ মৃতদেহ পুঠিমাৰী নৈৰ পাৰত উদ্ধাৰ হোৱাৰ এক চাঞ্চল্যকৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অপহৰণৰ এদিন পিছতে মৃতদেহ উদ্ধাৰ হোৱা ছাত্ৰজন হৈছে হাজো থানাৰ অন্তৰ্গত একাদিৰ মগুৰ আলীৰ পুত্ৰ তথা দক্ষিণ শিংৰা কোঁৱৰপুৰ আঞ্চলিক হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ ৰফিকুল ইছলাম (১৬) আৰু অপহৰণ কৰি মুক্তিপণ নিদিয়াৰ বাবে নৃশংসভাৱে হত্যাকাণ্ড সংঘটিত কৰি আৰক্ষীৰ হাতত কৰায়ত্ত হোৱা পাঁচ নৰপিশাচ হৈছে হাজো- একাদিৰ লাডেন ওৰফে আজিজুৰ ৰহমান (২১) আৰু চুমন ওৰফে ছফিকুল হক (২২), ৰঙিয়া-কট্টাখাটৰ আচিফ আলী (২১), ৰঙিয়া-কেন্দুকোণাৰ তফিকুল ইছলাম (২১) আৰু বৰশিলৰ ৰাহুল আলী (২২)। ঘটনা সংক্ৰান্তত জানিব পৰা মতে, ১৫ মে'ৰ সন্ধিয়া পিতৃৰ সৈতে একাদি চ'ক বজাৰত থকা ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি নিজ গৃহলৈ যাবলৈ ওলোৱা মুহূৰ্ততে এখন চাৰিচকীয়া বাহন তেওঁৰ ওচৰত ৰয় আৰু ৰফিকুল ইছলাম নামৰ ছাত্ৰজনক উঠাই লৈ যায়। এই ঘটনা পিতৃয়ে প্ৰত্যক্ষ কৰে যদিও কোনো বন্ধুৰ সৈতে ফুৰিবলৈ যোৱা বুলি ভাবিছিল যদিও নিশা ঘৰলৈ উভতি আহি নোপোৱাত পৰিয়ালৰ লোক চিন্তিত হৈ পৰে। ইয়াৰ পিছত ওচৰ-চুবুৰীয়া, ইষ্ট-কুটুমৰ ওচৰত খা-খবৰ কৰি কোনো সম্ভেদ নোপোৱাত ১৬ মে'ৰ পুৱা পৰিয়ালৰ লোকে হাজো থানাত এজাহাৰ দাখিল কৰে। তেনে সময়তে ছাত্ৰ ৰফিকুল ইছলামৰ মোবাইল ফোনেৰে কোনো অচিনাক্ত দুৰ্বৃত্তই তেওঁক অপহৰণ কৰাৰ কথা অৱগত কৰি মুক্তিপণ দহ লাখ টকা দাবী কৰি দিনৰ বাৰ বজাত আদায় দিবলৈ কয় আৰু পিছত পুনৰ ফোন কৰি তিনি বজাৰ ভিতৰত ফোনযোগে যোগাযোগ কৰি আদায় দিবলৈ কয়। এই ঘটনাৰ পিছতে ৰফিকুল ইছলাম অপহনকাৰীৰ কবলত পৰাৰ কথা জ্ঞাত হৈ পৰিয়ালৰ লোক অধিক চিন্তিত হৈ আৰক্ষীৰ ওচৰ চাপে। ততালিকে হাজো আৰক্ষীয়ে মোবাইলৰ লোকেচন উলিয়াই পাঁচ অপহৰণকাৰী ক্ৰমে হাজো-একাদিৰ লাডেন ওৰফে আজিজুৰ ৰহমান, চুমন ওৰফে ছফিকুল হক, ৰঙিয়া-কট্টাখাটৰ আচিফ আলী, কেন্দুকোণাৰ তফিকুল ইছলাম আৰু বৰশিলৰ ৰাহুল আলীক কৰায়ত্ত কৰিবলৈ সক্ষম হয় আৰু পাঁচ অপহৰণকাৰীৰ স্বীকাৰোক্তিৰ ভিত্তিত কমলপুৰৰ পুঠিমাৰী নৈৰ পাৰত অপহৃত ৰফিকুল ইছলামৰ মৃতদেহ উদ্ধাৰ কৰে। এই ঘটনা সদৰী হোৱাৰ পিছত মৃত ৰফিকুল ইছলামৰ পৰিয়ালত এক শোকাকুল পৰিৱেশে সৃষ্টি কৰে। ইপিনে এই ঘটনা পোহৰলৈ অহাৰ লগে লগে একাদিৰ প্ৰায় ডেৰ শতাধিক স্থানীয় লোকে হাতে হাতে প্লেকাৰ্ড লৈ ৰফিকুল ইছলামৰ হত্যাকাৰীৰ ফাঁচীৰ দাবীত হাজো থানাৰ সমীপত এক উত্তাল পৰিৱেশ সৃষ্টি কৰে আৰু ছব্বিশ ঘণ্টাৰ ভিতৰত দোষীক কৰায়ত্ত কৰাত আৰক্ষীৰ শলাগ লয়।

## বকো কালাতলী কাঠমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি পদত যোগ্য-জ্যেষ্ঠ-অভিজ্ঞ ব্যক্তিক বঞ্চিত কৰি ৰাইজে চিনি নোপোৱা সৰ্বকনিষ্ঠ, অযোগ্য ব্যক্তিক সভাপতি নিযুক্ত

# ৰাইজ-অভিভাৱক-শিক্ষা সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তা সেৱা, বকো, ১৮ মে' ঃ** ৰাজনৈতিক ক্ষমতা আৰু প্ৰভাৱেৰে সকলো অসম্ভৱ আৰু অবাস্তৱকো যে সম্ভৱ কৰিব পাৰি, সেয়া মানৱ সম্পদ গঢ়াৰ কমাৰশালৰ ক্ষেত্ৰতেই হওক বা আন কোনোবা ক্ষেত্ৰতেই হওক তাক পুনৰবাৰ প্ৰতিপন্ন কৰি তুলিলে প্ৰতিভা আৰু মেধাৰ স্বীকৃতি দি অহাৰ শ্ল'গান আওৰাই অহা ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ আমোলতে। সদৌ অসম ছাত্ৰ সন্থাকে ধৰি ৰাজ্যৰ বিভিন্ন দল-সংগঠনে অন্ততঃ শিক্ষানুষ্ঠানসমূহক ৰাজনীতিৰ পৰা মুক্ত কৰি ৰখাৰ বাবে যিমানেই দাবী আৰু আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰি নাথাকক কিয় তালৈ কোনো কেৰেপ নকৰি দুৰ্নীতিবিৰোধী আৰু পৰিৱৰ্তনকামী চৰকাৰ হিচাপে জাহিৰ কৰি অহা বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ আমোলতে দেশৰ ভৱিষ্যৎ প্ৰজন্মকো অযোগ্য ব্যক্তিৰ হাতত বন্ধকত দিয়াৰ ঘটনাও পোহৰলৈ আহিছে। যি সময়ত বিদ্যালয়ৰ কমিটী গঠনৰ ক্ষেত্ৰত শিক্ষা বিভাগে এখন গাইড লাইন জাৰি কৰিছে, য'ত স্পষ্টভাৱে উল্লেখ আছে যে, সভাপতি হিচাপে আবেদন জনোৱা ব্যক্তিজন কোনো ৰাজনৈতিক দলৰ লগত জড়িত তথা কোনো বিষয়ববীয়া হিচাপে কৰ্মৰত হ'ব নোৱাৰিব অথচ যিজন ব্যক্তিক সভাপতি হিচাপে নিযুক্ত কৰিছে সেইজন ব্যক্তি বৰ্তমান পৰ্যন্ত ৰাজনীতিৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছে। এইক্ষেত্ৰত শিক্ষা বিভাগৰ নিৰ্দেশনাক ভৰিৰে মোহাৰি পুনৰ ৰাজনৈতিক নেতাৰ হস্তক্ষেপত এই কাৰ্য সংগঠিত কৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। দেশৰ ভৱিষ্যৎ প্ৰজন্মক সু-নাগৰিক হিচাপে গঢ়াৰ দায়িত্বত থকা প্ৰতিষ্ঠানসমূহকো ৰাজনীতিৰ বোকাত লুতুৰি-পুতুৰি কৰি যোগ্য, জ্যেষ্ঠ, স্থানীয় প্ৰতিভাধাৰীক বঞ্চিত কৰি ৰাইজে চিনি নোপোৱা অযোগ্য, বিদ্যালয়ৰ পৰা বহু নিলগৰ এজন সাধাৰণ লোক যাৰ সামাজিক আৰু কোনো ধৰণৰ গণভিত্তি নথকা সৰ্বকনিষ্ঠ প্ৰাৰ্থীক চৰকাৰী উচ্চ শিক্ষানুষ্ঠানৰ নিচিনা অনুষ্ঠান এটাত সভাপতি হিচাপে নিযুক্তি দিয়াৰ ঘটনা এটাই শেহতীয়াভাৱে কামৰূপ জিলাৰ বকো আৰু ছয়গাঁও সমষ্টিৰ কেন্দ্ৰস্থল বৃহত্তৰ কালাতলী অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰকাৰৰ এই নাভূত-নাশ্ৰুত কাণ্ডই ৰাইজ আৰু শিক্ষা সচেতন মহলৰ চকু কপালত তোলাৰ লগতে বিষয়টোৰে চৰকাৰৰ ফোঁপোলা স্বৰূপটোকে উদঙাইছে। অযোগ্য তথা বিভিন্ন দুৰ্নীতিত নাম সাঙোৰ খাই অহা যুৱক এজনক সভাপতি নিযুক্তি দিয়াৰ এই কাণ্ডজ্ঞানহীন ঘটনা সংঘটিত হৈছে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত 'কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত। উল্লেখ্য, বকো আৰু ছয়গাঁও সমষ্টি সামৰি থকা কেইবাটাও অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান 'কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল'ৰ সভাপতি পদৰ বাবে স্থানীয় শিক্ষাবিদ, জ্যেষ্ঠ সমাজকৰ্মীকে ধৰি কেইবাজনো জ্যেষ্ঠ, অভিজ্ঞ ব্যক্তিয়ে বিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত আবেদন কৰিছিল। উক্ত আবেদনৰ ওপৰত ভিত্তি কৰি অধ্যক্ষই এখন প্ৰাৰ্থী পেনেল প্ৰস্তুত কৰি কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰে। পিছে উক্ত পেনেলত থকা যোগ্য, অভিজ্ঞ তথা জ্যেষ্ঠক বঞ্চিত কৰি বিদ্যালয়ৰ অধ্যক্ষৰ প্ৰৰোচনাত চৰকাৰী যন্ত্ৰ আৰু দলীয় নিৰ্দেশনাত শিক্ষা বিভাগে আজিজুৰ ৰহমান নামৰ ২৭ বছৰীয়া যুৱক এজনক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হিচাপে নিযুক্তি দিয়ে। বিদ্যালয়ৰ পৰিধিৰ বাহিৰৰ যুৱক এজনক বিদ্যালয়খনৰ সভাপতি হিচাপে নিযুক্ত কৰাৰ খবৰে সম্প্ৰতি জাঙুৰ খাই উঠিছে অঞ্চলবাসী সৰ্বস্তৰৰ ৰাইজ, অভিভাৱক তথা শিক্ষা সচেতন মহল। তদুপৰি এসময়ত কংগ্ৰেছ, এসময়ত বিজেপি, পিছলৈ বিজেপিৰ পৰা বহিষ্কৃত হোৱা আৰু পুনৰ কংগ্ৰেছ দলৰ সৈতে জড়িত যুৱকজন বিভিন্ন দুৰ্নীতি তথা প্ৰৱঞ্চনামূলক কাৰ্যতো জড়িত থকাৰো সৰৱ চৰ্চা চলিছে সমগ্ৰ অঞ্চলত। লক্ষণীয়, শিক্ষানুষ্ঠান, ছাত্ৰ-ছাত্ৰীকে ধৰি শিক্ষা ক্ষেত্ৰৰ লগত কোনো সম্পৰ্ক নথকা স্থানীয় ৰাইজৰ অপৰিচিত ছাত্ৰ বয়সৰ এই যুৱকজনক কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নিচিনা ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠান এখনৰ সভাপতি পদত কেনোপধ্যেই মানি ল'ব খোজা নাই স্থানীয় ৰাইজে। এই অবাঞ্চিত ঘটনাই সৃষ্টি কৰিছে এক গভীৰ ৰহস্যৰো। পিছে বিদ্যালয়ৰ অধ্যক্ষই এইক্ষেত্ৰত গ্ৰহণ কৰা ৰহস্যজনক স্থিতিও বিশেষ লক্ষণীয় বিষয় হৈ পৰিছে। বৃহৎ পৰিমাণৰ ধনৰ লেনদেনৰ বিনিময়তে যে এনে অযোগ্য তথা কনিষ্ঠতম প্ৰাৰ্থী এগৰাকী সভাপতিৰ বিবেচনাত উঠিব পাৰে সেয়া এতিয়া কালাতলী অঞ্চলৰ সৰ্বস্তৰৰ ৰাইজৰ মাজত সৰৱ চৰ্চা চলা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত শাসকীয় বিজেপি দলৰ নেতাও জড়িত হৈ থকা বুলি অভিযোগ উঠিছে। চৰকাৰে ৰাজনৈতিকভাৱে জাপি দিয়া এনে পাৰত গজা সভাপতিক বিদ্যালয়ৰ শিক্ষক মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীয়ে কোনোপধ্যেই মানি নোলোৱাৰো ব্যাপক চৰ্চা চলিছে । লক্ষণীয়, চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ তথা এচাম ধুৰন্ধৰ, মুনাফালোভী, নিজ দায়িত্বক পিঠি দি অহা শিক্ষক-অধ্যক্ষৰ এনে কৰ্মকাণ্ডৰ ফলতেই যে চৰকাৰী শিক্ষানুষ্ঠান ভেল্লাত নিশা মুষলধাৰ বৰষুণৰ সুযোগ ল'লে চোৰে।

# ডলু চাহ বাগিচাত উচ্ছেদৰ বিৰুদ্ধে ডিব্ৰুগড়ত আটছা-মৰাণত আছাৰ উত্তাল প্ৰতিবাদ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৮ মে’ঃ** ঐতিহাসিক ডলু চাহ বাগিচাৰ উচ্ছেদৰ বিৰুদ্ধে আজি ডিব্ৰুগড়ত প্ৰতিবাদ সাব্যস্ত কৰে আটছাই। গ্ৰীন ফিল্ড বিমান বন্দৰ নিৰ্মাণৰ বাবে কাছাৰৰ দুশবছৰীয়া ডলু চাহ বাগিচাত বুলড’জাৰ চলাই চৰকাৰ আৰু স্থানীয় প্ৰশাসনৰ শ্ৰমিকবিৰোধী নীতিৰ বিৰুদ্ধে আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাই ডিব্ৰুগড় উপায়ুক্ত কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আটছাৰ ডিব্ৰুগড় জিলা সমিতিয়ে উপায়ুক্ত কাৰ্যালয়ত বিভিন্ন চৰকাৰবিৰোধী শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। চাহ জনগোষ্ঠীৰ ভোটেৰে শাসনৰ বাঘজৰী দখল কৰা বিজেপি নেতৃত্বাধীন বিজেপি চৰকাৰক চাহ শ্ৰমিকৰ ওপৰত চলোৱা দমন নীতিক কোনো কাৰণতে সহ্য নকৰাৰ হুংকাৰ দিয়ে। ডলু চাহ বাগিচাৰ উপৰি অসমৰ চাহ বাগিচা উচ্ছেদ কাৰ্য শীঘ্ৰে বন্ধ নকৰিলে বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰতৰ আন্দোলন গঢ়ি তোলাৰো সকীয়নি দিয়ে। আটছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বসন্ত কুৰ্মী, কাৰ্যনিৰ্বাহক সদস্য লাজাৰ নন্দ, মণ্টু ওৰাং, হেমন্ত কুজুৰ, বাবুল চাহু, ললিত মাহালি, আটছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাঘ, সম্পাদক লক্ষীন্দৰ কুৰ্মী, আটুৱা ডিব্ৰুগড় জিলা সমিতিৰ সভানেত্ৰী ৰাখী তাঁতী, সম্পাদিকা সুমিত্ৰা ওৰাং আদিৰ নেতৃত্বত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত দুই শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত ডলু চাহ বাগিচা উচ্ছেদ বন্ধৰ দাবীত ডিব্ৰুগড় জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। আনহাতে, কাছাৰৰ ডলু চাহ বাগিচাৰ উচ্ছেদিত প্ৰায় তিনি হাজাৰ আদিবাসী চাহ শ্ৰমিকক ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন প্ৰদানৰ লগতে বিকাশৰ নামত চাহ বাগিচা উচ্ছেদ বন্ধ কৰাৰ দাবীত আজি মৰাণত আদিবাসী ছাত্ৰ সন্থাই (আছা) দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। আছাৰ মৰাণ আৰু মাহমৰা আঞ্চলিক সমিতিৰ উদ্যোগত লোৱা এই ধৰ্মঘট কাৰ্যসূচীত আছাৰ কৰ্মীসকলে হাতে হাতে প্লেকাৰ্ড লৈ চৰকাৰবিৰোধী বিভিন্ন শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। মৰাণৰ মাজমজিয়াত লোৱা এই ধৰ্মঘট কাৰ্যসূচীত চাহ মজদুৰ সংঘৰ লগতে চাহ জনগোষ্ঠীৰ মন্ত্ৰী, সাংসদ আৰু বিধায়কসকলক তীব্ৰ সমালোচনা কৰে প্ৰতিবাদকাৰীসকলে। অনাগত দিনত তেওঁলোকৰ বিৰুদ্ধেও প্ৰতিবাদী কাৰ্যসূচী লোৱাৰ হুংকাৰ দিয়ে আছা কৰ্মীসকলে। ইফালে আজি এই প্ৰতিবাদস্থলীত উপস্থিত হৈ কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী এতোৱা মুণ্ডাই মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰাৰ লগতে ৰূপজ্যোতি কুৰ্মীকো কটাক্ষ কৰে। তেওঁ কয়, ৰূপজ্যোতি কুৰ্মীয়ে নতুন চাকৰিটোৰ কাৰণেহে ওলোটা কথা কৈছে বুলি মন্তব্য কৰে।



# ১৩ শতাধিক শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে ‘ইডুভেণ্ট’ৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৮ মে’ঃ** শিক্ষাৰ্থীৰ কেৰিয়াৰৰ দিশত ইতিবাচক দিশ নিৰ্ণয়ৰ ক্ষেত্ৰত পথ মুকলি কৰা মেগা শিক্ষা সমাৰোহৰ আজি সফল সামৰণি পৰে। তিনিটা পৰ্যায়ত অনুষ্ঠিত ইডুভেণ্ট শিক্ষা সমাৰোহত প্ৰায় ১৩০০ ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়। তৃতীয় পৰ্যায়ত ডিব্ৰুগড়ত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই ইডুভেণ্টৰ আজি সামৰণি পৰে। উল্লেখ্য যে ইডুভেণ্টৰ উদ্যোগত গুৱাহাটী, শ্বিলং আৰু ডিব্ৰুগড়ত এই মেগা শিক্ষা সমাৰোহৰ আয়োজন কৰা হৈছিল। এই সন্দৰ্ভত ইডুভেণ্টৰ সঞ্চালক ছাহিল জামানে কয় যে উত্তৰ-পূবৰ শিক্ষাৰ্থীসকলৰ কেৰিয়াৰ নিৰ্বাচন নিৰ্ভুল কৰিবলৈয়ে এই বৃহৎ শৈক্ষিক মেলাৰ আয়োজন কৰা হৈছিল। ছাহিল জামানে আৰু কয় যে উত্তৰ-পূবৰ শিক্ষাৰ্থীসকলে এই অনুষ্ঠানৰ জৰিয়তে উচিত কেৰিয়াৰ নিৰ্দেশনা লাভ কৰিব পাৰিব। বেছি ভাগ শিক্ষাৰ্থীয়ে যেতিয়া সঠিক কেৰিয়াৰৰ বাছনি কৰিব লগা হয় তেতিয়া বিভ্ৰান্ত হয়। সেয়েহে, এডুভেণ্টোৱে সদায় এনে অনুষ্ঠানৰ জৰিয়তে কেৰিয়াৰ সজাগতা সৃষ্টি কৰিবলৈ চেষ্টা কৰি আহিছে। ইপিনে সন্দীপ বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক মুৰব্বী অমিত শ্ৰীৱাস্তৱে কয় যে- সম্প্ৰতি বাণিজ্যিক শিক্ষা হৈছে সফলতাৰ আধাৰ। এনে শিক্ষা সমাৰোহে বাণিজ্যিক শিক্ষাৰ পাঠ্যক্ৰম নিৰ্বাচনত শিক্ষাৰ্থীক সহায় কৰিব। এই সমাৰোহত সন্দীপ বিশ্ববিদ্যালয়, চাণক্য বিশ্ববিদ্যালয়, আচাৰ্য ইনষ্টিটিউট অৱ টেকন’লজী, এছআৰএম বিশ্ববিদ্যালয়, এলায়েন্স বিশ্ববিদ্যালয়, আদমাছ বিশ্ববিদ্যালয়, পানীপথ অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, আলপাইন গ্ৰুপ অৱ ইনষ্টিটিউট, পাৰুল বিশ্ববিদ্যালয়, সুকল্প ফাউণ্ডেচন, গেটৱে ইনষ্টিটিউট অৱ হোটেল মেনেজমেণ্ট, ৰিজিঅ’নেল কলেজ অৱ ফাৰ্মাচিউটিকেল ছাইন্স, আই টি এম বিশ্ববিদ্যালয়, বিএফআইটি গ্ৰুপ অৱ ইনষ্টিটিউট আদি শিক্ষানুষ্ঠানে তেওঁলোকৰ কাউন্সিলাৰ আৰু মানসিক বিশেষজ্ঞসকলৰ সৈতে অংশগ্ৰহণ কৰে।

# নাজিৰাত খোৱাপানী-অনাময় পৰিচালনা, ব্যৱস্থাপনাৰ কৰ্মশালা




**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ মে’ঃ** আজি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত নাজিৰা জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যৌথ উদ্যোগত ‘পঞ্চদশ বিত্তীয় আয়োগৰ নিৰ্ধাৰিত পুঁজিৰ ব্যৱহাৰৰ যোগেদি গ্ৰামীণ খোৱাপানী আৰু অনাময় খণ্ডত পৰিচালনা আৰু ব্যৱস্থাপনা’ শীৰ্ষক এখন এদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয়। অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে এই কৰ্মশালা উদ্বোধন কৰে। মহকুমাধিপতি সব্যসাচী কাশ্যপে নিজৰ উদ্বোধনী ভাষণত কয় যে ‘জল জীৱন আঁচনিৰ অধীনত খোৱাপানী যোগান ব্যৱস্থাসমূহৰ দীৰ্ঘ স্থায়িত্ব তথা সু-পৰিচালনা নিশ্চিত কৰিবৰ উদ্দেশ্যে আঁচনিখনৰ পৰিসীমাই সামৰি লোৱা সমূহ ৰাইজৰ সজাগতা তথা দায়িত্বশীল অংশীদাৰিত্বৰ প্ৰয়োজন। সেয়েহে পানী যোগান আঁচনিৰ যাৱতীয় চোৱা-চিতা তথা ব্যৱস্থাপনা গাঁও পঞ্চায়ত পৰ্যায়লৈ বিকেন্দ্ৰীকৃত কৰাৰ ওপৰত অসম চৰকাৰে গুৰুত্ব আৰোপ কৰি গাঁও পঞ্চায়ত পৰ্যায়ৰ পানী আৰু অনাময় সমিতি গঠনৰ জৰিয়তে আঁচনিখনৰ সামগ্ৰিক দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত কৰিছে’। তেওঁ সভাত উপস্থিত থকা নাজিৰাৰ গাঁও পঞ্চায়তসমূহৰ সমূহ সদস্য আৰু প্ৰতিনিধিক আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে অভিভাৱকৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে প্ৰতিটো পৰিয়াললৈ বিশুদ্ধ খোৱাপানী উপলব্ধ কৰাবৰ বাবে দুয়োটা বিভাগৰ বিষয়া-কৰ্মচাৰীক সমন্বিত ৰূপত কাৰ্যব্যৱস্থা গ্ৰহণৰো নিৰ্দেশ দিয়ে। আজিৰ সভাতে ইতিমধ্যে সম্পূৰ্ণ হোৱা ৯খনকৈ পানী যোগান আঁচনি সংশ্লিষ্ট পঞ্চায়তৰ প্ৰতিনিধিসকলক মহকুমাধিপতিয়ে হস্তান্তৰ কৰে। উক্ত সভাত নাজিৰা খণ্ড উন্নয়ন বিষয়া তন্ময় চেতিয়া, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰাজেন ফুকনকে প্ৰমুখ্য কৰি নাজিৰা মহকুমা অন্তৰ্গত গাঁও পঞ্চায়তসমূহৰ সভাপতি, সচিবসকল উপস্থিত থাকে।

## বোকাখাতত বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৮ মে’ঃ** বোকাখাতৰ ধনশিৰিমুখত বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ। যোৱানিশাটোত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ পূৰ্বতকৈ ০.১৫ মিটাৰ বৃদ্ধি পাইছে। আজি কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বোকাখাত মহকুমাৰ দ অঞ্চলসমূহ পানীত বুৰ গৈছে যদিও নদীপৃষ্ঠ বৃদ্ধি হৈ বানৰ সৃষ্টি হোৱাৰ কোনো বাতৰি এই পৰ্যন্ত অহা নাই। কেন্দ্ৰীয় জল আয়োগৰ আজি পুৱা ৬ বজাৰ তথ্য মতে উজনিৰ ডিব্ৰুগড় আৰু নিমাতীঘাটত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ সতৰ্কসীমাৰ ওপৰেদি প্ৰবাহিত হৈ আছে যদিও জলপৃষ্ঠই বিপদসীমা অতিক্ৰম কৰা নাই। যোৱানিশাৰ ভিতৰত ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ জলপৃষ্ঠ ০.২৭ মিটাৰ আৰু নিমাতীঘাটৰ জলপৃষ্ঠ ০.১৫ মিটাৰ বৃদ্ধি পাইছে। পূৰ্বানুমান মতে আজি দিনৰ ভাগত নিমাতীঘাটৰ জলপৃষ্ঠ কিছু পৰিমাণে নিম্নগামী হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় জল আয়োগৰ পুৱাৰ তথ্য মতে অৰুণাচলৰ ইংকিয়ং আৰু বলেঙৰ শেহতীয়া তথ্য পোৱা হোৱা নাই যদিও চীনা সীমান্তৰ টুটিঙত চিয়াং নদীৰ জলপৃষ্ঠ যোৱানিশা ০.৬৭ মিটাৰ বৃদ্ধি পাইছে। বৰ্ধিত এই জলৰাশিয়ে পৰৱৰ্তী সময়ত নামনিৰ বিভিন্ন স্থান প্ৰভাৱিত কৰিব যদিও খুব জটিল পৰিস্থিতি সৃষ্টিৰ সম্ভাৱনা নাই। আনহাতে, পাচিঘাটত যোৱানিশা ০.১৭ মিটাৰ বৃদ্ধি পাইছে জলপৃষ্ঠ।

# চেঙেলীয়াঝাৰত ব’হাগী বিদায় অনুষ্ঠান




**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৮ মে’ঃ** দৰঙৰ ছিপাঝাৰৰ চেঙেলীয়াঝাৰ ১নং চ’কৰ নেতৃত্বত স্থানীয় যুৱ মঞ্চৰ উদ্যোগত ১৭ মে’ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় ব’হাগী বিদায় অনুষ্ঠান। পুৱা পৰিৱেশ নিকাকৰণেৰে অনুষ্ঠানৰ পাতনি মেলাৰ পিছত গছপুলি ৰোপণ, সংঘ, বিহু আৰু ৰূপালী জয়ন্তীৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ অনুষ্ঠিত হয়। বিয়লি ৩ বজাৰ পৰা অৱসৰী প্ৰধান শিক্ষক হৰিচন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে চেঙেলীয়াঝাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহম্মদ চালেহ, আমন্ত্ৰিত অতিথি হিচাপে ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথ উপস্থিত থাকি বিহুৰ ওপৰত সাৰগৰ্ভ বক্তৃতা ৰাখি বিহু অনুষ্ঠান নিশালৈ চলি থকাটো গ্ৰহণ কৰিব নোৱাৰি বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। বিশিষ্ট ব্যক্তি হিচাপে চেঙেলীয়াঝাৰ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰতুল চহৰীয়াৰ আন দুগৰাকী নতুনকৈ সংযোজিত যুৱ সমাজকৰ্মী আহমদ আলী, দৰঙৰ জ্যেষ্ঠ সাংবাদিক ইন্দাদুল হকে বিহু সম্পৰ্কত তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন, ৫.৩০ বজাত দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকাই ক্ষেত্ৰ উদ্বোধন, ৬.৩০ বজাত জাতীয় আদৰ্শ শিক্ষা সচিব ৰাণা বশিষ্ঠই মঞ্চ উদ্বোধনৰ পিছতে অনুষ্ঠিত হয় বিহু আৰু আধুনিক নৃত্য প্ৰতিযোগিতা। অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল জুনিয়ৰ জুবিনখ্যাত বিনোদ কলিতা, বাব্‌লি কলিতা আৰু পিংকু শ্যামৰ গীতৰ শৰাই। উল্লেখ্য যে, নিশালৈ অনুষ্ঠিত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত দোপালপিটা বৰষুণতো দৰ্শকে আনন্দ-উল্লাসেৰে অনুষ্ঠান উপভোগ কৰি থকাটো আছিল লক্ষণীয়। স্মৰ্তব্য যে, এইবেলি যুৱ মঞ্চই ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে।

# আমগুৰিৰ বিশ্বকৰ্মা কোঁৱৰৰ বিয়োগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৮ মে’ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ বাঘজান চাহ বাগিচাৰ বাসিন্দা, বিশিষ্ট ঝুমুৰ শিল্পী বিশ্বকৰ্মা কোঁৱৰৰ যোৱানিশা আমগুৰি বাঘজান চাহ বাগিচাৰ নিজা বাসগৃহত মৃত্যু হয়। কিছুদিন ধৰি গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত চিকিৎসাধীন হৈ থকা শিল্পীজনক চাৰি দিনমানৰ আগতে ঘৰলৈ অনা হৈছিল। সুদক্ষ ফুটবল খেলুৱৈ, ৰেফাৰী আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনাতাঁৰ শিল্পীজনে বৰবাম চাহ বাগিচাৰ পৰা গৈ যথেষ্ট পৰিশ্ৰম আৰু কষ্টৰ বিনিময়ত নিজক প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ ঝুমুৰ দলে ৰাজ্যখনৰ বিভিন্ন ঠাইত বিপুল সমাদৰ লাভ কৰাৰ উপৰি গণতন্ত্ৰ আৰু গণৰাজ্য দিৱসৰ দিল্লীৰ কেন্দ্ৰীয় অনুষ্ঠানৰ লগতে ঝাৰখণ্ড, তেলেংগানা আদি ৰাজ্যতো ঝুমুৰ পৰিৱেশন কৰি বিশেষ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। আমগুৰি, হালোৱাটিং আৰু বৰবাম বাগিচাত সুদীৰ্ঘ ত্ৰিছ বছৰ চাকৰি কৰা শিল্পীজনে ২০২১ চনত অসম চৰকাৰৰ শিল্পী পেন্সন পাবলৈ সক্ষম হৈছিল। অসম উন্নতি সভা, ৰেফাৰী সন্থা আদি অনুষ্ঠানৰ আমৃত্যু কাৰ্যনিৰ্বাহ কৰা শিল্পীজনৰ ঝুমুৰ গীত আৰু নৃত্যই তেওঁক জনপ্ৰিয়তাৰ শীৰ্ষলৈ লৈ গৈছিল। সমাজকৰ্মী তথা সৰবৰহী কোঁৱৰৰ মৃত্যুত আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা, আমগুৰিৰ বৰবাম, হালোৱাটিং আটছা, এ চি এম এছ, বৰবাম, আমগুৰি, হালোৱাটিং, বাঘজান চাহ বাগিচা কৰ্তৃপক্ষ, আমগুৰি আছু, অসম সেনা, আমগুৰি আৰু শিৱসাগৰ ক্ৰীড়া সন্থা, ৰেফাৰী ব’ৰ্ড, অনুসূচিত জাতি ছাত্ৰ সন্থা, বৰবাম নৱজ্যোতি পুথিভঁৰাল, বাঘজান পুথিভঁৰাল, আমগুৰি মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ আচফিয়া চুলতানা, বিশিষ্ট ফুটবল খেলুৱৈ বিনন্দ বৰা, বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী জনাৰ্দন হাজৰিকা, নৰ্থ ইষ্ট স্কুলৰ সুৰেন বড়া, লেখিকা জুৰি শইকীয়া, আটছাৰ হৈ ৰমেশ বাচকে, আমগুৰি ই এণ্ড পি মিডিয়া এছ’চিয়েচনকে ধৰি অনেক অনুষ্ঠান- প্ৰতিষ্ঠান আৰু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জনাই শোক প্ৰকাশ কৰিছে। শিল্পীগৰাকীক অগণন গুণমুগ্ধৰ উপস্থিতিত শ্ৰদ্ধাঞ্জলি জনাই শিল্পীজনাৰ নশ্বৰ দেহ স্থানীয় কেউখন বাগিচালৈ লৈ গৈ অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত ৬৪ বছৰ হোৱা শিল্পীজনে এজন পুত্ৰ, দুগৰাকী কন্যা, পত্নীসহ নাতি-নাতিনীক এৰি থৈ গৈছে। শিল্পীজনাৰ অকাল বিয়োগত আমগুৰি আৰু হালোৱাটিংবাসী শোকস্তব্ধ হৈ পৰিছে।

## নগাঁৱৰ আমোলাপট্টিত সন্ধানহীন সমাজকৰ্মী কন্দৰ্প ফুকন

# কলঙত পিছলি পৰাৰ সন্দেহত এছ ডি আৰ এফৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ মে’ঃ** আজি পুৱা নগাঁও চহৰৰ আমোলাপট্টি অঞ্চলত সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। আমোলাপট্টিৰ কন্দৰ্প ফুকন নামৰ এগৰাকী সত্তৰ উৰ্ধৰ ব্যক্তি নিৰুদ্দেশ হোৱাক কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হয়। পুৱা পাঁচ বজাত আমোলাপট্টিৰ নাওবৈচা ফুকন পথৰ বাসগৃহৰ পৰা ওলাই যোৱা সমাজকৰ্মী, ধৰ্মপৰায়ণ ব্যক্তি কন্দৰ্প ফুকনৰ জোতাযোৰ ঘৰৰ সমীপৰে কলঙৰ ঘাটত উদ্ধাৰ হয়। জানিব পৰা মতে প্ৰতিদিনেই কন্দৰ্প ফুকনে কলঙৰ পাৰৰ উক্ত ঘাটত যোগাসন, প্ৰাণায়াম আদি কৰিছিল। স্থানীয় লোকৰ সন্দেহ— যোগাসন কৰি উঠি মুখ ধুবলৈ যাওঁতেই হয়তো ব্যক্তিগৰাকী ভৰা কলঙত পিছলি পৰি সলিল সমাধি ঘটে। ইপিনে নগাঁৱৰ এছডিআৰএফ বাহিনী বানপানীৰ উদ্ধাৰ অভিযানত ব্যস্ত থকাৰ বাবে আজি বিয়লি মৰিগাঁৱৰ পৰা অহা এছডিআৰএফ বাহিনীয়ে কলঙত অভিযান চলায় যদিও বাতৰি লিখাৰ পৰলৈকে ব্যক্তিগৰাকীৰ সন্ধান লাভ কৰা নাই।

# মাৰ্ঘেৰিটাৰ বুঢ়ীদিহিং নৈত যুৱকৰ মৃতদেহ উদ্ধাৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৮ মে’ঃ** আজি পুৱা নৈৰ বুকুৰেদি উটি অহা এটি মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি মাৰ্ঘেৰিটাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। মৃতদেহটো ক’ৰ পৰা কেনেকৈ আহি মাৰ্ঘেৰিটা পালেহি বুলি স্থানীয় ৰাইজৰ মাজত উৎসুকতা হ’বলৈ ধৰে। কিন্তু পৰৱৰ্তী সময়ত জানিব পৰা যায় যে উদ্ধাৰ হোৱা মৃতদেহটো জাগুনৰ ৰনুজ সোণোৱালৰ। পৰিয়ালৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো চিনাক্ত কৰে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি দেওবাৰে পুৱা জাগুন ঘাটত নৈৰ বুকুৰেদি উটি অহা এডাল কুণ্ডা ধৰিবলৈ গৈয়ে ৰনুজৰ সলিস সমাধি ঘটিছিল। উক্ত দিনাৰ পৰাই নিখোঁজ হৈ থকা যুৱকজনৰ মৃতদেহ আজি মাৰ্ঘেৰিটাৰ ৰে’লৰ দলঙৰ ওচৰত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে আৰু স্থানীয় মাৰ্ঘেৰিটা আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে উক্ত ঠাইত উপস্থিত হৈ নৈৰ বুকুৰ পৰা মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰে।

# লোক নিৰ্মাণ বিভাগৰ গোলাঘাট ক্ষেত্ৰীয় গৃহ সংমণ্ডলৰ কাৰ্যালয় মুকলি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ১৮ মে’ঃ** লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ গোলাঘাট ক্ষেত্ৰীয় গৃহ সংমণ্ডলৰ কাৰ্যালয়টো আজি মুকলি কৰা হয়। খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া আৰু উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই আজি কাৰ্যালয়টো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। যোৱা বছৰৰ ৩ নৱেম্বৰত অসম চৰকাৰে লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ যোৰহাট ক্ষেত্ৰীয় গৃহ সংমণ্ডলৰ পৰা পৃথক কৰি ইয়াক এটা সুকীয়া সংমণ্ডল হিচাপে অধিসূচিত কৰিছিল। বোকাখাত আৰু খুমটাই ক্ষেত্ৰীয় গৃহ উপ-সংমণ্ডল আৰু গোলাঘাট আৰু সৰুপথাৰ ক্ষেত্ৰীয় গৃহ উপ-সংমণ্ডল এই সংমণ্ডলৰ অধীনস্থ হ’ব। আজি উদয়ন বৰঠাকুৰে এই সংমণ্ডলটোৰ কাৰ্যবাহী অভিযন্তা হিচাপে যোগদান কৰে। গোলাঘাটৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সমীপত থকা লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) ৰ কাৰ্যালয় ভৱনতে এই কাৰ্যালয়টো স্থাপন কৰা হৈছে। কাৰ্যবাহী অভিযন্তা হিচাপে দায়িত্ব লৈ বৰঠাকুৰে কয় যে যোৰহাট সংমণ্ডলৰ পৰা পৃথক কৰি নতুন সংমণ্ডল সৃষ্টি কৰাত এতিয়া গোলাঘাট, সৰুপথাৰ, খুমটাই আৰু বোকাখাত সমষ্টিৰ বিভাগৰ কাম-কাজসমূহ নিয়াৰিকৈ সম্পন্ন কৰাত সহায় হ’ব। আজিৰ অনুষ্ঠানত লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰ উপস্থিত আছিল।

## লিডুত শিক্ষাৰ অধিকাৰ Right to Education শীৰ্ষক সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৮ মে’ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত লিডু কলিয়ৰীৰ সাৰ্বজনীন প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মাৰ্ঘেৰিটাৰ চিলড্ৰেন ফেন ক্লাব আৰু লিডুৰ কম্পিউটাৰ এডুকেশ্বন আয়টাৰ যুটীয়া উদ্যোগত মাৰ্ঘেৰিটাৰ মহকুমা প্ৰশাসনৰ সহযোগত বুধবাৰে শিক্ষাৰ অধিকাৰ শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোম মুখ্য অতিথিৰূপে উপস্থিত থাকে। মহকুমা নিৰ্বাচনী বিষয়া অদিতি নেওগ, সহকাৰী আয়ুক্ত প্ৰান্ত প্ৰতিম পাত্ৰ, তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব আৰহান চৌধুৰী, সমাজকৰ্মী শিবু তালুকদাৰ, হেমন্ত ঘোষ, সাংবাদিক জিতু গগৈ আৰু মিথুন বৰুৱা উপস্থিত থাকে। বক্তাসকলে শিশুসকল যাতে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত নহয় আৰু শিশুক শ্ৰমিক হিচাপে ব্যৱহাৰ নকৰে তাৰ ওপৰত গুৰুত্ব দিয়ে। দুখন বিদ্যালয়ৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে বহু কেইগৰাকীৰ শিক্ষক- শিক্ষয়িত্ৰীৰ উপস্থিতিত সভাখনত চিলড্ৰেন ফেন ক্লাবৰ শিল্পীসকলে এখন বাটৰ নাট পৰিৱেশন কৰে।



# মাজবাটত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম-জয়ন্তীত অনন্যা চক্ৰৱৰ্তীৰ গীতৰ শৰাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১৮ মে’ঃ** ওদালগুৰি জিলা মাজবাটৰ বাপুজী প্ৰকল্প প্ৰাংগণত ১৬২সংখ্যক বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম-জয়ন্তী উদ্‌যাপন কৰে। মাজবাটবাসী ৰাইজৰ উদ্যোগত বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬২সংখ্যক জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি ৯ মে’ আৰু ১৭ মে’ত দুদিনীয়া কাৰ্যসূচীৰে ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম-জয়ন্তী উদ্‌যাপন কৰা দেখা যায়। ১৭ মে’ৰ সন্ধিয়া ৭ বজাত সাংস্কৃতিক মঞ্চ উন্মোচন কৰে বি টি আৰৰ উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে। সন্ধিয়া ৭.৩০ বজাত সম্বৰ্ধনা অনুষ্ঠান। সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে ১৬২সংখ্যক ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক আশিষ মিত্ৰই। সন্ধিয়া ৮.৩০ বজাত স্থানীয় শিল্পীৰ দ্বাৰা সংগীত আৰু নৃত্য প্ৰদৰ্শন। নিশা ৯ বজাত সাংস্কৃতিক অনুষ্ঠানত মুম্বাইৰ পৰা আমন্ত্ৰণ কৰি অনা জি টি ভিৰ ছাৰে ৰে গা মা পাখ্যাত অনন্যা চক্ৰৱৰ্তীৰ গীতৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে। অনন্যাক মাজবাটৰ নিচিনা এখন সৰু ঠাইত লগ পাই মাজবাট পশু চিকিৎসালয়ৰ অতিথিশালাৰ সভা কক্ষত সদৌ অসম বেংগলী ফেডাৰেচনৰ মাজবাট আঞ্চলিক সমিতিৰ সম্পাদক অজয় সূত্ৰধৰ, অল বড়ো ইষ্টুডেণ্ট ইউনিয়নৰ মাজবাট আঞ্চলিক সমিতিৰ সভাপতি ইফুংলা বসুমতাৰী, সম্পাদক ৰিংগু বসুমতাৰী, সচেতন নাগৰিক জুলি স্বৰ্গীয়াৰীয়ে অসমৰ মান ফুলাম গামোচা, বড়োসকলৰ জাতীয় গামোচা আৰনাইৰে শিল্পীগৰাকীক সম্বৰ্ধনা জনায়। ১৬২সংখ্যক ৰবীন্দ্ৰ জয়ন্তীৰ দুদিনীয়া কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ কাৰণে উদ্‌যাপন সমিতিৰ সভাপতি আৰু বি টি আৰৰ ৩৯ নং পাঁচনৈ ছেৰফাং পৰিষদীয় সমষ্টিৰ এম চি এল এ দীপক মৌৰক ১৬২সংখ্যক ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন সমিতিৰ সকলো কৰ্মকৰ্তাই ধন্যবাদ জ্ঞাপন কৰে।

# নগৰবেৰাৰ বিস্তীৰ্ণ অঞ্চলৰ কৃষিভূমি পানীৰ তলত



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ মে’ঃ** ৰাজ্যখনত বিগত কেইবা দিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বানে সংহাৰী ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। বিভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ বিস্তীৰ্ণ অঞ্চলৰ কৃষি ভূমি সম্প্ৰতি পানীৰ তলত। যাৰ বাবে বিনষ্ট হৈছে হাজাৰ হাজাৰ বিঘা ধান খেতি। হাড়ভঙা পৰিশ্ৰমেৰে কৰা সোণবৰণীয়া নিজৰ ধাননি পথাৰখন বানপানীত ডুব যোৱাত মূৰে-কপালে হাত দিছে কৃষকসকলে। জানিব পৰা মতে, কামৰূপ জিলাৰ বকো সমষ্টিৰ জামলাই, কল্যাণপুৰ, বদলা, মালিবাৰী, ৰংগেশ্বৰী পাম, মন্দিৰা এন চি, পলাহৰটাৰী, বিদ্যানগৰ (ৰূপহাৰা) আদি গাঁওসমূহৰ ধাননি পথাৰ এতিয়া সম্পূৰ্ণৰূপে পানীৰ তলত ডুব যোৱাত কৃষকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। গাঁওসমূহৰ প্ৰায় সকলো লোকৰে বিঘাই বিঘাই সোণবৰণীয়া ধানখেতি পানীৰ তলত ডুব যোৱাত চিন্তিত হৈ পৰিছে কৃষকসকল। উল্লেখ্য যে অধিক মূল্যৰ ৰাসায়নিক সাৰ, কীটনাশক ঔষধ, ডিজেল আদি ব্যৱহাৰ কৰি কষ্টৰে উৎপাদন কৰা কৃষকৰ ফচল, বানত প্লাৱিত হৈ বিনষ্ট হোৱাত দিক্‌বিদিক হেৰুৱাইছে সংশ্লিষ্ট গাঁওসমূহৰ কৃষকসকলে। লক্ষণীয় কথাটো হ’ল— প্ৰলয়ংকৰী বানত কৃষকৰ সপোন তচ্‌নচ্‌ হোৱাৰ পিছত উল্লিখিত গাঁৱৰ কৃষকসকলৰ লগতে ৰাজ্যৰ কৃষকসকলক চৰকাৰক কেনেদৰে আৰ্থিক সকাহ দিয়ে সেয়া হ’ব লক্ষণীয়।

# ৰঙাপৰাত বিধায়ক কৃষ্ণ কমল তাঁতীয়ে বিতৰণ কৰিলে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীক অনুমোদন-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৮ মে’ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ (গ্ৰামীণ) হিতাধিকাৰীক অনুমোদন-পত্ৰ প্ৰদান কৰা হয়। ঘৈৰালী চাহ বাগিচাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুমোদন-পত্ৰ বিতৰণ আৰু সজাগতা সভাত অংশগ্ৰহণ কৰি ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ ২০১১বৰ্ষৰ অনুমোদিত ৩৮গৰাকী হিতাধিকাৰীক অনুমোদন-পত্ৰ বিতৰণ কৰে। ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ সচিব অজিত শৰ্মাই আঁত ধৰা সভাত বিধায়ক তাঁতীয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰত গৃহসমূহ নিৰ্মাণ কৰিবলৈ হিতাধিকাৰীসকলক কয়। প্ৰধানমন্ত্ৰী আৱাস যোজনাত (গ্ৰামীণ) অনুমোদিত গৃহ নিৰ্মাণত মধ্যস্থতাকাৰীৰ প্ৰৱঞ্চনাত নপৰি নিজে নিৰ্মাণ কৰিবলৈ তেওঁ হিতাধিকাৰীসকলক আহ্বান জনায়। দিনৰ ১টা বজাত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি শোণিতপুৰ জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণে চৰকাৰী নিয়মাৱলী অনুসৰণ কৰি আৱাস গৃহ নিৰ্মাণ কৰিবলৈ তেওঁ হিতাধিকাৰীসকলক আহ্বান জনায়। দিনৰ ১ বজাত অনুষ্ঠিত সভাত ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, ৰঙাপৰা মণ্ডল বিজেপি সভাপতি দীপক তেলী, ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য গৌৰী কাণ্ডলনা, ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড পৰিকল্পনা প্ৰবন্ধক জুৱেল বৰুৱা, ঠাকুৰবাৰী গাঁও পঞ্চায়তৰ গাঁও পঞ্চায়ত সমন্বয়ক জ্যোতিৰ্ময় চক্ৰৱৰ্তী, প্ৰাক্তন ছাত্ৰ নেতা ৰাজু ৰজক আৰু বহু গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইপিনে আজি পুৱা ১১ বজাত ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত নাহৰণি গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ (গ্ৰামীণ) হিতাধিকাৰীক অনুমোদন-পত্ৰ বিতৰণ আৰু সজাগতা সভাত অংশগ্ৰহণ কৰি সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে ১৩৬গৰাকী হিতাধিকাৰীক অনুমোদন-পত্ৰ বিতৰণ কৰে।



### চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা

# এসপ্তাহৰ সময়সীমা বান্ধি দিলে যোৰহাট আছুৱে

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৮ মে' ঃ** যোৰহাটত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য বিসংগতিপূৰ্ণ আৰু অতি নিম্নমানৰ হোৱাৰ নিৰন্তৰ অভিযোগৰ পাছত এক দীঘলীয়া সময় পথটোৰ নিৰ্মাণৰ কাম বন্ধ হৈ আছিল। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড, চমুকৈ এন এইচ আই ডি চি এলৰ তত্বাৱধানত এই ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণৰ কাম চলি আছে যদিও পূৰ্বতে যিকেইটা নিৰ্মাণকাৰী প্ৰতিষ্ঠানে নিৰ্মাণকাৰ্য চলাই আছিল সেই প্ৰতিষ্ঠানকেইটাৰ আসোঁৱাহপূৰ্ণ আৰু নিম্নমানৰ কামৰ বাবে উক্ত প্ৰতিষ্ঠানকেইটাই কাম হেৰুৱাইছিল। যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজীলৈকে পথটো নিৰ্মাণৰ বাবে নতুনকৈ নিবিদা প্ৰক্ৰিয়াৰে বিজেতা প্ৰজেক্টছ এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড এণ্ড চুইটি ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে নতুনকৈ কাম লাভ কৰাৰ পাছতো কাম খৰতকীয়া নকৰাৰ বাবে ক্ষুব্ধ হৈ পৰিছে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা। ৰাষ্ট্ৰীয় ঘাইপথৰ কাম খৰতকীয়া কৰাৰ লগতে আসোঁৱাহবিহীনভাৱে নিৰ্মাণৰ দাবী জনাই যোৱা ১১ মাৰ্চত যোৰহাট জিলা ছাত্ৰ সন্থাই এখন স্মাৰক-পত্ৰ জিলা উপায়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছিল যদিও কোনো ব্যৱস্থা গ্ৰহণ নকৰাত কালি ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈ আৰু সাধাৰণ সম্পাদক দীপ দত্ত স্বাক্ষৰিত এখন দাবী পত্ৰ পুনৰ জিলা উপায়ুক্তক প্ৰদান কৰে। এই প্ৰসংগত বিবৃতি ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি আৰু সাধাৰণ সম্পাদকে দাবী কৰে যে - ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সকলো বিষয়ৰ তত্বাৱধান দায়িত্বত এন এইচ আই ডি চি এল আছে যদিও তেওঁ অত্যন্ত নিষ্ক্ৰিয় ভূমিকা পালনৰে বৰ্তমানৰ সময়ত এই তদাৰকী প্ৰতিষ্ঠানটোৱে ৰাইজৰ ধনৰ শৰাধ পতাহে পৰিলক্ষিত হৈছে। বিভিন্ন বহুজাতিক প্ৰতিষ্ঠানে এই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নিবিদা লাভ কৰিছে যদিও এই নিৰ্মাণৰ নামত কেৱল কমিছনৰাজ আৰু নিৰ্মাণৰ নামত ল'ৰা-ধেমালি কৰি আহিছে। যি সময়ত উজনিৰ ৰাইজে যাতায়াতৰ বাবে দুৰ্ভোগ ভুগি আহিবলগীয়া হৈছে আৰু অৰ্ধনিৰ্মিত অৱস্থাত থকা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন অংশ মৰণফান্দত পৰিণত হৈছে, নতুনকৈ কাম লাভ কৰা প্ৰতিষ্ঠানটোৱে যাতে ইতিমধ্যে হোৱা বিসংগতিসমূহ আঁতৰাই অতি খৰতকীয়াকৈ আৰু আসোঁৱাহবিহীনভাৱে ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণৰ কাম চলাই ৰাইজক সকাহ প্ৰদান কৰে সেইক্ষেত্ৰত জিলা ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। ছাত্ৰ সন্থাৰ স্পষ্ট দাবী— চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম সঠিক আৰু সময়মতে আগবঢ়োৱাৰ লগতে পথছাতী ৰাইজ, ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী সকলোৰে সুবিধাৰ্থে যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজী দলং পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ যাতায়াত সুচল কৰিবলৈ এক সপ্তাহৰ ভিতৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অন্যথা ৰাইজৰ সহযোগত ছাত্ৰ সন্থাই তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হ'ব বুলি ছাত্ৰনেতাদ্বয়ে ব্যক্ত কৰে। একেটা বিবৃতিতে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জিতু নেওগে কয়— ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণৰ বিষয়টো আচলতে উজনি অসমৰ ৰাইজৰ বাবে এক আশাৰ বতৰা হিচাপে পৰিগণিত হৈছিল। কিন্তু এই পথটো নিৰ্মাণৰ বাবে ঠিকা লাভ কৰা বিভিন্ন নিৰ্মাণকাৰী প্ৰতিষ্ঠানসমূহে একমাত্ৰ কমিছন লাভ কৰাৰ স্বাৰ্থত বিভিন্ন বিসংগতি আৰু আসোঁৱাহপূৰ্ণভাৱে পথটি নিৰ্মাণ কৰি ৰাইজৰ আশা-আকাংক্ষাৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি আহিছে। সেয়েহে নতুনকৈ নিবিদা লাভ কৰা প্ৰতিষ্ঠানটোৱে যাতে আসোঁৱাহবিহীন আৰু খৰতকীয়াকৈ অৰ্ধনিৰ্মিত অৱস্থাত থকা এই নিৰ্মাণকাৰ্য চলাই নিয়ে সেইক্ষেত্ৰত ছাত্ৰ সন্থাৰ সতৰ্ক দৃষ্টি নিবদ্ধ হৈ থাকিব।




### ভেল্লাত নিশা মুষলধাৰ বৰষুণৰ সুযোগ ল'লে চোৰে

# দোকানৰ চালিৰ টিনপাট কাটি চোৰে লুটি নিলে লক্ষাধিক টকাৰ সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৮ মে' ঃ** বৰপেটা সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ভেল্লাত বুধবাৰে নিশা মুষলধাৰ বৰষুণৰ সুযোগ লৈ চোৰে চলালে চাফাই অভিযান। ভেল্লাৰ বালাচৰৰ এখন দোকানৰ চালিৰ টিনপাত কাটি চোৰে লুটি নিলে নগদ ৪৫ হাজাৰ টকাসহ লক্ষাধিক টকাৰ সামগ্ৰী। ঘটনা সন্দৰ্ভত বৰপেটা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী দোকানৰ স্বত্বাধিকাৰী খুদুল আলীয়ে। উল্লেখযোগ্য যে বৰপেটাৰ ভেল্লাকে ধৰি পূব বৰপেটাৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পাইছে চুৰি, অসামাজিক কাৰ্য। অসামাজিক কাৰ্যত জড়িত লোকে দিনে-নিশাই চলাই গৈছে দুষ্কাৰ্য। এই দুষ্কাৰ্যত জড়িত লোকসকলে দীৰ্ঘদিনৰ পৰাই সুবিধা চাই অৱশেষত ভেল্লাৰ বালাচৰৰ গেলামালৰ পাইকাৰী দোকানখনত চুৰি কাৰ্য সংঘটিত কৰে। ঘটনাস্থলীত বৰপেটা সদৰ থানাৰ আৰক্ষীৰ এটি দল উপস্থিত হৈ অব্যাহত ৰাখিছে তদন্ত। চুৰিকাৰ্যত জড়িতক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে।

# তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ মণ্ডল পৰ্যায়ৰ এদিনীয়া প্ৰশিক্ষণ সমাপ্ত




**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৮ মে' ঃ** নলবাৰী জিলাৰ বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ২ নং বালিতাৰা মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ নগাঁও প্ৰাথমিক বিদ্যালয়ত কেন্দ্ৰটোৰ শিক্ষক-শিক্ষয়িত্ৰী সকলক অসম চৰকাৰৰ শিক্ষা বিভাগে আয়োজন কৰা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ ওপৰত এদিনীয়া প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ভূপেন কলিতাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা প্ৰশিক্ষণ কাৰ্যসূচীটোত বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষাখণ্ডৰ বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক জ্যোতিষ দাসে ক'ভিডৰ বাবে দুটি শিক্ষাবৰ্ষৰ বৃহৎ ক্ষতি হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক স্থিতি জানিবলৈ আয়োজন গুণোৎসৱৰ প্ৰাসংগিকতা যে অধিক তাৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰাৰ লগতে আগন্তুক গুণোৎসৱৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক মানসিকভাৱে প্ৰস্তুত হ'বলৈ আহ্বান জনায়। কেন্দ্ৰটোৰ সমন্বয়ক বিপুল চন্দ্ৰ দাস আৰু ১ নং নাহেৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক কুশল বৈশ্যই সমল ব্যক্তি হিচাপে উপস্থিত থাকি গুণোৎসৱৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰিবলগীয়া সকলো দিশ তথা দায়িত্ব সম্পৰ্কে অতি সুন্দৰভাৱে বুজাই দিয়ে। ইয়াৰোপৰি সমল ব্যক্তিদ্বয়ে ছাত্ৰ-ছাত্ৰীৰ স্ব-মূল্যায়ন আৰু বহিঃমূল্যায়কৰ দ্বাৰা কেনেকৈ মূল্যায়ন কৰা হ'ব বিতংভাৱে শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। বনভাগ বতাহগিলা হাইস্কুল নাহেৰবাৰীৰ প্ৰধান শিক্ষক হিতেশ বৰ্মনে আগন্তুক গুণোৎসৱত বিদ্যালয়সমূহে সফলতা অৰ্জন কৰাৰ বিভিন্ন দিশ সম্পৰ্কে পৰামৰ্শ প্ৰদান কৰে। প্ৰশিক্ষণ কাৰ্যসূচীটোত উপস্থিত থকা প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীয়ে গুণোৎসৱৰ আগত প্ৰশিক্ষণ অনুষ্ঠানটোৰ আয়োজন কৰাৰ বাবে কেন্দ্ৰ সমন্বয়ক বিপুল চন্দ্ৰ দাসদেৱক ভূয়সী প্ৰশংসা কৰে।

# মাধৱদেৱ চেমিনাৰীৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৮ মে' ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত এলেঙী চাৰিআলিত ১৯৬১ চনতে প্ৰতিষ্ঠিত একমাত্ৰ অগ্ৰণী শিক্ষানুষ্ঠান মাধৱদেৱ চেমিনাৰীৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মহাপুৰুষ মাধৱদেৱৰ ৫৩৩ তম জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে উন্নয়ন তথা পৰিচালনা সমিতিৰ সভাপতি গোলোক চুতীয়াই। পতাকা উত্তোলন কৰাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে সমূহীয়া প্ৰাৰ্থনা পৰিৱেশন কৰে। দুপৰীয়া প্ৰাক্তন প্ৰধান শিক্ষক ৰাজেন বৰাৰ সভাপতিত্বত, শিক্ষক ৰমেন বৰাই আঁত ধৰা আৰু প্ৰধান শিক্ষক দ্বীপেন বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত প্ৰাক্তন প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ চুতীয়া, প্ৰাক্তন শিক্ষক শান্তনু হাজৰিকা, মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক অনন্ত খনিকৰ, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ উপ-সভাপতি মহেন্দ্ৰ শইকীয়া, সদস্য ৰাজু শইকীয়া, সাংবাদিক দুদুল বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। সভাখনৰ আৰম্ভণিতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমূহীয়া বৰগীত পৰিৱেশন কৰে। ইফালে প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত কৰা কুইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক সভাতে পুৰস্কৃত কৰে। বহুসংখ্যক অভিভাৱক আৰু স্থানীয় লোক উপস্থিত থকা অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে।

# ২২ মে'ত মৰাণত লেখিকা সংস্থা, অসমৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৮ মে' ঃ** অসমৰ লেখিকাসকলৰ শক্তিশালী মঞ্চ লেখিকা সংস্থা, অসমৰ নৱনিৰ্বাচিত সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অহা ২২ মে' দেওবাৰে চৰাইদেউ জিলাৰ মৰাণত অনুষ্ঠিত হ'ব। মৰাণ শাখা লেখিকা সংস্থাৰ সহযোগত মৰাণৰ টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সভাকক্ষত সেইদিনা দিনৰ ১১ বজাৰ পৰা সংস্থাৰ কেন্দ্ৰীয় সভানেত্ৰী মৃদুলা শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এই সভাত সংস্থাই আগন্তুক দিনত ৰূপায়ণ কৰিবলগীয়া বিভিন্ন কাৰ্যাৱলীৰ পৰিকল্পনা যুগুত, সাংগঠনিক দিশ তথা প্ৰকাশনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। গতিকে এই সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা সকলো শাখাৰে কাৰ্যনিৰ্বাহক বিষয়ববীয়া তথা সদস্যাবৃন্দক জৰুৰীভাৱে উপস্থিত থাকিবলৈ লেখিকা সংস্থাৰ প্ৰধান সম্পাদিকা বিজয়া দেৱদাসে আহ্বান জনাইছে। লগতে সংস্থাৰ তিনিমহীয়া পত্ৰিকা 'অৰ্ধ আকাশ'ৰ বাবে লিখনী আৰু বৰঙনি লগত লৈ আহিবলৈ সংস্থাৰ পত্ৰিকা সম্পাদিকাই অনুৰোধ জনাইছে।

# শিৱসাগৰত অগপৰ সদস্যভৰ্তি অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৭মে' ঃ** অসম গণ পৰিষদৰ শিৱসাগৰ জিলা কাৰ্যালয়ত ১৬ মে'ত শিৱসাগৰ বিধান পৰিষদৰ উদ্যোগত জিলাৰ সভাপতি ঘন গগৈৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হৈ যায়। বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰুবুল বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অগপৰ সদস্যভৰ্তি অভিযান, নবীকৰণ, দলীয় সাংগঠনিক দিশ সন্দৰ্ভত মণ্ডল পৰিষদ আৰু প্ৰাণ পৰিষদ গঠন সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। শিৱসাগৰ নগৰ পৰিষদৰ বীৰেন চাংমাইৰ নেতৃত্বত বহুকেইজন নতুন কৰ্মী অগপ দলৰ প্ৰতি আকৃষ্ট হৈ যোগদান কৰাৰ লগতে পুৰণি বহুসংখ্যক কৰ্মীয়ে নবীকৰণ কৰে। নতুন সদস্যসকলক দলৰ ফালৰ পৰা উষ্ম আদৰণি জনোৱাৰ লগতে সভাপতিয়ে সকলো কৰ্মীকে একগোট হৈ নিঃস্বাৰ্থভাৱে দলৰ কাম-কাজ আগুৱাই নিবলৈ আহবান জনায়। উক্ত সভাত কেন্দ্ৰীয় সম্পাদক দিগন্ত কোঁৱৰ, শিৱসাগৰ নগৰ পৰিষদৰ সভাপতি তথা শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি সঞ্জীৱ বৰা আৰু জিলা সদস্য অনল শৰ্মা, অজিত দাস, চৰিফুদ্দিন আহমেদকে ধৰি বহুসংখ্যক দলীয় কৰ্মী উপস্থিত থাকে।

# নগাঁৱত হেৰ'ইনসহ মহিলা ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ১৮ মে' ঃ** নগাঁও আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযানৰ মাজতো নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী কেতবোৰ অঞ্চলত একাংশ সমাজবিৰোধী চক্ৰই ড্ৰাগ্‌ছৰ ৰমৰমীয়া বেহা অব্যাহত ৰাখিছে। অতি উদ্বেগজনক বিষয়টো হ'ল, এই ড্ৰাগ্‌ছ মাফিয়াসকলে ইয়াৰ সৰবৰাহ আৰু বেহাত একাংশ অসাধু মহিলাক নিয়োগ কৰিছে। আজি তেনে এগৰাকী মহিলা ড্ৰাগ্‌ছ সৰবৰাহকাৰীক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী চেঁচামুখৰ এটা ভাড়াঘৰৰ পৰা মৰিকলং আৰক্ষী চকীৰ আৰক্ষীয়ে ড্ৰাগ্‌ছৰ ব্যৱসায়ৰ লগত জড়িত মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ ঘৰৰ পৰা জব্দ কৰিছে বৃহৎ পৰিমানৰ হেৰ'ইন, ড্ৰাগ্‌ছ ভৰাবলৈ অনা খালী কণ্টেইনাৰৰ উপৰি বহুসংখ্যক পাছবুক, এখন চেক, কিছু আপত্তিজনক নথি-পত্ৰ আৰু তিনিখন স্কুটী। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী মহিলাগৰাকীৰ নাম সীমা বৰা বুলি আৰক্ষী সূত্ৰই জনাইছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি সীমা বৰা নামৰ এই মহিলাগৰাকীয়ে নগাঁৱৰ বিভিন্ন স্থানত ঘৰ ভাড়ালৈ লৈ ড্ৰাগ্‌ছৰ ব্যৱসায় চলাই থাকি শেহতীয়াকৈ চেঁচামুখৰ এই ঘৰটো ভাড়ালৈ লৈ পুনৰ লিপ্ত হৈছিল ড্ৰাগ্‌ছৰ ব্যৱসায়ত। বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আৰক্ষীয়ে কালি এই ঘৰটোত অভিযান চলাই ড্ৰাগ্‌ছসহ সীমা বৰাক কৰায়ত্ত কৰে যদিও সীমা বৰাৰ বোৱাৰী পিংকী পলাই যাবলৈ সক্ষম হয়। উল্লেখ্য যে ধৃত সীমা বৰা চেঁচামুখৰ স্থায়ী বাসিন্দা নহয় আৰু কিছুদিন পূৰ্বে চেঁচামুখত এই ঘৰটো ভাড়ালৈ লৈছিল বুলি জনাইছে স্থানীয় লোকে।

# তেজপুৰ জিলা মহিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী হেমলতা বৰুৱাৰ স্বাস্থ্যৰ বুজ ল'লে সাংসদ পল্লৱ লোচন দাসে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ মে' ঃ** তেজপুৰ বিশ্ববিদ্যালয়ৰ মহিলা অধ্যয়ন কেন্দ্ৰই যোৱা ৯ মে'ত তিলোত্তমা বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা তেজপুৰৰ প্ৰবীণ গান্ধীবাদী নেত্ৰী, মহিলা সবলীকৰণৰ বাবে ওৰেটো জীৱন উছৰ্গা কৰা হেমলতা বৰুৱাৰ বাসগৃহত কালি বিয়লি তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস উপস্থিত হৈ তেখেতৰ স্বাস্থ্যৰ বুজ লয়। উল্লেখ্য যে চৰকাৰী শিক্ষয়িত্ৰীৰ চাকৰি ইস্তফা দি নাৰী মুক্তিৰ অৰ্থে ওৰেটো জীৱন উছৰ্গা কৰা ৯৪ বছৰীয়া বিদুষীগৰাকী অলপতে বাসগৃহতে আকস্মিকভাৱে পিছলি পৰি কঁকাল ভগাৰ বাবে তেজপুৰ বিশ্ববিদ্যালয়ে প্ৰদান কৰা তিলোত্তমা বৰুৱা স্মাৰক বঁটা নিজে গ্ৰহণ কৰিব পৰা নাছিল। সেই বঁটা প্ৰদান অনুষ্ঠানত সাংসদগৰাকীও উপস্থিত থাকিব লগা আছিল যদিও চৰকাৰী এক গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ বাবে উপস্থিত থাকিব নোৱাৰাৰ পিছত কালি তেজপুৰ চহৰৰ নতুন আমোলাপট্টীৰ বাসগৃহতে বিদুষী মহিলাগৰাকীৰ স্বাস্থ্যৰ বুজ লৈ দীঘলীয়া সময় অন্তৰংগভাৱে আলাপ কৰে। স্বাস্থ্যৰ বুজ লোৱাৰ সময়ছোৱাত সাংসদগৰাকীক মানুহৰ কল্যাণৰ বাবে কাম কৰিবৰ বাবে আশীৰ্বাদ প্ৰদান কৰে।

# শিলসাঁকো, ডলু চাহ বাগিচাৰ উচ্ছেদ বন্ধ আৰু পুনঃস্থাপনৰ দাবীত বোকাখাতত মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৮ মে' ঃ** আজি বোকাখাতত আদিবাসী ছাত্ৰ সন্থা, জীপাল কৃষক শ্ৰমিক সংঘ, সদৌ চাওঁতাল ছাত্ৰ সন্থা, সদৌ চাওঁতাল যুৱ সন্থাই বোকাখাতৰ মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ ৬ দফীয়া এক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। গুৱাহাটীৰ শিলসাঁকো আৰু কাচাৰৰ ডলু চাহ বাগিচাত কৰা উচ্ছেদ বন্ধ আৰু পুনঃসংস্থাপনৰ দাবীত মুখ্যমন্ত্ৰীক প্ৰদান কৰা স্মাৰক-পত্ৰখনত কোৱা হয় যে এই উচ্ছেদ কাৰ্যক কোনোমতে মানি ল'ব নোৱাৰি আৰু ইয়াক তীব্ৰভাৱে গৰিহণা দিয়াৰ লগতে এনে অমানৱীয় উচ্ছেদ বন্ধ কৰাৰ দাবী সাব্যস্ত কৰা হয়। লগতে স্মাৰক-পত্ৰখনত নিৰীহ জনতাক কৰা উচ্ছেদ আৰু বুলড'জাৰ চলোৱাৰ দৰে অমানৱীয় কাৰ্য বন্ধ কৰা, ডলু বাগানত উচ্ছেদিত সকলো পৰিয়ালক পুনঃসংস্থাপন আৰু উচিত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা, ৰাজহুৱা শুনানিৰ দ্বাৰা স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে জনমত নোলোৱা পৰ্যন্ত বিমানবন্দৰৰ নিৰ্মাণৰ কাম বন্ধ ৰখা, বাগানত বসবাস কৰি অহা জনগণক উচ্ছেদ নহয়, বৰং ভূমিপট্টা প্ৰদান কৰা, শিলসাঁকোৰ জনতাক কৰা উচ্ছেদ বন্ধ কৰি তেওঁলোকক তাতে পুনঃসংস্থাপন আৰু উচিত ক্ষতিপূৰণ দিয়াৰ লগতে ভূমিপট্টা প্ৰদানৰ ব্যৱস্থা কৰা আদি দাবী সন্নিৱিষ্ট কৰা হয়। অন্যথা জনতাৰ ৰাজনৈতিক প্ৰতিৰোধ সংগ্ৰামৰ সন্মুখীন হ'বলৈ চৰকাৰ বাধ্য হ'ব বুলিও স্মাৰক-পত্ৰত সকীয়াই দিয়ে সংগঠনকেইটাই।




উল্লেখ্য যে আজি বোকাখাতত শিলসাঁকো আৰু কাচাৰৰ ডলু চাহ বাগিচাত চৰকাৰী পক্ষই চলোৱা উচ্ছেদ অভিযানৰ বিৰোধিতাৰে কেউটা সংগঠনৰ নেতৃত্বত উলিওৱা এক প্ৰতিবাদী সমদলৰ যোগেদি বোকাখাতৰ মহকুমাধিপতিৰ কাৰ্যালয়লৈ গৈ স্মাৰক-পত্ৰ প্ৰদান কৰে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে কৃষক নেতা সোণেশ্বৰ নৰহ। লগতে চৰকাৰে সন্তীয়া হিতাধিকাৰী সজাই অৰুণোদয় আঁচনিৰ কেৱল ৯০০ টকাৰে জনতাক ক্ৰয় কৰি অপমান কৰিছে বুলিও উল্লেখ কৰে কেউটা সংগঠনৰ নেতৃবৃন্দ ক্ৰমে আদিবাসী ছাত্ৰ সন্থাৰ দুলাল বৰাইক, বিনোদ মুণ্ডা, সুৰজ মোদী, জীপাল কৃষক-শ্ৰমিক সংঘৰ পুতুল নৰহ, জেহিৰ আহমেদ, প্ৰবীণ পেগু, সদৌ চাওতাল যুৱ সন্থাৰ বিনোদ চৰেণ, প্ৰবীণ মাঝি আৰু সদৌ চাওতাল ছাত্ৰ সন্থাৰ প্ৰাণদ্বীপ মাঝি আৰু ভাইমণি মাৰ্দিৰ স্বাক্ষৰ সম্বলিত স্মাৰক-পত্ৰখনত।

# ৰামধেনু চ'ৰাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বীণা ডেকাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উদ্‌যাপন

**দৈনন্দিন বাৰ্তা সেৱা, ডুমডুমা, ১৮ মে' ঃ** ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা, লেখিকা সমাৰোহৰ ডুমডুমা শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী, ডুমডুমাৰ ৰামধেনু মহিলা চ'ৰাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বীণা ডেকাৰ প্ৰথম মৃত্যু বাৰ্ষিকী ৰামধেনু মহিলা চ'ৰাৰ উদ্যোগত ডুমডুমা শাখা সাহিত্য সভা প্ৰেক্ষাগৃহত আজি উদ্‌যাপন কৰা হয়। বয়োজ্যেষ্ঠ মহিলা গায়ত্ৰী গোস্বামীয়ে বীণা ডেকাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন কৰে ৰামধেনুৰ সভানেত্ৰী দিব্যলতা ডেকাই। শঙ্কৰী কলা-কৃষ্টিৰ সাধক মাধৱ বৰা আৰু মহেন্দ্ৰ নেওগে কৃষ্ণ বন্দনাৰে মূল অনুষ্ঠানটো আৰম্ভ কৰে। ইয়াৰ পিছত সদৰ মছজিদৰ জোনাবে কোৰান আৰু হ'প ফৰ চিল্ড্ৰেনৰ ফাদাৰে বাইবেলৰ পাঠ কৰে। কণাই বৌদ্ধ বিহাৰৰ ভান্তে বৌদ্ধ ধৰ্মীয় আৰু শিখ ধৰ্মীয়সকলে গুৰু গ্ৰন্থ চাহেব পাঠ কৰে। অনুষ্ঠানটোত শ্ৰীসত্য সাই বাবাৰ ভক্তসকলে বাবাৰ ভজন, ৰামকৃষ্ণ সেৱাশ্ৰমৰ মহিলাসকলে ভক্তিমূলক গীত, লেখিকা ডুমডুমা শাখাৰ সদস্যাসকলে দেহ বিচাৰ গীত আৰু ৰামধেনু মহিলা চ'ৰাৰ সদস্যাসকলে দিহানাম পৰিৱেশন কৰে। ৰামধেনুৰ সম্পাদিকা ৰুমী পাঠকে আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থকা সকলো ব্যক্তিয়ে বীণা ডেকাক শ্ৰদ্ধা সহকাৰে সোঁৱৰণ কৰে।

# বাথৌ মহাসভাৰ একনিষ্ঠ সেৱক, সমাজকৰ্মী সনাতন বসুমতাৰীৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৮ মে' ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত খাটালপাৰা গাঁৱৰ বাসিন্দা নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় সদস্য তথা আজীৱন সদস্য, লেখক, সমাজকৰ্মী সনাতন বসুমতাৰী (৭০)ৰ যোৱা পুৱতি নিশা নিজৰ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখ্য যে সনাতন বসুমতাৰীয়ে যোৱা তিনি এপ্ৰিলত সংঘটিত এক মটৰচাইকেল দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ শাৰীৰিক অসুস্থতাত ভুগি আছিল। অৰ্থৰ অভাৱত উন্নত চিকিৎসাৰ পৰা বঞ্চিত হৈ আছিল। সনাতন বসুমতাৰী আছিল ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন এথলীট, বৰ্তমান শয্যাগত লীলাৱতী দৈমাৰীৰ স্বামী। নিখিল বাথৌ মহাসভাৰ লগত জাতীয় সংগঠনটোৰ জন্মলগ্নৰে পৰাই জড়িত হৈ থকা সনাতন বসুমতাৰীয়ে বিভিন্ন আলোচনীত লিখা-মেলা কৰিছিল। মৃত্যুৰ সময়ত পত্নী ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন এথলীট লীলাৱতী দৈমাৰী, একমাত্ৰ পুত্ৰ আৰু একমাত্ৰ কন্যা সন্তানসহ অগণন গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যোৱা সনাতন বসুমতাৰীৰ মৃত্যুত নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় সমিতি, খাটালপাৰাৰ লগতে সামাজিকভাৱে শোকৰ ছাঁ পৰিছে।

# জৈনপুৰী পীৰ মৌঃ আব্দুজ জাহিৰ ছিদ্দিকীক আহলে ছুন্নত ৱাল জামাআ'তৰ মুকলি আলোচনাত বহিবলৈ পুনৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ মে' ঃ** যোৱা ১৪ এপ্ৰিল, ২০১৯ তাৰিখ ৰবিবাৰে দৰং জিলাৰ ৪নং আৰিমাৰীত হোৱা বিশাল আলোচনা-চক্ৰত অসমৰ বিভিন্ন প্ৰান্তৰ ছুন্নী মুফতীয়ান কিৰামে মৌঃ আব্দুজ জাহিৰ ছিদ্দিকী জৈনপুৰীক সৰ্বসন্মতিক্ৰমে 'গোমৰাহ' আৰু জৈনপুৰী চিলছিলা বাতিল বুলি ফতোৱা প্ৰদান কৰে। এই ঘোষণাৰ লগে লগে যথেষ্টসংখ্যক লোকে তেওঁৰ বয়াত ভংগ কৰি তৌবাহ কৰে আৰু এতিয়ালৈকে ধৰ্মীয়ভাৱে সচেতন লোকসকলেও তেখেতৰ বয়াত ভংগ কৰি আহলে ছুন্নত ৱাল জামাআ'তৰ শৰণাপন্ন হৈছে। আনহাতে বিভিন্ন প্ৰান্তত পূৰ্বৰ পৰা তেওঁৰ সৈতে কৰি অহা জলছাহবিলাক বাতিল কৰি বৰ্তমান সেই ঠাইত ছুন্নী জামাআ'তৰ জলছাহ পতা পৰিলক্ষিত হৈছে। তেখেতৰ লগত ছুন্নী আলিমসকল বহিবলৈ প্ৰস্তুত যদিও তেওঁ জোলোঙাৰ মেকুৰী ওলোৱাৰ ভয়ত ছুন্নী আলিমৰ লগত বহিবলৈ অপাৰগতা প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। মৌঃ আব্দুজ জাহিৰ ছিদ্দিকী জৈনপুৰীৰ লগত ছুন্নী আলিমসকলক আলোচনাত বহাবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছিল যদিও আব্দুজ জাহিৰ ছিদ্দিকী জৈনপুৰীয়ে নিজৰ সান্দহ খোৱা বালি তল যোৱাৰ ভয়ত আলোচনাত বহিবলৈ সদিচ্ছা প্ৰকাশ কৰা নাই। মৌঃ আব্দুজ জাহিৰ ছিদ্দিকী জৈনপুৰীক ছুন্নী আলিমৰ লগত মুকলি আলোচনাত বহি দীৰ্ঘদিন ধৰি চলি থকা বিতৰ্কৰ অৱসান ঘটাবলৈ উলামা এ আহলে ছুন্নতে পুনৰবাৰ অনুৰোধ জনাইছে।

**ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰাৰ উদ্যোগত**

# মহাপুৰুষ মাধৱদেৱৰ জন্ম উৎসৱত বিশেষ বক্তৃতা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ মে' ঃ** ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰাৰ উদ্যোগত আৰু অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত অসমৰ ধৰ্ম, ভাষা, সাহিত্য-সংস্কৃতিৰ পুৰোধ্য ব্যক্তি মহাপুৰুষ মাধৱদেৱৰ জন্ম উৎসৱ উপলক্ষে 'মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ভক্তিতত্ত্বৰ স্বৰূপ' শীৰ্ষক এক বিশেষ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। গুগল মাধ্যম যোগে অনুষ্ঠানটোত মূল বক্তৃতা প্ৰদান কৰে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ উপেন্দ্ৰজিত শৰ্মাই। বক্তৃতা প্ৰদান কৰি ডঃ শৰ্মাই কয় যে অসমৰ জাতীয় জীৱনত মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ মূল চালিকা শক্তি গুৰু দুজনা অবিহনে অসমৰ ভাষা-সাহিত্য, সংস্কৃতিৰ চৰ্চা আধৰুৱা হৈ ৰ'ব। তেখেতে অতি বিস্তৃতভাৱে মাধৱদেৱৰ ভক্তিতত্ত্বৰ স্বৰূপ ব্যাখ্যা কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ডঃ অলকা শৰ্মা, বিশ্বনাথ জিলাৰ পৰা শিক্ষাবিদ ভূমিধৰ কোঁৱৰ, ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদ, গুৱাহাটীৰ তাহেৰ উদ্দিন আহমেদ আদিয়ে ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ আব্দুল হানিফ খানে পৰিচালনা কৰা অনুষ্ঠানটোত নলবাৰীৰ পৰা বৰগীত পৰিৱেশন কৰে কবি প্ৰণীতা হালৈয়ে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাও ভাষণ প্ৰদান কৰা হয়। জাতীয় সংগীত পৰিৱেশনেৰে বিশেষ বক্তৃতা অনুষ্ঠানৰ সামৰণি পৰে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিশুদ্ধ খোৱাপানী বিচাৰি ছাত্ৰৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৮ মে' ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিক সমস্যা ইটো-পাছত সিটো পোহৰলৈ আহিছে। এইবাৰ মাচুল-পৰীক্ষাৰ বাবে নহয়, এইবাৰ বিশুদ্ধ খোৱাপানী বিচাৰি উপাচাৰ্যৰ কাৰ্যালয় ঘেৰাও কৰিলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে। আজি দিনৰ ১-৩০ বজাৰ পৰা বিশ্ববিদ্যালয়খনৰ পদ্মনাথ গোহাঞি বৰুৱা ছাত্ৰাৱাসৰ আৱাসীসকলে বিশুদ্ধ খোৱাপানী বিচাৰি ঘেৰাও কৰে উপাচাৰ্যৰ কাৰ্যালয়। ছাত্ৰাৱাসটোৰ শতাধিক আৱাসিক ছাত্ৰই এই ছাত্ৰাৱাসটোত বিশুদ্ধ খোৱাপানী বিচাৰি উত্তাল কৰি তোলে উপাচাৰ্যৰ কাৰ্যালয় চৌহদ। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনৰ সৰ্ববৃহৎ ছাত্ৰাৱাস পদ্মনাথ গোহাঞি বৰুৱা ছাত্ৰাৱাসত দীৰ্ঘদিনৰ পৰা বিশুদ্ধ খোৱাপানীৰ অভাৱ হৈ আছে বুলি অভিযোগ কৰে। এই ছাত্ৰাৱাসত যোগান ধৰা অপৰিষ্কাৰ পানী খাই আৰু স্নান আদি কাৰ্যত ব্যৱহাৰ কৰি বহু ছাত্ৰ ৰোগাক্ৰান্ত হ'বলগীয়া হৈছে। পেটৰ অসুখ, চৰ্মৰোগ আদিৰ সমস্যাত ভুগিব লগীয়া হৈছে বুলি প্ৰতিবাদকাৰী শিক্ষাৰ্থীসকলে অভিযোগ কৰে। বিষয়টো আৱাসীসকলে কৰ্তৃপক্ষক বহুবাৰ অৱগত কৰিছে যদিও কৰ্তৃপক্ষই কোনো গুৰুত্ব প্ৰদান নকৰাত আজি বাধ্য হৈ আৱাসিক ছাত্ৰসকল হাতে হাতে পানীৰ পাত্ৰ লৈ উপাচাৰ্যৰ কাৰ্যালয়ত উপস্থিত হয় আৰু বিশুদ্ধ খোৱাপানী বিচাৰি উপাচাৰ্যৰ কাৰ্যালয় ঘেৰাও কৰি ধৰ্ণা দিয়ে। কেৱল খোৱাপানীয়েই নহয়, ছাত্ৰাৱাসটোৰ আৱাসীসকলে সন্মুখীন হোৱা অনেক সমস্যা সম্বলিত এক স্মাৰক-পত্ৰ উপাচাৰ্যক প্ৰদান কৰে।



# কামৰূপ জিলা প্ৰশাসনৰ জৰুৰীকালীন/বান নিয়ন্ত্ৰণ কক্ষৰ টেলিফোন নম্বৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৮ মে' ঃ** সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলা প্ৰশাসনে নিয়ন্ত্ৰণ/আপদকালীন সেৱাৰ দুটা টেলিফোন নম্বৰ মুকলি কৰিছে। এই টেলিফোন নম্বৰ দুটা হ'ল ক্ৰমে : ০৩৬১-১০৭৭ আৰু ৯৬৭৮৪৭১০৭। ২৪x৭ (দিনে-নিশাই) সক্ৰিয় এই নম্বৰত যোগাযোগ কৰি জিলাখনৰ বানপ্ৰৱণ এলেকাৰ জনসাধাৰণে জিলা প্ৰশাসনৰ জৰুৰীকালীন সেৱা কক্ষৰ সৈতে যোগাযোগ কৰি বান পৰিস্থিতিৰ যিকোনো খবৰ তথা জৰুৰীকালীন পৰিস্থিতি সম্বন্ধে জিলা প্ৰশাসনক জনাব পাৰিব বুলি কামৰূপ জিলা প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিছে।

তৃতীয় পৃষ্ঠাৰ পৰা—

## ইণ্টাৰনেট-টেলিফোন সেৱা

সৈতে স্থলপথেৰে যোগাযোগ বিচ্ছিন্ন হৈ আছে যোৱা কেইবাদিনো ধৰি। ২৭নং ৰাষ্ট্ৰীয় ঘাইপথ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে মাইবঙত থকা টানেল বন্ধ হৈ পৰিছে। ৰাজ্য চৰকাৰে ঘটনাস্থলীলৈ ৰাজহ মন্ত্ৰী যোগেন মহনক প্ৰেৰণ কৰিছে। ইফালে জিলাখনত যাতে খাদ্য-সামগ্ৰীৰ নাটনি নহয় তাৰ প্ৰতি সচেষ্ট হ’বলৈ মুখ্য সচিবৰ নেতৃত্বত এখন বৈঠক অনুষ্ঠিত হৈ গৈছে। প্ৰয়োজনত সেনাৰ সহায় লৈ খাদ্য-সামগ্ৰী, ঔষধ, ইন্ধন আদিৰ যোগান নিশ্চিত কৰিবলৈ কোৱা হৈছে। আনকি মণিপুৰৰ পৰা স্থলপথেৰে এনে সামগ্ৰী সৰবৰাহৰ পদক্ষেপ ল’বলৈ কোৱা হৈছে। শেহতীয়াকৈ ইণ্টাৰনেট সেৱা, টেলিফোন সেৱা আদি ব্যাহত হৈছে। ব্যাপক ভূমিস্খলনৰ ফলত বৈদ্যুতিক সংযোগ বিচ্ছিন্ন হৈছে। যাৰ বাবে বহুতো স্থানত মোবাইল সেৱা উপলব্ধ হোৱা নাই। উত্তৰ-পূব ৰে’ল কৰ্তৃপক্ষই অৱশ্যে যুদ্ধকালীন তৎপৰতাৰে ক্ষতিগ্ৰস্ত হোৱা ৰে’ল লাইনৰ পুনৰ সংস্থাপন তথা মেৰামতি কাৰ্য অব্যাহত ৰাখিছে। বৰষুণ হ্ৰাস পালে আগন্তুক এসপ্তাহৰ ভিতৰতে যাতায়াত সচল হৈ পৰাৰ আশা কৰা হৈছে।

## গুৱাহাটীত তিনি স্থানত

কৰা নতুন পথটোৰ যাতায়াত বন্ধ কৰি দিছে। উল্লেখ্য যে জিলা প্ৰশাসনে মহানগৰত ৩৬৬টা ভূমিস্খলনপ্ৰৱণ অঞ্চল চিনাক্ত কৰিছে। মহানগৰত ১৯টা সৰু-বৰ পাহাৰ আছে। আনহাতে, ভূমিস্খলনৰ সম্ভাৱনা থকা বুলি প্ৰকাশিত তথ্য অনুসৰি চুনছালি পাহাৰত ৭৭টা, নুনমাটি অঞ্চলত ৪০, খাৰঘুলি অঞ্চলত ৩৭, খানাপাৰাত ৩৩, নাৰেংগী অঞ্চলত ৩১, হেঙেৰাবাৰীত ৩০, কাহিলিপাৰাত ২৫, শান্তিপুৰত ২০, নৰকাসুৰ পাহাৰত ১৪, গড়ভাঙা অঞ্চলত ৯, মালিগাঁও অঞ্চলত ৮, কালাপাহাৰত ৭, গোটানগৰ আৰু নৱগ্ৰহ অঞ্চলত ৬, ফটাশিল-শৰণীয়া আৰু কইনাধৰা অঞ্চলত পাঁচটাকৈ, জালুকবাৰী-লংকেশ্বৰ আৰু শুক্ৰেশ্বৰ অঞ্চলত দুটাকৈ স্থান আছে বুলি চিহ্নিত কৰিছে। উল্লেখ্য যে গুৱাহাটীত থকা ১৯টা পাহাৰীয়া অঞ্চলৰ গড় উচ্চতা হ’ল ২৭০ মিটাৰ। ইয়াৰে ফটাশিল পাহাৰৰ উচ্চতা সৰ্বাধিক ৩৮৫ মিটাৰ আৰু ইয়াৰ পিছতে খানাপাৰা পাহাৰৰ উচ্চতা ৩০৩ মিটাৰ বুলি কোৱা হৈছে। সেয়েহে পূৰ্বে ২০০৩ চনত ১৮জন আৰু ২০১৪ চনত ১৭জন লোকৰ ভূমিস্খলনৰ ফলত গুৱাহাটী মহানগৰত মৃত্যু হোৱাৰ তথ্য আছে। ২০২০ চনতো ৯জন লোকৰ মৃত্যু হৈছিল আৰু ইয়াৰে তিনিজন জীৱন্তে সমাধিস্থ হৈছিল। সেয়েহে ভূমিস্খলনৰ সম্ভাৱনা থকা বুলি চিহ্নিত অঞ্চলসমূহৰ পৰা আৱাসীসকলক স্থানান্তৰৰ নিৰ্দেশ মাজে-সময়ে দি থকা হয় যদিও আৱাসীসকলে এই নিৰ্দেশনা অগ্ৰাহ্য কৰি অহা অভিযোগ উঠিছে।

## জামিন পালে ইন্দ্ৰাণী

কাৰাগাৰত থকা অৱস্থাতে পীটাৰ মুখাৰ্জীয়ে ইন্দ্ৰাণীক বিবাহ বিচ্ছেদ দিয়া বুলি প্ৰকাশ পাইছে। ইয়াৰ পূৰ্বে ২০১৬ চনত প্ৰথম জামিন আৱেদন, ২০১৮ চনৰ ছেপ্টেম্বৰত দ্বিতীয় আৰু অক্টোবৰত তৃতীয়, ২০১৯ বৰ্ষৰ এপ্ৰিলত চতুৰ্থ আৰু ডিচেম্বৰত চিবিআইৰ বিশেষ আদালতত জামিনৰ আৱেদন জনাইছিল যদিও ন্যায়ালয়ে নাকচ কৰিছিল। ২০২০ বৰ্ষৰ জানুৱাৰীত পঞ্চমবাৰ, একেটা বৰ্ষৰ জুন মাহত ষষ্ঠবাৰ আৰু জুলাই মাহত সপ্তমবাৰ জামিন আৱেদন নাকচ হৈছিল। ২০২২ বৰ্ষৰ ২৩ জানুৱাৰীত বোম্বে উচ্চ ন্যায়ালয়ে জামিন অগ্ৰাহ্য কৰাৰ পিছত উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। উল্লেখ্য যে ২০২০ বৰ্ষৰ মাৰ্চ মাহতে পীটাৰ মুখাৰ্জীয়ে জামিন পাইছিল। ২০১২ বৰ্ষৰ এপ্ৰিল মাহত নিজৰ কন্যা শ্বীনা বৰাক প্ৰথমে অপহৰণ আৰু তাৰ পিছত স্বামী পীটাৰ মুখাৰ্জী আৰু গাড়ীচালকৰ সৈতে লগ লাগি হত্যা কৰাৰ লগতে মৃতদেহ জ্বলাই দি ঘন অৰণ্যত পেলাই থৈ আহিছিল মুম্বাই চহৰৰ দাঁতিকাষৰীয়া অঞ্চলত। অসমৰ গুৱাহাটীৰ সুন্দৰপুৰ অঞ্চলত জন্মগ্ৰহণ কৰা ইন্দ্ৰাণীৰ প্ৰথম স্বামীৰ পুত্ৰ মিখাইল বৰাকো বিষ পান কৰোৱাই হত্যাৰ প্ৰচেষ্টা চলোৱাৰ অভিযোগ আছে এইগৰাকী কুখ্যাত জন্মদাত্ৰীৰ বিৰুদ্ধে।

## তেজপুৰত ড্ৰাগছ

হাজোতলৈ প্ৰেৰণ কৰাৰ পিছত কালি সন্ধিয়া পুনৰ ড্ৰাগছসহ তিনিটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। শেহতীয়াকৈ তেজপুৰ আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে ব্যাপক অভিযান অব্যাহত ৰাখিছে আৰু লক্ষ্যণীয়ভাৱে এনে চক্ৰৰ অধিকাংশই তেজপুৰ পূৰ্বাঞ্চলৰ পৰা গ্ৰেপ্তাৰ হোৱাত বৃহত্তৰ অঞ্চলটোত যে নিষিদ্ধ ড্ৰাগছ ব্যৱসায়ীয়ে বৃহৎ নেটৱৰ্ক গঢ়ি তুলি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে, ইয়াকেই পুনৰবাৰ প্ৰতিপন্ন কৰি তুলিছে। ঘটনাৰ বিৱৰণী অনুসৰি , এক গোপন সুত্ৰৰ পম খেদি তেজপুৰ বৰঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সীমান্ত পাঠকৰ নেতৃত্বত কালি সন্ধিয়া কলিয়াভোমোৰা সেতুৰ দক্ষিণ দিশৰ ৰাষ্ট্ৰীয় ঘাইপথত তালাচী অভিযান আৰম্ভ কৰে। এই তালাচী অভিযান কালতেই নগাঁৰৰ পৰা তেজপুৰ অভিমুখে আহি থকা এ এছ ১২- ৮৫৩৩ নম্বৰৰ মাৰুতি গাড়ীখনত কঢ়িয়াই অনা ২৭ টা কন্টেইনাৰ ভৰ্তি হেৰইন সহ দুই সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰী কেইটা হ’ল তেজপুৰ চটাই চাপৰিৰ নিবাসী ছফিকুল ৰহমানৰ পুত্ৰ আনোৱাৰ হুছেইন আৰু স্থানীয় ভোজখোৱা চাপৰিৰ নিবাসী নৌছাদ আলীৰ পুত্ৰ অনাৰ হুছেইন। উক্ত বাহন আৰু ড্ৰাগছসহ ধৃত কেইটাক গ্ৰেপ্তাৰ কৰাৰ পিছত লাভ কৰা তথ্যৰ ভিত্তিত স্থানীয় জোৰগড় অঞ্চলৰ মজিবুৰ ইছলাম নামৰ আন এটা সৰবৰাহকাৰীকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এন ডি পি এছ ২১ (বি)/২৯ ধাৰাত গ্ৰেপ্তাৰ কৰি আজি আৰক্ষীয়ে ন্যায়িক আদালতত হাজিৰ কৰোৱাত আদালতে তিনিওকে ন্যায়িক জিম্মাত লৈ আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰে।

## গোৰ্খাসকলৰ আৰ্থ-সামাজিক

অনুষ্ঠিত অসম গোৰ্খা সন্মিলনৰ ২৭ সংখ্যক ত্ৰিবাৰ্ষিক অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গোৰ্খা সম্প্ৰদায়ৰ লোকসকল অসমৰ বৃহত্তৰ জনগাঁথনিৰ এক অবিচ্ছেদ্য অংগ। গোৰ্খাসকলৰ আৰ্থ-সামাজিক, শৈক্ষিক আৰু বৌদ্ধিক বিকাশৰ বাবে অসম চৰকাৰ দায়বদ্ধ। তেওঁ লগতে কয় যে প্ৰায় আঠ দশকৰ এক দীঘলীয়া পৰিক্ৰমা অতিক্ৰমী অসম গোৰ্খা সন্মিলনে আজিৰ এই গৌৰৱোজ্জ্বল ক্ষণত উপনীত হৈছে। জন্মলগ্নৰে পৰা অসম গোৰ্খা সন্মিলনে ৰাজ্যৰ গোৰ্খা সম্প্ৰদায়ৰ বিভিন্ন সমস্যাৰাজি সমাধানৰ লগতে আৰ্থ-সামাজিক বিকাশ আৰু অধিকাৰৰ হকে অবিৰাম প্ৰয়াস অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি তেওঁ কয় যে গোৰ্খা জাতিৰ স্বাভিমান উজ্জীৱিত কৰি জনগোষ্ঠীটোৰ লোকসকলক হাতে হাত ধৰি আগুৱাই যাবলৈ অসম গোৰ্খা সন্মিলনে প্ৰেৰণা যোগাই আহিছে। জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশত এই সংগঠনে বহুমূলীয়া অৱদান আগবঢ়াবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ সৈতে সম্প্ৰীতি আৰু ভাতৃত্বৰ বান্ধোন সুদৃঢ় কৰি বৃহত্তৰ অসমীয়া জাতিক শক্তিশালী কৰাৰ ক্ষেত্ৰটো এই সংগঠনে অনৱদ্য ভূমিকা গ্ৰহণ কৰিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এই সংগঠনৰ সৈতে প্ৰতিষ্ঠাকালৰে পৰা জড়িত বিশিষ্ট ব্যক্তিসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী কয় যে সংমিশ্ৰণ আৰু সমন্বয়ৰ ভেটিত বৃহত্তৰ অসমীয়া জাতি গঢ় লৈছে। অসমীয়া জাতিৰ সত্তা স্বমহিমাৰে মহিমামণ্ডিত কৰা বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম হৈছে অনন্য সাহস আৰু বীৰত্বৰ প্ৰতীক গোৰ্খাসকল। প্ৰাগঐতিহাসিক কালৰ পৰা অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তলৈ গোৰ্খাসকলৰ প্ৰব্ৰজন ঘটিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে নেপাল আৰু প্ৰাচীন অসম ভৌগোলিকভাৱে সংলগ্ন হৈ থকাৰ বাবে প্ৰাচীন কালৰে পৰা দুয়োখন দেশৰ মাজত এক মধুৰ সম্পৰ্ক আছিল। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ মুক্তি আন্দোলন, সংকীৰ্ণতাৰ বিৰুদ্ধে সজাগতা শংকৰী কলা-কৃষ্টি, বিশ্ববিদ্যালয়ৰ মাধ্যম ৰূপে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ আন্দোলন এই সকলোতে আনৰ লগত নিজৰ হাত মিলাই গোৰ্খাসকল আগবাঢ়ি আহিছে। তেওঁ কয় যে গোৰ্খাসকল সাহস আৰু বীৰত্বৰ প্ৰতীক। মানৰ বিৰুদ্ধে হোৱা যুঁজত গোৰ্খাসকলে গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল। অসমত দুগ্ধ উন্নয়নৰ জৰিয়তে অৰ্থনীতিতো গোৰ্খা সম্প্ৰদায়ৰ লোকসকলে বৰঙণি যোগাই আহিছে বুলিও তেওঁ কয়। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ গোৰ্খাসকলৰ ভূমিকা আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামকে ধৰি দেশৰ ভৌগোলিক পৰিসীমা তথা আভ্যন্তৰীণ সুৰক্ষাৰ ক্ষেত্ৰত গোৰ্খাসকলৰ অৱদান চিৰস্মৰণীয়। অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনক আগুৱাই নিয়াৰ দিশতো গোৰ্খা সম্প্ৰদায়ৰ সাহিত্যিকসকলে উল্লেখযোগ্য অৱদান আগবঢ়াই যাবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে দীৰ্ঘদিন ধৰি গোৰ্খা সম্প্ৰদায়ৰ লোকসকলে সন্মুখীন হৈ অহা সমস্যাসমূহ একাদিক ক্ৰমে সমাধান কৰিবলৈ নিষ্ঠাৰে পদক্ষেপ অব্যাহত ৰাখিছে। গোৰ্খা সম্প্ৰদায়ৰ লোকসকল কোনো কাৰণতে বিদেশী নহয় বুলি মন্তব্য কৰি তেখেতে কয় যে ৰাজ্যৰ আন জাতি-জনগোষ্ঠীসমূহৰ দৰে গোৰ্খাসকলেও যাতে সম-অধিকাৰ লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। আজিৰ এই অনুষ্ঠানত হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্ত মল্ল বৰুৱা, বিধায়কসকল ক্ৰমে গণেশ লিম্বু, ভাস্কৰ শৰ্মা, ভূপেন বড়ো, অসম গোৰ্খা সন্মিলনৰ সভাপতি আৰ পি শৰ্মা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি অৰ্জুন চেত্ৰী আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## ত্ৰিপুৰাত পে’ট্ৰল, ডিজেল

হৈ পৰাত গ্ৰাহকৰ মাজত হাহাকাৰ লাগিছে। সমান্তৰালভাৱে খাদ্য-সামগ্ৰীৰ ভঁৰাল উদং হৈ আহিছে। ৰাজ্যখনৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সঞ্চালক টি কে দাসে সংবাদ মাধ্যমৰ আগত কয় যে অৱশ্যে নিষেধাজ্ঞাৰ মাজত কেতবোৰ শিথিলকৰণ আছে। চাৰিচকীয়া বাহনত সৰ্বাধিক এহাজাৰ টকা, তিনিচকীয়াত তিনিশ আৰু দুচকীয়া বাহনত দুশ টকালৈকেহে ইন্ধন বিক্ৰীৰ অনুমতি দিয়া হৈছে। পৰিস্থিতি উন্নত হ’লে এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হ’ব বুলি কোৱা হৈছে।

## কাৰামুক্ত হ’ল ৰাজীৱ গান্ধীৰ

আদালতে ভাৰতীয় সংবিধানৰ ১৪২ অনুচ্ছেদৰ ভিত্তিত ৩১ বছৰ কাৰাৰুদ্ধ হৈ থকা ব্যক্তিজনক মুক্তি প্ৰদান কৰিছে। নিৰ্দেশনাৰ পিছতে উৎফুল্লিত হৈ পৰা পেৰাৰীভালানে কয় যে এই নিৰ্দেশনাই তেওঁৰ পৰিয়ালটোক আৰু আত্মীয়-স্বজনক বিৰাট সকাহ দিছে। ইয়াতকৈ চূড়ান্ত শাস্তি কি হ’ব পাৰে বুলি তিনি দশক কাৰাৰুদ্ধ হৈ থকা ব্যক্তিজনে মত প্ৰকাশ কৰিছে। উল্লেখ্য যে তেওঁ এই ঘটনাত কোনোপ্ৰকাৰে জড়িত নাছিল বুলি ব্যক্ত কৰিছে। উল্লেখ্য যে তেওঁৰ মুক্তিৰ লগে লগে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে উষ্ম আদৰণি জনাইছে। তেওঁ কয় যে ৰাজনৈতিক হাতোৰাৰ পৰা ন্যায় ব্যৱস্থা মুক্ত হোৱাৰ বাবেই দীৰ্ঘ বিৰতিৰ পিছত উক্ত ব্যক্তিজনে ন্যায় লাভ কৰিবলৈ সক্ষম হ’ল। উল্লেখ্য যে যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত হৈ থকা পেৰাৰীভালানৰ উপৰি অন্যান্যকেইজন হ’ল মুৰুগান, চন্থন, জয়কুমাৰ, ৰবাৰ্ট পায়া, জয়চন্দ্ৰন আৰু নলিনী।

## কাবুলত ৰাষ্ট্ৰসংঘৰ মহিলা

প্ৰতিক্ৰিয়াৰ। কোৱা হৈছে যে নিজৰ কৰ্তব্য পালনৰ সময়ত ৰাষ্ট্ৰসংঘৰ মহিলা কৰ্মীসকলে হিজাব পৰিধান নকৰিলে কঠোৰ ব্যৱস্থা লোৱা হ’ব। উল্লেখ্য যে হিজাবৰ বিৰুদ্ধে আফগানিস্তানত একাংশ মহিলাই প্ৰতিবাদ কৰা দেখা গৈছিল। কিন্তু তালিবান প্ৰশাসনে হিজাব বা বোৰ্খা পৰিধান বাধ্যতামূলক কৰিছে। আনকি ৰাষ্ট্ৰসংঘৰ কৰ্মীসকলকো ৰেহাই নিদিয়া কাৰ্য বিশেষভাৱে চৰ্চিত হৈ পৰিছে।

## উচ্চতম ন্যায়ালয়ে নিৰ্দেশ

মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে এই নিৰ্দেশনা ঐতিহাসিক বুলি অভিহিত কৰি আদৰণি জনাইছে। প্ৰণিধানযোগ্য এয়ে যে যোৱা দহ মে’ তাৰিখে মধ্যপ্ৰদেশৰ স্থানীয় নিকায়ৰ ২৩ হাজাৰতকৈ অধিক ৱাৰ্ডৰ নিৰ্বাচনৰ বাবে আসন সংৰক্ষণৰ ক্ষেত্ৰত অ’বিচি সম্প্ৰদায়ৰ বাবে নিৰ্দিষ্টকৈ আসন সংৰক্ষণৰ আৱশ্যকতা দোহাৰিছিল। দেশত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে নিৰ্বাচনত আসন সংৰক্ষণৰ ব্যৱস্থা আছে যদিও ৫১ শতাংশ জনসংখ্যা থকা অ’বিচিৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা নাছিল। এইবাৰ মধ্যপ্ৰদেশত ন্যায়ালয়ৰ নিৰ্দেশনাই আগন্তুক সময়ত বিধানসভা আৰু লোকসভা আদিৰ নিৰ্বাচনতো কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত এখোজ আগুৱাই যোৱা বুলিব পাৰি।

## মৃত ১২, মোদীৰ শোক

কৰ্মচাৰীৰ কৰুণ মৃত্যু ঘটিছে। ঘটনাস্থলীত স্থানীয় বিধায়ক তথা শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী ব্ৰিজেশ মেৰজা উপস্থিত হৈ উদ্ধাৰ অভিযান তদাৰক কৰে। ইফালে নিজৰ গৃহৰাজ্যত হোৱা এই শোকাৱহ দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰতিজন নিহতৰ নিকট আত্মীয়লৈ দুই লাখ টকাৰ ক্ষতিপূৰণ আৰু আহতসকলৰ বাবে ৫০ হাজাৰকৈ চিকিৎসা সাহায্য ঘোষণা কৰিছে। স্থানীয় প্ৰশাসনে আক্ৰান্ত লোকসকলক পাৰ্যমানে সহায় আৰু সহযোগিতা কৰা বুলি কোৱা হৈছে। এই ঘটনাই শোকৰ ছাঁ পেলাইছে ৰাজ্যখনত।

## মুক্তিৰ দাবীত প্ৰতিবাদ

সাংবাদিকজনক গ্ৰেপ্তাৰ কৰিছে কোনোধৰণৰ কাৰণ প্ৰদৰ্শন নকৰাকৈ। ইয়াৰ বাবে আজি আগৰতলাত সংবাদ মাধ্যমৰ একাংশ লোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। লগতে পূব আগৰতলা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক গ্ৰেপ্তাৰ কৰিবৰ বাবেও দাবী জনোৱা হৈছে।

## বান সাহায্য আৰু উদ্ধাৰ

উপত্যকাৰ তিনিখন জিলালৈ খাদ্য আৰু অত্যাৱশ্যকীয় সা-সামগ্ৰী কঢ়িয়াই নিয়াৰ দিশত মুখ্যমন্ত্ৰীয়ে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সহযোগিতা বিচাৰে। মেঘালয়ৰ মুখ্যমন্ত্ৰী গৰাকীয়ে এই ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। এই ভিডিঅ’ কনফাৰেন্সত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাৰ উপৰি অসম আৰু মেঘালয়ৰ মুখ্য সচিবকে ধৰি উচ্চপদস্থ প্ৰশাসনিক বিষয়া আৰু মেঘালয়ৰ উপায়ুক্তসকল উপস্থিত থাকে। আনহাতে, আজি এই ভিডিঅ’ কনফাৰেন্সৰ পিছতে ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি, উদ্ধাৰ আৰু সাহায্য অভিযান সম্পৰ্কত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বান পৰিস্থিতি সম্পৰ্কত সবিশেষ আলোচনা কৰাৰ লগতে উদ্ধাৰ আৰু সাহায্য অভিযান অধিক ক্ষিপ্ৰ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। আনহাতে মুখ্যমন্ত্ৰীয়ে কাছাৰ জিলাৰ উপায়ুক্তগৰাকীক বানৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজনীয় খাদ্য আৰু অত্যাৱশ্যকীয় সা-সামগ্ৰী মজুত কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি, মুখ্যমন্ত্ৰীয়ে কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিত নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ২৪ ঘণ্টাই এনে নিয়ন্ত্ৰণ কক্ষৰ জৰিয়তে বানক্ষতিগ্ৰস্ত লোকক সেৱা আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে যোৰহাট জিলাৰ উপায়ুক্তগৰাকীক কাইলৈৰ ভিতৰত বৰাক উপত্যকালৈ খাদ্য আৰু অত্যাৱশ্যকীয় সা-সামগ্ৰী প্ৰেৰণৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ (পথ) বিভাগৰ আয়ুক্ত গৰাকীক ভূমিস্খলন আৰু বানপানীৰ ফলত অৱৰুদ্ধ হোৱা পথসমূহ শীঘ্ৰে মুকলি কৰাৰ বাবে তৎকালীনভাৱে পদক্ষেপ ল’বলৈ নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে বানত ক্ষতিগ্ৰস্ত লোকসকলৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। আনহাতে, সেনাবাহিনী আৰু বায়ুসেনা বাহিনীৰ বিষয়াসকলে বানপীড়িত লোকৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীক অৱগত কৰে। আজিৰ এই বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, সেনা বাহিনী, বায়ু সেনা বাহিনী, এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## কেচিনো মুকলি কৰাৰ

কেচিনো ব্যৱস্থাই ইতিবাচক ভূমিকা গ্ৰহণ কৰি আহিছে। দেশ-বিদেশত কেচিনোৰ বাবে একাংশ পৰ্যটকে ভিৰ কৰে। নামী-দামী হোটেল, নৈশ ক্লাব আদিত কেচিনো ব্যৱস্থা গঢ়ি তোলা হয়। আনহাতে, অনলাইন পদ্ধতিৰে জুৱা আৰু অন্যান্য লটাৰী ব্যৱস্থাও প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

## চাহ বাগিচাৰ উচ্ছেদ আৰু

নগৰীকৰণৰ দোহাই দি কাছাৰ জিলাৰ ডলু চাহ বাগিচাৰ ম্যাদী ভূমি অধিগ্ৰহণ কৰি চাহ বাগিচা উচ্ছেদ আৰু ধ্বংস কৰি চাহ শ্ৰমিকসকলৰ জীৱনলৈ চৰম ভাবুকি নমাই অনাই নহয় শ্ৰমিকসকলৰ ওপৰতো অত্যাচাৰ চলাইছে। অকল সেয়াই নহয় অসম চৰকাৰে বিভিন্ন আন্তঃগাঁথনি, ৰাষ্ট্ৰীয় ঘাইপথ, তৈল্য ক্ষেত্ৰ আদিৰ নামত চাহ বাগিচা উচ্ছেদ আৰু ধ্বংস আদি কৰি চাহ শ্ৰমিকসকলৰ জীৱনলৈ চৰম ভাবুকি নমাই অনা আৰু শ্ৰমিকসকলক নিৰ্যাতন কৰাৰ প্ৰতিবাদত চাহ জনজাতি ছাত্ৰ সন্থাৰ বাক্সা জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ উদ্যোগত আজি দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰীসকলে আটছা জিন্দাবাদ, অসম চৰকাৰ মুৰ্দাবাদ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, চাহ বাগিচাৰ উচ্ছেদ বন্ধ কৰক, বিজেপি চৰকাৰ হায় হায়, বিজেপি চৰকাৰ গ’ বেক, চাহ শ্ৰমিকৰ ভূমি অধিকাৰ প্ৰদান কৰক আদি শ্ল’গান দি তামুলপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে চাহ বাগিচাৰ উচ্ছেদ বন্ধ কৰাৰ বাবে তামুলপুৰ জিলাৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদস্থলীৰ পৰাই আটছাৰ নেতাসকলে অভিযোগ কৰি কয় যে ২০১৪ চনত অসমলৈ বিজেপি চৰকাৰ আহিলে আমাৰ মজুৰি বৃদ্ধি, ভূমি পট্টাকে ধৰি বহুকেইটা দাবী পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেইবোৰ পূৰণ কৰাৰ পৰিৱৰ্তে চাহ বাগিচা উচ্ছেদ কৰি শ্ৰমিকৰ ওপৰত অত্যাচাৰ কৰি শ্ৰমিকসকলৰ জীৱনলৈ চৰম ভাবুকিহে নমাই আনিলে। আম্বানি, আদানিৰ পকেটত সোমাই থকা বিজেপি চৰকাৰক এই কাৰ্য শীঘ্ৰে বন্ধ কৰিবলৈ দাবী জনায়। যদিহে চৰকাৰে এই উচ্ছেদ কাৰ্য বন্ধ নকৰে আটছাই আগন্তুক দিনত ইয়াতকৈ ভয়াৱহ জংগী আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ দিয়ে। নেতৃত্বৰ স্পষ্ট কথা— ‘আমাক জোকাই নল’ব, চাহ জনজাতি, আদিবাসীসকল শুই থকা শিয়াল নহয়। আমি যুদ্ধ কৰিবও জানো, আমি চৰকাৰ বনাবও জানো আৰু চৰকাৰ গিৰাবও জানো। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত তিনি শতাধিক ছাত্ৰ-ছাত্ৰী আৰু পুৰুষ-মহিলাৰ লগতে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজয় কৰ্মালী, বাক্সা জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ উপদেষ্টা জেচাই বাগ, বাক্সা জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধনুচ মহালী, সম্পাদক অমৰ গোপ উপস্থিত থাকে।

# অ’ এন জি চিৰ ভুৱা বিষয়া ৰাণা পগাগক মাজুলীত মাৰাথন জেৰা

## তিনিটা বেংক একাউণ্ট চিজ ঃ ৫ দিন আৰক্ষী জিম্মাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৮ মে’ ঃ** মাজুলীত ৰাণা পগাগক মাৰাথন জেৰা আৰক্ষীৰ। নগাঁৱৰ পৰা মঙলবাৰে মাজুলীলৈ অনা পগাগক আজি মাজুলী আৰক্ষীয়ে আদালতত হাজিৰ কৰে। অ’ এন জি চিৰ বিষয়া হিচাপে অসমৰ বিভিন্ন প্ৰান্তত নিজকে চিনাকি দি বিভিন্ন মহলত ঠিকা আৰু অন্যান্য সংস্থাপনেৰে প্ৰলোভিত কৰি বিভিন্ন স্থানত বিভিন্ন ব্যক্তিৰ পৰা লাখে লাখে টকা সংগ্ৰহ কৰি ভাবী পত্নীয়ে তৰা গোচৰৰ ভিত্তিত জে’লৰ ভাত খাবলৈ সক্ষম হোৱা প্ৰৱঞ্চক ৰাণা পগাগৰ বিৰুদ্ধে মাজুলীৰ তিনিগৰাকী ব্যৱসায়ী ক্ৰমে ৰাম অৱতাৰ শৰ্মা, অজিত বৰা আৰু ৰঞ্জন কুটুমে পৃথকে তিনিটাকৈ গোচৰ ৰুজু কৰিছিল। গড়মূৰ থানাত ৰুজু হোৱা ২০/২২, ২১/২২ ইউ এছ-১২০বি/১৭০/৪০৬/৪১৯/৪২০/৪৬৮/৪৭১/৪৭২ আই পি চি আৰু ২২/২২ ইউ এছ ১২০-বি/১৭০/৪০৬/৪১৯/৪২০ আই পি চি মৰ্মে প্ৰৱঞ্চক ৰাণা পগাগক আদালতৰ সন্মতি সাপেক্ষে মাজুলী আৰক্ষীয়ে জিম্মাত লৈ আজি পুৱাবেলা গড়মূৰ থানাত হাজিৰ কৰাই জেৰা কৰে। কেইঘণ্টামান সময় গড়মূৰ থানাত প্ৰৱঞ্চক ৰাণা পগাগক মাৰাথন জেৰা কৰাৰ পাছত মাজুলী মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰায়। মাজুলী আৰক্ষীয়ে প্ৰৱঞ্চক পগাগক সাত দিনৰ আৰক্ষী জিম্মাত বিচাৰিছিল যদিও আদালতে পাঁচ দিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰাখৰ সন্মতি প্ৰদান কৰে। এই সন্দৰ্ভত মাজুলী জিলা আৰক্ষী অধীক্ষক গৌতম বৰাৰ পৰা জানিব বিচৰাত অধীক্ষকজনে কয়— ৰাণা পগাগক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু আমি আদালতৰ হুকুম অনুসৰি মাজুলীলৈ লৈ আনিছোঁ। তেওঁৰ বিৰুদ্ধে মাজুলীত তিনিটাকৈ গোচৰ ৰুজু হৈছে। আমি তেওঁৰ ওপৰত প্ৰাথমিক তদন্ত আৰম্ভ কৰিছোঁ, তেওঁ স্বীকাৰ কৰিছে। স্বীকাৰোক্তিত তেওঁ অ’ এন জি চিৰ জনসম্পৰ্ক বিষয়া বুলি এখন ভুৱা পৰিচয়-পত্ৰ ইণ্টাৰনেটৰ জৰিয়তে বনাই লৈছিল বুলি উল্লেখ কৰে। এছ আই জোনমণি ৰাভাক তদন্তলৈ অনা হ’ব নে বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত আৰক্ষী বিষয়াগৰাকীয়ে কয়— জোনমণি ৰাভা মাজুলীত কৰ্মত থকা সময়ত তেওঁৰ লগত চিনাকি আছিল বুলি জানিব পৰাৰ লগতে ঘৰুৱাভাৱে তেওঁলোকৰ বিয়া ঠিক হৈছিল আৰু তেওঁলোকৰ সম্পৰ্ক গাঢ় আছিল বুলি উল্লেখ কৰে। জোনমণি ৰাভা এই সম্পৰ্কত জড়িত আছিল নে নাই সম্পূৰ্ণ তদন্তৰ পাছতহে ক’ব পৰা যাব বুলি উল্লেখ কৰে। ইতিমধ্যে প্ৰৱঞ্চক ৰাণা পগাগৰ তিনিটা বেংক একাউণ্ট জব্দ কৰা বুলি উল্লেখ কৰি আৰু একাউণ্ট আছে নে নাই অনুসন্ধান চলি আছে বুলি উল্লেখ কৰে। উল্লেখ্য যে ১২ মে’ত মাজুলীৰ এগৰাকী ব্যৱসায়ী ৰঞ্জন কুটুমেও কামৰ বিনিময়ত এছ আই জোনমণিৰ উপদেশ মতে ৰাণা পগাগক ২৫ লাখ টকা ক’ৰ্ট এগ্ৰিমেণ্ট কৰি দিয়াৰ কথা মাজুলী থানাত উপস্থিত হৈ বিস্ফোৰণ ঘটাইছিল। কুটুমে কোৱা অনুসৰি কাম লাভ নকৰাৰ পিছত টকা বিচাৰি নগাঁও থানাৰ জোনমণি ৰাভাৰ কোৱাৰ্টাৰত উপস্থিত হোৱাৰ পিছত প্ৰথম কিস্তিৰ ১২ লাখ ধন ঘূৰাব নোৱাৰি প্ৰৱঞ্চক পগাগে এখন ইন’ভা গাড়ী বন্ধকত চুক্তি অনুসৰি ৰঞ্জন কুটুমক দিছিল। যিটো কামত জোনমণি ৰাভাই প্ৰত্যক্ষ সহযোগ আগবঢ়াইছিল। সেইদিনা জোনমণিৰ নগাঁৱৰ কোৱাৰ্টাৰত ভাবী স্বামীৰ ৰাণাৰ ভৰিত ৰহস্যজনকভাৱে গুলী লগা বুলিও ৰঞ্জন কুটুমে জানিবলৈ দি এছ আই জোনমণিৰ ছাৰ্ভিচ ৰিভলভাৰৰ পৰাই এই গুলী লগা বুলি ব্যৱসায়ী ৰঞ্জনে বিস্ফোৰণ ঘটাইছিল। ইফালে ১১ মে’ত মাজুলীৰ ব্যৱসায়ী ৰাম অৱতাৰ শৰ্মাৰ পৰা ৪৯ লাখ ৪৬ হাজাৰ আৰু অজিত বৰাৰ পৰা ১৩ লাখ ৭২ হাজাৰ টকা প্ৰৱঞ্চনাৰে নিয়াৰ অভিযোগ তুলি ৰাণা পগাগৰ বিৰুদ্ধে গড়মূৰ থানাত গোচৰ তৰিছিল। পৰৱৰ্তী সময়ত পাঁচদিনীয়া জেৰাৰ অন্তত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## সহঃ ৰাজ্যপালৰ পদত্যাগ

উল্লেখ আছে। অৱসৰী অসামৰিক সেৱাৰ বিষয়া বাইজালে ২০১৬ চনৰ ডিচেম্বৰত দিল্লীৰ সহঃ ৰাজ্যপালৰ পদ গ্ৰহণ কৰিছিল। উল্লেখ্য যে তেওঁৰ পূৰ্বৱৰ্তী সহঃ ৰাজ্যপাল নাজিব জুঙেও একেদৰে ব্যক্তিগত কাৰণত পদত্যাগ কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। সেই সময়ত আম আদমি চৰকাৰৰ সৈতে নাজিব জুঙৰ সংঘাত তুংগত উঠিছিল। বৰ্তমানেও পদত্যাগী ৰাজ্যপাল অনিল বাইজালৰ সৈতে দিল্লীৰ আম আদমি চৰকাৰৰ সংঘাত তীব্ৰতৰ হৈ উঠিছে। সেয়েহে তেওঁৰ আচম্বিত পদত্যাগে বিশেষ চৰ্চা লাভ কৰিছে।

## ৰাজ্য চৰকাৰৰ আৱাস-নগৰ

লায়ন্স ক্লাবৰ সহযোগত মহানগৰীৰ ছয়মাইলৰ উৰণীয়া সেতুৰ তলত ২২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা অত্যাধুনিক টয়লেটতো পৰিদৰ্শন কৰে সাংসদ এম জে আকবৰৰ নেতৃত্বৰ অহা সংসদীয় স্থায়ী সমিতিৰ সাংসদসকলে। ৰাজহুৱা টয়লেটটো পৰিদৰ্শন কৰি গুৱাহাটী পৌৰ নিগম আৰু লায়ন্স ক্লাবৰ এই প্ৰচেষ্টাক শলাগ লয়। মন কৰিবলগীয়া কথা এই যে, টয়লেটৰ লগত আছে খাব পৰা সুবিধা আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব পৰাকৈ আছে এখন সাংস্কৃতিক মঞ্চ। এই উপলক্ষে অযোজিত এক অনুষ্ঠানত উপস্থিত থাকে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱাশিস শৰ্মা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, ডেপুটী মেয়ৰ স্মৃতা ৰয় আদি।

## ৰাজ্যৰ বিভিন্ন স্থানত অব্যাহত বানৰ সংহাৰ



নগএাঁপাম পঞ্চায়তৰ বহুকেইখন গাঁও সম্পূৰ্ণৰূপে পানীত ডুব যোৱাত মানুহৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। বানত আবদ্ধ লোকক উদ্ধাৰৰ বাবে সেনা পৰ্যন্ত নিয়োগ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয় । কালি জিলাখনৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্যই বানপানীৰ বুজ লোৱাৰ লগতে আজি অসম চৰকাৰৰ দুগৰাকীকৈ জ্যেষ্ঠ মন্ত্ৰীয়ে জিলাখনৰ বান পৰিস্থিতিৰ বুজ লয় । মন্ত্ৰী কেশৱ মহন্তই লামডিঙৰ বিধায়ক শিবু মিশ্ৰৰ সৈতে হোজাই ৰাজহ চক্ৰৰ ৰাজবাৰী এলেকালৈ এছডিআৰএফৰ নাৱেৰে গৈ সামগ্ৰিক বান-পৰিস্থিতি নিৰীক্ষণ কৰে। ৰাজবাৰী গাঁওখনত পানী নুঠাকৈ থকা দুই-এক স্থানৰ বাদে বাকী সকলো অংশই সম্পূৰ্ণ জলমগ্ন হৈ থকাৰ লগতে পানীৰ সোঁতো যথেষ্ট প্ৰবল হোৱাত মন্ত্ৰীগৰাকী স্থানীয় চন্দ্ৰ সিং আৰু দ্বিজেন সিঙৰ ঘৰলৈ গৈ পৰিয়ালটোৰে আশ্ৰয় প্ৰদান কৰা ৰাজবাৰীৰ লগতে সমীপৱৰ্তী একাধিক গাঁৱৰ কুৰিটামান পৰিয়ালক দেখা কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয় মন্ত্ৰী কেশৱ মহন্তই। জলবন্দী হৈ থকা ৰাজবাৰী, পশ্চিম ৰাধানগৰ, কেন্দুগুৰি, শিৱপুৰ, হায়ং, ওৱেৰগেডিং আদি বহুকেইখন গাঁৱৰ বন্যাৰ্ত লোকসকলক উদ্ধাৰৰ বাবে ইতিমধ্যে জিলা প্ৰশাসনে সেনা আৰু এছডিআৰএফৰ উদ্ধাৰকাৰী দলৰ সহযোগত অভিযান অব্যাহত ৰখা বুলি সাংবাদিকক জানিবলৈ দিয়ে মন্ত্ৰীগৰাকীয়ে। ২০০৪ চনৰ পাছত প্ৰথমবাৰলৈ এইবাৰ ভয়াৱহ বানৰ গ্ৰাসত পৰা হোজাই আৰু ডবকা ৰাজহ চক্ৰত এতিয়াও জলবন্দী হৈ থকা গাঁওসমূহৰ বাসিন্দাসকলক আজি আবেলিৰ ভিতৰতে উদ্ধাৰ কৰি নিৰাপদ স্থানত আশ্ৰয়ৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক দিহা দিয়াৰ লগতে বানৰ কবলত পৰা প্ৰতিখন গাঁৱৰে বন্যাৰ্ত ৰাইজে যাতে পৰ্যাপ্ত খাদ্য তথা অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰে, সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে মন্ত্ৰী কেশৱ মহন্তই। ইপিনে, আজি মন্ত্ৰী পীযূষ হাজৰিকায়ো হোজাইৰ বান পৰিস্থিতিৰ বুজ লয়। জিলাখনৰ লংকাৰ মাঙুলীত কপিলী নদীৰ বাঢ়নী পানীয়ে গড়কাপ্তানী পথৰ এটা অংশ উটুৱাই নিয়াৰ ফলত জলমগ্ন হৈ পৰা অঞ্চলটো হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষৰ সৈতে পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পানী কমাৰ লগে লগে পথছোৱা নিৰ্মাণ কৰিবৰ বাবে বিভাগীয় বিষয়াক নিৰ্দেশ প্ৰদান কৰে মন্ত্ৰীগৰাকীয়ে। পৰিদৰ্শনৰ সময়ত মন্ত্ৰীক সংগ দিয়ে উপায়ুক্ত অনুপম চৌধুৰী, সংখ্যালঘু উন্নয়ন ব’ৰ্ডৰ অধ্যক্ষ হবিব মহম্মদ চৌধুৰী, জিলা বিজেপিৰ সভাপতি অনুপ দেৱৰ লগতে জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ বিষয়াসকলে। ইপিনে, যমুনামুখ সমষ্টিৰ বানাক্ৰান্তৰ কাষত থিয় দিয়ে ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমল। সাংসদ আজমলে সমষ্টিটোৰ চাৰ্লক, নগএাঁপাম, বালিৰাম আদি অঞ্চলৰ বানপীড়িতৰ খবৰ লোৱাৰ লগতে আক্ৰান্ত মানুহৰ মাজত খাদ্য-সামগ্ৰীও বিতৰণ কৰে । তেওঁৰ লগত সমাজসেৱী সংস্থা আজমল ফাউণ্ডেচন, মৰ্কজুল মাৰিফৰ উদ্ধাৰ কৰ্মীও লগত থাকে। চৰকাৰ প্ৰশাসনৰ লগতে যমুনামুখৰ বানপীড়িতক উদ্ধাৰৰ বাবে বহুকেইটা সমাজসেৱী সংগঠনে দিন-ৰাতি একাকাৰ কৰি কাম কৰে। মানৱ অধিকাৰ সংস্থা (অসম), ঐক্য সেনা অসমৰ হোজাই জিলা সমিতিৰ সভাপতি আহমদ হুছেইন, প্ৰগতিশীল যুৱ মঞ্চৰ সভাপতি চুহেল আহমেদ, ফাতিমা ৱেলফেয়াৰ ফাউণ্ডেচনৰ সভাপতি মোহাম্মদ আব্দুল জলিলৰ নেতৃত্বত এদল স্বেচ্ছাসেৱকে আক্ৰান্তক উদ্ধাৰ কৰে। ফাতিমা ৱেলফেয়াৰ ফাউণ্ডেচনে নিজে নাও ভাৰা কৰি মানুহক উদ্ধাৰৰ চেষ্টা চলায়। বৰ্তমান সাহায্য বিতৰণৰ বাবে উপায়ুক্তই শৃংখলাবদ্ধভাৱে বিতৰণৰ বাবে মানৱ অধিকাৰ সংস্থা, অসম, ঐক্য সেনা অসম আৰু প্ৰগতিশীল যুৱ মঞ্চক দায়িত্ব অৰ্পণ কৰে।

**বানৰ কবলত শোণিতপুৰৰ ৩৮ খন গাঁও ৭৪৬৫ গৰাকী লোক বানাক্ৰান্ত ঃ ৪০৩৫.৬০ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত ঃ দুটা আশ্ৰয় শিবিৰৰ ব্যৱস্থা ঃ খাদ্য সামগ্ৰী বিতৰণ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ ঃ** বিগত কেবাদিন ধৰি অব্যাহত থকা মুষলধাৰ বৰষুণৰ সমান্তৰালভাৱে নৈ-উপনৈ সমূহৰ বাঢ়নী পানীয়ে শোণিতপুৰৰ পাঁচটাকৈ ৰাজহ চক্ৰ এলেকাৰ ৩৮ খন গাঁও বিস্তৰ ক্ষতিসাধন কৰিছে। জিলাখনত বিভিন্ন অঞ্চল প্লাৱিত হৈ পৰাত এই পৰ্যন্ত শিশু-মহিলা-পুৰুষকে ধৰি মুঠ ৭৪৬৫ গৰাকী লোক বানৰ কবলত পৰিছে। ইয়াৰোপৰি জিলাখনৰ ৪৩৫.৬০ হেক্টৰ কৃষিভূমিও এই বানত বিস্তৰ ক্ষতিসাধন হৈছে। চৰকাৰী সূত্ৰে জানিবলৈ দিয়া অনুসৰি শোণিতপুৰৰ চাৰিদুৱাৰ ৰাজহ চক্ৰত ৯ খন গাঁও, ঢেকিয়াজুলিৰ ১২ খন, নদুৱাৰৰ ২ খন আৰু তেজপুৰ ৰাজহ চক্ৰৰ ১৫ খন গাঁও বানৰ কবলত পৰিছে। চাৰিদুৱাৰৰ ৪৪৩২ গৰাকী, ঢেকিয়াজুলিৰ ৮৯৪ গৰাকী, নদুৱাৰৰ ৭৩৮ গৰাকী, তেজপুৰৰ ১২০১ গৰাকী লোক বানৰ কবলত পৰিছে। উল্লেখ্য যে, তেজপুৰ ৰাজহ চক্ৰ অধীনস্থ এলেকাত এই পৰ্যন্ত ২৩২১ টা পশুধন সম্প্ৰতি ওখ স্থানত আশ্ৰয় ল’ব লগা হৈছে। উল্লেখ্য যে, বাঢ়নী পানীৰ ঢলত চাৰিদুৱাৰ, ঢেকিয়াজুলি আৰু ঠেলামৰা অঞ্চলত কেবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে আন্তঃগাঠনিৰো ক্ষতিসাধন হৈছে। অপৰিৱৰ্তিত বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে নদুৱাৰৰ বাপুজী ভৱন আৰু ঢেকেৰী প্ৰাথমিক বিদ্যালয়ত দুটা আশ্ৰয় শিবিৰ স্থাপন কৰাৰ লগতে জিলাখনৰ বানপীড়িত অঞ্চলসমূহত চাউল, দাইল, নিমখ, খোৱাতেল, শিশু খাদ্য, পশুখাদ্য আদি যোগানৰ ব্যৱস্থা কৰিছে।

**পশ্চিম দৰঙত প্ৰলয়ংকৰী বানত ৰাইজৰ মাজত হাহাকাৰ ; দুৰ্দুৰীয়াত দুৰ্যোগময় অৱস্থাত জন-জীৱন ; খাদ্যৰ সংকটত পশুধন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং ঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ এশৰো অধিক গাঁও কালপানী আৰু দিমীলা নদীৰ বাঢ়নী পানীয়ে বুৰাই পেলাইছে। বানাক্ৰান্ত অঞ্চলটোৰ ৰাইজৰ মাজত বিলৈ-বিপত্তিৰ সীমা নোহোৱা হৈ পৰিছে। মানুহৰ লগতে ঘৰৰ পুখুৰীৰ মাছ, ভঁৰালৰ ধান পৰ্যন্ত বিনষ্ট হৈ পৰিছে। ইয়াৰ চেঙেলীয়াঝাৰ অঞ্চলৰ দুৰদুৰীয়া, নাওপোটাকে ধৰি বহুকেইখন গাঁৱৰ কৃষক ৰাইজৰ ঘৰ, বাট-পথত পানী উঠাই নহয় পুখুৰীৰ মাছ, ভঁৰালত পানী সোমোৱাত ধানবোৰ নষ্ট হৈছে। এক দুৰ্যোগময় জীৱন অতিবাহিত কৰি এইসকল লোকৰ মাজত খাদ্যৰ লগতে বিশুদ্ধ পানীৰ সংকটে দেখা দিছে। গৰু-ছাগলীসমূহৰ বাবে খাদ্যৰ অভাৱ হোৱাত শুকাই-খিণাই যোৱা বুলি প্ৰকাশ। কাইলৈ স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে অঞ্চলটোৰ খবৰ ল’ব বুলি বিশ্বস্ত সূত্ৰে জানিব পৰা গৈছে।

**মৰিগাঁৱৰ পশ্চিম অঞ্চলত কৃষকৰ মাজত হাহাকাৰ ঃ শ শ বিঘা পকা বৰো ধান, মাকৈ আৰু শাক-পাচলি এতিয়া পানীৰ তলত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও ঃ** মৰিগাঁও জিলাৰ মায়ঙৰ বিস্তীৰ্ণ অঞ্চল ব্ৰহ্মপুত্ৰ আৰু কলং নদীৰ বাঢ়নী পানীৰ কবলত পৰিছে। বিশেষকৈ মায়ঙৰ বালিমুখ, হাৰিয়া, চপৰা, আশীঘৰ, শিলডুবি, পাতেকীবৰী, বেৰাদিয়া, কাউৰহাগী, বুৰগাঁও আদি অঞ্চলত হাজাৰ হাজাৰ বিঘা পকা বৰো ধান, মাকৈ আৰু শাকপাচলিৰ খেতি এতিয়া পানীৰ তলত। কৃষকৰ মাজত মাথোঁ হাহাকাৰ। বেছিভাগ ধান খেতি পকিছিল যদিও অত্যন্ত বৰষুণৰ ফলত কাটিব পৰা নাছিল। যিকেইজনে অলপ অলপ কাটিছিল সেয়াও বান আৰু বৰষুণৰ ফলত এতিয়া গজালি মেলিছে। সেয়েহে চৰকাৰৰ ওচৰত সহায় বিচাৰিছে ক্ষতিগ্ৰস্ত কৃষকসকলে।

**বানত ক্ষতিগ্ৰস্ত টেঙাঝাৰ-চেনিগাঁও সংযোগী দলং পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ ল’লে বিধায়ক ভৱেশ কলিতাই**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া ঃ** ৰঙিয়া সমষ্টিৰ বিধায়ক তথা হাউছফেডৰ অধ্যক্ষ ভৱেশ কলিতাই আজি এইবাৰৰ বানত ক্ষতিগ্ৰস্ত শুক্লাই নদীৰ ওপৰৰ টেঙাঝাৰ-চেনিগাঁও সংযোগী কাঠৰ দলংখন পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় আৰু অতি সোনকালে ৰাইজৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তোলাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগৰ লগতে প্ৰশাসনৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। বিধায়কগৰাকীয়ে লগতে কাঠৰ দলংখনৰ কাষতে নিৰ্মীয়মাণ অৱস্থাত থকা বৃহৎ পকী দলংখনৰ নিৰ্মাণ কাৰ্যত নিয়োজিত ঠিকাদাৰগৰাকীয়ে লেহেমীয়া কৰা বুলি উত্থাপিত ৰাইজৰ অভিযোগ মৰ্মে তাৎক্ষণিকভাৱে দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ ঠিকাদাৰগৰাকীক নিৰ্দেশ দিয়ে। উল্লেখ্য যে বিগত কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰঙিয়া সমষ্টিৰ অন্তৰ্গত শুক্লাই নদীৰ ওপৰৰ এই কাঠৰ দলংখনৰ এটা অংশ শুক্লাই নদীৰ বাঢ়নী পানীয়ে উটুৱাই লৈ যোৱাৰ ফলত অঞ্চলটোৰ ৰাইজৰ যোগাযোগ ব্যৱস্থা ব্যাহত হৈ পৰে। আজিৰ এই পৰিদৰ্শন কালত হাউছফেডৰ অধ্যক্ষগৰাকীয়ে শুক্লাই নদীৰ বাঢ়নী পানীয়ে প্লাৱিত কৰা কাষৰীয়া অঞ্চলসমূহৰ ৰাইজৰো খা-খবৰ লয়। এই পৰিদৰ্শনৰ সময়ত বিধায়কগৰাকীৰ লগত শুক্লাই-চেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বি টি আৰৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰীৰ লগতে জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলো উপস্থিত আছিল।

**বানপানীৰ তলত কৃষকৰ শ শ বিঘাৰ মাকৈ, বৰোধান, শাক-পাচলিৰ খেতি ঃ খবৰ ল’বলৈ সময় নাই জনপ্ৰতিনিধিৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া ঃ** বিগত কিছুদিন ধৰি অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত বানৰ কবলত পৰিছে দৰঙৰ মঙলদৈ বিধানসভা সমষ্টিৰ পূব মঙলদৈৰ বহু গাঁও। টাংনী নদীৰ বাঢ়নী পানীত বহু গাঁৱৰ শ শ বিঘা খেতিপথাৰ বৰ্তমান পানীৰ তলত। ডুব গ’ল বিঘাই বিঘাই ভেণ্ডী, বেঙেনা, জলকীয়া, ভোল, জিকা আদি ব্যয়বহুল পাচলিৰ খেতি। পূব মঙলদৈৰ ধূলা, ওজাগাঁও, মাগুৰমাৰী, বাইগৰমাৰী, ইছলামপুৰ, কেওটচুৱা আদি বৃহত্তৰ অঞ্চলৰ মাকৈ, বিঘাই বিঘাই ধাননিপথাৰৰ লগতে মৰাপাট খেতি আদি প্লাৱিত হয়। বজাৰত পাচলিৰ জুই চাই দাম আৰু পকিবলৈ ধৰা বৰোধান চপোৱাৰ আগমুহূৰ্তত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বাঢ়নী পানীয়ে সপোনৰ খেতিপথাৰসমূহ প্লাৱিত কৰাত মূৰে-কপালে হাত দিবলগীয়া হৈছে কৃষকসকল। একেদৰে পূব মঙলদৈ আৰু দলগাঁও সমষ্টিৰ শ শ মাছ ভৰ্তি পুখুৰী বাঢ়নী পানীয়ে প্লাৱিত কৰাত লাখ লাখ টকা লোকচানৰ সন্মুখীন হ’বলগীয়া হৈছে মৎস্য পালকসকল। তাৎপৰ্যপূৰ্ণ কথা হ’ল, নিৰ্বাচনৰ সময়ত ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰা মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত কুমাৰ দাসে পানীত হাঁহ নচৰা অৱস্থা হোৱা দৰিদ্ৰ কৃষকৰ খবৰ ল’বলৈ সময় নাপালে।

# পঞ্চায়ত সভানেত্ৰীৰ অজ্ঞাতে অবৈধভাৱে নিৰ্মাণকাৰী সংস্থাক এনঅ'চি প্ৰদান উপ-সভানেত্ৰী, সদস্যৰ ঃ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ১৮ মে' ঃ** বঙাইগাঁও জিলাত ফ'ৰলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থাক ক্ৰেচাৰ মেচিন বহুওৱাৰ বাবে সংশ্লিষ্ট পঞ্চায়ত সভানেত্ৰীৰ অজ্ঞাতে উপ-সভানেত্ৰী আৰু এজন সদস্যই গোপন বুজাবুজিৰে নিৰ্মাণকাৰী সংস্থাক এন অ' চি প্ৰদান আৰু প্ৰমাণ-পত্ৰ দিওঁতে অবৈধ আৰু বিনা অনুমতিত সভানেত্ৰীৰ ছীল ব্যৱহাৰ কৰা ঘটনা কিছুদিন আগতে পোহৰলৈ অহাত জাঙুৰ খাই উঠিছে পঞ্চায়ত সভানেত্ৰী। প্ৰাপ্ত বাতৰি মতে, এই সন্দৰ্ভত পঞ্চায়ত সভানেত্ৰীগৰাকীয়ে উত্তৰ শালমাৰাৰ মহকুমাধিপতিক অভিযোগো দাখিল কৰিছে। উল্লেখ্য যে বঙাইগাঁও জিলাৰ হাপাচৰাৰ পৰা যোগীঘোপাৰ লজিষ্টিক হাবলৈ নিৰ্মাণৰত ফ'ৰলেনযুক্ত পথৰ তুলুঙীয়া-যোগীঘোপা অংশ নিৰ্মাণৰ দায়িত্ব লাভ কৰে ক্ৰমে আৰ পি চি আৰু আৰ এছ বি আই নামৰ দুটা নিৰ্মাণকাৰী সংস্থাই। সংস্থা দুটাই পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ব'ল্ডাৰ চিৰাং জিলাৰ পৰা সৰবৰাহ কৰিবলৈ লয়। আনকি বিনা চালানত শিল সৰবৰাহ কৰাৰ বাবে বন বিভাগক জৰিমনাও আদায় দিবলগীয়া হৈছে আৰ এছ বি আয়ে। আনপিনে চিৰাঙৰ পৰা সৰবৰাহ কৰা ব'ল্ডাৰ ভঙাৰ বাবে সংস্থা দুটাই উত্তৰ শালমাৰা পঞ্চায়তৰ চৌটাকিত ডেৰ বছৰমান পূৰ্বে দুটা ক্ৰেচাৰ মেচিনো বহুৱায়। উল্লেখ্য যে, ক্ৰেচাৰ মেচিনৰ বাবে বন বিভাগৰ অনুমতিৰ প্ৰয়োজন। তদুপৰি বন বিভাগে সংশ্লিষ্ট পঞ্চায়তৰ এন অ' চিৰ ওপৰত নিৰ্ভৰ কৰিয়েই ক্ৰেচাৰ মেচিন বহুওৱাৰ অনুমতি প্ৰদান কৰে। সেয়ে নিৰ্মাণকাৰী সংস্থাই এন অ' চিৰ বাবে সভানেত্ৰীৰ ওচৰত তাঁতবাটি কাঢ়ে যদিও ক্ৰেচাৰ মেচিন বহুওৱাৰ স্থান জনবসতি হোৱাৰ লগতে জনস্বাস্থ্য তথা পাৰিপাৰ্শ্বিকতাৰ প্ৰতি লক্ষ্য ৰাখি এনঅ'চি দিয়াৰ পৰা বিৰত থাকে। ডেৰ বছৰ পূৰ্বে ক্ৰেচাৰ মেচিন বহুওৱা সংস্থা দুটাই সভানেত্ৰীক অন্ধকাৰত ৰাখি বিগত বৰ্ষৰ ১৭ আৰু ১৯ নৱেম্বৰত পঞ্চায়তৰ পৰা এন অ' চি হস্তগত কৰে। এই সন্দৰ্ভত পঞ্চায়ত সভানেত্ৰী ৰীণা বৰুৱাই এনঅ'চিখন বাতিল কৰাৰ বাবে উত্তৰ শালমাৰাৰ মহকুমাধিপতিক আবেদন জনায়। আবেদনত উল্লেখ কৰা মতে, পঞ্চায়তখনৰ অন্তৰ্গত ৫ম খণ্ডত দাগ নং ২২০ত এছ ৰাজেন্দ্ৰ সিং ভাম্ব ইন্‌ফ্ৰা প্ৰাঃ লিমিটেডক ৰেছিডেন্স কেম্প/আৰ এম চি প্লাণ্ট/হট মিক্স প্লাণ্টৰ বাবে এন অ' চি প্ৰদান কৰা হৈছে। য'ত স্বাক্ষৰ কৰিছে পঞ্চায়ত উপ-সভানেত্ৰী আৰু এগৰাকী সদস্যই। অভিযোগ কৰা মতে, উপ-সভানেত্ৰীয়ে সভানেত্ৰীৰ অজ্ঞাতে অথবা অনুমতি অবিহনে সভানেত্ৰীৰ ছীলো ব্যৱহাৰ কৰে। সেয়ে আবেদনত এন অ' চি বাতিলৰ বাবে আহবান জনাইছে সভানেত্ৰী ৰীণা বৰুৱাই।

# ইটাখোলাৰ পৰা বৰপাম তিনিআলি সংযোগী পথৰ ওপৰত নিৰ্মাণৰ এসপ্তাহতে ভাগিল কালভাৰ্ট

## ঠিকাদাৰৰ নিম্নমানৰ নিৰ্মাণকাৰ্য কৰাৰ ৰাইজৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৮ মে' ঃ** বিশ্বনাথ জিলাৰ চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ইটাখোলাৰ পৰা চতিয়া বৰপাম তিনিআলি সংযোগী পথৰ ওপৰত সদ্য নিৰ্মিত এটি কালভাৰ্ট ভাগি পৰা কাৰ্যত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ অধীনস্থ গড়কাপ্তানী বিভাগে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে চতিয়া সমষ্টিৰ ইটাখোলাৰ পৰা চতিয়া বৰপাম তিনিআলি সংযোগী পথছোৱা যোৱাটো বৰ্ষৰ শেষৰ পিনে আবন্টন দিয়া প্ৰধান মন্ত্ৰী চড়ক যোজনাৰ অধীনৰ পথটিৰ ওপৰত নিৰ্মাণৰ কাম সম্পূৰ্ণ নৌহওঁতেই কালি মুষলধাৰে দি থকা বৰষুণৰ ফলত পথটিৰ ওপৰত নিৰ্মাণ হোৱা এটি কালভাৰ্ট নিমিষতে ভাগি পৰাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইটাখোলাৰ সমীপৰ চেঙামাৰী হৈ যোৱা পথটিৰ ওপৰত ঠিকাদাৰে ধাৰাসাৰ বৰষুণৰ মাজতে নিৰ্মাণ কাৰ্য চলাই আহিছে যদিও পথটিৰ ওপৰত এসপ্তাহ পূৰ্বে নিৰ্মাণ কৰা এটি কালভাৰ্ট নিমিষতে ভাগি পৰা কাৰ্যত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে ঠিকাদাৰে পথটি নিম্নমানৰ নিৰ্মাণকাৰ্য কৰাৰ অভিযোগ উত্থাপন কৰিছে। ৰাইজৰ অভিযোগ অনুসৰি বৰ্তমানৰ উন্নয়নকামী বিজেপি চৰকাৰখনে কোটি কোটি



টকাৰে ৰাইজৰ সুবিধাৰ্থে ৰাস্তা-ঘাট নিৰ্মাণত ব্যয় কৰাৰ বিপৰীতে এচাম ঠিকাদাৰে অধিক মুনাফাৰ বাবে নিম্নমানৰ নিৰ্মাণ কাৰ্য চলোৱা কাৰ্যক বিভাগীয় কৰ্তৃপক্ষৰ হস্তক্ষেপ বিচাৰাৰ লগতে স্থানীয় বিধায়ক পদ্ম হাজৰিকাক দৃষ্টিগোচৰ কৰিছে।

# নদুৱাৰৰ উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তত অতিপাত বৃষ্টিপাত আৰু ধূমুহাত ক্ষতিগ্ৰস্ত হোৱা দুখীয়া পৰিয়ালক সাহায্য বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৮ মে' ঃ** শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ সীমান্তৱৰ্তী অঞ্চলত আজি কেইবা দিন ধৰি হোৱা অতিপাত দৃষ্টিপাত আৰু ধুমুহাত ক্ষতিগ্ৰস্ত দুখীয়া পৰিয়ালক নদুৱাৰৰ উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তত সাহায্য বিতৰণ কৰা হয়। শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ সীমান্তৱৰ্তী এলেকা তথা নদুৱাৰৰ উত্তৰ অঞ্চল জয়পুৰ, মিলনপুৰ আৰু কৰৈটাপু এলেকাত কিছুদিন ধৰি মুষলধাৰে হোৱা বৰষুণ আৰু ধুমুহা-বতাহে অঞ্চলটোৰ দুখীয়া লোকৰ ঘৰ-দুৱাৰ ভাঙি গৃহহীন কৰি তোলা লোকক সহায়ৰ হাত আগবঢ়ায় মূঢ়াদল তথা উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকলে। জিলাখনৰ অন্যতম চতিয়া বিধান সভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ সহযোগত পঞ্চাশ ঘৰ দুখীয়া পৰিয়ালক একোখনকৈ তিৰ্পাল, চাউল বিশ কেজি আৰু নগদ পাঁচশ টকা বিতৰণ কৰে। বৰ্তমানো বিভিন্ন ক্ষেত্ৰত পিছ পৰি ৰোৱা নদুৱাৰৰ উত্তৰ অঞ্চলত বিগত দিনত ৰাইজৰ মাজত থিয় দি অহা মূঢ়াদল জিলা পৰিষদৰ সদস্য কিশোৰ দাহাল, উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি দীপক নেৱাৰ, সমাজকৰ্মী প্ৰবীণ হাজৰিকা আৰু গাঁওৰক্ষী বাহিনীৰ সভাপতি ৰঘু বৰাই উদ্যোগ লোৱা সাহায্য বিতৰণ অনুষ্ঠানত ৰাইজে সমষ্টিটোৰ বিধায়কগৰাকীৰ লগতে স্থানীয় পঞ্চায়ত বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰিছে। ৰাইজৰ হকে সেৱা কৰাত ব্ৰতী হোৱা পঞ্চায়ত বিষয়ববীয়াসকলেও অঞ্চলটোত এনেদৰে সময়ে সময়ে ৰাইজৰ হৈ কাম কৰিবলৈ সুযোগ পোৱাত নিজকে কৃতজ্ঞ বুলি মন্তব্য কৰে।

# মৈৰাবাৰীত দুৰ্বৃত্তৰ আক্ৰমণত গুৰুতৰভাৱে আহত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৮ মে' ঃ** কালি নিশা মৈৰাবাৰী থানাৰ অন্তৰ্ভুক্ত দুৰাবান্ধি গাঁৱত চোকা অস্ত্ৰৰ আঘাতত এজন বৃদ্ধ আহত হয়। গুৰুতৰভাৱে আহত বৃদ্ধজনৰ ঘৰ দুৰাবান্ধিত বুলি জানিব পৰা গৈছে। ৫৫ বছৰীয়া আব্দুল খালেক নামৰ ব্যক্তিজনক একেখন গাঁৱৰে দিলদাৰ হুছেইন নামৰ দুষ্কৃতিকাৰীটোৱে কুঠাৰেৰে মূৰত আক্ৰমণ কৰে। গুৰুতৰভাৱে আহত আব্দুল খালেকক স্থানীয় ৰাইজে মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ত ভৰ্তি কৰোৱায় যদিও অৱস্থা সংকটজনক হোৱাত নগাঁৱলৈ স্থানান্তৰ কৰে। দুষ্কৃতিকাৰীটোৱে কি কাৰণত বৃদ্ধ ব্যক্তিজনক এনেকৈ আক্ৰমণ কৰিলে সেয়া এতিয়াও ৰহস্যৰ বিষয়। গুৰুতৰভাৱে আহত আব্দুল খালেকৰ পৰিয়ালে ইতিমধ্যে দিলদাৰ হুছেইনৰ বিৰুদ্ধে মৈৰাবাৰী থানাত এখন এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

# অখিল গগৈৰ উপস্থিতিত নগাঁও জিলা সমিতিৰ উদ্যোগত ৰাইজৰ দলৰ কৰ্মীসভা অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৮ মে' ঃ** কালি নগাঁও সাহিত্য সভা ভৱনত ৰাইজৰ দলৰ কৰ্মীসভা অনুষ্ঠিত হৈ যায়। জিলাখনত থকা মুঠ ৮খন বিধানসভা সমষ্টিক সামৰি গঠন হোৱা নগাঁও জিলা কমিটীৰ উদ্যোগত কালি এই কৰ্মীসভাত ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈৰ লগতে কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইন, কেন্দ্ৰীয় কমিটীৰ মুখপাত্ৰ মেহবুব মুক্তাৰ আৰু অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে। নগাঁও জিলা কমিটীৰ সভাপতি বিনয় কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কৰ্মীসভাখনত অখিল গগৈয়ে দলৰ সংবিধান আৰু দলৰ কৰ্মসূচী 'আমাৰ সপোনৰ অসম' নামৰ কিতাপখনৰ থূলমূলকৈ ব্যাখ্যাও কৰে। ভাৰতৰ কোনো এখন ৰাজনৈতিক দলে এনেকুৱা এখন সংবিধান আৰু দলৰ কৰ্মসূচী ওলোৱা নাই বুলি অখিল গগৈয়ে দাবী কৰে। সভাত অখিল গগৈয়ে কয়— আগন্তুক পঞ্চায়ত নিৰ্বাচনত নগাঁও জিলাৰ প্ৰত্যেকটো গাঁও পঞ্চায়তত ৰাইজৰ দলৰ প্ৰাৰ্থী দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ৱাৰ্ড মেম্বাৰৰ পৰা আৰম্ভ কৰি জিলা পৰিষদলৈকে প্ৰাৰ্থী দিয়াৰ ব্যৱস্থা কৰ্মীসকলে এতিয়াৰ পৰাই কৰিবলৈ কাম আৰম্ভ কৰাৰ বাবে সাজু হ'বলৈ কৰ্মীসকলক আহ্বান জনোৱা পৰিলক্ষিত হয়। সভাত নগাঁও জিলা কমিটীখন নতুনকৈ শক্তিশালী ৰূপত গঠন কৰাৰ বাবেও সিদ্ধান্ত লয়। দল গঠন হোৱাৰ পিছত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা কালিৰ এই কৰ্মী সভাত নগাঁও জিলাৰ বিভিন্ন সমষ্টিৰ পৰা প্ৰায় তিনি শতাধিক কৰ্মী উপস্থিত থাকে। আজিৰ এই কৰ্মীসভাত ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইনে ভাষণত এ আই ইউ ডি এফ দলক সমালোচনা কৰি এই দলক ব্ৰহ্মপুত্ৰ নদীত দলিয়াই পেলাবলৈ সক্ষম হ'ব পৰা সাংগঠনিক ভেটি মজবুত কৰিব লাগে বুলি কৰ্মীসকলক আহ্বান জনায়।

# বানৰ কালৰূপ ঃ বিপদসীমাৰ ওপৰত কালৰূপী জৰাসৰ, জীয়া ডিপোটা আৰু গাভৰু

## জলমগ্ন তেজপুৰৰ সমগ্ৰ পশ্চিম প্ৰান্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ মে' ঃ** বিগত দুই-তিনিদিন ধৰি নেৰানেপেৰাকৈ দি থকা বৰষুণৰ বাবে তেজপুৰৰ বৃহৎ এলেকা বানৰ কবলত পৰিছে। ডিপোটা নদীৰ বাঢ়নী পানীয়ে আজি পুৱাৰ ভাগত ৰঙাপৰা-বিন্দুকুৰি সংযোগী গুৰুত্বপূৰ্ণ পথটিৰ মাজত থকা কালভাৰ্টটোৰ কাষৰ এটা বৃহৎ অংশ উটুৱাই নিয়াৰ লগতে পথছোৱাৰ বহু অংশ বাঢ়নী পানীয়ে ছিঙি পেলায়, যাৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। যোগাযোগ বিচ্ছিন্ন হোৱাৰ বাবে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী, পৰীক্ষাৰ্থী, চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী, ব্যৱসায়ীকে আদি কৰি সকলো ৰাইজ পণবন্দী হৈ পৰাৰ শংকা কৰা হৈছে। কেইবা কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা কালভাৰ্টটো বিজ্ঞানসন্মতভাৱে নিৰ্মাণ নকৰাৰ বাবেই ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে বুলি ৰাইজে অৱগত কৰিছে। ইফালে নেৰানেপেৰা বৰষুণৰ ফলত বহুকেইটা পথ-উপপথ বোকা-পানীৰে ভৰি পৰাত যাতায়াতৰ ক্ষেত্ৰতো স্থানীয় ৰাইজে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। তেজপুৰৰ ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত বানপানী ৰক্ষা কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে ঃ বানৰ কালৰূপ। বিপদসীমাৰ ওপৰত কালৰূপী জৰাসৰ, জীয়া ডিপোটা আৰু গাভৰু। জলমগ্ন তেজপুৰৰ সমগ্ৰ পশ্চিম প্ৰান্ত।¼ কেইবাদিনো ধৰি নেৰানেপেৰা বৰষুণৰ ফলত সমগ্ৰ ৰাজ্যৰ লগতে তেজপুৰতো বানে সংহাৰী ৰূপ ধাৰণ কৰা দেখা পোৱা গৈছে। এই দৃশ্য তেজপুৰৰ ডিপোটা ন আলিৰ, এনেদৰে বানে বুৰাই পেলাইছে গাঁৱৰ ঘৰ, ৰাস্তা-পদূলি। অকল এয়াই নহয়, ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদি ব'ব ধৰিছে বাঢ়নী পানীৰ ধাৰ। এতিয়া পকা ৰাস্তাৰ ওপৰতে ৰাইজে ধৰা দেখা গৈছে মাছ। তাৰ উপৰি তেজপুৰৰ মোৱামাৰীৰ বিভিন্ন স্থানত মানুহৰ ঘৰৰ ভিতৰত পানী সোমোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত বৰ্তমান সৰ্বসাধাৰণ ৰাইজৰ বিভিন্ন অসুবিধা হোৱা পৰিলক্ষিত হৈছে।

# গোসাঁইগাঁৱত কৰ্মী আলোচনা সভাত উপস্থিত কোঁচবিহাৰ ৰাজ্যৰ মহাৰাজা অনন্ত ৰায়

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ১৮ মে' ঃ** দি গ্ৰেটাৰ কোঁচবিহাৰ পিপলছ এছোচিয়েচনৰ কোকৰাঝাৰ জিলাৰ কচুগাঁও ব্লক সমিতিৰ অন্তৰ্গত গোলাডাংগী আঞ্চলিক সমিতিৰ উদ্যোগত গোসাইগাঁও মহকুমাৰ ১ নং গোলাডাংগীত কোঁচবিহাৰ ৰাজ্যৰ ভগদত্ত ৰায়ৰ পুত্ৰ কান্তেশ্বৰ ৰায় মহাৰাজাৰ বংশধৰ শ্ৰীশ্ৰী অনন্ত ৰায় দেৱবাৰ্মাৰ কৰ্মী আলোচনা সভা অনুষ্ঠিত কৰা হয়। সভাৰ পূৰ্বে মহাৰাজা শ্ৰীশ্ৰী অনন্ত ৰায় দেৱবাৰ্মাৰ দীৰ্ঘায়ু কামনাৰে পূজা-অৰ্চনা কৰা হয়। তাৰ পিছত সংগঠনটোৰ কচুগাঁও ব্লকৰ সমিতি আৰু গোলাডাংগী আঞ্চলিক সমিতিৰ উদ্যোগত মহাৰাজা শ্ৰীশ্ৰী অনন্ত ৰায় দেৱবাৰ্মাক অসম-বংগৰ সীমান্ত শিমুলটাপুৰ পৰা শোভাযাত্ৰা কৰি আদৰি অনা হয়। সভাত মহাৰাজা শ্ৰীশ্ৰী অনন্ত ৰায় দেৱবাৰ্মাই কোঁচ-ৰাজবংশীসকলৰ ইতিহাস সন্দৰ্ভত এক বিতং মন্তব্য আগবঢ়ায়। তেওঁ কয় যে আজি আমি আমাৰ ইতিহাস পাহৰি যাবলৈ ওলাইছোঁ। কিন্তু ইতিহাস পাহৰি যোৱা উচিত নহয়। উক্ত কৰ্মী আলোচনা সভাত দি গ্ৰেটাৰ কোঁচবিহাৰ পিপলছ এছোচিয়েচনৰ কেন্দ্ৰীয় সভাপতি নিৰ্মল ৰায়, সাধাৰণ সম্পাদক নমিতা বৰ্মন, সাংস্কৃতিক সম্পাদক ধনঞ্জয় ৰায়, সহকাৰী সাংস্কৃতিক সম্পাদক, জিলা সমিতিৰ সভাপতি দীনবন্ধু ৰায়, জিলা সম্পাদক প্ৰদীপ বৰ্মন, ব্লক সমিতিৰ সভাপতি শান্ত বৰ্মন, সম্পাদক প্ৰমোদ বৰ্মন প্ৰমুখ্যে বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# টংলা মহাবিদ্যালয়ৰ এনচিচি গোটৰ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণামূলক প্ৰশিক্ষণ হাতীগড় আৰ্মী কেম্পৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ভেৰগাঁও, ১৮ মে' ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত শৈক্ষিক নগৰী হিচাপে খ্যাত টংলা মহাবিদ্যালয়ত কালি হাতীগড় আৰ্মী কেম্পৰ তৰফৰ পৰা অনুপ্ৰেৰণামূলক প্ৰশিক্ষণ দিয়ে মেজৰ চন্দ্ৰদ্বীপে। প্ৰজেক্টৰৰ জৰিয়তে পিপিটিত সম্পূৰ্ণ তথ্যভিত্তিত প্ৰশিক্ষাৰ্থীসকলক প্ৰশাসনিক দিশৰ ওপৰত বিস্তৃতভাৱে ব্যাখ্যা কৰি কোৱাৰ লগতে কেনেকৈ প্ৰশাসনিক দিশত আগবাঢ়িব বা ভৰ্তি হ'ব পাৰি, কেনেকৈ অধ্যয়ন কৰিব লাগে, নিজকে কেনেকৈ এজন সুস্থ-সবল নাগৰিক হিচাবে গঢ় দিব পাৰি, দেশসেৱা কেনেকৈ কৰিব কৰিব পাৰি, লগতে প্ৰতিযোগিতামূলক পৰীক্ষাত কেনেকৈ উত্তীৰ্ণ হ'ব পাৰি প্ৰশাসনিক সকলোবোৰ দিশৰ ওপৰত আলোচনা কৰা হয়। উল্লেখযোগ্য যে হাতীগড় আৰ্মী কেম্পৰ ফালৰ পৰা সময়ে সময়ে জনগণৰ হিতাৰ্থে বহুতো সজাগতামূলক অনুষ্ঠান, প্ৰশিক্ষণৰ লগতে সহায়-সহযোগ কৰি অহা হৈছে বুলি ভাৰতীয় সৈনিক ভি কে মিশ্ৰই জানিবলৈ দিয়ে। উক্ত অনুষ্ঠানত টংলা মহাবিদ্যালয় এন চি চি গোটৰ এএনঅ' ৰূপণ বড়ো উপস্থিত থাকে।

# শিৱসাগৰ জিলা সাহিত্য সভা বাৰ্তা প্ৰকাশৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৮ মে' ঃ** শিৱসাগৰ জিলা সাহিত্য সভা বাৰ্তাৰ অষ্টম বৰ্ষ, প্ৰথম সংখ্যাটি (এপ্ৰিল-জুন) প্ৰকাশৰ প্ৰস্তুতি চলিছে। উক্ত সংখ্যাত প্ৰকাশৰ বাবে লেখক-লেখিকাসকলৰ পৰা মৌলিক বিষয়ৰ প্ৰবন্ধ-পাতি, গল্প, কবিতা, গ্ৰন্থ পৰ্যালোচনা, পুথি পৰিচয়, অনুবাদ কবিতা, জীৱনীমূলক লেখা আদি বিচৰা হৈছে। বাৰ্তাৰ নিয়মীয়া শিতান 'ওচৰৰ চিনাকি দূৰৈৰ অচিনাকি'ত প্ৰকাশৰ বাবে প্ৰচাৰবিমুখ সাহিত্যসেৱী ব্যক্তিৰ চমু জীৱন পৰিচিতি ফটোসহ আগ্ৰহীসকলে প্ৰকাশৰ বাবে প্ৰেৰণ কৰিব পাৰিব। তদুপৰি জিলা সভাৰ অন্তৰ্গত শাখাসমূহৰ সম্পাদকসকলক চলিত বৰ্ষত সম্পাদিত কাৰ্যক্ৰমণিকাৰ চমু প্ৰতিবেদন আহবান কৰা হৈছে। পেজমেকাৰ গীতাঞ্জলি ফন্টত ডিটিপি কৰি পঠালে লেখা প্ৰকাশত সুবিধা হয়। লেখাসমূহ অহা ২৫ মে', ২০২২ তাৰিখৰ পূৰ্বে পোৱাকৈ হৰেন চন্দ্ৰ নাথ, সম্পাদক/শিৱসাগৰ জিলা সাহিত্য সভা বাৰ্তা, হোৱাট্‌চ্ এপ নং ৮১৩৩৯২৪২১৪ অথবা nathharen3202@gmail.com ত প্ৰেৰণ কৰিব লাগিব।

# মেৰাপানীত পৰাগ কুমাৰ দাসক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৮ মে' ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোলাঘাট জিলাৰ মেৰাপানী মহকুমাতো মেৰাপানী জাতীয় বিদ্যালয়ৰ ছাত্ৰ সংসদৰ উদ্যোগত, বৰ্ণালী বাল্য বিদ্যাপীঠ, উত্তৰ নেঘেৰী যুৱ সংঘ, গণচিন্তা সাহিত্য গোষ্ঠী, নতুন সমাজ অসম আৰু স্থানীয় অঞ্চলবাসী ৰাইজৰ সহযোগত কালি দিনজোৰা কাৰ্যসূচীৰে বৰ্ণালী বাল্য বিদ্যাপীঠৰ সভাকক্ষত জাতীয় ছহিদ পৰাগ কুমাৰ দাসৰ ২৬ সংখ্যক মৃত্যু দিৱস উদ্‌যাপিত হয়। পুৱা পৰিৱেশ নিকাকৰণ, বৃক্ষ ৰোপণৰ পাছতে জাতীয় ছহিদগৰাকীৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, বন্তিপ্ৰজ্বলন কৰা হয়। বিয়লি দৈয়াং ৰত্ন মহেন বৰুৱা আৰু উমাকান্ত শইকীয়াই সঞ্চালনাত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট চিন্তাবিদ শংকৰ শইকীয়া, মানৱ অধিকাৰ কৰ্মী জ্ঞানেন চক্ৰৱৰ্তী প্ৰমুখ্যে ভালেকেইগৰাকী মানৱ অধিকাৰ কৰ্মী উপস্থিত থাকি পৰাগ কুমাৰ দাসৰ জীৱন অধ্যায় ৰাইজৰ সন্মুখত দাঙি ধৰে। উল্লেখ্য যে উক্ত সভাত 'প্ৰয়াস' নামৰ এখন বাৰ্ষিক আলোচনী উন্মোচন কৰাৰ লগতে মেৰাপানী জাতীয় বিদ্যালয়, বৰ্ণালী বাল্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

# কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন

# সাজু হৈছে শাসকীয় দলৰ লগতে বিভিন্ন ৰাজনৈতিক দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ১৮ মে' ঃ** কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ ত্ৰয়োদশ সাধাৰণ নিৰ্বাচন অহা ৮ জুনত অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। বিশেষকৈ শাসকীয় বিজেপি দলে সমাগত পৰিষদীয় নিৰ্বাচনৰ বাবে ব্যাপক তৎপৰ হোৱা দেখা গৈছে। কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ ২৬টা সমষ্টিৰ বাবে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত শাসকীয় বিজেপি দলে আটাইকেইটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে আন ৰাজনৈতিক দলসমূহে আসন বুজাবুজিৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে ৰাজ্যিক নিৰ্বাচন আয়োগে পৰিষদীয় নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছতেই বিজেপি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই যোৱা ১৩ মে'ৰ পৰা দুদিনীয়াকৈ জিলাখনৰ চাৰিটাকৈ বিধানসভা সমষ্টিত দলীয় সাংগঠনিক সভা অনুষ্ঠিত কৰাৰ লগতে দলৰ কাৰ্যকৰ্তাৰ সৈতে মিলিত হৈ আগন্তুক নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰে। উল্লেখযোগ্য যে অহা ২০ মে'ত ২৬টা পৰিষদীয় সমষ্টিত দলীয় টিকট ঘোষণা কৰাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি সভাপতিগৰাকীৰ উক্ত কাৰ্যসূচী বিশেষ তাৎপৰ্য বহন কৰিছে। আনহাতে পশ্চিম কাৰ্বি আংলং জিলাৰ ৯টা পৰিষদীয় সমষ্টিৰ বাবে ইতিমধ্যে শতাধিক দলীয় বিষয়ববীয়াই টিকট বিচাৰি আবেদন কৰিছে বুলি পশ্চিম কাৰ্বি আংলং জিলা বিজেপি সভাপতি ৰদীপ ৰংহাঙে জানিবলৈ দিছে। প্ৰতিটো পৰিষদীয় সমষ্টিৰ পৰা ৫ৰ পৰা ১০জনকৈ অধিক প্ৰাৰ্থীয়ে টিকট বিচৰাৰ বিপৰীতে ৬ নং বিথুং ৰেংথামা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী তথা কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাঙৰ বাহিৰে আন কোনো প্ৰাৰ্থীয়ে টিকটৰ বাবে আবেদন কৰা নাই বুলি জানিব পৰা গৈছে।

# নাজিৰা মহাবিদ্যালয়ত 'স্মৃতিধাৰা অসম'ৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৮ মে' ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সকলো ছাত্ৰ-ছাত্ৰীকে একেখন মঞ্চত সমৱেত কৰিবৰ বাবে শদিয়াৰ পৰা ধুবুৰীলৈকে 'স্মৃতিধাৰা, অসম' নামৰ এটি সংগঠনৰ জন্ম দিয়া হৈছে। যাৰ উদ্দেশ্য সামাজিক-সাংস্কৃতিক, বৌদ্ধিক আৰু শৈক্ষিক দিশৰ বিকাশ। অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হোৱাৰ দৰে 'স্মৃতিধাৰা অসম'ৰ নাজিৰা শাখাৰ এখনি সভা অহা ২১ মে', ২০২২ তাৰিখ শুক্ৰবাৰে দিনৰ ১২.৩০ বজাত নাজিৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক উক্ত অনুষ্ঠানত উপস্থিত থাকিবলৈ নাজিৰা মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা নিমন্ত্ৰণ জনাইছে।

## সাৰেঙত বানত বুৰি এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৮ মে' ঃ** আন্ধেৰীঘাটৰ সমীপৱৰ্তী খৈৰাবাৰী থানাৰ অন্তৰ্গত সাৰেঙত কালি নিশা দিমীলা নৈৰ বাঢ়নী পানীত বুৰি এজন যুৱকৰ মৃত্যু হয়। নৈৰ বাঢ়নী পানীৰ সোঁতে উটুৱাই নিয়াৰ ফলত পংকজ দত্ত (৩৫) নামৰ যুৱকজনৰ মৃত্যু হয়। এটি সন্তানৰ পিতৃ দত্তই পথটোৰে খোজকাঢ়ি পাৰ হ'ব খোজোতে এই ঘটনা সংঘটিত হয়। ইতিমধ্যে মৃত ব্যক্তিজনক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।

# বগীনদীত বিধ্বস্ত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ দাবীত অৱস্থান ধৰ্মঘট

## ভুক্তভোগী ৰাইজৰ প্ৰতিবাদ ঃ আৰক্ষী আহি পৰিস্থিতি নিয়ন্ত্ৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৮ মে' ঃ** ৰজাই কৈছে উন্নয়ন হৈছে, কিন্তু কিমান হৈছে উন্নয়ন! যাৰ বাবে ঘৰৰ কাম এৰি ৰাজপথলৈ ওলাই আহিছে ৰাইজ। বতৰৰ প্ৰতিকূলতাকো নেওচি পুৰুষ-মহিলা সকলোৱে জীৱন-সম্পত্তিৰ নিৰাপত্তা বিচাৰি কদম তিনিআলি যুৱ সমাজৰ নেতৃত্বত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ দাবীত অৱস্থান ধৰ্মঘট কৰিলে কদমত। পুৱা ১০ বজাত শতাধিক প্ৰতিবাদী ৰাইজ ৰাজপথৰ ওপৰত অৱস্থান কৰি দাবী সম্বলিত বেনাৰ লৈ সুদীৰ্ঘ সময় ধৰি পথত অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ মুৰ্দাবাদ, ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মৰণফান্দ অৱস্থা আঁতৰ কৰি শীঘ্ৰে মেৰামতি কৰক, অসম চৰকাৰ হায় হায়, আমাৰ দাবী মানিবই লাগিব আদি শ্লোগান দি প্ৰতিবাদথলী উত্তাল কৰি তোলে। প্ৰতিবাদী ৰাইজে অভিযোগ কৰা মতে ঘাইপথছোৱাৰ জৰাজীৰ্ণতাৰ বাবে ইতিমধ্যে বহু ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈছে আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰী তথা পথচাৰী ৰাইজৰ জীৱনলৈ অশনি সংকেত মাতি আনিছে। বিগত কেইবা মাহ ধৰি বিভাগৰ অমনোযোগিতাৰ পৰিণতিত ব্যৱহাৰৰ অনুপযোগী হৈ পৰা ৰাষ্ট্ৰীয় ঘাইপথ অংশ বিভাগে মেৰামতি নকৰাৰ অন্তৰালত শাসনাধিষ্ঠিত কেন্দ্ৰীয় আৰু ৰাজ্যৰ গেৰুৱা চৰকাৰক জগৰীয়া কৰি দায়িত্বহীন আখ্যা দি সবল প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদী ৰাইজে। ৰাজহুৱা প্ৰতিবাদৰ নেতৃত্ব লোৱা কদম তিনিআলি যুৱ সমাজে অতিশীঘ্ৰে জৰাজীৰ্ণ ঘাইপথ অংশ মেৰামতি নকৰিলে অনাগত দিনত ৰাইজৰ জীৱন-সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থত অধিক তীব্ৰতৰ গণতান্ত্ৰিক আন্দোলন কৰি যাব বুলি সকীয়নি প্ৰদান কৰে। ভুক্তভোগী নাগৰিকে বৰষুণকো আওকাণ কৰি ৰাজপথলৈ ওলাই আহি গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰাৰ ফলত স্বাভাৱিক জীৱন যাত্ৰা বাধাগ্ৰস্ত হয় আৰু পাছত আৰক্ষী আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।




## লামডিং আৰক্ষীৰ জালত ড্ৰাগ্‌ছ পেডলাৰ বাপ্পী মণ্ডল

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ১৮ মে' ঃ** নিশাৰ ভাগত লামডিং আৰক্ষীৰ তৎপৰতা দেখিবলৈ পোৱা গৈছে। নিশাৰ ভাগত লামডিং আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযান। লামডিং আৰক্ষীৰ বৃহৎ সফলতা। লামডিং আৰক্ষীৰ জালত ড্ৰাগ্‌ছ পেডলাৰ বাপ্পী মণ্ডল, ঘৰ উত্তৰ লামডিং সাধুকুটিত। আটকাধীন ড্ৰাগ্‌ছ পেডলাৰটো বহুদিন ধৰি চলাই আছে অবৈধ ড্ৰাগ্‌ছৰ ৰমৰমীয়া বেহা। যুৱ প্ৰজন্মক ধ্বংসৰ পথত ঠেলি দিয়া এইজন হ'ল লামডিঙৰ ৱান্টেড ড্ৰাগ্‌ছ পেডলাৰ বাপ্পী মণ্ডল। লামডিং আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি উত্তৰ লামডিং সাধুকুটিৰ হনুমান মন্দিৰৰ পিছফালে মানুহ নথকা এটা আধাভগা ঘৰৰ পৰা ১৫ গ্ৰামৰ অধিক ব্ৰাউন ছুগাৰ আৰু ওজন মেচিন জব্দৰ লগতে বাপ্পী মণ্ডল নামৰ এজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰে।

## 'দিগ্‌দৰ্শন'ৰ সৌজন্যত মাধৱদেৱৰ জন্ম-জয়ন্তী

# 'ধৰ্মশাস্ত্ৰৰ জ্ঞান থাকিলেও প্ৰকৃত ঈশ্বৰৰ বাস্তৱিকতাৰ বোধ নহ'লে মানুহ ভ্ৰমিত হয়'

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১৮ মে' ঃ** 'মহাপুৰুষ মাধৱদেৱ প্ৰথমতে শাক্তধৰ্মী লোক আছিল। শংকৰ-মাধৱৰ শাস্ত্ৰতৰ্কৰ শেষত মাধৱদেৱে শ্ৰীমন্ত শংকৰদেৱৰ ওচৰত সেও মানে আৰু শংকৰদেৱৰ ওচৰত শৰণ লয়। মাধৱদেৱ শাস্ত্ৰত বৰ পাৰ্গত আছিল। ধৰ্মশাস্ত্ৰৰ জ্ঞান থাকিলেও প্ৰকৃত ঈশ্বৰৰ বাস্তৱিকতাৰ বোধ নহ'লে মানুহ ভ্ৰমিত হৈ যায়। মাধৱদেৱৰ ক্ষেত্ৰতো সেয়ে হৈছিল। যেতিয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৈতে মুখামুখি হ'ল, তেতিয়া মাধৱদেৱৰ ভুল ধাৰণা আঁতৰ হৈছিল। যেন এটা জ্বলি থকা বন্তিয়ে নুমাই থকা বন্তিক জ্বলাই দিলে আৰু দুয়োটা বন্তিৰ আলোকত সমগ্ৰ অসম আলোকিত কৰি তুলিলে। শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ নোহোৱা হ'লে আজিও অসম অজ্ঞান আন্ধাৰতে থাকিলহেঁতেন।' আজি শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৪ সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি যোৰহাটৰ পৰা প্ৰকাশিত মাহেকীয়া আলোচনী 'দিগদৰ্শন'ৰ সৌজন্যত আয়োজিত এক আলোচনা-চক্ৰত নতুন দিল্লীৰ পৰা প্ৰকাশিত আধ্যাত্মিক আলোচনী 'মানৱ ধৰ্ম'ৰ সহকাৰী সম্পাদক তথা আধ্যাত্মিক আৰু সামাজিক সংস্থা 'মানৱ উত্থান সেৱা সমিতি'ৰ প্ৰেছ সচিব পংকজ কুমাৰ দাসে এনেদৰে কয়। দিগদৰ্শন প্ৰকাশনৰ নিজা কাৰ্যালয়ত গুৰু বন্দনা আৰু নাম-কীৰ্তনেৰে শুভাৰম্ভ অনুষ্ঠানত পংকজ কুমাৰ দাসে গুৰুজনালৈ শতকোটি প্ৰণাম জনাই উপস্থিত ৰাইজক কয় যে— 'তেৰাৰ জীৱনৰ উৎকৃষ্ট সৃষ্টি 'নাম- ঘোষা'ত সমস্ত শাস্ত্ৰৰ সাৰ নিহিত আছে আৰু এই শাস্ত্ৰই ভক্তিধৰ্মৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰিছে। এনে শাস্ত্ৰ সমস্ত হিন্দু ধৰ্মত বিৰল। শাস্ত্ৰখন বিভিন্ন ভাষালৈ অনুবাদ হৈছে যদিও ইয়াৰ আৰু বহুল প্ৰচাৰৰ লগতে গুৰু দুজনাৰ বাণীসমূহো বহুল প্ৰচাৰ-প্ৰসাৰৰ প্ৰয়োজন আছে।' সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশত আয়োজিত আলোচনা-চক্ৰখনে এক আধ্যাত্মিক জন-জাগৰণৰ সৃষ্টি কৰে।

## সৰ্প-দংশনত যুৱকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ মে' ঃ** নগাঁও চহৰৰ নিকটৱৰ্তী ৰণথলীত সৰ্প-দংশনত প্ৰদীপ বণিয়া নামৰ এজন যুৱকৰ মৃত্যু ঘটে। জানিব পৰা মতে কালি বিয়লি পথাৰৰ পৰা ম'হ আনিবলৈ যাওঁতে প্ৰদীপ বণিয়াক বিষাক্ত সাপে দংশন কৰে। প্ৰথম অৱস্থাত পৰিয়ালৰ লোকে প্ৰদীপ বণিয়াক বেজৰ কাষলৈ নিয়ে যদিও সুস্থ নোহোৱাত পাছত সাপে খোটা যুৱকজনক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। অৱশ্যে চিকিৎসালয়ত উপস্থিত হোৱাৰ পিছতে চিকিৎসকে প্ৰদীপ বণিয়াক মৃত ঘোষণা কৰে। আনহাতে পৰিয়ালৰ লোকে চিকিৎসকৰ ভুল চিকিৎসাৰ বলি হৈ প্ৰদীপ বণিয়াৰ মৃত্যু হোৱা বুলি চিকিৎসকৰ বিৰুদ্ধে এক অভিযোগ উত্থাপন কৰে।

### নামতিত চৰকাৰী অনুজ্ঞা-পত্ৰ থকা বিলাতী সুৰাৰ বিপণীয়ে চলাই আছে অবৈধ সুৰাৰ বৃহৎ ব্যৱসায়

# হালোৱাটিঙত জব্দ নামতিৰ পৰা নাগালেণ্ডলৈ সৰবৰাহ হোৱা বৃহৎ পৰিমাণৰ অবৈধ সুৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৮ মে'ঃ** শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষীয়ে পৰহি বিয়লি নাগালেণ্ডলৈ সৰবৰাহ কৰা বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰা ঘটনাই ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে নামতি অঞ্চলৰ চৰকাৰী অনুজ্ঞা-পত্ৰ থকা এখন বিলাতী সুৰাৰ বিপণীৰ পৰা নাগালেণ্ডলৈ সৰবৰাহ কৰা প্ৰায় ৪০০ বটল অবৈধ বিলাতী সুৰাৰ সৈতে এ এছ-০৬বি-০০১৮ নম্বৰৰ মাৰুতি জেন গাড়ীৰ চালকসহ জব্দ কৰে। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গাড়ীচালক সীমান্ত বৰুৱাক গ্ৰেপ্তাৰ কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰা বুলি প্ৰকাশ। উল্লেখ্য যে নামতি চাৰিআলিৰ চৰকাৰী অনুজ্ঞা-পত্ৰ থকা এখন বিলাতী সুৰাৰ বিপণীৰ পৰা দীৰ্ঘদিন ধৰি নাগালেণ্ডলৈ অবৈধভাৱে বিলাতী সুৰা সৰবৰাহ কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ মাজতে পৰহি সুৰা বিপণীখনৰ পৰা অবৈধ বিলাতী সুৰা সৰবৰাহ কৰাৰ সময়তে আৰক্ষীয়ে কৰায়ত্ত কৰা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে। লক্ষণীয় যে শিৱসাগৰ জিলাৰ বৃহত্তৰ আমগুৰি অঞ্চলত চলি থকা দীৰ্ঘদিনীয়া অবৈধ বিলাতী সুৰা ব্যৱসায় পোহৰলৈ অহাৰ পিছতো সংশ্লিষ্ট বিভাগ অথবা আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰি এনে অবৈধ মদ বেপাৰীক কৰায়ত্ত কৰি এৰি দিয়াৰ গুৰুতৰ অভিযোগ উঠিছে। অসম-নাগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষীয়ে পৰহি জব্দ কৰা বৃহৎ পৰিমাণৰ বিলাতী সুৰাই অঞ্চলটোত পূৰ্ণোদ্যমে চলি থকা অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায়ৰ জ্বলন্ত



প্ৰমাণ দাঙি ধৰিছে। উল্লেখ্য যে চৰকাৰী অনুজ্ঞা-পত্ৰ থকা একাংশ সুৰা বিপণীয়ে চৰকাৰী নীতি-নিয়মলৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি অবাধে ধন ঘটাৰ প্ৰতিযোগিতাত নামি পৰিছে যদিও এনে অবৈধ সুৰা বেপাৰীক নাকী লগাবলৈ চৰকাৰী কোনোটো পক্ষই ব্যৱস্থা গ্ৰহণ নকৰাৰ অন্তৰালত কি ৰহস্য আছে সেইটো সকলোৰে বোধগম্য। অবৈধ অৰুণাচলী সুৰাৰ ৰমৰমীয়া বেহা চলি থকাৰ সমান্তৰালকৈ নামতি অঞ্চলৰ এখন চৰকাৰী অনুজ্ঞা-পত্ৰ থকা সুৰা বিপণীৰ পৰাও নাগালেণ্ডলৈ অবৈধভাৱে সুৰা সৰবৰাহ কৰি থকা কাৰ্যই শিৱসাগৰ জিলাৰ বৃহত্তৰ আমগুৰি অঞ্চলটো সম্প্ৰতি অবৈধ সুৰাৰ ৰম্যভূমিলৈ পৰ্যৱসিত কৰিছে। একাংশ সুৰা বেপাৰীয়ে যোৱা কিছুদিন ধৰি নিজ খেয়াল-খুচিৰে বৃহত্তৰ অঞ্চলটোত অবৈধ সুৰাৰ পোহাৰ মেলি কোৰোণাৰে ধন চপাই উঠি অহা প্ৰজন্মক তিল তিলকৈ মৃত্যুৰ গৰাহলৈ ঠেলি দিয়াৰ লগতে অঞ্চলটোৰ সামাজিক বাতাৱৰণ কলুষিত কৰাৰ পিছতো প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাটোৱে বৃহত্তৰ অঞ্চলটোত বৰ্তমান আবকাৰী-আৰক্ষী বুলি চৰকাৰী বিভাগ আছেনে বুলি ৰাইজে প্ৰশ্ন তুলিছে। দীৰ্ঘদিন ধৰি নামতিৰ এই সুৰা বিপণীখনে চলাই থকা এনে অবৈধ কাণ্ডক লৈ সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। সংশ্লিষ্ট সুৰা বিপণীখনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে সচেতন ৰাইজে। কালিৰ এই ঘটনা সংক্ৰান্তত হালোৱাটিং আৰক্ষীয়ে চালকক সোধা-পোছা কৰিলে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে যদিও পূৰ্বৰ দৰে আৰক্ষীয়ে চালকক গ্ৰেপ্তাৰ কৰিয়েই দায়িত্ব সামৰিব নেকি তাক লৈ ৰাইজৰ মাজত সন্দেহ সৃষ্টি হৈছে। স্মৰ্তব্য যে দীৰ্ঘদিন ধৰি অসম-নাগালেণ্ড সীমান্তৱৰ্তী আমগুৰি আৰু হালোৱাটিঙত অৰুণাচলী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। হালোৱাটিং আৰক্ষীয়ে এসপ্তাহ পূৰ্বে গাড়ীসহ অৰুণাচলী সুৰা জব্দ কৰাৰ পিছতে পুনৰ অবৈধ সুৰা নাগালেণ্ডলৈ সৰবৰাহ কৰা অৱস্থাত আৰক্ষীৰ দ্বাৰা জব্দ হোৱাটোৱে বৃহত্তৰ অঞ্চলটোত অবাধে অবৈধ বিলাতী সুৰাৰ বৃহৎ ব্যৱসায়ৰ চলি থকাকেই প্ৰমাণ কৰিলে।



*চোম গছত মুগা পলু এৰি দিছে এগৰাকী মহিলাই, বিশ্বনাথ চাৰিআলিত*

### তেজপুৰৰ মাহাত্ম্যৰে পূৰ্ণ শ্ৰীশ্ৰী নলেশ্বৰ থানৰ তিনিদিনীয়া ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভাৰ সামৰণি

# নলেশ্বৰ থানক চৰকাৰী পৰ্যটন ক্ষেত্ৰৰ মানচিত্ৰৰ আওতালৈ অনাৰ পোষকতা সাহিত্য সভাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ মে'ঃ** প্ৰতিকূল বতৰকো আওকাণ কৰি হাজাৰ হাজাৰ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত যোৱা ১৫ মে'ৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা তেজপুৰৰ নিকটৱৰ্তী দ বেছেৰীয়াৰ মাহাত্ম্যৰে পূৰ্ণ শ্ৰীশ্ৰী নলেশ্বৰ থানৰ 'ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা'ৰ কালি সামৰণি পৰে। উল্লেখ্য যে এই ঐতিহাসিক থানখনত দেশ আৰু মানুহৰ কল্যাণ কামনা কৰি স্থানীয় ৰাইজে আয়োজন কৰা এই ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভালৈ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজে অংশ গ্ৰহণ কৰি ধূপ, চাকি, নৈবেদ্যৰে ঈশ্বৰৰ শ্ৰীচৰণত আঁঠু লৈ নিজৰ লগতে সমাজৰ মংগল কামনা কৰে। উল্লেখ্য যে থানখনৰ চৌহদতে থকা পুখুৰীত 'কালীয় দমন'ৰ দৃশ্যাংশক ভাস্কৰ্য শিল্পীয়ে জীৱন্ত ৰূপ প্ৰদান কৰিব। কালি এই আধ্যাত্মিক অনুষ্ঠানত তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস উপস্থিত হৈ আশীষ নিৰ্মালি গ্ৰহণ কৰাৰ পিছত উক্ত ভাস্কৰ্য কৰ্মৰ শিলান্যাস কৰে। ভকত বৈষ্ণৱসকলৰ হৰিনাম-কীৰ্তন আৰু আয়তীৰ মংগল উৰুলিৰ মাজত সম্পূৰ্ণ মাংগলিক পৰিৱেশত এই শিলান্যাস কৰি ভাষণ প্ৰসংগত মহাপুৰুষ গৰাকীয়ে কেনেদৰে নিজৰ সত্তা অসমীয়া জাতি নিৰ্মাণত উৎসৰ্গিত কৰিছিল সেই প্ৰসংগ অৱতাৰণা কৰি অকল ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ নিৰ্মাণ হৈ থাকিলেই নহ'ব, সমাজৰ প্ৰকৃত মানুহ নিৰ্মাণতো সকলো পক্ষই মনোনিৱেশ কৰিব লাগিব বুলি কয়। এগৰাকী ব্যক্তি সু-সংস্কৃতিৱান হোৱাৰ লগতে আধ্যাত্মিক ক্ষেত্ৰতো সমানেই গুণবান হ'ব লাগিব আৰু তেতিয়াহে আমি এখন সুস্থ সমাজ পাবলৈ সক্ষম হক্সম বুলি মন্তব্য কৰি এনেধৰণৰ অনুষ্ঠান সমূহত উঠি অহা প্ৰজন্মক অধিক জড়িত কৰোৱাৰ ব্যৱস্থা হাতত ল'ব লাগিব বুলিও কয় সাংসদগৰাকীয়ে। শোণিতপুৰ জিলা বিজেপিৰ সভাপতি বাতাচ ওৰাঙৰ লগতে ভকত বৈষ্ণৱৰ উপৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই নলেশ্বৰ থানে অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক ভেটি শক্তিশালী কৰি তোলাৰ লগতে অঞ্চলটিত সমন্বয়ৰ ভেটিও শক্তিশালী কৰি তুলিছে বুলি মন্তব্য কৰি এই ঐতিহাসিক থানখনক অসম চৰকাৰৰ পৰ্যটনৰ মানচিত্ৰৰ আওতালৈ আনিবলৈ সাংসদগৰাকীক আহ্বান জনায়। আয়োজক সমিতিৰ মৃগেন চন্দ্ৰ বড়াই আঁত ধৰা এই অনুষ্ঠানতে কালীয় দমন দৃশ্যাংশ নিৰ্মাণৰ লগত জড়িত হ'ব লগা বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী হৰিনাৰায়ণ দাসক আয়োজক সমিতিয়ে সম্ভাষণ জ্ঞাপন কৰে। ইয়াৰ পিছতেই বিয়লি ধৰ্মালোচনী সভাৰে তিনিদিনীয়া এই আয়োজনৰ সামৰণি পৰে। ইফালে মহাপুৰুষ শ্ৰীশ্ৰী মাধবদেৱৰ আৱিৰ্ভাৱ তিথি উপলক্ষে কালি তেজপুৰ বালিচাপৰি নামঘৰত পালনামৰ আয়োজন কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত একশৰণ ভাগৱতী সমাজৰ উদ্যোগত বালিচাপৰি নামঘৰৰ পৰা উলিওৱা ধৰ্মীয় শোভাযাত্ৰাত তেজপুৰৰ বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰি হৰিনাম ধ্বনিৰে মুখৰিত কৰি তোলে।

### বিসংগতিৰে নিৰ্মাণ মাজুলী-যোৰহাট দলঙৰ খুঁটা

# কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৮ মে'ঃ** মাজুলী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ১৬ মে'ত অনুষ্ঠিত এক নাগৰিক সভাত মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্যত হোৱা বিসংগতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। সেই আলোচনাত মাজুলীৰ বহুকেইটা স্পৰ্শকাতৰ বিষয় চৰ্চালৈ আহিছিল আৰু সভাই বিষয়সমূহ এক প্ৰস্তাৱ আকাৰে মুখ্যমন্ত্ৰীক অৱগত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সিদ্ধান্ত অনুসৰি কালি ছাত্ৰ সন্থাৰ উদ্যোগত মাজুলীৰ বিধায়ক ভুবন গামৰ সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা আৰু সাধাৰণ সম্পাদক বিতোপন শৰ্মাৰ স্বাক্ষৰ সম্বলিত স্মাৰক-পত্ৰত মাজুলী-যোৰহাট সংযোগী দলঙৰ বিসংগতি থকা ৮ আৰু ১১ নম্বৰ খুঁটাৰ লগতে বাকী ১০টা খুঁটাও উচ্চ পৰ্যায়ৰ বিশেষজ্ঞই পৰীক্ষা কৰি ১৫ দিনৰ ভিতৰত প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। লগতে দলং নিৰ্মাণ কাম স্থবিৰ নকৰি বিজ্ঞানসন্মতভাৱে বিশেষজ্ঞৰ উপস্থিতিত দলং নিৰ্মাণ কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পন্ন কৰিবলৈ প্ৰস্তাৱ প্ৰেৰণ কৰাৰ লগতে শেহতীয়াকৈ আভ্যন্তৰীণ জল পৰিবহণ বিভাগে মাজুলী-যোৰহাট সংযোগী ফেৰী সেৱাৰ যি দুগুণ ভাৰা বৃদ্ধি হৈছে এই সিদ্ধান্ত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে শীঘ্ৰে বাতিল কৰা, মাজুলীৰ জিলা চিকিৎসালয়ৰ লগতে প্ৰতিখন চিকিৎসালয়ত প্ৰত্যেক বিভাগতে পৰ্যাপ্ত চিকিৎসক নিযুক্তি দিয়াৰ লগতে সকলো ধৰণৰ সুবিধা প্ৰদান কৰা, মাজুলীত চলি থকা খহনীয়া অঞ্চলসমূহত ব্ৰহ্মপুত্ৰ ব'ৰ্ডে খহনীয়া প্ৰতিৰোধৰ কাৰ্য হোৱাৰ লগতে স্থায়ী সুৰক্ষা দিয়াত ব্যৰ্থ হৈছে, খহনীয়াগ্ৰস্ত অঞ্চলসমূহত বিজ্ঞানসন্মত সুৰক্ষা প্ৰদান কৰা, মাজুলী মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা, মাজুলী আৰু নিমাতিত ৰেম্প নিৰ্মাণ কৰা আদি দাবী সম্বলিত 'স্মাৰক-পত্ৰ মাজুলীৰ বিধায়কৰ সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰীলৈ পৃথকে পৃথকে প্ৰেৰণ কৰে। প্ৰতিনিধি দলটোত আছুৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞা, ৰাজ্যিক কাৰ্যনিৰ্বাহক পবিত্ৰ গোস্বামী, সাহিত্য সভাৰ প্ৰতিনিধি প্ৰভাত বুঢ়াভকত, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জগত হাজৰিকা, সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকা, পূব মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰূপ কুমাৰ বৰা, পীতাম্বৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘন নাথ, প্ৰাক্তন আছু নেতা দুলাল ভূঞা উপস্থিত থাকে।

# বৰটাৰীত পাৰ্কুপাইনৰ কামত ব্যাপক অনিয়ম-দুৰ্নীতিৰ অভিযোগ

### ৰাজ্যিক ঘাইপথ, দলঙৰ প্ৰতি তীব্ৰ ভাবুকি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলগাছিয়া, ১৮ মে'ঃ** জনীয়া সমষ্টিৰ অন্তৰ্গত বৰটাৰীত মানাহ নদীৰ খহনীয়া প্ৰতিৰোধৰ কামত ঠিকাদাৰৰ বিৰুদ্ধে বিয়াগোম দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ২০২১-২২ বৰ্ষৰ এছ অ' পি ডি আঁচনিৰ জৰিয়তে বৰপেটাৰ সাংসদ আব্দুল খালেকৰ নিজ গৃহৰ পৰা ৩০০ মিটাৰ দূৰত বৰটাৰী মানাহ নদীৰ ভয়াৱহ খহনীয়া প্ৰতিৰোধৰ বাবে চিমেণ্টৰ খুঁটাৰে পাৰ্কুপাইনৰ নামত ৩ কোটি ৩১ লাখ ৯২ হাজাৰ টকা আবণ্টন দিয়ে। কিন্তু ঠিকাদাৰ অখিল ৰয়ে খহনীয়া প্ৰতিৰোধৰ নামত কেইটামান খুঁটা পুতি সৰহভাগ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে ঠিকাদাৰক চৰকাৰী নীতি-নিয়মেৰে কামটো কৰাৰ বাবে বাৰম্বাৰ অনুৰোধ জনাই আহিছে যদিও ঠিকাদাৰ অখিল ৰয়ে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। নদীৰ পানী বাঢ়ি অহাৰ লগে লগে জনীয়াৰ পৰা উত্তৰ শালমাৰালৈ যোৱা ২নং বিকল্প ৰাজ্যিক ঘাইপথৰ লগতে মানাহ নদীৰ ওপৰত থকা দলংখনৰ প্ৰতিও ভাবুকি কঢ়িয়াই যে আনিব সেয়াও নিশ্চিত হৈ পৰিছে। যাৰ বাবে অসম চৰকাৰ, বৰপেটা জিলাৰ উপায়ুক্ত আৰু বিভাগীয় কৰ্তৃপক্ষক কামটোৰ তদন্ত কৰি ঠিকাদাৰজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰি শ শ পৰিয়ালক খহনীয়াৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।



*এ টি ৰোডত থকা জাবৰৰ দ'ম চাফা কৰিছে গুৱাহাটী পৌৰ নিগমৰ কৰ্মীয়ে*

# তেজপুৰৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত বাঁহবাৰী, ডিপোটা, মোৱামাৰী অঞ্চল জলমগ্ন

### ৰাষ্ট্ৰীয় পথৰ ওপৰেৰে বাগৰিল পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ মে'ঃ** ৰাজ্যজুৰি বানৰ সংহাৰ অব্যাহত থকাৰ সময়তে তেজপুৰৰ বিভিন্ন অঞ্চল পৰিছে বানৰ কবলত। ইতিমধ্যে ঘগৰা আৰু ডিপোটা নৈৰ বাঢ়নী পানীয়ে বাঁহবাৰী মৌজাৰ বহু অঞ্চল প্লাৱিত কৰিছে। যোৱা নিশাৰে পৰা তেজপুৰৰ বিহগুৰি অঞ্চলত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ ওপৰেৰে পানী বাগৰিবলৈ আৰম্ভ কৰে। ইতিমধ্যে গাভৰুকে ধৰি বিভিন্ন নৈ-উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাত আন বহু অঞ্চলৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বিহগুৰিত একাধিক বিদ্যালয় জলমগ্ন হৈ পৰিছে। অঞ্চলটোৰ ব্ৰহ্মপুত্ৰ পাব্লিক স্কুল, শ্ৰীমন্ত শংকৰদেৱ জাতীয় বিদ্যালয়, বিবেকানন্দ স্কুল আদি শিক্ষানুষ্ঠানৰ লগতে বাঁহবাৰী উপ স্বাস্থ্য কেন্দ্ৰ, মোৱামাৰী পানী যোগান আঁচনি, অসম ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ আদি জলমগ্ন হোৱাৰ লগতে বৃহত্তৰ অঞ্চলটোৰ দোকান-পোহাৰ আৰু বাসগৃহ প্লাৱিত হৈছে। উল্লেখ্য যে অভূতপূৰ্ব এই বানৰ বাবে ইতিমধ্যে ১৫ নং ৰাষ্ট্ৰীয় পথটোৰ দুয়োকাষে থকা বহু কেইজোপা ওখ গছো উভালি পৰিছে। জেঠমহীয়া এই বানৰ কবলত পৰি ইতিমধ্যে বাঁহবাৰী মৌজাৰ সহস্ৰাধিক লোকে যোৱা দুটাকৈ নিশা ভোকে-পিয়াহে, লঘোনে-ভোকে স্থানীয় স্কুলত আশ্ৰয় লৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এনে দুৰ্দশাৰ সময়ছোৱাত শোণিতপুৰ প্ৰশাসন আৰু জনপ্ৰতিনিধিয়ে এইসকল লোকৰ এবাৰো খবৰ ল'বলৈ আহৰি নোপোৱাত বানাক্ৰান্তসকল ক্ষোভিত হৈ পৰিছে। বাঁহবাৰী মৌজাৰ ডেকা চুবুৰিৰ সহস্ৰাধিক বানাক্ৰান্ত ৰাইজৰ লগতে কণ কণ শিশুসহ সহস্ৰাধিক আদিবাসী পৰিয়ালে দুদিন ধৰি লঘোনে-ভোকে থাকি সাহায্যৰ বাবে অপেক্ষা কৰিবলগীয়া হোৱাত স্থানীয় সচেতন মহলে এই ক্ষেত্ৰত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক দাবী জনাইছে। ইপিনে তেজপুৰৰ গৰৈমাৰী অঞ্চলতো ৰাষ্ট্ৰীয় পথৰ ওপৰেৰে পানী বাগৰাৰ সমান্তৰালভাৱে বায়ুসেনা চৌহদো প্লাৱিত হৈছে। বৰ্তমান শোণিতপুৰত জীয়াভৰলী নৈ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে জলস্তৰ অধিক বৃদ্ধি পাইছে। বিগত কেবাদিন ধৰি নেৰানেপেৰাকৈ অব্যাহত থকা বৰষুণ অনাগত দিনতো অপৰিৱৰ্তিত হৈ থাকিলে তেজপুৰৰ সমীপৱৰ্তী অঞ্চলসমূহ অধিক বানাক্ৰান্ত হ'ব বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিছে।

# নগাঁৱৰ কচলুখোৱা কিচামত ভূ-মাফিয়াই বেদখল কৰিছে থলুৱাৰ কৃষিভূমি

### আদালতৰ শৰণাপন্ন ভুক্তভোগী পৰিয়াল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ মে'ঃ** মাটিৰ দালাল আৰু মধ্যভোগীক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে দৃঢ় পদক্ষেপ গ্ৰহণ কৰি অহাৰ সময়তে একাংশ ভূ-মাফিয়া, মাটিৰ দালাল আৰু বেদখলকাৰীৰ দৌৰাত্ম্যৰ বাবেই থলুৱা লোকে পিতৃপুৰুষৰ ভূমি হেৰুৱাব লগা হোৱাত নগাঁৱত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত অভিযোগ মতে নগাঁও ৰাজহ চক্ৰৰ অধীনৰ কচলুখোৱা কিচামতৰ ইছলামপট্টিৰ প্ৰায় ৪ কঠা কৃষিভূমি এজন ভূ-মাফিয়াই বেদখল কৰাৰ পাছত গ্ৰাহকক বিক্ৰী কৰে। প্ৰয়াত নালিয়া কেওটৰ নামত থকা কচলুখোৱা কিচামতৰ পট্টা নং ২৯৫৩ আৰু দাগ নং ২৫৭ৰ ৩ কঠা ২ লেচা মাটি দালাল ৰফিক আলীয়ে আজিৰ পৰা ৬-৭ বছৰ পূৰ্বে বলপূৰ্বকভাৱে বেদখল কৰে। এই সন্দৰ্ভত প্ৰয়াত নালিয়া কেওটৰ পুত্ৰ পূৰ্ণকান্ত শইকীয়াই ৰফিক আলীৰ বিৰুদ্ধে মৰিকলং আৰক্ষী চকীত এজাহাৰ দাখিল কৰা বুলি জানিবলৈ দিয়ে। আনহাতে উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে প্ৰয়াত নালিয়া কেওটৰ বেদখলীকৃত ভূমি বেদখলমুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰে যদিও পৰৱৰ্তী সময়ত আৰক্ষীৰ পদক্ষেপক কেৰেপ নকৰি বেদখলকাৰী ৰফিকে পুনৰ সেই কৃষিভূমি দখল কৰি আব্দুল ৰৌফ নামৰ এজন লোকক বিক্ৰী কৰি দিয়ে। আনহাতে, আব্দুল ৰৌফে উক্ত ভূমিত স্থায়ী গৃহ নিৰ্মাণ কৰি বসবাস কৰিবলৈ লয়। ইপিনে বলপূৰ্বকভাৱে মাটি দখলত সিদ্ধহস্ত ৰফিক আলীৰ এনে কাম-কাজৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে ইছলামপট্টি অঞ্চলৰ চৰকাৰী গাঁওবুঢ়া মইনুল হকক ৰফিক আলীয়ে ভাবুকি দিয়াৰো অভিযোগ উত্থাপিত হৈছে। আনহাতে, অঞ্চলটোৰ মাতব্বৰ ৰফিক আলীৰ বিৰুদ্ধে মৰিকলং আৰক্ষী চকীত কেইবাটাও গোচৰ ৰজু হৈ থকা বুলি জানিব পৰা গৈছে। ইপিনে আৰক্ষী তথা প্ৰশাসনৰ পৰা যথাযথ ন্যায় লাভ কৰিবলৈ সক্ষম নোহোৱাত প্ৰয়াত নালিয়া কেওটৰ পৰিয়ালে ৰফিক আলী আৰু আব্দুল ৰৌফৰ বিৰুদ্ধে নগাঁও আদালতত দেৱানী গোচৰ তৰা বুলি জানিব পৰা গৈছে। ভূ-মাফিয়াক নিয়ন্ত্ৰণত আৰক্ষী তথা প্ৰশাসন ব্যৰ্থ হোৱাত নিৰুপায় হৈ আদালতৰ কাষ চপা প্ৰয়াত নালিয়া কেওটৰ পৰিয়ালে এতিয়া পৈতৃক ভূমি উদ্ধাৰ কৰিব পাৰিবনে- তাক লৈ প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে নগাঁও চহৰৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত ভূ-মাফিয়াৰ দৌৰাত্ম্যৰ বাবেই বহু লোকে নিজৰ পিতৃপুৰুষৰ ভূমি হেৰুৱাব লগা ঘটনা সংঘটিত হৈ আহিছে। কিন্তু নগাঁও আৰক্ষীয়ে বৰ্তমানো কোনো দৃঢ় পদক্ষেপ ল'ব পৰা নাই এই বেদখলকাৰীৰ বিৰুদ্ধে।

# পশ্চিম দৰঙৰ অৰ্ধশতাধিক গাঁও বানৰ কবলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৮ মে'ঃ** যোৱা তিনি দিন ধৰি মুষলধাৰ বৰষুণৰ ফলত বিশেষকৈ পশ্চিম দৰঙৰ দিমীলা আৰু কালপানী নৈ ফেনে- ফোটোকাৰে বাঢ়ি আহি বহু অঞ্চলত মথাউৰিৰ ওপৰেৰে পানী বাগৰি হুছেইন চুবুৰি, পাণ্ডাঘাট, ভেৰুৱাদল, কাঁহিতলী, জয়পুৰ, কৰৈবাৰী, বামুণঝাৰ, পূব মালিবাৰিটাৰী, গভৰা, বৰপথাৰ, পদ্মাঝাৰ, তিতকুছি, পূব বুঢ়া, বিষ্ণুপুৰ, দুনী আদি বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে। গড়কাপ্টানী পথৰ লগতে বহু গাঁৱৰ পথৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। তদুপৰি বানৰ ফলত অঞ্চলসমূহত পশুখাদ্যৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে, লগতে মাছ পালনৰ বাবে ব্যৱহাৰ কৰা পুখুৰীসমূহ বুৰি যোৱাত মাছ পালকসকলে মূৰে-কপালে হাত দিব লগাত পৰিছে। ইফালে বৰপথাৰত পথৰ এটা অংশ খহাই নিয়াৰ ফলত ঘৰৰ বেৰ ভাঙি কিছু সা-সম্পত্তি উটুৱাই লৈ যোৱাৰ খবৰ পোৱা গৈছে। তদুপৰি বহু পৰিয়ালৰ বিস্তৰ ক্ষতি সাধন হোৱাৰ লগতে ভঁৰালঘৰো পানীত আধালৈকে ডুবি গৈছে। ফলত ওখ টিলা ঠাইত আশ্ৰয় ল'ব লগাত পৰিছে। মূলতঃ আজি কেইবা বছৰ ধৰি এই অঞ্চলৰ ৰাইজে জীয়াতু ভুগিব লগাত পৰিছে।

### গুৱাহাটী বিশ্ববিদ্যালয়ত অসম সাহিত্য সভা আৰু 'প্ৰকাশ'ৰ যৌথ উদ্যোগত 'আলোচনা আলোচনা ঃ প্ৰত্যাহ্বান আৰু প্ৰত্যাশা' শীৰ্ষক আলোচনা-সত্ৰ সম্পন্ন

# ভাষাৰ প্ৰতি আনুগত্য থকাটো প্ৰতিজন ব্যক্তিৰ মৌলিক দায়বদ্ধতা ঃ সুমন্ত চলিহা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ মে'ঃ** অসমীয়া আলোচনীৰ প্ৰকাশন, সম্পাদনা তথা বাণিজ্যিক আদি বিভিন্ন দিশ সামৰি গুৱাহাটী বিশ্ববিদ্যালয়ত কালি অসম সাহিত্য সভা আৰু 'প্ৰকাশ' (অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত সাহিত্য আলোচনী)ৰ যৌথ উদ্যোগত কালি 'আলোচনী আলোচনা ঃ প্ৰত্যাহ্বান আৰু প্ৰত্যাশা' শীৰ্ষক এখন মনোজ্ঞ আলোচনা-সত্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা-সত্ৰত সঞ্চালকৰ আসন গ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই কয়— 'লেখকে সৃষ্টি কৰক পৰিবৰ্ধিত সময়ৰ সাহিত্য। অসমৰ ভিন্ন স্থানৰ পৰা প্ৰকাশিত সৰু-বৰ আলোচনীসমূহৰ প্ৰকাশৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ প্ৰত্যাহ্বানসমূহ বাস্তৱিক বিশ্লেষণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। প্ৰকাশক-লেখক আৰু সম্পাদকসকলে পুনৰৈক নতুন স্বাদ প্ৰদানৰ প্ৰতি গুৰুত্ব দিব লাগিব। নতুন প্ৰতিভাৱান লেখকক আগবঢ়াই নিবৰ বাবে সুসংগঠিত প্ৰক্ৰিয়া চলাই নিব লাগিব।' বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতেৰে আৰম্ভ হোৱা কালিৰ আলোচনা-সত্ৰত আদৰণী ভাষণ আগবঢ়ায় অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত সভাগৃহত অনুষ্ঠিত এই আলোচনা-সত্ৰখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰতাপজ্যোতি সন্দিকৈয়ে। ভাষণ প্ৰসংগত ড° সন্দিকৈয়ে কয়— কালিৰ আলোচনাৰ বিষয়বস্তু অত্যন্ত গধুৰ। সাম্প্ৰতিক সময়ত লেখকৰ সংখ্যা বাঢ়ি গৈছে যদিও পাঠকৰ সংখ্যা কমি যোৱাটো ভাল লক্ষণ নহয়।' কালিৰ আলোচনা-সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিশিষ্ট অভিধানিক সুমন্ত চলিহাই কয়— 'ভাষা প্ৰযুক্তি আজিৰ সময়ৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ। ভাষাৰ প্ৰতি আনুগত্য থকাটো প্ৰতিজন ব্যক্তিৰ মৌলিক দায়বদ্ধতা।' অসম সাহিত্য সভাৰ প্ৰকাশন আহ্বায়ক তথা 'মুকুতা' আলোচনীৰ সহযোগী সম্পাদক দেৱজিৎ বৰাই আঁত ধৰা আলোচনা-সত্ৰত বিশিষ্ট সমালোচক-লেখক উৎপল দত্ত, 'নন্দিনী' আলোচনীৰ সম্পাদক মাইনী মহন্ত, 'দৈনিক অসম'ৰ বাৰ্তা সম্পাদক বিতোপন বৰবৰা, 'জিএনআৰচিৰ স্বাস্থ্য' আলোচনীৰ সম্পাদক গীতিমালিকা নেওগ, 'অভিৰুচি'ৰ সম্পাদক বলেন্দ্ৰমোহন চক্ৰৱৰ্তী, 'অন্যযুগ' আলোচনীৰ সম্পাদক ড° মৃদুল শৰ্মা, লেখক-গৱেষক ড° বুলজিৎ বুঢ়াগোহাঁই, 'গৰীয়সী'ৰ সহকাৰী সম্পাদক অংকুৰ ডেকা, বিজ্ঞান জেউতিৰ প্ৰাক্তন সম্পাদক অভিজিৎ শৰ্মা বৰুৱা, বাৰ-ওঠৰৰ সম্পাদক জ্যোতি খাটনিয়াৰ, বিন্দু আলোচনীৰ সম্পাদক মালবিকা চৌধুৰী, 'নতুন ৰংমেলা' শিশু আলোচনীৰ সম্পাদক অৰুণ ভাগৱতী, 'বাৰ্তা পখিলী'ৰ সম্পাদক ব্ৰজেন্দ্ৰনাথ ডেকা, 'সেউজী সেউজী'ৰ সম্পাদক তৰুণ বৰ্মন, মহাৰ্ণৱ আলোচনীৰ মুখ্য সম্পাদক প্ৰমোদ চন্দ্ৰ দাস, 'নিয়মীয়া বাৰ্তা'ৰ উপ-সম্পাদক ড° গীতালি শইকীয়াকে ধৰি বহুকেইজন ব্যক্তি। সভাৰ শেষত শলাগ জ্ঞাপন কৰে প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই।




### তিতাবৰৰ বালিপৰীয়াৰ চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ ব্যতিক্ৰমী পদক্ষেপ

# ষাঠিৰোৰ্ধ্বৰ ব্যক্তিক গুৱা-পাণ, অৰিহণাসহ সেৱা জনাই সম্বৰ্ধনা ঃ ব'হাগী বিদায় উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৮ মে'ঃ** তিতাবৰৰ বালিপৰীয়াৰ চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ সদস্যসকলে গাঁওখনৰ ঘৰে ঘৰে চোতালত অসমীয়াৰ বাপতি-সাহোন প্ৰাণৰ উৎসৱ ব'হাগ বিহুত হুঁচৰি পৰিৱেশনেৰে গৃহস্থক আশীৰ্বাদ প্ৰদান কৰাৰ সমান্তৰালভাৱে গৃহস্থই হুঁচৰিয়োৱাক আগবঢ়ায় গুৱা-পাণসহ অৰিহণা। বিগত সময়ত গাঁওবাসীয়ে আগবঢ়োৱা অৰিহণা স্থানীয় নামঘৰ বা সামাজিক অনুষ্ঠানত ব্যৱহাৰ কৰি আহিছিল যদিও এইবাৰ ব'হাগ বিহুত চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ হুঁচৰিয়োৱাই লাভ কৰা অৰিহণাৰে গ্ৰহণ কৰিলে আন এক ব্যতিক্ৰমী পদক্ষেপ। যোৱা ১৫ মে'ত চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ উদ্যোগত গাঁওখনৰ ষাঠিৰোৰ্ধ্বৰ সৰ্বস্তৰৰ প্ৰতিগৰাকী জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে আয়োজন কৰে অন্তৰংগ আলাপ আৰু ব'হাগী বিদায় অনুষ্ঠান। তদুপলক্ষে উক্তদিনা পুৱা স্থানীয় নামঘৰত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানৰ পিছতে পুৱা ৯ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি গাঁওখনৰ সমাজ-জীৱনৰ আধ্যাত্মিক পীঠস্থান নামঘৰত অনুষ্ঠিত হোৱা ব'হাগী বিদায় আৰু সম্বৰ্ধনা তথা অন্তৰংগ আলাপ অনুষ্ঠানত সভাপতিত্ব কৰে চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ সভাপতি, সমাজকৰ্মী পবিত্ৰ ভৰালীয়ে। চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ সম্পাদক, কণ্ঠশিল্পী বিমান হাজৰিকাই আঁত ধৰা অনুষ্ঠানত একশৰণ ভাগৱতী সমাজৰ তিতাবৰ জিলা পালনাম আচাৰ্য তথা সমগ্ৰ অঞ্চলটোৰ চিৰনমস্য ব্যক্তি ধৰ্মপ্ৰাণ যদুৰাম দাস আতাক গাঁওৰক্ষী বাহিনীৰ সমূহ সদস্য আৰু গুণমুগ্ধই গুৱা-পাণসহ ফুলাম গামোচা আৰু সঁফুৰাৰে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰি আশীৰ্বাদ বিচাৰে। ইয়াৰ পিছতে গাঁওখনৰ প্ৰতিগৰাকী ষাঠিৰোৰ্ধ্বৰ বয়োজ্যেষ্ঠ-বয়োজ্যেষ্ঠাক গুৱা-পাণ আৰু অৰিহণাসহ সেৱা জনাই ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তিতাবৰ বিধান সভা সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা আৰু সদৌ অসম অনুসূচিত জাতি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা অগ্ৰণী সমাজকৰ্মী দীপাংকৰ হাজৰিকাক সম্বৰ্ধনা-পত্ৰ, ফুলৰ তোৱা আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানৰ মুখ্য অতিথি তথা সম্বৰ্ধিত ব্যক্তি ক্ৰমে বিধায়ক ভাস্কৰজ্যোতি বৰুৱা আৰু সদৌ অসম অনুসূচিত জাতি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দীপাংকৰ হাজৰিকাই ভাষণ প্ৰদান কৰি অঞ্চলটোৰ সমাজ-জীৱন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ ভূমিকাৰ লগতে অঞ্চলটোৰ ঐক্য-সম্প্ৰীতি আৰু সমাজৰ উন্নয়নৰ বিভিন্ন দিশৰ বিষয়ে পৰামৰ্শ প্ৰদান কৰে। পালনাম আচাৰ্য তথা সৰ্বজন পৰিচিত অঞ্চলটোৰ চিৰনমস্য ধৰ্মপ্ৰাণ যদুৰাম দাস আতাই গাঁওৰক্ষী বাহিনীৰ সদস্যবৃন্দৰ লগতে অঞ্চলটোৰ নৱপ্ৰজন্মক আশীৰ্বাদ প্ৰদানেৰে তত্ত্বগধুৰ ভাষণ আগবঢ়াই সকলোকে মুগ্ধ কৰে। একশৰণ ভাগৱতী সমাজ, শ্ৰীমন্ত শংকৰদেৱ সংঘ আদিৰ উপৰি ব্ৰাহ্মণ্যবাদ কৰ্মকাণ্ডত বিশ্বাসী গাঁওখনৰ প্ৰতিটো ধৰ্মীয় পন্থাৰ নীতি-আদৰ্শত বিশ্বাসী ভকত-বৈষ্ণৱ তথা পৰিয়ালৰ সমূহ সদস্য-সদস্যাৰ উপস্থিতিত ধৰ্মপ্ৰাণ যদুৰাম দাস আতা, ৰত্নেশ্বৰ দাস, যজ্ঞেশ্বৰ দাস, অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু দেৱেশ্বৰ হাজৰিকা প্ৰমুখ্যে বৰ্ষীয়ান ব্যক্তিসকলে এৰি অহা দিনৰ স্মৃতি ৰোমন্থনেৰে অনুষ্ঠিত অন্তৰংগ আলাপ অনুষ্ঠানত গাঁওখনৰ উপৰি নামঘৰ, শিক্ষানুষ্ঠান, যুৱ সংঘ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু গাঁওখনত বসবাস কৰা বংশাৱলীসমূহৰ ইতিবৃত্ত সম্পৰ্কে জ্যেষ্ঠসকলে বৰ্ণনা কৰি উপস্থিত শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকলৰ মন-মগজু অনুসন্ধিৎসু আৰু উৎকৰ্ষ সাধনেৰে অনেক নজনা কথাৰ তথ্য প্ৰদান কৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবে সমল আগবঢ়াই উপকৃত কৰে। ব'হাগী বিদায় উদ্‌যাপনৰ ৰং-ৰহইচ আৰু আধ্যাত্মিক পৰিৱেশেৰে বিৰাজমান আৰু গাঁওখনত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা অগতানুগতিক আৰু ব্যতিক্ৰমী অনুষ্ঠানতে ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত সম্প্ৰীতি ৰাগিণী হাজৰিকা, দ্বিতীয় কৃষ্ণা দাস, তৃতীয় অংশুমান হাজৰিকা আৰু দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকণ প্ৰতিযোগিতাৰ ক্ৰমে ক শাখাত প্ৰথম স্থানপ্ৰাপ্ত সমীৰণ দাস, দ্বিতীয় প্ৰস্তুতি কুৰ্মী আৰু তৃতীয় জিজ্ঞাসা জ্যোতি হাজৰিকা, খ শাখাত প্ৰথম স্থানপ্ৰাপ্ত কৃষ্ণা দাস, দ্বিতীয় অংশুমান হাজৰিকা আৰু তৃতীয় প্ৰাপ্তি শইকীয়াক মানপত্ৰসহ পুৰস্কাৰ প্ৰদানৰ উপৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগীকে উদ্‌গনিমূলক উপহাৰ প্ৰদানেৰে উৎসাহিত কৰে। চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ সভাপতি পবিত্ৰ ভৰালীয়ে বক্তব্য আগবঢ়োৱা অনুষ্ঠানত চাপৰিচুক গাঁওৰক্ষী বাহিনীৰ সম্পাদক তথা নামচুঙী গাঁও পঞ্চায়তৰ উপ-সভাপতি বিমান হাজৰিকাই অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলা গাঁওৰক্ষী বাহিনীৰ সমূহ সদস্য তথা গাঁওবাসীক কৃতজ্ঞতা আৰু শলাগ জ্ঞাপনৰ লগতে বৰ্ষীয়ানসকলক সেৱা নিবেদন কৰে।

### স্বীকৃতি বাতিল হোৱা সন্থাক নাকী লগালে ক্ৰীড়া বিভাগে

# দল নিৰ্বাচন আৰু বিদেশলৈ খেলুৱৈ প্ৰেৰণতো অধিকাৰ হেৰুৱাব

**নতুন দিল্লী, ১৮ মে' ঃ** ভাৰতৰ স্বীকৃতি বাতিল হোৱা ক্ৰীড়া ফেডাৰেচনবোৰে বিদেশলৈ দল প্ৰেৰণ কৰিব নোৱাৰিব । চৰকাৰৰ সিদ্ধান্ত অনুসৰি এনেবোৰ ফেডাৰেচনে ঘৰুৱা বা আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত দেশৰ পতাকাও প্ৰদৰ্শন কৰিব নোৱাৰিব । জালিয়াতি কৰা বুলি উঠা অভিযোগৰ ভিত্তিত স্কুল গেমছ ফেডাৰেচন অৱ ইণ্ডিয়া নামৰ ক্ৰীড়া সংগঠনটোৱে ভাৰত চৰকাৰৰ প্ৰতীক আৰু ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ লগ' ব্যৱহাৰ কৰিছে । উল্লেখ্য যে ১৪-২২ মে'ত ফ্ৰাঞ্চৰ নৰমানদিত হ'বলগীয়া ১৯ সংখ্যক আই এছ এফ বিশ্ব স্কুল জিমনাছিয়াদৰ বাবে ছাত্ৰ- ছাত্ৰীৰ পৰা ধন সংগ্ৰহ কৰিবলৈ ৰাষ্ট্ৰীয় প্ৰতীক আৰু ছাইৰ লগ' ব্যৱহাৰ কৰিছিল সন্থাটোৱে। জানিব পৰা মতে, স্বীকৃতি বাতিল হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনবোৰ বা নিলম্বিত হোৱাৰ পথত থকা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দৰে সংগঠনবোৰ এতিয়া সমস্যাত পৰিছে । এনে ফেডাৰেচনবোৰ পৰিচালনা কৰা সম্পৰ্কত চৰকাৰৰ নিৰ্দেশ জাৰি হোৱাৰ লগে লগে এক অচলাৱস্থাই বিৰাজ কৰিব । সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে চৰকাৰৰ ক্ৰীড়া বিধি অমান্য কৰিছে । কাৰণ সংগঠনটোৰ সভাপতি প্ৰফুল পেটেলে এই পদত ১২ বছৰ সম্পূৰ্ণ কৰিলে । তেওঁ এতিয়া এই পদত থকাৰ যুক্তি যুক্ততা নাই । বৰ্তমান কাৰাটে, ভলীবল, হেণ্ডবল, টাইকোৱানডো আৰু ৰাষ্ট্ৰীয় স্কুল গেমছ ফেডাৰেচনৰ স্বীকৃতি ক্ৰীড়া মন্ত্ৰালয়ে বাতিল কৰিছে । আন কেইবাটাও ক্ৰীড়া সংগঠনক সাময়িক স্বীকৃতিহে প্ৰদান কৰা হৈছে । এই সংগঠনবোৰে কেন্দ্ৰীয় চৰকাৰৰ ২০১১ ৰ ক্ৰীড়া বিধি অনুসৰি সংবিধান সংশোধন অথবা বুজা পৰাৰ চুক্তি কৰিব লাগিব । চলিত মাহৰ শেষৰ ফালে চৰকাৰে ক্ৰীড়া সংগঠনবোৰক নতুন নিৰ্দেশাৱলী জাৰি কৰাৰ কথা । ইয়াৰ পাছতহে এনে ধৰণৰ ৰাষ্ট্ৰীয় সংগঠনবোৰে খেলুৱৈ নিৰ্বাচন বা বিদেশলৈ দল প্ৰেৰণৰ অধিকাৰ লাভ কৰিব । ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনবোৰে পুনৰ স্বীকৃতি লাভ বা নিলম্বনৰ নিৰ্দেশ প্ৰত্যাহাৰ কৰিলেহে এই অধিকাৰবোৰ লাভ কৰিব ।

### ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত কলিয়াবৰৰ কাৰাটেকাৰৰ বৃহৎ সাফল্য

# তিনিটা সোণ, পাঁচটা ৰূপ আৰু তেৰটা ব্ৰঞ্জৰ পদক লাভ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কলিয়াবৰ, ১৮ মে' ঃ** ভাৰতীয় কাৰাটে প্ৰতিযোগিতাত উজ্জ্বলিল অসমক প্ৰতিনিধিত্ব কৰা কলিয়াবৰৰ প্ৰতিযোগী। ৩য় ভাৰত কে. ডব্লিউ. এফ. অপেন ফুল কণ্টে" কাৰাটে চেম্পিয়শ্বীপত এই সফলতা অৰ্জন কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত এই কাৰাটে প্ৰতিযোগিতাত তিনিটা সোণ, পাঁচটা ৰূপ আৰু ১৩টা ব্ৰঞ্জৰ পদক লাভ কলিয়াবৰৰ প্ৰতিযোগীৰ। প্ৰশিক্ষক বিপ্ৰ কুমাৰ শইকীয়াৰ নেতৃত্বত যোৱা টীমটোৱে গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত এই কাৰাটে চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰে কলিয়াবৰৰ ত্ৰিশ গৰাকী প্ৰতিযোগীয়ে। অসমক প্ৰতিনিধিত্ব কৰি কলিয়াবৰৰ পৰা অংশগ্ৰহণ কৰা প্ৰতিযোগীয়ে তিনিটা শাখাত তিনিটা সোণৰ পদক লাভ কৰে। ৯ বছৰ অনুৰ্দ্ধত দুটাকৈ বিভাগত অংশীপ্ৰিয়ম আহমেদে দুটা সোণৰ পদক লাভ কৰাৰ লগতে ১৩ বছৰ অনুৰ্দ্ধ শাখাত সংকল্প বৰাই লাভ কৰে এটা সোণৰ পদক। আনহাতে, এই কাৰাটে চেম্পিয়নশ্বিপৰ ভিন্ন শাখাত ৫ টা ৰূপ আৰু ১৩টা ব্ৰঞ্জৰ পদক লাভ কলিয়াবৰৰ প্ৰতিযোগীৰ। উল্লেখ্য যে, ব্লেকবেল্টধাৰী প্ৰশিক্ষক বিপ্ৰ কুমাৰ শইকীয়াৰ নেতৃত্বত কঠোৰ অনুশীলন কৰি সফলতা অৰ্জন কৰিছে কলিয়াবৰৰ কাৰাটে দলটিৱে।

# ভলীবল খেলুৱৈ প্ৰদীপ দাসৰ অকাল বিয়োগ

**গুৱাহাটী, ১৮ মে' ঃ** নলবাৰী জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক, সুদক্ষ ভলীবল খেলুৱৈ প্ৰদীপ দাসৰ (৪৯) কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি হয়। উল্লেখ্য যে সোনকানি গাঁৱত জন্মগ্ৰহণ কৰা দাসৰ অকাল মৃত্যুত বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। যোৱা কিছুদিনৰ পৰা সুদক্ষ ভলীবল খেলুৱৈ গৰাকীয়ে যকৃত আৰু তেজৰ ৰোগত ভুগি গুৱাহাটী আয়ুৰচন্দ্ৰা হস্পিতালত চিকিৎসাধীন হৈ আছিল। দাসে ভলীবল খেলাৰ উপৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জৰিত আছিল। কিছুবছৰ তেওঁ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ঠিকা কৰি জীৱন নিৰ্বাহ কৰিছিল যদিও শেহতীয়াকৈ তেওঁ অঞ্চলটোৰ গো-পূজা চকত গেলামাল দোকানৰ ব্যাৱসায় কৰি পৰিয়াল পোহ-পাল দিছিল। অতি মিষ্টভাষী তথা সৰবৰহী দাসৰ নশ্বৰ দেহ বিয়লি ওপজা গাওঁ সোনকানি পোৱাৰ পিছতে অসংখ্য গুণমুগ্ধ আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। খেলুৱৈ গৰাকীৰ মৃত্যুত সোনকানি আদৰ্শ গাওঁ উন্নয়ন সমিতি, শ্বহীদ মুকুন্দ কাকতি স্মৃতি সংঘ, বৰবৰী আঞ্চলিক ছাত্ৰ সন্থা, গো পূজা ব্যাৱসায়ী সন্থা, গো পূজা থান উন্নয়ন সমিতি, গ্ৰাম্য বিকাশ মঞ্চ, শৈশৱ বিদ্যাপীঠ আদি ভালেমান অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

# অসম ৰ'ক এণ্ড স্প'ৰ্টছ ক্লাইম্বিং সন্থাইৰ দ্বাৰা অসম এভাৰেষ্ট ডে' পালন

**গুৱাহাটী, ১৮ মে' ঃ** অসম ৰ'ক এণ্ড স্প'ৰ্টছ ক্লাইম্বিং সন্থাই আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজন কৰে অসম এভাৰেষ্ট ডে' শীৰ্ষক এক অনুষ্ঠান। উল্লেখ্য যে ২০১৩ ৰ আজিৰ দিনটোতে (১৮ মে') অসম সন্তান তৰুণ শইকীয়াই প্ৰথম অসমীয়াৰূপে পৃথিৱীৰ সৰ্বোচ্চ শিখৰ মাউন্ট এভাৰেষ্ট আৰোহন কৰিছিল। আজি ১০ বছৰত ভৰি দিলে সেই ঐতিহাসিক সাফল্যই। সেয়ে অসম ৰ'ক এণ্ড স্প'ৰ্টছ ক্লাইম্বিং সন্থাই ৰাজ্যৰ সকলো পৰ্বতাৰোহীক একত্ৰিত কৰি প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম এভাৰেষ্ট ডে'। আজিৰ এই অনুষ্ঠানত তৰুণ শইকীয়াইৰ লগতে সম্বৰ্ধনা জনোৱা হয় ২০১৩ ৰ ২৪ মে'ৰ দ্বিতীয়জন অসমীয়াৰূপে এভাৰেষ্টৰ শীৰ্ষ বিন্দুত থিয় হোৱা মনীষ কুমাৰ ডেকা, ২০১৬ ত পুনৰ এভাৰেষ্টত উঠা চাৰি অসম সন্তান নন্দ দুলাল দাস, খৰছিং টেৰাং, ডেভিদ হেনৰী টেৰাং আৰু নৱ ফুকনকো। প্ৰতিগৰাকীয়ে নিজৰ সাফল্যৰ ৰোমাঞ্চকৰ ঘটনা আকৌ এবাৰ ৰোমন্থন কৰে প্ৰথম অসম এভাৰেষ্ট ডে'ৰ ব্যতিক্ৰম অনুষ্ঠানটোত। উক্ত সভাত অতিথিৰূপে উপস্থিত থাকে দূৰ্লভ চমুৱা, প্ৰদীপ কুমাৰ, সুবোধ মল্ল বৰুৱা, নিতুমনি শইকীয়া, অজিত কলিতা, অৰ্চনা ভট্টাচাৰ্য, প্ৰান ভাগৱতী, জিযুং বৰুৱা, বিক্ৰম বড়ো, অনুপম নাথ আদি।

### আন্তঃজিলা ছিনিয়ৰ-জুনিয়ৰ ৰাগবী প্ৰতিযোগিতাৰ প্ৰস্তুতি

**গুৱাহাটী, ১৮ মে' ঃ** অসম ৰাগবী সন্থাৰ উদ্যোগত আৰু নলবাৰী ক্ৰীড়া সন্থাৰ তত্বাবধানত অহা ১৯ মে'ত নলবাৰীৰ চৰকাৰী গৰ্ডন স্কুল খেলপথাৰত আয়োজন কৰা হৈছে ছিনিয়ৰ আৰু জুনিয়ৰ আন্তঃজিলা ৰাগবী প্ৰতিযোগিতা । ইতিমধ্যে সোমবাৰৰ পৰাই নলবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত গৰ্ডন স্কুল খেলপথাৰত বজালী, বঙাইগাওঁ, বাগসা, তামুলপুৰ, নলবাৰী, চৰাইদেউ, কামৰূপ মহানগৰ আৰু ওডালগুৰি জিলাৰ ল'ৰা-ছোৱালী উভয় শাখাৰে খেলুৱৈসকলৰ অনুশীলন আৰম্ভ কৰিছে। উক্ত প্ৰতিযোগিতাৰ পৰাই আগন্তুক ৰাষ্ট্ৰীয় ৰাগবী প্ৰতিযোগিতাৰ বাবে ৰাজ্যিক খেলুৱৈৰ দল বাছনি কৰা হ'ব বুলি নলবাৰী ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে জনাইছে।

### আই বি এ মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপ

# ফাইনেলত ভাৰতৰ নিখাট জাৰিন



**নতুন দিল্লী, ১৮ মে' ঃ** ইস্তানবুলত চলি থকা আই বি এ মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ দ্বাদশ সংস্কৰণত ভাৰতৰ তিনি বক্সাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি পদক লাভ কৰাটো নিশ্চিত কৰিছিল যদিও আজি হোৱা ছেমিফাইনেলত এগৰাকীয়ে জয়ী হোৱাৰ বিপৰীতে দুগৰাকী পৰাস্ত হৈ ব্ৰঞ্জ পদকতে সন্তুষ্ট থাকে। উল্লেখ্য যে মহিলাৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ নিষাত জাৰীণে খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছে । ৫২ কেজি ওজন শাখাত নিষাতে ছেমি ফাইনেলত ৫-০ ব্যৱধানত পৰাস্ত কৰে ব্ৰাজিলৰ প্ৰতিদ্বন্দীক । অন্তিম চাৰিৰ যুঁজত নিষাতে চেৰলিন দি আলমেদাক কোনো সুযোগ নিদিয়াকৈ পৰাস্ত কৰে । ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত নিষাতে ইংলেণ্ডৰ চাৰ্লি ডেভিচনক ৫-০ ব্যৱধানত পৰাস্ত কৰি পদক নিশ্চিত কৰিছিল । অন্তিম দুইত প্ৰবেশৰ লগে লগে নিষাতে এই সন্মানজনক টুৰ্ণামেণ্টত খিতাপ জয়ৰ পৰা মাত্ৰ এখোজ দূৰত্বত অৱস্থান কৰিছে । কিন্তু আজি ছেমিত পৰাস্ত হয় মনিষা আৰু পাৰবিন। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমি ফাইনেলত স্থান লাভেৰে বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ হৈ প্ৰথমটো পদক নিশ্চিত কৰিছিল নিখাট জাৰীনে। ইংলেণ্ডৰ চাৰ্লি-ছিয়ান টেইলৰ ডেভিছনৰ বিৰুদ্ধে ৫-০ ৰ ব্যৱধানত জয়ী হয় নিখাত। তেলেংগানাৰ ২৫ বছৰীয়া বক্সাৰ গৰাকীয়ে পুনৰবাৰ নিজৰ অনন্য প্ৰদৰ্শনেৰে ৫২ কেজি কোৱাৰ্টাৰ ফাইনেলত এক আকৰ্ষণীয় জয়েৰে এইবাৰৰ প্ৰতিযোগিতাত দেশখনক প্ৰথমটো পদক অৰ্পণ কৰে। আজি ছেমিফাইনেলত ব্ৰাজিলৰ কেৰ'লিন ডি আলমেইডাৰ বিৰুদ্ধেও সহজে জয়ী হয় নিখাট। ইফালে, ভাৰতৰ মনিষাই আন এক কোৱাৰ্টাৰ ফাইনেলত উজবেকিস্তানৰ ছিটোৰা টুৰ্ডিবেকোভাক ৪-১ ত পৰাস্ত কৰি ছেমিত প্ৰৱেশ কৰিপদক লাভ কৰাটো নিশ্চিত কৰিছিল। কিন্তু আজি ইটালীৰ ইৰমা টেষ্টাৰ বিৰুদ্ধে পৰাস্ত হয় মনিষাই। আনহাতে, ভাৰতৰ তৃতীয়টো পদক নিশ্চিত কৰা ৬৩ কিলোগ্ৰাম শাখাত খেলা পাৰবিন কিন্তু আজি ছেমিত পৰাস্ত হয়।

# দল নিৰ্বাচনৰ বাবে কমিটী গঠন ঃ ছাই ফেডাৰেছনৰ শাস্তি ক্ৰীড়াবিদে নাপায়

**নতুন দিল্লী, ১৮ মে' ঃ** আসন্ন এছিয়ান গেমছ পিছুৱাই গৈছে যদিও চলিত বছৰতে কমৱেলথ গেমছ অনুষ্ঠিত হ'ব । এনে ক্ষেত্ৰত খেলুৱৈৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ কাৰণে ক্ৰীড়া মন্ত্ৰালয়ে জুডো আৰু ভলীবলৰ ক্ষেত্ৰত যাতে নিৰ্বাচন প্ৰক্ৰিয়া সঠিকভাৱে অনুষ্ঠিত হয় তাৰ বাবে প্ৰাক্তন খেলুৱৈক লৈ কমিটী গঠন কৰিছে । স্বীকৃতি বাতিল হোৱা ক্ৰীড়া ফেডাৰেচনবোৰৰ দ্বাৰা যাতে খেলুৱৈসকল প্ৰতাৰিত হ'বলগা নহয় তাৰ বাবে ক্ৰীড়া মন্ত্ৰালয় অধিক সতৰ্ক হৈছে । নিলম্বিত ক্ৰীড়া ফেডাৰেচনৰ অধীনৰ খেলুৱৈয়ে চৰকাৰী চাকৰি লাভ কৰাৰ পৰাও বঞ্চিত হ'ব । ভাৰতীয় ভলীবল ফেডাৰেচনৰ স্বীকৃতি বাতিল হোৱাত খেলুৱৈৰ বাচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া কমিটীত স্থান লাভ কৰিছে প্ৰাক্তন ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ তথা অৰ্জুন বঁটা বিজয়ী পি ভি ৰামান্না আৰু ভাৰতৰ প্ৰাক্তন ভলীবল দলৰ অধিনায়ক অসম সন্তান অভিজিৎ ভটাচাৰ্যই । কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, সামৰিক বাহিনী আদিকো সচেতন কৰি দিছে - যাতে খেলুৱৈসকল বঞ্চিত হ'বলগা নহয় । স্বীকৃতি বাতিল হোৱা ক্ৰীড়া ফেডাৰেচনবোৰৰ দ্বাৰা আয়োজিত নিৰ্বাচন প্ৰক্ৰিয়াত যাতে খেলুৱৈ আৰু প্ৰশিক্ষকে অংশগ্ৰহণ নকৰে সেই বিষয়েও সতৰ্ক কৰি দিয়া হৈছে । মুঠ কথা হ'ল— কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া বিধি উলংঘা কৰা ক্ৰীড়া ফেডাৰেচনবোৰৰ বিপদ ঘনীভূত । কোনো নীতি নিয়ম নোহোৱাকৈ ক্ৰীড়া সংগঠন চলাই থকা বা বছৰৰ পাছত বছৰ ধৰি সভাপতি, সম্পাদকৰ দৰে পদ খামুচি থকা তথাকথিত ক্ৰীড়া সংগঠকসকল সাৱধান হ'বৰ হ'ল।

# ডপিং ব্যৰ্থতাৰ বাবে আই চি চিৰ দ্বাৰা নিলম্বিত হ'ল দক্ষিণ আফ্ৰিকাৰ বেটছমেন জুবাইৰ হামজা

### ন মাহ আঁতৰি থাকিব খেলপথাৰৰ পৰা



**নতুন দিল্লী, ১৮ মে' ঃ** দক্ষিণ আফ্ৰিকাৰ বেটছমেন জুবাইৰ হামজাই আ চি চিৰ এণ্টি ড'পিং নিয়ম উলংঘা কৰা বুলি স্বীকাৰ কৰাৰ পিছত মঙলবাৰে আই চি চিয়ে তেওঁক ক্ৰিকেট সম্পৰ্কীয় সকলো কাৰ্যকলাপৰ পৰা ন মাহৰ বাবে নিলম্বন কৰিছে। উল্লেখ্য যে হামজাই ২০২২ চনৰ ১৭ জানুৱাৰীত দক্ষিণ আফ্ৰিকাৰ পাৰ্লত এটা প্ৰতিযোগিতাত অন্তৰ্ভুক্ত নথকা নমুনা পোৱা গৈছিল, য'ত নিষিদ্ধ পদাৰ্থ ফুৰ'চেমাইড আছিল। এয়া ২০২২ চনৰ ৱাডাৰ নিষিদ্ধ তালিকাৰ ধাৰা এটা নিৰ্দিষ্ট পদাৰ্থ । তেওঁ পাছত নিয়ম উলংঘাক কথা স্বীকাৰ কৰে। অৱশ্যে তেওঁৰ ফালৰ পৰা কোনো দোষ বা গাফিলতি প্ৰতিষ্ঠা নকৰাৰ বাবে ন মাহৰ অযোগ্যতাৰ সময়সীমা জাৰি কৰা হৈছে। সেই অনুসৰি ২০২২ চনৰ ২২ মাৰ্চলৈ পিছুৱাই দিয়া হৈছে, যি তাৰিখে হামজাই সাময়িক নিলম্বন গ্ৰহণ কৰিছিল। এই নিলম্বনৰ প্ৰভাৱ হ'ল হামজাই ২০২২ চনৰ ২২ ডিচেম্বৰত ক্ৰিকেটলৈ ঘূৰি অহাৰ যোগ্যতা অৰ্জন কৰিব। তদুপৰি ২০২২ চনৰ ১৭ জানুৱাৰীৰ পৰা ২২ মাৰ্চৰ ভিতৰত হামজাৰ ব্যক্তিগত সকলো প্ৰদৰ্শন অযোগ্য ঘোষণা কৰা হৈছে। ২৬ বছৰীয়া ক্ৰিকেটাৰজনে এতিয়ালৈকে দক্ষিণ আফ্ৰিকাৰ হৈ ছখন টেষ্ট আৰু এখন এদিনীয়া খেল খেলিছে।

# ফুটবল ৰেফাৰীৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষা

**গুৱাহাটী, ১৮ মে' ঃ** অসম ফুটবল সন্থাৰ ৰেফাৰী বোৰ্ডৰ উদ্যোগত গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, সৰুসজাইত অনুষ্ঠিত ৰেফাৰীসকলৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত নলবাৰী ক্ৰীড়া সন্থাৰ ৰেফাৰী বোৰ্ডৰ পৰা ১৫ গৰাকী ফুটবল ৰেফাৰীয়ে অংশগ্ৰহণ কৰি আটাইকেইজনেই পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছে । শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত উত্তীৰ্ণ ৰেফাৰীসকল হ'ল - হীৰেণ বৰ্মন, জয়ন্ত দত্ত, দুলু তালুকদাৰ, গকুল দাস, নৰজিৎ কলিতা, জাবেৰ আলী, অৰূপ হালৈ, দীপক ৰাজবংশী, বিশ্বজিৎ ভুএগ্ৰা, ৰাজীৱ দত্ত, জেহৰুল ইছলাম, মইদুল আলী, ভাস্কৰ কলিতা, ভূপেন তালুকদাৰ আৰু সংগীতা কলিতা । পৰীক্ষক হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় ফুটবল ৰেফাৰী, অসম ফুটবল সন্থাৰ ৰেফাৰী বোৰ্ডৰ ৰেফাৰী এছেচৰ তথা নলবাৰী ক্ৰীড়া সন্থাৰ ৰেফাৰী বোৰ্ডৰ সম্পাদক গৌতম কলিতা।


# প্ৰিন্স কাশ্যপৰ ব্ৰঞ্জ পদক লাভ

**গুৱাহাটী, ১৮ মে' ঃ** অলপতে গুৱাহাটীৰ সোণাপুৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ২৮ সংখ্যক সদৌ অসম মুৱাই থাই ২০২২ প্ৰতিযোগিতাত যোৰহাট জিলাৰ হৈ অংশগ্ৰহণ কৰা কুৱালগুৰি বৰুৱাবামুনগাৱৰ প্ৰিন্স কাশ্যপে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ ছাব-জুনিয়ৰ শাখাত ২৮ কেজি শাখাত এই কৃতিত্ব অৰ্জন কৰি ব্ৰঞ্জৰ পদকৰ লগতে মানপত্ৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে প্ৰিন্স কাশ্যপ দেৰগাও ডনবস্ক হাইস্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আৰু কুৱালগুৰি নিবাসী প্ৰাঞ্জল প্ৰতিম দত্ত আৰু সুৰভি দত্তৰ একমাত্ৰ পুত্ৰ।

### গোলাঘাট প্ৰ' কিক্ বক্সিং আৰু বক্সিং এছ'চিয়েচনৰ প্ৰশিক্ষণ শিবিৰৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডেৰগাঁও, ১৮ মে' ঃ** গোলাঘাট প্ৰ' কিক্ বক্সিং আৰু বক্সিং এছচিয়েছনৰ উদ্যোগত ২১ আৰু ২২ মে'ত দেৰগাঁৱৰ সমীপবৰ্তী অঞ্চলৰ বাঁহগুৰি হোলী গ্ৰেইছ স্কুলৰ প্ৰাংগণত দুদিনীয়াকৈ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে । কিক্ বক্সিং আৰু বক্সিঙৰ ওপৰত হবলগীয়া প্ৰশিক্ষণ শিবিৰটিত অসম কিক্ বক্সিং আৰু বক্সিং এছচিয়েছনৰ সভাপতি, অসম মুৱাই থাই কাউঞ্চিলৰ কাৰ্যকৰী সভাপতিৰ লগতে কেইবাগৰাকীও ৰাজ্যিক প্ৰশিক্ষকে অংশগ্ৰহণ কৰিব। শিৱিৰটোত সকলো ক্ৰীড়া প্ৰেমীৰ উপস্থিতিৰ লগতে সহযোগিতা কামনা কৰিছে গোলাঘাট প্ৰ' কিক্ বক্সিং আৰু বক্সিং এছচিয়েছনৰ সভাপতি প্ৰমানন্দ পাছুঙে।

# আই পি এলত পুনৰ যশপ্ৰীত বুমৰাহৰ অভিলেখ



**মুম্বাই ১৮ মে' ঃ :** যশপ্ৰীত বুমৰাহে ক্ৰিকেট বিশ্বত ৰোপন কৰিলে মাইলৰ খুটি । পুনৰ ক্ৰিকেটৰ মহাতাৰকা যশপ্ৰীত বুমৰাহ অভিলেখ । চলিত আইপিএলত বলিঙত উজ্বলিল বুমৰাহ। উল্লেখ্য যে টি-২০ ত ২৫০ টা উইকেট কৰা ভাৰতীয় বলাৰৰ কৃতিত্ব অৰ্জন কৰিলে বুমৰাহে । সগৌৰৱেৰে মহাৰাষ্ট্ৰত অব্যাহত আছে এই ছিজনৰ আই পি এল । ১০ টাকৈ দলে মৈদানত উজাৰি দিছে নিজৰ শ্ৰেষ্ঠত্ব । প্লে অফত প্ৰৱেশৰ বাবে তুমুল যুঁজ দিছে দলসমূহে । তাৰকা বলাৰ যশপ্ৰীত বুমৰাহ মুম্বাই ইণ্ডিয়ানছৰ এগৰাকী নিৰ্ভৰযোগ্য খেলুৱৈ । মংগলবাৰে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে এনে এখন হাইভল্টেজ মেচত অৱতীৰ্ণ হ'ল ৰোহিত শৰ্মাৰ নেতৃত্বৰ মুম্বাই ইণ্ডিয়ানছ । সুখৰ বিষয়টো এয়াই যে ছানৰাইজাৰ্ছৰ বিৰুদ্ধে এই মেচতে ভাৰতীয় পেচাৰ গৰাকীয়ে অৰ্জন কৰিলে এক বিৰল কৃতিত্ব । ভাৰতীয় বলাৰ হিচাপে ২৫০ টা উইকেট দখল কৰা প্ৰথমগৰাকী বলাৰ হোৱাৰ অভিলেখ ৰচিলে যশপ্ৰীত বুমৰাহে । উল্লেখযোগ্য যে, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ দুৰ্ধৰ্ষ বেটাৰ ৱাশ্বিংটন সুন্দৰৰ উইকেট দখল কৰাৰ লগে লগে এই কৃতিত্বৰ অধিকাৰী হ'ল বুমৰাহ । কেন উইলিয়ামচন নেতৃত্বৰ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ইনিংছৰ অন্তিমটো বলত এই অভিলেখৰ গৰাকী হ'ল জনপ্ৰিয় ক্ৰিকেটাৰ গৰাকী । উল্লেখযোগ্য যে, বুমৰাহৰ পাছতে তালিকাৰ দ্বিতীয় স্থানত আছে আনগৰাকী ভাৰতীয় বলাৰ ভূৱনেশ্বৰ কুমাৰ । ভূৱনেশ্বৰে এই পৰ্যন্ত টি-২০ ত ২২৩ টা উইকেট দখল কৰি দ্বিতীয় স্থান অধিকাৰ কৰিছে ।

**SHORT E-TENDER NOTICE**
**FOR SALE OF CONFISCATED/CONDEMNED VEHICLE UNDER SONITPUR WEST DIVISION, TEZPUR**

This is for general information to all concern that, the confiscated/condemned vehicles lying under various Ranges under Sonitpur West Division, Tezpur are intended to be sold by e-tender. The interested tenderers will participate through the web portal www.assamforestonline.in

The details of eligibility criteria, tender schedule, vehicle details and other terms and conditions are available in the E-Tender Sale Notice which to be purchased and download by the bidders from the above portal from 24-05-2022 (9.30 AM).

**Divisional Forest Officer**
**Sonitpur West Division, Tezpur**

Janasanyog /C/2620/22

No. DHS/NHM/DIB/22-23/TENDER/317/ 321

**NOTICE INVITING TENDER**

Sealed quotations affixing non-refundable court fee stamp of Rs. 8.25/- (Rupees Eight & Twenty Five paise) are hereby invited separately for each work from eligible suppliers/manufacturers/distributors/individuals/firms etc. for following works of DPMI), NHM, Dibrugarh.

1. Supply of office stationeries & Computer consumables.
2. Hiring of vehicle for supervision & Monitoring and Goods/Drugs Transportation.
3. Printing Works.
4. Supply of refreshment for residential & non-residential meeting/training etc.

The details documents having specification, term & conditions etc. can be obtained from the office of the District Programme management unit NHM Dibrugarh situated at O/o The Deputy Commissioner, Dibrugarh on all working day from 18.05.2022 to 26.05.2022 during office hours from 11:00 AM to 03:00 PM.

Sd/-
Jt. DHS & Member Secretary,
District Health Society, Dibrugarh

**Janasanyog /C/2590/22**



গুৱাহাটীৰ ছাই কমপ্লেক্সত অনুষ্ঠিত ফুটবল বাছনি শিবিৰত অংশগ্ৰহণ কৰা একাংশ খেলুৱৈ



কামপুৰত বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি উপস্থিত হয়হি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা। বানাক্ৰান্ত অঞ্চলৰ লগতে ভগ্ন মথাউৰি পৰিদৰ্শন

# 'নিৰ্মালি'ৰ উদ্যোগত ষষ্ঠ বাৰ্ষিক ৰঙালী বিহু সন্মিলনৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৮ মে' ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত ৰঙাজান গাঁও পঞ্চায়ত এলেকাৰ মৰাণ গাঁও (গড়গুৰি)ত প্ৰতিষ্ঠিত সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'নিৰ্মালি'ৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে ১৪ আৰু ১৫ মে'ত ষষ্ঠ বাৰ্ষিক ৰঙালী বিহু সন্মিলন উলহ-মালহেৰে সম্পন্ন হয়। ১৪ মে'ৰ পুৱা বিহুৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি মিনাৰাম গগৈয়ে। স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ উপসভাপতি লোহিত কলিতাই। দিনৰ ১০ বজাৰ পৰা কণী যুঁজ, পিঠা, গামোচা আৰু উৰুলি প্ৰতিযোগিতা সম্পন্ন হয়। বিচাৰক হিচাপে পৰ্যবেক্ষণ কৰে সমাজ সেৱিকা অঞ্জলি বৰুৱাই। স্বৰ্গীয় প্ৰসন্ন কুমাৰ বৰুৱা, স্বৰ্গীয় অনিল কুমাৰ বৰুৱাৰ সোঁৱৰণত 'নিৰ্মালি'ৰ ৰংগমঞ্চ উন্মোচন কৰে গড়গুৰিৰ বিশিষ্ট ব্যৱসায়ী ৰাজেন দত্তই। সুকণ্ঠী গায়িকা ভিতালী দাস সোঁৱৰণী অসমীয়া বিহুসুৰীয়া আৰু বিহুনাচ প্ৰতিযোগিতা উদ্বোধন কৰে শিক্ষয়িত্ৰী মণিশিখা হাজৰিকাই। ১৫ মে'ত দিনৰ ১১ বজাৰ পৰা বিহুনাচ আৰু শিশুসকলৰ হুঁচৰি প্ৰদৰ্শন কৰে। দিনৰ ১ বজাৰ পৰা তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াৰ সঞ্চালনাত বিহু - অতীত, বৰ্তমান আৰু ভৱিষ্যৎ শীৰ্ষক আলোচনাৰ মুকলি সভা উদ্বোধন কৰে যোৰহাটৰ




বেজবৰুৱা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সাংস্কৃতিক কৰ্মী, একালৰ বৰবিহুৱা অতনু কলিতাই। মুকলি সভাত মুখ্য অতিথিৰ ভাষণ দিয়ে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱাই। অভিনেত্ৰী, কবি, কণ্ঠশিল্পী তথা বিহুৱতী মৌচুমী মহন্ত গোস্বামী, যোৰহাটৰ 'নিউজ নাও' চেনেলৰ মুখ্য সম্পাদক উৎপল দাস প্ৰমুখ্যে বিশিষ্ট অতিথিসকলে বিহুৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ সম্পৰ্কত বক্তব্য আগবঢ়ায়। সভাত বিহুনাচত বিশ্বখিতাপ লাভ কৰা বিহুৱতী প্ৰণামী বৰবৰাক আৰু ঢোলৰ ওজা শিশুৰাম বৰাক মঘাই ওজা সোঁৱৰণী নিৰ্মালি' বঁটাৰ বাবে সন্মানিত কৰে। এই সভাতে সমাজলৈ বিভিন্ন দিশত বিভিন্ন ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা প্ৰায় কুৰিজন ব্যক্তিক 'নিৰ্মালি'ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনায়। 'নিৰ্মালি'ৰ মুখ্য সম্পাদক বিনয় কলিতাই আঁত ধৰা অনুষ্ঠানত কেইবাজোৰা হুঁচৰি প্ৰদৰ্শন কৰাৰ উপৰি একক বিহুনাচ, বিহুনৃত্য প্ৰদৰ্শন কৰা হয়। বিহুৱতী প্ৰণামী বৰবৰা আৰু মৌচুমী মহন্ত গোস্বামীয়েও বিহুনাচ প্ৰদৰ্শন কৰি ৰাইজক আমোদ দিয়ে। 'নিৰ্মালি'ৰ সভাপতি পৰমানন্দ দত্ত আৰু সাংস্কৃতিক সম্পাদক অমিতাভ শৰ্মাই কাৰ্যকৰী সভাপতি ৰাজীৱ কুমাৰ গগৈ, যুটীয়া সম্পাদক হেমন্ত গগৈ, মানৱজ্যোতি দাস আৰু উদ্‌যাপন সমিতিৰ উপসভাপতি লোহিত কলিতা, প্ৰদীপ কলিতা, কাৰ্যকৰী সভানেত্ৰী অনিমা দত্ত, সম্পাদিকা ৰুণা দত্ত প্ৰমুখ্যে কৰ্মকৰ্তাসকলে নিয়াৰিকৈ পৰিচালনা কৰা ৰঙালী বিহুৰ সন্মিলনত অঞ্চলটোৰ ৰাইজে বিপুল সহযোগিতা আগবঢ়ায়। মুকলি সভাতে 'নিৰ্মালি'ৰ নামত অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ ৰূপসিং চুবেদাৰৰ পৰিয়ালৰ দ্বাৰা 'নিৰ্মালি' মঞ্চৰ ভূমি প্ৰদান কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

# বঙাইগাঁৱত জাপানীজ এনকেফেলাইটিছ সম্পৰ্কত জিলা টাস্ক ফ'ৰ্চৰ সভা অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ মে' ঃ** বঙাইগাঁও জিলাৰ উপায়ুক্ত নৰদ্বীপ পাঠকৰ সভাপতিত্বত বুধবাৰে উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জাপানীজ এনকেফেলাইটিছ আৰু অন্য এনকেফেলাইটিছজনিত ৰোগ প্ৰতিৰোধ সম্পৰ্কত জিলা টাস্ক ফ'ৰ্চৰ এখন জৰুৰী সভা অনুষ্ঠিত হৈ যায়। সভাত জাপানীজ



এনকেফেলাইটিছ বা আন এনকেফেলাইটিছজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ নহ'বলৈ তদাৰক আৰু নিৰীক্ষণ কৰাৰ লগতে প্ৰতিৰোধ কৰা সম্পৰ্কে উপস্থিত অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) শ্যামল ক্ষেত্ৰ গগৈ, জিলা টাস্ক ফ'ৰ্চৰ অন্তৰ্গত স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, পশুপালন, মীন উন্নয়ন, সমাজ কল্যাণ, শিক্ষা, পৌৰসভা আদি বিভাগৰ বিষয়াসকলৰ লগত পৰ্যালোচনা কৰা হয়। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: পৰমেশ কুমাৰ ৰয়ে কয় যে জাপানীজ এনকেফেলাইটিছ বা অন্য এনকেফেলাইটিছজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ নহ'বৰ বাবে স্বাস্থ্য বিভাগৰ তৰফৰ পৰা পুস্তিকা বিতৰণ আৰু আশাকৰ্মীৰ জৰিয়তে তেওঁলোকৰ এলেকাৰ লোকসকলৰ মাজত সজাগতা সৃষ্টি কৰা হ'ব। জাপানীজ এনকেফেলাইটিছ বা আন এনকেফেলাইটিছজনিত ৰোগ সাধাৰণতে গাহৰিৰ পৰা মানুহৰ গালৈ বিয়পে। গতিকে জিলাখনৰ যি যি অঞ্চলত গাহৰি পালন কৰা হয় সেইবিলাকত গাহৰি পাম বাসগৃহৰ পৰা নিৰ্দিষ্ট দূৰত্বত স্থাপন কৰা আৰু গাহৰিক উক্ত ৰোগৰ প্ৰতিষেধক টিকা প্ৰদান আদিৰে পশুপালন বিভাগৰ তৰফৰ পৰা ব্যৱস্থা কৰা হ'ব বুলি জিলা পশুপালন বিষয়াই জানিবলৈ দিয়ে। আনহাতে উপায়ুক্ত নৰদ্বীপ পাঠকে পৌৰসভাৰ তৰফৰ পৰা পৌৰসভা এলেকাত গধূলি সময়ত ধোঁৱা দিয়া, নলা পৰিষ্কাৰ কৰা আৰু মীন উন্নয়ন বিভাগৰ সহযোগত নলাসমূহত গাপী মাছৰ পোৱালি সিঁচি মহৰ বংশ বৃদ্ধি ৰোধৰ ব্যৱস্থা কৰিবলৈ তেওঁ পৌৰসভাৰ পৌৰপতি আৰু জিলা মীন উন্নয়ন বিষয়াক পৰামৰ্শ দিয়ে। তদুপৰি সমাজ কল্যাণ বিভাগৰ অংগনৱাড়ী কৰ্মীসকলৰ জৰিয়তে কেন্দ্ৰলৈ শিশুসকলক লৈ অহা অভিভাৱকসকলৰ মাজত জাপানীজ এনকেফেলাইটিছ ৰোগৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ উপায়ুক্তগৰাকীয়ে আহ্বান জনায়। লগতে বিদ্যালয়সমূহৰ পৰিদৰ্শকক স্কুলবিলাকত ছাত্ৰ-ছাত্ৰীসকলক জাপানীজ এনকেফেলাইটিছ ৰোগৰ বিৰুদ্ধে সজাগ কৰা আৰু তেওঁলোকৰ জৰিয়তে ওচৰ-চুবুৰীয়াৰ মাজতো এই সম্পৰ্কত সজাগতা সৃষ্টি কৰাৰ বাবে উপায়ুক্তগৰাকীয়ে পৰামৰ্শ দিয়ে। বিভিন্ন বিভাগক লৈ কৰ্মশালা অনুষ্ঠিত কৰা, হাইস্কুল পৰ্যায়ত চেমিনাৰ বা তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা আদিও জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰতিৰোধমূলক ব্যৱস্থা হ'ব পাৰে বুলিও উপায়ুক্ত পাঠকে উল্লেখ কৰে। জিলা টাস্ক ফ'ৰ্চৰ সভাত জিলা মেলেৰিয়া বিষয়া ডাঃ ইমদাদুল ইছলাম খান আৰু জিলা বাহকজনিত ৰোগ পৰামৰ্শদাতা ধ্ৰুৱ চৌধুৰীও উপস্থিত থাকে।

# গোৱালপাৰাৰ ল'ৱাৰ চোটিপাৰা হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বঙাইগাঁও ভ্ৰমণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ মে' ঃ** ভ্ৰমণৰ জৰিয়তে নিজৰ এলেকাৰ বাহিৰৰ ঠাই বা নিকটতম জিলা বা অন্য দেশলৈ ভ্ৰমণে ছাত্ৰ-ছাত্ৰীক বাহিৰৰ পৃথিৱীখনৰ লগত চিনাকি কৰাই দিয়ে আৰু তাৰ দ্বাৰা প্ৰত্যক্ষভাৱে ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আহৰণ কৰে। সেইবাবেই হয়তো শিক্ষা বিভাগৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীক নিজৰ জিলাৰ বাহিৰে আন জিলালৈ ভ্ৰমণলৈ নিয়াৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰে অংশ হিচাপে বুধবাৰে গোৱালপাৰাৰ ল'ৱাৰ চোটিপাৰা হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বঙাইগাঁও জিলা ভ্ৰমণলৈ আহে। উক্ত বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষকজনৰ পৰা জানিব পৰা মতে ৩০ কিলোমিটাৰৰ ভিতৰত পাইকানৰ নিকটৱৰ্তী ল'ৱাৰ চোটিপাৰা হাইস্কুলখনেই এখন স্কুল। গাৰো মাধ্যমৰ (নৱম আৰু দশম- দুটা ক্লাছৰ বাবে কেৱল ইংৰাজী মাধ্যম) বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী ৮০০গৰাকী। চৰকাৰী শিক্ষক ৬ গৰাকী। কমিউনিটী শিক্ষক কেইবাগৰাকী লৈ বিদ্যালয়ৰ শ্ৰেণী চলাই থকা বুলি সহকাৰী প্ৰধান শিক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। এইখন বিদ্যালয়তে বিগত গুণোৎসৱত বহিৰ্মূল্যায়ক হিচাপে আহিছিল অসমৰ মুখ্য সচিব জিষ্ণু বৰুৱা (আই এ এছ)। তেওঁ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে অন্য ঠাইতো দূৰৰ কথা, গোৱালপাৰা চহৰখনো নেদেখা বুলি জানিব পাৰি ছাত্ৰ-ছাত্ৰীসকলক নিকটৱৰ্তী জিলালৈ ভ্ৰমণলৈ নিয়াৰ বাবে পৰামৰ্শ দিয়ে। তাৰেই ফল স্বৰূপে সেই বিদ্যালয়ৰে ১০ গৰাকী ছাত্ৰ-ছাত্ৰী (৮গৰাকী ছাত্ৰী আৰু দুজন ছাত্ৰ) সহকাৰী প্ৰধান শিক্ষক ক্ৰনিকচন ডি মোমিন আৰু এগৰাকী কমিউনিটী শিক্ষয়িত্ৰী( চেবা চাংমা)ৰ সৈতে বঙাইগাঁও জিলালৈ আহে। তেওঁলোকক নেতৃত্ব দিয়ে বালিজানা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অমৰজ্যোতি নাথে। বঙাইগাঁও জিলাৰ আৱৰ্ত ভৱনত উপস্থিত হোৱাত উপায়ুক্ত নৰদ্বীপ পাঠকে তেওঁলোকক আন্তৰিকভাৱে স্বাগতম জনায়। চক্ৰ বিষয়া আৰু শিক্ষক দুগৰাকীক গামোচাৰে সম্বৰ্ধনা জনায় আৰু ছাত্ৰ-ছাত্ৰীসকলক একোটা উপহাৰ দিয়ে। আৱৰ্ত ভৱনত উপায়ুক্তৰ সৈতে উপস্থিত আছিল অতিৰিক্ত উপায়ুক্ত পংকজ চমুৱা আৰু সহকাৰী আয়ুক্ত শ্যামাশ্ৰী শইকীয়া। শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ দলটোৱে আৱৰ্ত ভৱনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ পিছত সহকাৰী আয়ুক্তগৰাকীৰ সৈতে বঙাইগাঁও পৰিৱেশ উদ্যানত থকা পাব্লিক একুৱাৰিয়াম দৰ্শনৰ বাবে যায়। একুৱাৰিয়াম দৰ্শনৰ পিছত তেওঁলোকক বঙাইগাঁও তেল শোধনাগাৰলৈ লৈ যোৱা হয়। তেল শোধনাগাৰ চোৱাৰ পিছত তেওঁলোকে গোৱালপাৰা অভিমুখে প্ৰত্যাৱৰ্তন কৰিব।



নগাঁও বৰকোলা মিনা বজাৰত বানৰ পানীত ভাহি অহা এটি হৰিণা পশু উদ্ধাৰ কৰে ৰাইজে

# বজালীৰ বানপীড়িত অঞ্চলত পশুখাদ্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ১৮ মে' ঃ** আজি পাটাছাৰকুছি সমষ্টিৰ কোচদিগা, ৰূপদিগা, দলৈগাঁও, পিপলা, কাপলা আদিকে ধৰি একাংশ গাঁও কালদিয়া নৈৰ কবলত পৰিছে। সমষ্টিটোত আজিৰ দিনতো বহুখন গাঁও বানৰ কবলত আছে। আজি সমষ্টিৰ বানপীড়িত গাঁওসমূহত প্ৰায় হেজাৰ পশুধনৰ বাবে পশুখাদ্য বিতৰণ কৰে জিলা প্ৰশাসনে। বজালীৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ক্ষেত্ৰ বিষয়া শংকৰ নাথৰ নেতৃত্বত বিভাগটোৰ কৰ্মীসকলে কালি নিশা পাটাছাৰকুছি সমষ্টিৰ গোমূৰাৰ বান পৰিস্থিতি পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয় আৰু বানে উটুৱাই নিয়া বৈদ্যুতিক খুঁটাসমূহ মেৰামতিৰ ক্ষেত্ৰত তৎকালীন ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনায়। ইপিনে কালদিয়া নৈৰ পানী হ্ৰাস পালে ক্ষুদ্ৰ ভালুকীৰ উক্ত মথাউৰি মেৰামতি কৰিব পৰা যাব বুলি মন্তব্য কৰিছে বজালীৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়া নাথে। পাটাছাৰকুছিৰ বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বজালী জিলা প্ৰশাসনক সক্ষম হৈ থাকিবলৈ নিৰ্দেশ দিয়াৰ উপৰি বানপীড়িত ৰাইজক সকলো প্ৰকাৰৰ সহায় কৰা হ'ব বুলি সাংবাদিকক জানিবলৈ দিছে।



কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই আজি ৰঙিয়া মহকুমাৰ অন্তৰ্গত পুঠিমাৰী নদীৰ দুয়োপাৰৰ কেইবাটাও স্থানত নৈখনৰ মথাউৰি পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লয়। মথাউৰিৰ বিপদসংকুল অংশসমূহ অতি ক্ষিপ্ৰতাৰে মেৰামতিৰ ব্যৱস্থা কৰিবলৈ তেওঁ জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত্হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি